H.C.D.G. COLLEGE LIBRARY
No..................
Date..................
Nitaipukhuri, Sibsagar, Assam.

# হেমহাৰ

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়
আলোচনী- ২০১৩-২০১৪ বৰ্ষ



উপদেষ্টা মণ্ডলী

গীতালি শইকীয়া
ড° নিভা দাস

সম্পাদক

প্ৰাঞ্জল গগৈ

প্ৰতি

শ্ৰদ্ধাৰে

শ্ৰীযুত / শ্ৰীযুতা............................................................................................

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী "হেমহাৰ" শ্ৰী প্ৰাঞ্জল গগৈৰ দ্বাৰা সম্পাদিত,
ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত আৰু 'স্পেক্ট্ৰাম অফচেট, শিৱসাগৰ'ত মুদ্ৰিত।

| | |
|---|---|
| সভাপতি | ঃ ড° সঞ্জীৱ বৰগোহাঁই |
| কাৰ্যকৰী সভাপতি | ঃ শ্ৰীযুত শিৱৰঞ্জন শৰ্মা |
| বিভাগীয় উপদেষ্টা | ঃ গীতালী শইকীয়া<br>ড° নিভা দাস |
| সম্পাদক | ঃ প্ৰাঞ্জল গগৈ |
| সদস্য | ঃ গৌতম গগৈ<br>লক্ষ্যজ্যোতি বৰা<br>দিপাংকৰ দিহিঙীয়া |
| অংগসজ্জা | ঃ মানস শইকীয়া, প্ৰাঞ্জল গগৈ,<br>গৌতম গগৈ, লক্ষ্যজ্যোতি বৰা |
| বেটুপাত অংকণ | ঃ লক্ষ্যজ্যোতি বৰা |
| ডি.টি.পি | ঃ মানস জ্যোতি শইকীয়া, বিনয়লোহাৰ |
| মুদ্ৰণ | ঃ স্পেক্ট্ৰাম অফচেট, শিৱসাগৰ |




# উৎসৰ্গা



সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ
ডেৰশ বছৰীয়া জন্মবৰ্ষ (১৮৬৪-২০১৪) উপলক্ষে এইবছৰৰ
হেঃচঃদেঃগোঃ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

"হেমহাৰ"

লক্ষ্মীনাথ বেজবৰুৱাৰ নামত

উৎসৰ্গা কৰা হ'ল।

সম্পাদনা সমিতি

Prof. A.K. Buragohain, Ph.D. (London), DIC
*Vice-Chancellor*

DIBRUGARH UNIVERSITY
DIBRUGARH-786 004
ASSAM, INDIA
Phone: 0373-2370239(O)
Fax : 0373-2370323
e.Mail: alakkrburagohain@gmail.com

Ref. No.DU/VC/M/073/14/ 367

Date: 02.08.2014

## শুভেচ্ছা বাণী

প্রতি

শ্ৰী প্ৰাঞ্জল গগৈ
আলোচনী সম্পাদক
হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় ছাত্ৰ একতা সভা ২০১৩-১৪ বৰ্ষ
নিতাইপুখুৰী, শিৱসাগৰ

মৰমৰ প্ৰাঞ্জল,

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বাৰ্ষিক আলোচনীৰ ২০১৩-১৪ বৰ্ষৰ সংখ্যাটি প্ৰকাশ কৰিবলৈ লোৱাৰ বাবে ইয়াৰ প্ৰকাশ কাৰ্যৰ লগত জড়িত সকলোলৈ অভিনন্দন জনাইছোঁ।

এখন মহাবিদ্যালয়ৰ আলোচনীয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভাক বিভিন্ন ধৰণৰ সৃষ্টিমূলক লিখনিৰ জৰিয়তে প্ৰকাশ কৰাত সহায় কৰাৰ লগতে সমাজখনৰ দৃষ্টিভংগীকো প্ৰতিফলিত কৰে। মই আশা কৰিছো হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ আলোচনীখনিয়েও গল্প, কবিতা, প্ৰবন্ধ ইত্যাৰ্দি প্ৰকাশ কৰাৰ লগতে সমাজখনৰ বাস্তৱ জীৱনৰ ওপৰতো আলোকপাত কৰিব আৰু ছাত্ৰ-ছাত্ৰী সকলক সৰ্বাংগীন বিকাশ সাধনৰ পথ দেখুৱাব পাৰিব।

মহাবিদ্যালয়খনৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীবৃন্দৰ সৃষ্টিমূলক লিখনিৰে হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ আলোচনীৰ ২০১৩-১৪ বৰ্ষৰ সংখ্যাটি সুন্দৰ ৰূপত প্ৰকাশ পাওক, এই কামনাৰে ——

অলক কুমাৰ বুঢ়াগোঁহাই
অলক কুমাৰ বুঢ়াগোঁহাই

---

OFFICE OF THE PRINCIPAL
H.C.D.G. COLLEGE, NITAIPUKHURI
Nitaipukhuri, P.O. Nitaipukhuri - 785671, Dist. S;vasagar (Assam)
03772-227608 (O)

Ref. No. : ...............

Date : ...............

## শুভেচ্ছাবাণী

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ তৰফৰ পৰা ২০১৩-১৪ বৰ্ষৰ বাবে মহাবিদ্যালয়ৰ আলোচনী "হেমহাৰ" খনি প্ৰকাশ কৰিবলৈ প্ৰস্তুতি চলোৱা বুলি জানি নথৈ আনন্দিত হৈছো ।

আলোচনীখনেই ছাত্ৰ-ছাত্ৰী, শিক্ষক শিক্ষয়ত্ৰী আৰু কৰ্মচাৰী সকলৰ বাবে তেখেতসকলৰ চিন্তাশীল আৰু বৌদ্ধিক জগতৰ সাহিত্য আৰু চিন্তা-চৰ্চাৰ নিৰ্ভৰযোগ্য থলী । আলোচনীখনে সমাজ জীৱনৰ সভ্যতা, সাহিত্য, সংস্কৃতি আদি জীপাল কৰি ৰখাৰ উপৰিও বহুতো স্মৰণীয় মুহূৰ্ত্ত ভৱিষ্যৎ প্ৰজন্মলৈ কঢ়িয়াই লৈ যায় ।

মহাবিদ্যালয়ৰ "হেমহাৰ" খনেও যাতে সঠিক দিশৰ পথ প্ৰদৰ্শন কৰি মহাবিদ্যালয়ৰ সুনাম অটুট ৰাখিব পাৰে তাৰ বাবে আমি আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো ।

জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা । জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় । ।

ইতি

সঞ্জীৱ বৰগোঁহাই

( ড° সঞ্জীৱ কুমাৰ বৰগোঁহাই )
অধ্যক্ষ
হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়, নিতাইপুখুৰী

জয় গুৰু শঙ্কৰ

# শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

পঞ্জীয়ন নং ঃ ২২/১৯৬৩
স্থাপিত ঃ ১৯৩০ খ্ৰীষ্টাব্দ, ৪৮২ শঙ্কৰাব্দ
মূল কাৰ্যালয় ঃ কলংপাৰ, [illegible] পথ, নগাঁও ৭৮২০০১, অসম

Ph. & Fax :03672-233039
E-mail : smssangha@yahoo.in
Website : www.srimantasankaradevasangha.org
শাখা কাৰ্যালয়সমূহ ঃ গুৱাহাটী, যোৰহাট, ডিব্ৰুগড়, লখিমপুৰ, ধুবুৰী

পদাধিকাৰ
শ্ৰীৰজনীকান্ত দত্ত
গাঁও, ডাক ঃ নিতাইপুখুৰী
পিন - ৭৮৫৬৭১, জিলা ঃ শিৱসাগৰ
মোবাইল - ৯৮৫৪৪-৮৪৭৩৬

প্ৰধান সম্পাদক
শ্ৰীবাবুল বৰা
গাঁও ঃ গেৰুৱাআটি
ডাক ঃ গেৰুৱা
জিলা ঃ মৰিগাঁও, পিন - ৭৮২১২১
মোবাইল - ৯৪৩৫৩-৬৫৬৮৭
E-mail : babulborasss@gmail.com

## শুভেচ্ছাবাণী

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়, নিতাইপুখুৰী অঞ্চলৰ এটি পুৰণি শিক্ষানুষ্ঠান। ইতিমধ্যে ২০১৫ খ্ৰীঃত মহাবিদ্যালয়খনিয়ে সোণালী জয়ন্তীত ভৰি দিব। এটি পিচপৰা গাঁৱলীয়া অঞ্চলত প্ৰতিষ্ঠিত মহাবিদ্যালয়খনিয়ে বহুতো প্ৰত্যাহ্বানৰ মাজেদি আহি আহি আজিৰ অৱস্থাত উপনীত হ'বলৈ সমৰ্থ হৈছে।

গত বছৰবোৰৰ দৰে এই বছৰো এই মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী ভাগ আলোচনী শাখাৰ দ্বাৰা প্ৰকাশ কৰিবলৈ লোৱা বুলি জানি আমি আনন্দ অনুভৱ কৰিছো। বিদ্যালয়, মহাবিদ্যালয়ৰ আলোচনীসমূহ দৰাচলতে সাহিত্য চৰ্চ্চাৰ এক সম্ভাৱনা ভৰা জীপাল ক্ষেত্ৰ। ভৱিষ্যৎ জীৱনক সাহিত্য সাধনাৰ উৰ্ব্বৰ ক্ষেত্ৰৰূপে গঢ়ি তুলিবৰ বাবে এনে আলোচনীসমূহৰ প্ৰভূত বৰঙণি অনস্বীকাৰ্য। ছাত্ৰ-ছাত্ৰীসকলে এনে আলোচনীত বিভিন্ন বিষয়ৰ ওপৰত লিখাৰ অনুশীলন কৰিবলৈ সুবিধা লাভ কৰে। বিশেষভাৱে এনে আলোচনীসমূহে মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলক সাহিত্য সাধনাৰ প্ৰতি অনুপ্ৰাণিত কৰিব পাৰে। তেওঁলোকৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে সাহিত্য ক্ষেত্ৰত বহুদূৰ আগবাঢ়ি যাবলৈ সমৰ্থ হ'ব পাৰে। সাহিত্যৰ পথাৰখনত নিজকে হীনমন্যতাৰে সীমাবদ্ধ কৰি ৰখাৰ পৰিৱৰ্তে ছাত্ৰ-ছাত্ৰীসকলে সাহিত্যৰ পথাৰখনত ক্ৰমগতিত বিচৰণ কৰিবলৈও প্ৰেৰণা লাভ কৰিব পাৰে।

মহাবিদ্যালয়খনিৰ সোণালী জয়ন্তীৰ প্ৰাক্ মুহূৰ্তত প্ৰকাশিতব্য আলোচনী ভাগ ন-ন চিন্তা চৰ্চ্চাৰে সমৃদ্ধ হৈ পাঠকৰ হাতত পৰক—আমি এই আশা কৰিছো।

তথ্য প্ৰযুক্তিৰ উত্তৰণ ঘটা আজিৰ সময়ক দাঙি ধৰিব পৰাকৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত নতুন চিন্তাৰ উদ্ৰেক ঘটক, অসমীয়া সাহিত্য জগতত নতুন নতুন লেখকৰ সৃষ্টি হওক।

এই আলোচনী ভাগৰ লগত সম্পৰ্কিত সকলো পক্ষলৈকে আমাৰ আন্তৰিক শুভেচ্ছা প্ৰেৰণ কৰিছো।

আচাৰ্য্য,
মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়।

# সম্পাদকীয়



প্ৰাঞ্জল গগৈ
আলোচনী সম্পাদক

*সম্পাদকীয় প্ৰতিবেদনৰ পাতনি মেলাৰ আৰম্ভণিতেই বুকুৰ কেঁচা শোণিতেৰে ধৰিত্ৰী আইৰ চৰণ পবিত্ৰ কৰা বীৰ শ্বহীদ সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ আৰু আমাৰ এই জ্ঞানমন্দিৰৰ (মহাবিদ্যালয়) প্ৰতিষ্ঠাতা সকললৈ তেওঁলোকৰ দূৰ-দৃষ্টি তথা আশাসুধীয়া প্ৰচেষ্টাক নতশিৰে সন্মান জনাই এই আপাহতে আমাৰ একাজলী শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।*

*এখন আলোচনী .......... সুপ্ত সাহিত্য প্ৰতিভা বিকাশৰ কঠিয়াতলীঃ*

*সাহিত্য সমাজৰ দাপোণস্বৰূপ। সাহিত্য মানুহৰ বৌদ্ধিক ভূষণ আৰু অনুপম অলংকাৰ। মানৱ মনৰ মানসিক উৎকৰ্ষ সাধনৰ জৰিয়তে সমাজৰ প্ৰতিচ্ছবি প্ৰতিফলিত হয় সাহিত্য জগতত। সাহিত্যত জীৱনৰ বথাৰ্থ চিত্ৰৰ অভিব্যক্তি নিহিত হয়। মানৱ জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন, সফলতা-বিফলতা আশা-নিৰাশা আদি বিবিধ চিত্ৰৰ প্ৰতিফলিত হয় সাহিত্য সৃষ্টিৰ যোগেদি। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত সাহিত্য প্ৰতিভা বিকাশৰ এখন স্থলী হ'ল মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী। এই আলোচনী খনৰ সহায়ত সুপ্ত প্ৰতিভাসমূহ জাগ্ৰত কৰি তোলাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাসমূহৰ জৰিয়তে জীৱনধাৰাৰ পৰিৱৰ্তন সাধন কৰাৰ আশা কৰিব পাৰি। এখন আলোচনী এটা জাতিৰ ভাষা-সংস্কৃতি কলা-সাহিত্য আদি সামগ্ৰিক দিশৰ প্ৰতিফলনৰ এক উপযুক্ত মাধ্যম। গতিকে সকলো ছাত্ৰ-ছাত্ৰীয়ে সুপ্ত প্ৰতিভা সমূহ জাগ্ৰত কৰি তোলাৰ দিশত সাহিত্যৰ বিভিন্ন দিশসমূহৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত হোৱা উচিত।*

*সাহিত্য চৰ্চাত যুৱ প্ৰজন্মৰ ভূমিকা ঃ*

*লেখিলেই সাহিত্য নহয়, ঠিক যিদৰে আঁকিলেই ছবি নহয়, গুণ-গুণালেই গান নহয় অথবা কঁকাল টো ভাঙিলেই নাচ নহয়। অথচ আজিলৈকে কোনেও সঠিককৈ ক'ব পৰা নাই, কেনেকুৱা ধৰণৰ লেখাক সাহিত্য বুলি কোৱা হয়। তথাপিও সাহিত্যৰ উৎপত্তি হৈছে 'সাহিত্যম' শব্দৰ পৰা। যাৰ অৰ্থ সহভাৱ বা মিলন। এই মিলন হ'ল শব্দ, চিন্তা আৰু অৰ্থৰ। এই তিনিওটা উপাদানৰ সু-সঙ্গত মিলনকে সাহিত্য বুলিব পাৰি। এক অৰ্থত সাহিত্য হ'ল ভাৱৰ-বাহক।*

সম্পাদকীয়

সাহিত্যৰ প্ৰগতিৰ দিশত নৱ প্ৰজন্মৰ ভূমিকা অপৰিহাৰ্য । কিন্তু সাম্প্ৰতিক সময়ত যুৱ-উশৃংখলতাই সমাজৰ অৱক্ষয়ৰ মূল কাৰণ বুলি চিন্তাবিদসকলে সকলো সময়তে মতপোষণ কৰা দেখা যায়। গতিকে জেষ্ঠ চিন্তাবিদসকলৰ এই চিন্তাধাৰাক দূৰ কৰিবলৈ হ'লে ছাত্ৰ-ছাত্ৰী সকলে সাহিত্য চৰ্চাৰ অভ্যাস আৰু অনুশীলন পালন কৰা উচিত । সাহিত্য চৰ্চাৰ ক্ষেত্ৰত মনোনিৱেশ কৰিবলৈ প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়েই অধ্যয়নশীল হোৱা উচিত। অধ্যয়ন হ'ল মানুহৰ মানসিক উৎকৰ্ষসাধনৰ মূখ্যস্থলী। কিন্তু বৰ্তমান সময়ত নৱ-প্ৰজন্মৰ মাজত গ্ৰন্থ অধ্যয়নৰ পৰিসৰ যথেষ্ঠ কম হোৱা দেখা যায়। তেওঁলোকে গ্ৰন্থ অধ্যয়ন কৰাতকৈ বৈদ্যুতিন মাধ্যম যেনে -ফেচবুক, টুইটাৰ, ই-মেইল আদিৰ লগত অধিক সময় কটোৱা দেখা যায়। এই বৈদ্যুতিন মাধ্যম সমুহত বেয়া দিশৰ উপলব্ধ হোৱাৰ লগতে ভাল দিশটোও প্ৰতিফলন ঘটে। এই মাধ্যম সমূহৰ জৰিয়তেও সাহিত্য জগতৰ উৎকৰ্ষ সাধন কৰিব পাৰি। বিশেষকৈ এই বিলাকৰ জৰিয়তে বিশ্ব সাহিত্যৰ লগত পৰিচয় ঘটি সাহিত্যৰ দিশৰ উন্নতি সাধন কৰিব পাৰি। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে পোনপ্ৰথমে বিশিষ্ট, সাহিত্যিক, ভাষাবিদ, গৱেষক আদিৰ পাঠ্যক্ৰম অধ্যয়নৰ জৰিয়তে এটা অধ্যয়নপুষ্ট মন গঢ়ি লৈ সাহিত্য চৰ্চাৰ দিশত আগবঢ়া উচিত। মহাবিদ্যালয়ৰ আলোচনী এখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলে নিজৰ সুপ্ত প্ৰতিভা বিকশিত কৰিব পাৰে। ই হ'ল প্ৰতিভা বিকাশৰ প্ৰথমিক আধাৰথলী। সাহিত্য চৰ্চাৰ যোগেদি বৰ্তমান সমাজত সৃষ্টি হোৱা হত্যা-হিংসা, লুণ্ঠন-প্ৰৱঞ্চনা আদি বিভিন্ন অপকৰ্মক নাশ কৰিব পাৰি। সেয়েহে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সাহিত্য চৰ্চাৰ প্ৰতি অনীহা প্ৰকাশ নকৰি সকলোৱে একোটা-অধ্যয়নপুষ্ট মন লৈ সমাজৰ উন্নতিৰ দিশত মুখ্য ভূমিকা পালন কৰিব পাৰে।

আলোচনী প্ৰকাশৰ প্ৰসংগত ঃ

আলোচনী এখনৰ সৌষ্ঠৱ বৃদ্ধি তথা মানদণ্ড নিৰ্ভৰ কৰে ছাত্ৰ-ছাত্ৰীসকলৰ লিখনিৰ ওপৰত। কিন্তু অতি পৰিতাপৰ বিষয়, সম্পাদকৰ দৰে এটা গধুৰ দায়িত্ব বহন কৰি প্ৰকাশোপযোগী লিখনিৰ অভাৱৰ হেতু আলোচনীখন প্ৰতিযোগিতামূলক তথা পূৰ্ণাঙ্গ ৰূপত সজাই তুলিব নোৱাৰিলো।

বিগত বছৰবোৰৰ দৰে এইবছৰো আলোচনী খনত সোণত সুৱগা চৰাইছে শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ লিখনি ৰাজিয়ে। এইয়া বৰ দুখৰ বিষয়। কাৰণ এখন আলোচনী প্ৰকাশ কৰা হয় ছাত্ৰ-ছাত্ৰীৰ জৰিয়তেহে। আলোচনী হ'ল-ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভা বিকাশৰ প্ৰধান স্থলী। ইয়াত ছাত্ৰ-ছাত্ৰী লিখনি মুখ্য ভূমিকা বিৰাজমান হোৱাৰ পৰিৱৰ্তে শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ তত্বগধুৰ লিখনিয়েহে আলোচনীৰ ভাৰসাম্য ৰক্ষা কৰিছে। আলোচনীৰ শিতানসমূহত প্ৰকাশিত লিখনিসমূহৰ ভিতৰত মোৰ চকুত ধৰা পৰা এটি উল্লেখনীয় দিশ হ'ল - ইংৰাজী শিতানত ছাত্ৰ-ছাত্ৰী সকলৰ লিখনি নিচেই নগণ্য। সেয়েহে মই সম্পাদকৰ কলমৰ জৰিয়তে সকলো শিতানতে যাতে ছাত্ৰ-ছাত্ৰী সকলে সমানে সকলো দৃষ্টি দিয়ে তাৰ প্ৰতি লক্ষ্য ৰাখিবৰ বাবে অনুজ সকলক অনুৰোধ কৰিছোঁ আৰু শিক্ষাগুৰুসকলকো সাহিত্য চৰ্চাৰ বাবে এটি অনুষ্ঠান গঢ়ি তুলি ছাত্ৰ-ছাত্ৰীসকলে উন্নতমান বিশিষ্ট ৰচনা সৃষ্টি কৰিব পাৰে তাৰ প্ৰতি দৃষ্টি ৰাখিব বুলি আশা কৰিলোঁ। পৰৱৰ্তী সম্পাদক সকলে যাতে উপযুক্ত লেখনিৰ অভাৱত মহাবিদ্যালয়ৰ

সম্পাদকীয়

আলোচনীৰ বাবে হাবাথুৰি খাবলগীয়া নহয় তাৰ প্ৰতি দৃষ্টি গোচৰ কৰা হ'ল আৰু মই ভৱিষ্যতে আমাৰ মহাবিদ্যালয়ে এখনি সৰ্বাংগসুন্দৰ আৰু প্ৰতিযোগিতা মূলক আলোচনী প্ৰকাশ কৰি উলিয়াব পাৰে তাৰ বাবে আশা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

কাৰ্যকাল সম্পৰ্কে ঃ-

২০১৩-১৪ বৰ্ষত ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মই তৰ্ক, সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈ ১৪/৯/২০১৩ তাৰিখে কাৰ্যভাৰ গ্ৰহণ কৰিয়েই পোন প্ৰথমে মই মহাবিদ্যালয়ৰ তৰ্ক, সাহিত্য আৰু আলোচনী সম্পাদক হিচাপে প্ৰথমতো কাৰ্য সম্পাদন কৰো, বাৰ্ষিক প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰি। উন্মোচন কৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা শ্ৰীযুতা ক্ষীৰপ্ৰভা গগৈ লাহন বাইদেৱে আৰু আলোচনীখনৰ সন্দৰ্ভত বক্তব্য আগবঢ়াই মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বৰ্তমানৰ মুৰব্বী অধ্যাপক ড° দিগন্ত গগৈ ছাৰে।

ইয়াৰ পৰৱৰ্তী কাৰ্য হিচাপে মহাবিদ্যালয়ৰ ৪৮ তম ক্ৰীড়া সপ্তাহ পালন কৰা হয়। ক্ৰীড়া সপ্তাহত মই সকলো প্ৰতিযোগিতা সফলৰূপে অনুষ্ঠিত কৰিবলৈ চেষ্টা কৰিছিলো কিন্তু কিমান সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। মই সকলো প্ৰতিযোগিতা পতাৰ মানসেৰে ছাত্ৰ-ছাত্ৰী সকলৰ আগত জাননী দাণ্ডি ধৰিছিলো কিন্তু সকলো প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ সক্ষম নহ'লো। কাৰণ প্ৰতিযোগীৰ সংখ্যা কম হোৱাৰ বাবে অৱশ্যে দুই-এটা প্ৰতিযোগিতাৰ বাহিৰে বাকীবোৰ প্ৰতিযোগিতা সুচাৰু ৰূপে অনুষ্ঠিত কৰা হ'ল। অৱশেষত মই ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি এক অনুৰোধ কৰিছো, যাতে বিগত বৰ্ষৰ দৰে বিভিন্ন বিভাগৰ প্ৰতিযোগিতাসমূহৰ যিদৰে প্ৰতিযোগী সংখ্যা কম পৰিলক্ষিত হ'ল, এনেদৰে যাতে আগন্তুক বৰ্ষত নহয় তাৰে কামনা কৰি সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

কৃতজ্ঞতা শৰাই ঃ

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ২০১৩-১৪ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ আলোচনী বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়খনিৰ সাহিত্য বিভাগৰ সেৱা আগবঢ়াবলৈ সুবিধা প্ৰদান কৰাত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা সতীৰ্থলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছৰে পৰা মোক খোজে প্ৰতি সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° সঞ্জীৱ বৰগোহাই ছাৰ, ছাত্ৰ-একতা সভাৰ সভাপতি শ্ৰীযুত শিৱৰঞ্জন শৰ্মা ছাৰ, মোৰ বিভাগীয় শিক্ষাগুৰু উপদেষ্টা গীতালি শইকীয়া আৰু ড° নিভা দাস বাইদেউ, ড° সুব্ৰতজ্যোতি নেওগ আৰু ৰঞ্জিত খনিকৰ, বিতুল শইকীয়া ছাৰকে প্ৰমুখ্য কৰি সমূহ শিক্ষাগুৰুলৈ মোৰ আন্তৰিক শ্ৰদ্ধা যাচিলোঁ লগতে আলোচনী সম্পাদনা সমিতিৰ সমূহ বিষয়ববীয়া আৰু যিসকল ছাত্ৰ-ছাত্ৰীৰ মুল্যৱান লিখনিয়ে আলোচনী খনৰ সৌষ্ঠৱ বৃদ্ধি কৰিলে তেওঁলোকৰ ওচৰত আজীৱন কৃতজ্ঞ হৈ ৰ'লো।

যিসকলৰ লিখনি মানদণ্ডৰ অভাৱত প্ৰকাশৰ পৰা বঞ্চিত হৈ ৰ'ল তেওঁলোকে হতাশ নহৈ সাহিত্য চৰ্চা অব্যাহত ৰাখিব বুলি আশা কৰিলোঁ আৰু আলোচনীখন ছপা কৰি উলিয়াই

স ম্পা দ কী য়

দিয়া শিৱসাগৰৰ 'স্পেক্ট্রাম অফ্‌ছেট'ৰ স্বত্বাধিকাৰী তথা সহকাৰীসকলক মোৰ ফালৰ পৰা কৃতজ্ঞতা জনাইছোঁ।

বিশেষভাৱে কৃতজ্ঞতাৰ শৰাই ঃ

মই আলোচনীৰ জৰিয়তে বিশেষভাৱে কৃতজ্ঞতা জনাইছোঁ অসমৰ বিশিষ্ট সাহিত্যিক গল্পকাৰ পূৰবী বৰমুদৈ-বাইদেউ, মৰাণ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° অনিল শইকীয়া ছাৰ, ডিমৌ উচ্চতৰ মাধ্যমিক বিদ্যালয় অধ্যক্ষ মহোদয় শ্ৰীযুত ঘনকান্ত গগৈ ছাৰ আৰু নিতাই পুখুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী শ্ৰীমতী লিলি হাজৰিকা বাইদেউক। তেওঁলোকে বিভিন্ন লিখনি আগবঢ়াই আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধিত অৰিহণা যোগাৱাৰ বাবে।

আলোচনী প্ৰকাশৰ দিশত মোক বিশেষভাৱে সহায় কৰা অগ্ৰজসকল হ'ল- বনদীপদা, দিব্যকমল দা, অনুপদা, দীপজ্যোতিদা, মনোৰঞ্জন দা, বিশ্বজিত দা, শৈলেন দা, জোনমণি বা, ভাৰতী বা, পিংকী বা, ৰাজশ্ৰী বা, তুস্মিতা বা - ক মোৰ আন্তৰিক মৰম যাচিলোঁ।

আলোচনীৰ বিভিন্ন দিশত সহায়ৰ হাত আগবঢ়োৱা মোৰ বন্ধু বান্ধৱীসকল -গৌতম, ৰিতু, নেত্ৰ, অতুল, লক্ষ্যজ্যোতি, দীপাংকৰ, বলীন্দ্ৰ, ভাস্কৰ, সূৰ্য্য, হীৰক, অনুজ, বিশ্বজিত, পিংকু, নৱ, জ্যোতি, মনোজ, বিতুমণি, জুলি, ৰিমা, নিকিতা, হিমাশ্ৰী, নম্ৰতা, চুমকি, পূৰ্ণিমা, ৰিমঝিম, শ্যামলী, মৌচুমী, ৰশ্মি, প্ৰভা, পম্পী, ইলোজা, তৃষ্ণা আদিক মোৰ অন্তৰৰ পৰা অশেষ মৰম ও শ্ৰদ্ধা যাচিলোঁ।

মোৰ প্ৰতিটো ক্ষেত্ৰতে সহায় কৰা অনুজসকল ক্ৰমে দেবু, কল্যাণ, বিষ্ণু, চফিউৎদ্দিন, শচীন, পংকজ, শৰৎ, জয়ন্ত, যদুমণি, পিংকু, তুষাৰ, শ্বেহনাজ, দিপীকা, পৰিস্মীতা, গীতাশ্ৰী আৰু বহুতো।

সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

ক্ষমা প্ৰাৰ্থী ঃ

২০১৩-২০১৪ বৰ্ষৰ আলোচনী বিভাগৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছত অবাঞ্চিতভাৱে আপোনালোকৰ ওচৰত আৱেগৰ বশৱৰ্তী হৈ কাৰোবাক তিৰস্কাৰ বা বেয়াকৈ কৈছিলোঁ। তাৰ বাবে সকলো শিক্ষাগুৰু ভাইটি-ভন্টী আৰু বন্ধু-বান্ধৱৰ ওচৰত ক্ষমা বিচাৰিছোঁ। লগতে যিসকলৰ লিখনি প্ৰকাশ কৰিব নোৱাৰিলোঁ তেখেত সকলৰ ওচৰত মই ক্ষমাপ্ৰাৰ্থী।

আলোচনীখন প্ৰকাশ কৰাৰ উপৰিও এই গধুৰ দায়িত্বভাৰ পালন কৰাৰ দিশত মোৰ সফলতা-বিফলতা বিচাৰ কৰাটো আপোনালোকৰ হাতত অৰ্পন কৰিলোঁ।

সদৌ শেষত হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ সৰ্বাংগসুন্দৰ, উজ্জ্বল ভৱিষ্যত তথা উত্তৰোত্তৰ কামনা কৰি মোৰ সম্পাদকীয় লিখনি সামৰণি মাৰিলোঁ।

জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়

জয়তু ছাত্ৰ একতা সভা

জয়

## সূচীপত্ৰ


- হৰেকৃষ্ণ ডেকাৰ সৈতে এক অন্তৰঙ্গ আলাপ ১-৪
- অতিথি শিতান
- প্ৰাগঐতিহাসিক ৫-১০
- প্ৰতীক্ষাৰে ১১-১৬
- নিতাই পুখুৰীত মহাবিদ্যালয় আৰু মোৰ কলেজীয়া জীৱন ১৭-১৮
- মামণি ৰয়চম গোস্বামীৰ 'দঁতাল হাতীৰ উঁইয়ে খোৱা হাওদা'ত প্ৰতিফলিত নাৰী চৰিত্ৰ ঃ এটি পৰ্যালোচনা ১৯-২২
- বৰ্তমান সমাজ ব্যৱস্থাত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰাসংগিকতা ২৩-২৪
- সাহিত্যৰ চলচ্চিত্ৰকৰণ ২৫-২৬
- পৰ্যটন ২৭-২৮
- নাৰী শিক্ষা ২৯
- নাৰী সদায় অৱহেলিত কিয়............? ——এক অৱলোকন ৩০-৩১
- বিশ্ববিশ্ৰুত শিক্ষা দাৰ্শনিক ৰাধাকৃষ্ণণ ৩২
- সাম্প্ৰতিক সময়ত যুৱ উশৃংখলতা আৰু মানসিকতা ৩৩
- নৱ প্ৰজন্মৰ গ্ৰন্থ অধ্যয়নৰ প্ৰতি অনীহা আৰু ম'বাইলৰ কু- প্ৰভাৱ ৩৪
- ৰঙালী বিহুত এভুমুকি ৩৫
- ছাত্ৰ আৰু ৰাজনীতি ৩৬
- ঐক্য সম্প্ৰীতিৰ সুদৃঢ় ভেটি গঢ়াত ছাত্ৰ সংগঠনসমূহৰ ভূমিকা ৩৭-৩৮
- ৰেগিং ৩৮
- ড° বাণীকান্ত কাকতি ৩৯
- মানৱ জীৱন আৰু সংগীত ৪০
- বুৰঞ্জীয়ে পৰশা শিৱসাগৰ ৪১-৪২
- পাইলট হ'ব খোজে নেকি? ৪৩
- সৰ্বশিক্ষা অভিযান ১৯৯৯ ৰ চমু আভাস ৪৪-৪৫
- ফেচবুক যাৰ ৰাগীত সকলো মতলীয়া ৪৬
- ছক্ৰেটিছ্ৰ জীৱনৰ চমু আভাস ৪৭
- সংৰক্ষিত বনাঞ্চলৰ পৰা (বিশ্বৰ ঐতিহ্যলৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ) ৪৮-৪৯
- জীৱনৰ সফলতা ৫০
- কুকুৰ ৫১
- যাত্ৰা ৫১
- প্ৰতিদান ৫২
- তুমি সুখী হোৱা ৫২
- মোৰ জীৱন ৫৩
- আকৌ তুমি আহিবা ৫৩
- নিৰৱতা ৫৪
- শিক্ষা ৫৪
- হে মোৰ নমস্য মহাবিদ্যালয়খনি ৫৫
- সোনালী তুমি ৫৫
- মোৰ অনুভূতি ৫৬
- ভালপোৱা ৫৬
- জীৱনৰ প্ৰথম বৰষুণজাক ৫৭
- তুমি আহিবা... ৫৭
- অনুৰোধ ৫৮
- CRICKET IS A FUN ৫৮
- বহাগ তুমি বৰষুণ হৈ আহা ৫৯

# সূচীপত্ৰ


- অপেক্ষা
- শীতৰ এটি নিশা ৫৯
- ভালপোৱা ৬০
- মোৰ হেঃ চঃ দেঃ গোঃ মহাবিদ্যালয় ৬০
- হে মহাবিদ্যালয় প্ৰণামো তোমাক ৬১
- পোহৰ বিচাৰি ৬১
- মা ক্ষমা কৰিবা মোক ৬২
- আই অসমী ৬২
- জ্ঞানৰ মন্দিৰ ৬৩
- পুৱা ৬৩
- তোমাৰ গানত বৰষুণ ৬৪
- সপোন এক বিষাদ ..... ৬৪
- প্ৰজন্ম ৬৫
- সুধাকণ্ঠ ৬৬
- এজন দূৰন্ত প্ৰেমিক বন্ধু ৬৬
- জীয়াই থকাৰ মাদকতাবোৰ ৬৭
- বিলাসিতা ৬৭
- দিনলিপিৰ এটা দিন ৬৮
- মোৰ জীৱনৰ আটাইতকৈ মহত্বপূৰ্ণ দিনটো ৬৯
- কলেজীয়া জীৱনৰ বিদায় বেলাৰ উচুপনি ৭০
- অবুজন মন ৭১-৭২
- হেৰুৱা দিনৰ স্মৃতিবোৰক সুঁৱৰি ৭৩-৭৪
- সংকল্প ৭৫-৭৬
- জীৱনৰ বিয়লি বেলাত ৭৭-৭৯
- কাইটীয়া গোলাপৰ আঁচোৰ ৮০-৮১
- পুনৰ মিলন ৮২
- হেৰুৱা হাঁহি জোনাক বুটলি ৮৩-৮৪
- সপোন ৮৫-৮৭
- ROLE OF EDUCATION IN FOSTERING CREATIVITY ৮৮
- AlFred Marshall ৮৯-৯২
- Beyond Gitanjali: Aestheticism and Mysticism in Rabindranath's Poetry ৯২
- PROBLEMS AND PROSPECTS OF TOURISM IN KARBI ANGLONG DISTRICT OF ASSAM ৯৩-৯৮
- Suntainable Development
- Dryden as a New – Classical Poet ৯৯-১০১
- বিভাগীয় সম্পাদকৰ প্ৰতিবেদন ১০২
- সাধাৰণ সম্পাদক প্ৰতিবেদন ১০৩
- সংগীত আৰু সাংস্কৃতিক বিভাগৰ প্ৰতিবেদন
- গুৰু ক্ৰীড়া বিভাগৰ প্ৰতিবেদন ১০৪-১০৬
- সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ১০৭
- প্ৰতিবেদন ছাত্ৰ জিৰণী চ'ৰা ১০৮
- প্ৰতিবেদন লঘু ক্ৰীয়া বিভাগ ১০৯
- মহাবিদ্যালয়ৰ সংগীত ১১০
- Editors of the College Magazine ১১১

১১২

১১৩




## হৰেকৃষ্ণ ডেকাৰ সৈতে এক অন্তৰঙ্গ আলাপ



অসমৰ এগৰাকী বিশিষ্ট কবি, গল্পকাৰ, ঔপন্যাসিক, সমালোচক তথা অনুবাদক সাহিত্য অকাডেমী বঁটা, অসম উপত্যকা বঁটা ও বিভিন্ন বঁটাৰে সন্মানিত হৰেকৃষ্ণ ডেকা ছাৰৰ সৈতে এক অন্তৰঙ্গ আলাপ-

প্ৰশ্ন ঃ আপুনি কেতিয়াৰ পৰা সাহিত্য জগতত প্ৰৱেশ কৰিছিল। এইক্ষেত্ৰত ঘৰুৱা বাহ্যিক কোনবোৰ কাৰকে আপোনাক প্ৰেৰণা যোগাইছিল ?

উত্তৰ ঃ মই সৰুৰে পৰাই অৰ্থাৎ ছাত্ৰাৱস্থাতে সাহিত্য জগতত প্ৰৱেশ কৰিছিলোঁ। মই যেতিয়া চতুৰ্থ শ্ৰেণীত পঢ়ি আছিলো তেতিয়া আমাৰ বিদ্যালয়ৰ বছৰেকীয়া আলোচনীখন প্ৰকাশ কৰিবৰ বাবে লেখা বিচাৰি বিদ্যালয়ত জাননী দিলে। মই আলোচনীখনত কিবা এটা লিখনি দিম বুলি মনতে থিৰাং কৰি "স্বাধীন ভাৰত'ৰ ওপৰতে এখন ৰচনা লিখি দিলোঁ । সেই ৰচনাখনেই আছিল সাহিত্য সৃষ্টিৰ প্ৰথম আৰম্ভণি। ইয়াৰ পাছত মই ষষ্ঠ শ্ৰেণীত পঢ়ি থাকোঁতে মোৰ নিজা ছপা আখৰৰ "ফুলকলি" নামৰ এটি কবিতা প্ৰকাশ পাইছিল । এনেদৰেই মই ছাত্ৰ অৱস্থাতেই সাহিত্য জগতত প্ৰৱেশ কৰি বৰ্তমান সময়ত উপনীত হৈছোঁহি।

মোৰ সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত বাহ্যিক বা ঘৰুৱা বুলি কোনো কথা নাছিল। মই সৰুৰে পৰা কিতাপ পঢ়াৰ প্ৰতি আগ্ৰহী আছিলো আৰু কিতাপ পঢ়ি ভাল পাইছিলোঁ। আমাৰ ঘৰৰ ওচৰতে "উদয়ন "আৰু "মিত্ৰ এজেন্সী" নামৰ দুখন কিতাপৰ দোকান আছিল। সেই দোকানকেইখনলৈ প্ৰায়ে গৈ মই কিতাপ বিলাক চাওঁ আৰু থিয় হৈয়ে অলপ পঢ়ো কিন্তু টকা নথকাৰ অভাৱত কিতাপ কিনি আনিব নোৱাৰো। এনেদৰে মই প্ৰায়ে গৈ কিতাপ পঢ়ো আৰু পঢ়াৰ আগ্ৰহ তথা ধাউতি দেখি 'উদয়ন'ৰ মালিকজনে মোক বহিলৈ কিতাপ পঢ়িবৰ বাবে এডোখৰ নিৰ্দিষ্ট ঠাই দিলে আৰু কিতাপবোৰ পঢ়ি নিৰ্দিষ্ট ঠাইত থৈ যাবৰ বাবে ক'লে। সেই দোকানখনৰ মালিকজন বেংগলি ভাষিক আছিল আৰু তেওঁৱেই মোক"বিশ্ব পৰিচয়" নামৰ বঙালী ভাষাৰ কিতাপ খন পঢ়িবলৈ দিছিল আৰু সেই কিতাপখনৰ পৰা মই পৃথিৱীৰ বহুতো কথা জানিবলৈ সক্ষম হৈছিলোঁ।

মই সেই সময়ত নিজাকৈ কিতাপ কিনিবৰ বাবে পইচা পোৱা নাছিলো যদিও ঘৰৰ পৰা স্কুলত খাবলৈ দিয়া পইচা ৰাহি কৰি অসমৰ স্বাধীনতা সংগ্ৰাম, অসহযোগ আন্দোলন আদিত নবীনচন্দ্ৰ বৰদলৈয়ে লোৱা ভূমিকাৰ সম্পৰ্কে নলিনীবালা দেৱীয়ে লিখা "স্মৃতি তীৰ্থ" নামৰ জীৱনীমূলক গ্ৰন্থ মিত্ৰ এজেন্সীৰ পৰা কিনিছিলোঁ। মোৰ দেউতা সৰু হৈ থাকোঁতেই ঢুকুৱা ৰ বাবে মায়ে পঢ়াৰ প্ৰতি উৎসাহ বঢ়াইছিল আৰু স্কুলতো ছাৰ বাইদেউ সকলৰ উৎসাহতেই মই পঢ়াৰ প্ৰতি আগ্ৰহী হৈ পৰিছিলোঁ। তেনেদৰেই মই বহুতো কিতাপ অধ্যয়ন কৰি মোৰো সাহিত্য চৰ্চাৰ প্ৰতি আগ্ৰহ বাঢ়িছিল আৰু মই এতিয়া বৰ্তমান সময়ত উপনীত হৈছোঁহি।

প্ৰশ্ন ঃ অসমীয়া সাহিত্যৰ প্ৰায়বোৰ দিশতেই আপোনাৰ অৱদান প্ৰণিধানযোগ্য কবিতাৰ দৰে সুক্ষ্ম অনুভূতি সম্পন্ন সৃষ্টিৰ পৰা আৰম্ভ কৰি জটিল আৰ্থ সামাজিক পৰিঘটনাৰ তথ্য সমৃদ্ধ বিশ্লেষণলৈকে সকলো ক্ষেত্ৰতে আপোনাৰ তীক্ষ্ণ পৰ্যবেক্ষণ পাঠক সমাজে উপলব্ধি কৰে। লেখক এজনৰ বাবে সকলো সৃষ্টিয়েই সমমূল্য। হ'লেও একান্ত ব্যক্তিগতভাৱে আপুনি কোনটো দিশৰ সৃষ্টিক বেছিকৈ অগ্ৰাধিকাৰ দিয়ে ?

উত্তৰঃ এইটো প্ৰশ্নৰ উত্তৰ মই সঠিককৈ দিব পৰাটো টান। মই সাহিত্য ৰচনা কৰিছোঁ সমাজৰ দায়বদ্ধতাৰ প্ৰতি, অসমৰ কিছুমান অশুভ দিশলৈ লক্ষ্য ৰাখি তথা আৰ্থসামাজিক বিষয়বস্তুলৈ চাই । এই বিষয়সমূহৰ প্ৰতি লক্ষ্য ৰাখি ৰচনা কৰা মোৰ সৃষ্টিশীল সাহিত্যৰ ভিতৰত কবিতা, গল্প, উপন্যাস ইত্যাদি কোনোটো দিশকে শ্ৰেষ্ঠ বুলি ক'ব নোৱাৰি। মই পোনপ্ৰথমে সাহিত্য সৃষ্টিৰ ভিতৰত কবিতা আৰু গল্প লিখিছিলোঁ। প্ৰথম অৱস্থাত মোৰ কবিতা ৰচনাৰ প্ৰতি বেছি অনুৰাগ আছিল তথাপি মই সেই সময়ত ১৯৭৫ চনত নীলমণি ফুকনৰ সম্পাদনাত "বাণী" প্ৰকাশনে "সংজ্ঞা" নামৰ এখন আলোচনী প্ৰকাশ কৰি উলিয়াইছিল। সেই আলোচনীত প্ৰকাশৰ বাবে মই নীলমণি

ফুকনৰ হেঁচাত এটা গল্প লিখি দিছিলোঁ আৰু সেই গল্পটো ভাল হোৱাৰ বাবে মই প্ৰতিমাহে আলোচনীখনৰ বাবে একোটাকৈ গল্প দিবলগীয়া হ'ল। সেই আলোচনীখনৰ পৰাই আকৌ মোৰ গল্প লেখাৰ প্ৰতি আগ্ৰহ বৃদ্ধি পালে। মই গল্প, কবিতা, ৰচনা কৰাৰ বাহিৰেও উপন্যাসো লিখিলোঁ। মই ৰচনা কৰা উপন্যাসসমূহ হ'ল- 'আগন্তক', 'যাত্ৰা', 'এখন অসম্পূৰ্ণ উপন্যাসৰ বাৰটা অধ্যায়' আদি। মই উপন্যাস লিখোঁতে উপন্যাসৰ যিটো গাঁথনিক প্ৰক্ৰিয়া সেইটো ভাঙি নতুন প্ৰক্ৰিয়াৰে উপন্যাস ৰচনা কৰিছিলোঁ। এতিয়াৰ লেখক তথা পঢুৱৈ সমাজ গতানুগতিক হোৱাৰ বাবে উপন্যাস সাহিত্যলৈ নতুনত্ব অনাৰ চেষ্টা কৰিছিলোঁ। বৰ্তমান সময়ত বিশ্বসাহিত্যত বিভিন্ন ধৰণৰ লেখাৰ সৃষ্টি হৈছে, বেলেগ বেলেগ ধৰণৰ গৱেষণা আৰু পৰীক্ষাৰ দ্বাৰা সাহিত্য সৃষ্টি কৰিছে। মইও তেনে এটা নতুনত্ব আনিবৰ বাবেই "যাত্ৰা" নামৰ উপন্যাসখন লিখিছোঁ। মই ভাৱোঁ তোমালোকৰ দৰে কলেজীয়া পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলে এই উপন্যাসখন পঢ়িলে বহুতো লাভৱান হ'বা। মই কবিতা, গল্প, উপন্যাস ৰচনা কৰাৰ উপৰিও সামাজিক দায়বদ্ধতাৰ ওপৰত বিভিন্ন ৰচনা লেখা-মেলা কৰাৰ লগতে সমালোচনামূলক সাহিত্যও ৰচনা কৰিছোঁ। বৰ্তমান অসমৰ এটা ডাঙৰ সমস্যা হ'ল - অনুপ্ৰৱেশ।

এই বিষয়ত ঐতিহাসিক পটভূমিৰে কোনো লিখকে ভালকৈ লিখা-মেলা কৰা নাই বাবে মই এই বিষয়টোৰ ওপৰত সমাধানৰ সূত্ৰ বিচাৰ কৰি "অনুপ্ৰৱেশ আৰু প্ৰব্ৰজন" নামৰ কিতাপখন লিখিলোঁ। এতিয়া মই এই প্ৰশ্নটোৰ শেষত ক'ব বিচাৰোঁ যে মই ৰচনা কৰা সাহিত্যসমূহ একাদিকক্ৰমে সজাব বিচাৰিলে প্ৰথমে কবিতাক, দ্বিতীয়তে গল্প, তৃতীয়তে উপন্যাস আৰু তাৰ পিছত বিভিন্ন বিষয়ৰ ওপৰত সামাজিক দায়বদ্ধতাৰ বাবে ৰচনা কৰা লিখনি তথা সমালোচনা সাহিত্যক স্থান দিম।

প্ৰশ্ন ঃ আৰক্ষী সেৱাৰ দায়িত্বশীল বিষয় হিচাপে এহাতেদি বন্দুক আৰু অন্যহাতেদি কলম তুলি লৈ সমসাময়িকভাৱে আপুনি জীৱনটোৰ উত্তৰণ ঘটাবলৈ সক্ষম হৈছে। দুয়োটা জীৱনৰ এনে মণিকাঞ্চন সংযোগ কেনেদৰে সম্ভৱপৰ হৈছে?

উত্তৰ ঃ মই তোমালোকক আগতেই কৈ গৈছোঁ যে - মই সৰুৰে পৰাই সাহিত্য চৰ্চাত মনোনিৱেশ কৰিছিলোঁ। আৰক্ষী সেৱা হ'ল মানুহৰ এটা পেছা। আৰক্ষী সেৱাত সোমোৱাৰ আগতে মই এজন কবি, গল্পকাৰ আছিলোঁ। এজন মানুহ আৰক্ষী সেৱাত ব্ৰতী হৈ থাকিলে যে মনৰ অনুভূতিবোৰ প্ৰকাশ কৰিব নোৱাৰি তেনে কোনো কথা নাই। আৰক্ষী আৰু মানুহৰ মাজত এটা ভুল ধাৰণা আছে যে- আৰক্ষী হ'লে কেৱল বন্দুক হাতত তুলি লৈ দেশৰক্ষা কৰিব লাগে। মই এই বিষয়ত একমত নহয়। মই আৰক্ষী হিচাপে নিযুক্তি লাভ কৰাৰ পাছত মোৰ বাবে সময়বোৰ বৰ মূল্যৱান হৈ পৰিছিল। আৰক্ষী সেৱাত কৰ্মৰত হৈ থকাৰ সময়ত মই আজৰি সময় বুলি যিকণ সময় পাইছিলোঁ সেই সময়বোৰতে মই বিভিন্ন বিষয়ক লেখনি ৰচনা কৰিছিলোঁ। মই আৰক্ষী হৈ থকাৰ সময়ত লাভ কৰা এটা অভিজ্ঞতা তোমালোকক ক'ব বিচাৰিছোঁ। মই এবাৰ মিজোৰামত থাকোঁতে "লুংলেট" নামৰ বিদ্ৰোহী সংগঠন এটাই মিজোসকলৰ গাওঁ -ভূঁই বিলাকত বিদ্ৰোহ চলাইছিল। সেই বিদ্ৰোহৰ ফলত মিজোসকলৰ জীৱন বিপৰ্যস্ত হৈ পৰিছিল আৰু বিদ্ৰোহ দমন কৰিবলৈ যাওঁতে অশেষ কষ্ট ভোগ কৰিবলগীয়া হৈছিল। মই সেই বিদ্ৰোহ কিয় হৈছিল বুজিছিলোঁ যে-সংঘৰ্ষ আৰু বিদ্ৰোহ কেতিয়াও একপক্ষীয় নহয়। দুয়োপক্ষৰ মাজত মতবিৰোধ হোৱাৰ বাবেহে সেই বিদ্ৰোহৰ সূচনা হৈছিল। মই এই বিদ্ৰোহৰ অভিজ্ঞতাৰ পটভূমিতে - 'সপোন', 'উষা', আৰু 'সমল' নামৰ তিনিটা কবিতা কৰ্মৰত অৱস্থাতেই সময় সুবিধা উলিয়াই লিখিছিলোঁ।

মই এই বিষয়ত কওঁ যে- চাকৰি জীৱন আৰু সাহিত্যৰ প্ৰতি মোৰ যিটো অনুৰাগ আছিল- এই দুয়োটাৰ মাজত কোনো সংঘৰ্ষ হোৱা নাছিল। বৰঞ্চ মই ব্যস্ততাৰ মাজতে সময়-সুবিধা উলিয়াই নিজা সৃষ্টিশীল মনৰ অনুভূতি প্ৰকাশেৰে আৰক্ষী সেৱা আগবঢ়োৱাৰ লগতে সাহিত্যৰ ক্ষেত্ৰলৈও অৱদান আগবঢ়াইছিলোঁ আৰু বৰ্তমান চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰি সাহিত্যৰ দিশত বেছিকৈ সময় দিব পাৰিছোঁ। এজন মানুহৰ নিজা ভাৱ-অনুভূতিবোৰ প্ৰকাশ কৰাত কোনো বাধ্যবাধকতাই হেঙাৰ হ'ব নোৱাৰে বুলি মই ভাবোঁ।

প্ৰশ্নঃ আপোনাৰ চাকৰি জীৱনৰ এটা স্মৰণীয় ঘটনাৰ বিষয়ে ক'ব নেকি?

উত্তৰ ঃ মোৰ চাকৰি জীৱনৰ এটা স্মৰণীয় ঘটনা হ'ল- ১৯৭২ চনত ভাষা বিষয়ক ছাত্ৰ আন্দোলন হৈছিল। এই আন্দোলনৰ সময়ত মোৰ পহৰাৰ দায়িত্ব পৰিছিল নগাঁও জিলাত। মই তাত থকাৰ সময়ত মৈৰাবাৰী, লাহৰীঘাট আদি অঞ্চলত সাম্প্ৰদায়িক সংঘৰ্ষৰ সূত্ৰপাত হৈছিল। মোক সেই ঠাই বোৰত ৰাতি ৰাতি গণ্ডগোল হোৱাৰ বাবে পহৰাৰ দায়িত্ব দিলে। ৰাতি তাত যি ঠাইতেই বিদ্ৰোহ হয় তালৈকে মই বাধা দিবৰ বাবে যাব লাগে। সেই বিদ্ৰোহৰ সময়ত আইন শৃংখলাৰ দায়িত্বত থকা ওপৰৱালা এজনে মোক ক'লে যে বিদ্ৰোহ হোৱা ঠাইডোখৰৰ বিভিন্ন দিশ সমূহ দেখুৱাই দিবলৈ আৰু ক'ত কেনেধৰণৰ ঘটনা ঘটিছে তাৰ তথ্য-পাতি সমূহ দি থাকিবৰ বাবে মোৰ লগত এজন



সাধাৰণ মানুহ যোগাৰ কৰি দিছে। মই সেই ঠাইলৈ গৈ থাকোঁতে এজন মানুহ ৰাস্তাত পৰি থকা অৱস্থাত লগ পালোঁ আৰু তেওঁৱেই মোক ক'ত সংঘৰ্ষ হৈছে, কোনফালে যাব লাগে দেখুৱাই দিলে। মই তেওঁ দেখুৱাই দিয়া দিশত গৈ গম পালোঁ- অলপ দূৰতে চিঞৰ-বাখৰৰ শব্দ শুনা গৈছে। সেই মানুহজনে মোক আক্ৰমণকাৰী দলটো আমাৰ ফালেই আহি আছে আৰু আগবাঢ়ি নাযাব বুলি হাক দিয়াত তেওঁৰ কথা নামানি আৰু অলপ আগুৱাই গ'লো। সেই সময়ত ডেকা হৈ আছিলো বাবে নিজকে বিশ্বাসত লৈ কিছুদুৰ আগবাঢ়ি গৈ মাতবোৰ অনুকৰণ কৰি গ'ম পালোঁ বিদ্ৰোহী সকল ক্ৰমান্বয়ে সেইঠাইৰ পৰা আঁতৰি গৈছে। মই সেই ঠাই পৰা উভতি আহি পুনৰ সেই মানুহজনক লগ কৰিলোঁ। মই সেই মানুহজনৰ পৰা এটা কথা উপলব্ধি কৰিলোঁ- কেৱল নিজক বিশ্বাসত লোৱাটোৱেই গুৰুত্বপূৰ্ণ কথা নহয়। সাধাৰণ মানুহ এজনেই কেতিয়াবা ভাল আদেশ দি নিজৰ জীৱন ৰক্ষাত সহায়ক হ'ব পাৰে। সেইবাবে সাধাৰণ মানুহৰ প্ৰতিও মানুহে গভীৰ আস্থা ৰখা উচিত। এইটো মোৰ বাবে জীৱনৰ এটা ডাঙৰ অভিজ্ঞতা তথা স্মৰণীয় ঘটনা।

শ্ৰশ্ন ঃ আপোনাৰ কাব্যজগতৰ প্ৰথম কবিতাটি হ'ল- "সাগৰত সূৰ্যাস্ত"। আপুনি এই কবিতাটি কেনেধৰণৰ পটভূমি বা কেনে ভাবাবেগত ৰচনা কৰিছিল?

উত্তৰ ঃ হয়, মোৰ কাব্যজগতৰ প্ৰথম কবিতা "সাগৰত সূৰ্যাস্ত" হ'লেও মই এই কবিতাটোৰ লিখাৰ আগতেও বহুতো কবিতা লিখিছিলোঁ যদিও সেইবিলাক স্পষ্ট ৰূপত প্ৰকাশিত হোৱা নাছিল। 'সাগৰত সূযাৰ্স্ত' কবিতাটো সেই সময়ত আধুনিক বাৰ্তাবিহন কৰা "ৰামধেনু" নামৰ আলোচনীখনত প্ৰকাশ পাইছিল। মই এই কবিতা ৰচনা কৰিছিলোঁ নিজা কল্পনাশক্তিৰ জৰিয়তে। এই কবিতাটো ৰচনা কৰাৰ আগতে মই সাগৰ দেখা নাছিলোঁ। সৰু হৈ থাকোঁতে দেউতাই মোক ৰামায়ণৰ আখ্যান বুজাই যাওঁতে তাত থকা সাগৰৰ বিষয়ে কৈছিল আৰু এবাৰ মই গ্ৰীক পুৰাণৰ চিনেমা এখন চাওঁতে তাত সাগৰ দেখা পাইছিলোঁ। অসমীয়া কবিতা প্ৰতীক বাদৰ জৰিয়তে ৰচনা কৰা হয়। মোৰ মনত সেই সাগৰখনেও কবিতা এটা ৰচনা কৰাৰ প্ৰতি আগ্ৰহৰ ভাৱ সৃষ্টি কৰিলে আৰু এই সাগৰকেই লৈ 'সমুদ্ৰভীতি' নামৰ কবিতাটো লিখিছিলোঁ। 'সাগৰত সূৰ্যাস্ত' কবিতাটোও মই এনে ভাৱাবেগতে ৰচনা কৰিছিলোঁ। মই কওঁ যে মানুহে যিকোনো বস্তু নেদেখাকৈ কল্পনা কৰিয়েই সেই বস্তুটোৰ ওপৰত যিকোনো বিষয়ক সাহিত্য ৰচনা কৰিব পাৰে।

প্ৰশ্ন ঃ আপুনি যেতিয়া কোনো এখন কাব্যপুথি বা গল্পপুথিৰ বাবে পুৰস্কাৰ লাভ কৰে তেতিয়া আপোনাৰ অনুভৱ কেনেকুৱা?

উত্তৰ ঃ মই যেতিয়া সাহিত্য অকাডেমী বঁটা লাভ কৰিছিলোঁ তেতিয়া মই এজন ডেকা বয়সৰ নতুন সাহিত্যিক আছিলোঁ। মই সাহিত্য অকাডেমী বঁটা পাইছিলোঁ মোৰ জীৱনৰ তৃতীয় ৰচনা "আন এজন" নামৰ কিতাপখনৰ বাবে। মই বঁটা লাভ কৰাৰ দিনত আগতীয়াকৈ কোনেও গম নাপায় যে কোনে বঁটা পাব। মইও প্ৰথমে গম পোৱা নাছিলোঁ যে মই পুথিখনৰ বাবে সাহিত্য অকাঁডেমী বঁটা লাভ কৰিছোঁ। যেতিয়া এজন ওপৰৱালা বিষয়াই মোলৈ ফোন কৰি মই বঁটা পোৱা বুলি জানি অভিনন্দন জনাইছিল তেতিয়া মই আচৰিত হৈ পৰিছিলোঁ। আকস্মিকভাৱে মই ইমান ডাঙৰ এটা ভাল খবৰ পাই মই বহুত আনন্দ অনুভৱ কৰিছিলোঁ। কিন্তু মই এটা কথা কওঁযে মই বঁটা লাভ কৰাৰ উদ্দেশ্যে কেতিয়াও সাহিত্য ৰচনা কৰা নাছিলোঁ। মই সাহিত্য ৰচনা কৰোঁ- সমাজৰ দায়বদ্ধতাৰ প্ৰতি লক্ষ্য কৰি। এখন সুস্থ সবল সমাজ গঢ়ি তোলাৰ আশাৰে। হ'লেও মই যেতিয়া সাহিত্য একাডেমী বঁটা পাইছিলোঁ সেই সময়ত মই ডেকা হৈ আছিলোঁ বাবে সেই বঁটাৰ বাবে মই নিজকে উপযোগী বুলি ভবা নাছিলোঁ। কিন্তু ইমান ডাঙৰ এটা বঁটা লাভ কৰাৰ পাছত সেই বঁটাৰ সন্মান ৰক্ষাৰ বাবে মই আৰু অধিক সাহিত্য চৰ্চাৰ প্ৰতি আগ্ৰহী হৈ পৰিলোঁ।

প্ৰশ্ন ঃ বৰ্তমান সময়ত ফেচবুক বা তেনেধৰণৰ ছচিয়েল নেটৱৰ্কিং বিলাকত বহুতো লোকে কবিতা বা সাহিত্য বিষয়ক লেখা লিখি থকা দেখিবলৈ পোৱা যায়। এইবিলাকৰ পৰা আপুনি সাহিত্যৰ কিবা উন্নতি হ'ব পাৰে বুলি ভাবেনে?

উত্তৰ ঃ মই ছচিয়েল নেটৱকিং বিলাকৰ ভিতৰত ফেচ্‌বুকৰ কথাই কওঁযে ফেচ্‌বুকত বহুতো লোকে কবিতা লিখে। সেই কবিতা বিলাকৰ বহুতো কবিতাই কবিতাৰ শাৰীত নপৰে। মোৰ ফেচ্‌বুকৰ বন্ধুৰ তালিকাৰ বহুতেই কবিতা লিখে। যিসকলে কবিতা লিখে তেওঁলোকৰ মাজত বহুজনৰ কবিতাৰে শব্দৰ বানান ভুল, অযথা শব্দৰ ব্যৱহাৰ কৰা দেখা যায়। ইয়াৰ মাজতে দুই এটা কবিতাক উন্নত মানৰ কবিতা বুলি ক'ব পৰা যায়। মই এই সন্দৰ্ভত কওঁ যে- ফেচ্‌বুকত যদি এহেজাৰ (১০০০) টা কবিতা প্ৰকাশ কৰে তাৰ ভিতৰত মই দহটা (১০) কবিতাকহে উন্নত মানৰ হয় বুলি ক'ব বিচাৰোঁ। বৰ্তমান সময়ত ছচিয়েল নেটৱকিং বিলাকক বহুতো লোকে ক্ষতিকাৰক উপাদান বুলি ক'ব বিচাৰে। কিন্তু মোৰ মতে এই বিলাক কোনো ক্ষতিকাৰক নহয়। প্ৰত্যেক বস্তুতে ভালৰ বিপৰীতে বেয়াটো থাকেই । গতিকে ছচিয়েল

নেটৱৰ্কিং বিলাকত উপলব্ধ বেয়া সমল বিলাক পৰিহাৰ কৰি ভাল উপাদান বিলাকৰ গ্ৰহণেৰে এই নেটৱৰ্কিং চাইটবিলাকত পোৱা বৈদ্যুতিন সাহিত্যৰ (E-Literature) জৰিয়তে সাহিত্যৰ উৎকৰ্ষ সাধন কৰিব পাৰি। তথাপিও এই ফেচবুক বা তেনে ধৰণৰ ছচিয়েল নেটৱৰ্কিং বিলাকত যিবিলাক সাহিত্যৰ বিষয়বস্তু পোৱা যায়। সেইবোৰৰ ওপৰত সমালোচনাৰ পৰিসৰ কম হোৱাৰ বাবে এই বোৰৰ পৰা উন্নতমানৰ সাহিত্য আশা কৰাটো কম।

প্ৰশ্ন ঃ তৰুণ প্ৰজন্মৰ লেখকসকলৰ সামাজিক দায়বদ্ধতাৰ হ্ৰাস পাইছে বুলি প্ৰায়ে সচেতন মহলে অভিযোগ উত্থাপন কৰে। স্বাধীনোত্তৰ কালছোৱাৰ এগৰাকী নিৰৱচ্ছিন্ন সাহিত্য সাধক হিচাপে এইক্ষেত্ৰত আপোনাৰ মতামত?

উত্তৰ ঃ মানুহৰ সামাজিক দায়বদ্ধতাৰ ওপৰত এক মুহূৰ্ততে কোৱাটো সম্ভৱ নহয়। সমাজৰ দায়বদ্ধতা প্ৰতি কোনে কি ধৰণে ভাবে সমাজৰ কি বিষয়ত দায়বদ্ধ হ'ব লাগিব এই বিষয়ৰ ওপৰত সকলোৰে আগতীয়াকৈ জনাটো দৰকাৰ। অসম আন্দোলনৰ কথাকে ক'ব পাৰি-সেই সময়ত অসমীয়া সমাজৰ প্ৰতি সামাজিক দায়বদ্ধতা পালন কৰিছিল ছাত্ৰ সন্থাই। মানুহে যিকোনো বিষয়ৰ লগত জড়িত হৈ থাকিলেহে সমাজৰ প্ৰতি নিজা সামাজিক দায়বদ্ধতা পালন কৰিব পাৰে।

লেখক এজনে যেতিয়া সাহিত্য ৰচনাৰ যোগেদি সামাজিক দায়বদ্ধতা পালন কৰে তেতিয়া তেওঁ নিজা অনুভৱৰ প্ৰতি সদা-সচেতন গুৰুত্ব দিবলগীয়া হয়। সাহিত্য সৃষ্টিৰ জৰিয়তে তেওঁলোকে যেতিয়া নিজা অনুভৱ প্ৰকাশেৰে স্বতন্ত্ৰতা আদান প্ৰদান কৰিব বিচাৰে তেতিয়া সেইটোকে লেখকসকলে সামাজিক দায়বদ্ধতা বুলি ক'ব বিচাৰে। অসমীয়া জাতীয় -জীৱনৰ এটা প্ৰধান অংগ হ'ল সাহিত্য। এই সাহিত্য ক্ষেত্ৰখনৰ প্ৰতি যিটো মোৰ সামাজিক দায়বদ্ধতা আছে সেইটো হ'ল সাহিত্যৰ উৎকৰ্ষ সাধন কৰা। কোনোবাই যদি ভাবে যে অসমীয়া সাহিত্যৰ উৎকৰ্ষ সাধন কৰাটো মোৰ দায়বদ্ধতা, গতিকে তেওঁ সাহিত্য সৃষ্টিৰ জৰিয়তে নিজা দায়িত্বখিনি পালন কৰিলে আৰু অসমীয়া সাহিত্যকো ওপৰলৈ লৈ যোৱাত সহায় কৰিলে। এই প্ৰসংগত হীৰেণ ভট্টাচাৰ্যৰ কথাকে ক'ব পাৰি- তেখেতে সাহিত্য সৃষ্টিৰ যোগেদিয়েই নিজা দায়বদ্ধতাখিনি পালন কৰিব বিচাৰিছিল। ভট্টাচাৰ্যদেৱে সমাজৰ আগলৈ ওলাই নোযোৱাকৈয়ে নিজা সামাজিক দায়বদ্ধতা পালন কৰিছিল কবিতা সৃষ্টিৰ জৰিয়তে। তেওঁ অসমৰ মাটি, পানী, বায়ু তথা মানুহৰ জীৱন আদিক লৈ সহজ- সৰল সুন্দৰ ভাষাৰে উৎকৃষ্ট মানদণ্ডৰ কবিতা লিখি সাহিত্যৰ লগতে সমাজৰ প্ৰতি নিজা সামাজিক দায়বদ্ধতা খিনি পালন কৰিলে।

সামাজিক দায়বদ্ধতাৰ কথা এটা বাক্যতে বা একেযাৰতে কে শেষ কৰিব নোৱাৰি। তোমালোকে যিটো প্ৰশ্ন কৰিছা এইটোৰ ওপৰত উত্তৰ দিয়াটো বৰ কঠিন। তৰুণ প্ৰজন্মৰ লেখকৰ মাজত সামাজিক দায়বদ্ধতা হ্ৰাস পোৱাৰ একমাত্ৰ কাৰণ হ'ল তেওঁলোকৰ অধ্যয়নৰ পৰিসৰ বৰ কম। অধ্যয়নৰ পৰিসৰ কম হোৱাৰ বাবে তেওঁলোকৰ অভিজ্ঞতাৰ পৰিসৰো কম হোৱা দেখা যায়। বৰ্তমান সময়ত যিসকল লেখক লেখিকাই সাহিত্য চৰ্চাত মনোনিৱেশ কৰিছে তেওঁলোকৰ বেছিভাগেই কেৱল নিজৰ নাম প্ৰকাশৰ বাবেহে সাহিত্য ৰচনাত মনোনিৱেশ কৰে। তৰুণ প্ৰজন্মৰ লেখক -লেখিকাৰ দ্বাৰা ৰচিত গল্প-কবিতাসমূহ গভীৰ অনুভূতিৰে পৰিপুষ্ট নহয়। তাৰ মাজতে যিসকলে পৰীক্ষা - নিৰীক্ষাৰ দ্বাৰা গভীৰ মননশীলতাৰে সাহিত্য ৰচনা কৰিছে তেওঁলোকৰো প্ৰতিভা বিকশিত হৈছে। সাম্প্ৰতিক সময়ত বহুতো লেখক -লেখিকাৰ আৱিৰ্ভাৱ হৈছে। তেওঁলোকে যাতে নিজা ভাৱ-অনুভূতিৰে উচ্চমানৰ সাহিত্য ৰচনা কৰিব পাৰে তেতিয়া হ'লে তেওঁলোকৰ পৰা সাহিত্যৰ ক্ষেত্ৰখন বিকশিত হৈ উঠিব বুলি আশা কৰিব পাৰি আৰু মই আশা কৰিছোঁ। ◆◆

### মহৎ লোকৰ বাণী

- বিদ্যাৰ সমান বন্ধু নাই, ৰোগৰ সমান শত্ৰু নাই পুত্ৰ স্নেহৰ সমান স্নেহ নাই আৰু দৈব্যৰ সমান বল নাই।
- নজনাটো সিমান লাজৰ কথা নহয়, শিকিবলৈ যত্ন নকৰাটোহে বেছি লাজৰ কথা।-বেঞ্জামিন ফ্ৰেংকলিন।
- "জ্ঞান মানুহক দিব নোৱাৰি উপলব্ধিহে কৰিব পাৰি।" - স্বামী বিবেকানন্দ
- "যেতিয়া হাঁহিবা গোটেই পৃথিৱীয়ে তোমাৰ সৈতে হাঁহিব যেতিয়া কান্দিবা অকলে কান্দিবা।" -হোৱাচ





## প্ৰাগঐতিহাসিক

✍ পূৰবী বৰমুদৈ

মানুহজন ঘৰটোত সপৰিয়ালে থাকে। এসময়ত তেওঁ ভাবিছিল সৰু ছোৱালীজনী আৰু পত্নীৰে সৈতে আহল বহল বাৰী এখন এটা পুখুৰীৰে সৈতে কাঠৰ প্ৰকাণ্ড চাংবঙলাটোৰ একোণত তেওঁলোক অকলশৰীয়াহৈ পৰি থাকিব। ঘৰটোৰ ওপৰ মহলাত থাকিব ঘৰৰ গিৰিহঁতনী গৰাকী। বুঢ়ী মানুহ। মুৰৰ চুলি আটাইকেইডালেই বগা। ক'লা ৰঙৰ কাঠৰ চাংবঙলাটোত বগা চুলিৰ বুঢ়ীজনী গোটেই কথাটোৰেই যেন কিবা এটা প্ৰাগ-ঐতিহাসিক যুগৰ কথা। পুৰণি আচবাব পত্ৰৰে পৰিবেশটোৱে সাধুকথাৰ ভয়ংকৰ জগত এখন মনৰ মাজলৈ আনি দিয়ে। জগদীশ শৰ্মাই মনতে ভাবিলে। ছোৱালীজনী লগতলৈ তেওঁৰ পত্নীয়ে অকলে অকলে এই পুৰণিকলীয়া প্ৰকাণ্ড ঘৰটোত থাকিবলৈ ভয়েই কৰিব নেকি। কিন্তু কি কৰা যায় ? ভয় কৰিলেও উপায় নাই। পত্নীক বুজাব লাগিব। নহ'লেনো কি কৰিব ? পত্নীক ভয় নকৰিবলৈ বুজাব লাগিব।

খুট খুট খুট খুট . । জগদীশে হঠাতে সাৰ পালে। মাজনিশা হোৱা শব্দ। যেন এটা মহাজাগতিক শব্দহে। বিৰক্তিৰে তেওঁ লেপখন মূৰৰ ওপৰলৈকে টানিলে চকু দুটা জোৰেৰে মুদি টোপনি যাবৰ চেষ্টা কৰিলে। নাই টোপনী নাহে দেখোন। কি হ'ল। সকলোৰে পৰা তেওঁ আতৰি আহিছে নেকি ? অৱশেষত টোপনিয়ে দিব পৰা শান্তিৰ পৰাও ? তেওঁৰ মনটো গধুৰ লাগিল। উপায় নাই, উপায় নাই। কিছুমান কথা কোনেও ক'ব নোৱাৰাকৈ এনেকৈয়ে ঘটি যায়। ঘটিবলগীয়া কথা বাবেই ঘটেনে কোনোবাই ঘটায়? কোনে ঘটায়? কাৰ সেই বিশাল হাত? তেওঁ খঙতে ভোৰভোৰাই উঠিল। উস্। এই বুঢ়ীজনীৰ পৰা উপায় নাই। কি কৰা যায়। ঘৰটোকে এৰি দিব লাগিব যেন পাইছো। এনেকৈ নোৱাৰি।

কথাকেইটা ভোৰভোৰাই উঠি তেওঁ শান্ত পালে। বুকুখন তেতিয়া কিছু পৰিমানে শান্ত হ'ল আৰু অলপ হলেও পাতল পাতল লাগিল।

ৰাতি লাহে লাহে আগবাঢ়ি যাবলৈ ধৰিলে। স্নেহলতা বৰুৱা নামৰ [illegible] বছৰ পাৰ হৈ যোৱা পক্কা কেশী বৃদ্ধা গৰাকী এতিয়াও স্বাস্থ্যৱতী হৈয়েই আছে। সাতবিঘা মাটিৰ মাজত একা কলা ৰং দিয়া শালকাঠৰ প্ৰকাণ্ড চাং ঘৰ বঙলাটো ওপৰ মহলাত তেওঁ অকল শৰীয়াকৈ কাম কৰে। দুমহলীয়া চাং বঙলাটোৰ বৰ্তমান অৱস্থা দেখাত ভগ্নপ্ৰা. । চাংবঙলাটোৰ তলৰ মহলাটো ভাড়ালৈ থাকে স্থানীয় কলেজখনৰ শিক্ষক জগদীশ শৰ্মাই তেওঁৰ পত্নী আৰু ছবছৰীয়া কন্যা সহ। তিনিজনীয়া সৰু পৰিয়াল এটাৰ কাৰণে ইমান ডাঙৰ ঘৰ এটাৰ প্ৰয়োজন নাছিল। কিন্তু কলেজৰ ওচৰত সুবিধাজনক আৰু কম ভাড়াৰ ঘৰ কলেজৰ ওচৰত সুবিধাজনক আৰু কম ভাড়াৰ ঘৰ নথকাত জগদীশ শৰ্মাই কোনো ধৰণৰ চিন্তা নকৰি ঘৰটো লৈ ল'লে। তলৰ মহলাৰ [illegible] থাকে বিদ্যুত বিভাগৰ কৰ্মচাৰী এজন। লগত তেওঁৰ পত্নী [illegible] শহুৰেক আহি কিছুদিন থাকি যায়হি। মানুহজনৰ পত্নী আসন্ন প্ৰসৱা। সেয়ে তেওঁৰ মাক-ভনীয়েক কিমানদিন থাকে কব নোৱাৰি। কিন্তু বেছিদিন নেথাকে সেইটো ঠিক। কাৰণ তাইৰ কলেজ আছে। সোনকালে যাবগৈ। স্নেহলতা বৰুৱাৰ এজন পুতেক আমেৰিকা নে ক'ত থাকে। দুবছৰ মানৰ আগতে সেইজন পুতেকেই আহি মাকক সম্পূৰ্ণ অকলশৰীয়া হবলৈ নিদিবৰ কাৰণে কমমাত্ৰ ভাড়াতে ঘৰটো ভাড়া দি থৈ পুনৰ আমেৰিকালৈ গুচি গ'ল। কেতিয়াবা অসুখ বিসুখ হ'লে ডেকা মানুহ এজন ওচৰত থাকিলে বুঢ়ী মানুহ এগৰাকীৰ সুবিধা হয়। এতিয়া ডেকা মানুহ এজন নহয় দুজনেই হ'ল। দুয়োজনে পৰম আগ্ৰহেৰে সেই দায়িত্ব মূৰ পাতি ললে। বুঢ়ীৰ পুতেকেও তেওঁৰ নিজৰ দায়িত্ব এৰাব পাৰি সকাহ পালে। এনেকৈয়েই সাতবিঘা মাটিৰ মাজৰ কাঠৰ পুৰণি চাংবঙলাটো কেন্দ্ৰ কৰি চলি থকা তিনিটা পৰিয়াল কোনো ৰাগজাল নোহোৱাকৈ চলি থাকিল। কাম বন তেনেকৈ নায়েই। কেৱল নিজা কাম কেইটা। বুঢ়ীজনীৰ অসুখ বিসুখ হলে ডাক্তৰজন মাতি দিয়া। লাইটৰ বিল, বাতৰি কাগজ আৰু টেলিফোনৰ বিল দিয়া, কেতিয়াবা বজাৰখন কৰি দিয়া। সি কামবোৰ কৰি আমনি নেপালে। বৰঞ্চ অকল শৰীয়া বুঢ়ী মানুহ এজনীক সহায় কৰিবলৈ পোৱাটো তাৰ সৌভাগ্য বুলিহে গণ্য কৰিলে। ঘৰটোৰ চৌহদত ওখকৈ পকী বেৰা দিয়া আছে। ওখকৈ দিয়া বেৰাৰ ভিতৰত নাই কি ? আম, কঁঠাল, লেটেকু, পনিয়ল, খেজুৰ, আমলখি, বগৰী আদি সকলো ধৰণৰ ফলমূলৰ গছ, বাঁহ আৰু তামোল গছো

আছে। তামোল গছৰ পাতে বগাই গৈছে পাণ আৰু জালুকৰ লতা। তামোল, খেজুৰ আৰু নাৰিকল গছৰ পাতত টোকোৰা চৰাইৰ বাহ। আবেলি সময়ত টোকোৰা চৰায়ে গছৰ আগবোৰত দলদোপ হেন্দোলদোপ লগাই থাকে।

জগদীশ আৰু তাৰ পত্নী দুয়োটাৰে মনটো ভাল লাগিবলৈ আৰম্ভ কৰিলে। অকণমানি জীয়েকজনীৰ কথাই নাই। ঘৰটোলৈ সোমাই আহিয়েই আগফালৰ ঘাঁহনি আৰু পাছফালৰ চোতালখনত জঁপিয়াই জঁপিয়াই খেলিবলৈ গৈ তাই পুখুৰীটোৰ সেউজীয়া ঘাঁহনীয়ে ঢকা পাৰত বহি লৈ পানীলৈ শিলগুটী দলিয়াবলৈ লাগিল, মাকে তাইক মাতেহে মাতে তাইৰ কিন্তু কাণসাৰ নাই।

মাক দেউতাক দুয়োটাই চকু ঘোপা কৰি তাইলৈ চোৱাত তাই কিছু ভয় খালে। ৰঙা জিঞাৰ অকণ অকণ খৰিকা ডালৰ সমান পোৱালীবোৰ পুখুৰীৰ পাৰৰ ঘাঁহৰ আগ একোটাত বহি আছিল। ছোৱালীজনীয়ে স্তম্ভিত হৈ জিঞা বোৰলৈকে চাই থাকিল। জগদীশৰ মনটো ভাল লাগিল। ছোৱালী জনীয়ে তাই কাহানিও নেদেখা দৃশ্য এটা দেখা পালে। জগদীশেও দেখা পালে। কি আচৰিত জীঞাৰ পোৱালী ঘাঁহৰ ওপৰত বহি সেইদিনা সন্ধিয়ালৈকে সৰু ছোৱালীজনী পকি জঁপিয়াই আত্মহাৰা হৈ থাকিবলৈ লাগিল। সন্ধিয়া তামোল নাৰিকল আৰু খেজুৰ গছৰ ৰঙচুৱা বেলিটো ওলমি থাকিবলৈ ধৰিলে। সন্ধিয়াৰ কঁচি জোনটো গছৰ পাতৰ ওপৰেদি বগাই মাটিলৈ নামিল।

জগদীশৰ আচহুৱা লাগিল। এইখন জানো চহৰ? নে গভীৰ অৰণ্যৰ মাজত শুই থকা লুপ্ত প্ৰায় এখন সাধুকথাৰ দেশ? কিন্তু সি কথাটো বুজি পাব নোৱাৰিলে । মাথো সি কথাটো চাই থাকিল। পদুলিৰ মূৰতে পকা আলি। চাৰি খোজ মান গলেই পি চি অ', বিউটি পাৰ্লাৰ, ডাক্তৰ খানা, স্কুল, বজাৰ দৰ্জী শাল, বাছ মটৰে গিজ গিজাই থকা ঠাই। প্ৰয়োজন মতে দৰকাৰী বস্তু পাব পৰাকৈ দোকান। পোহৰে গিজগিজাই থকা এইটো চহৰখনৰ এটা প্ৰধান চাৰি আলি। অসুবিধাৰ কথাই নাই। বৰঞ্চ সুবিধাহে। তাৰ চাকৰি স্থললৈকে দহ মিনিট মানৰ খোজ কঢ়াৰ বাট। জগদীশ আৰু তাৰ ঘৈণীয়েকে ভালেই পালে। ছোৱালী জনীৰ কাৰণে ওচৰতে মাতৃভাষা মাধ্যমৰ স্কুল এখনো আছে। সুবিধাহে কিন্তু সুবিধাৰ কথা হলে কি হ'ল? জগদীশৰ সেইটো কথাই মাজে মাজে মনলৈ আহে। ৰাতি সোনকালে ছোৱালীজনীক ভাত পানী খুৱাই শুৱাই লৈ সি তাৰ ঘৈনীয়েকে টি.ভি চাবলৈ বহে। তেতিয়া বুঢ়ীজনীৰ পাকঘৰত জুই জ্বলাই নাই। ৰন্ধা বঢ়াৰ কামত তেওঁ গেছ নাইবা প্ৰেচাৰ কুকাৰ ব্যৱহাৰ নকৰে। জীৱন কালত তেওঁ গেছ প্ৰেচাৰ কুকাৰ ব্যৱহাৰ কৰি পোৱাই নাই। ভাত পানী খাই বৈ পাকঘৰ অতাই জগদীশৰ পৰিবাৰ শুবলৈ আহিল। বুঢ়ীজনী তেতিয়াও পাকঘৰত। পাকঘৰৰ পৰা তেতিয়া দাইলৰ পাচফোৰণ আৰু পিয়াঁজৰ শুকান জলকীয়া দি তেল মৰাৰ গোন্ধ আৰু শব্দ হয়। ৰাতিও তেওঁ বাৰীখনত অকলে অকলে এপাক মান মাৰে। বাৰীখনৰ চুক এটাত আগৰে পৰাই পুৰণি ঘৰ এটা আছিল সেইটো ঘৰতে বৰ্ত্তমান মানুহ এহাল থাকে। মানুহটোৱে বাৰীখন চোৱা চিতা কৰে আৰু মানুহজনীয়ে বুঢ়ীৰ ঘৰৰ যাৱতীয় কাম কাজবোৰ কৰে। মানুহটোৰ বুঢ়ী মাকজনীয়ে ৰাতি আহি বুঢ়ীজনীৰ ওচৰতে সৰু বিচনা এখনত শুই থাকেহি। ইতিমধ্যে বুঢ়ীজনীৰ ভাত পানী হৈছিলেই। তেওঁ ভাতপানী খাই কাঁহিবাটিবোৰ ৰাতিপুৱা মানুহজনীয়ে ধুবলৈ বুলি চৰিয়া এটাত ভৰাই থৈ দিলে। ৰাতিটো লাহে লাহে গভীৰ হ'ল। জগদীশৰ পত্নীয়ে পাকঘৰ সামৰি সুতৰি আজৰি হৈ পাকঘৰৰ দুৱাৰত তলা মাৰিলে আৰু শুবলৈ বুলি শোৱণি কোঠালৈ আহিল।

ৰাতি পাকঘৰটোৰ পিচফালৰ কঁঠাল গছজোপাৰ পৰাই কিবা চৰাই এটাই বৰ কৰ্কশ স্বৰেৰে কেবাবাৰো মাতিবলৈ লাগিল। সাৰ পাই উঠি ভয় খাই যায় বুলি জগদীশে জীয়েকক সাৱট মাৰি ধৰি তাৰ বুকুৰ ওচৰলৈ চপাই আনিলে। গাঁৱতে জন্ম হৈ গাৱঁতে ডাঙৰ দীঘল হোৱা ল'ৰা জগদীশ। চৰাইটোৰ মাততে সি চিনি পালে ফেঁচা। সি বিচনাৰ পৰা নামি উমানে উমানে গৈ কোঠাটোৰ লাইট জ্বলালেগৈ। লাইটৰ কম ভল্টেজত সি দেখিলে তাৰ পত্নী অনুপমা বিচনাতে বহি আছে। চহৰত জন্ম হৈ ডাঙৰ দীঘল হোৱা ছোৱালী। ভয়ত তাইৰ চকু দুটা ডাঙৰ হৈ পৰিছে। তায়ো ভয় খাইছে। জগদীশ বিমোৰত পৰিল। খুট খুট শব্দ এটাৰে চাং বঙলাটোৰ ওপৰৰ কাঠৰ মজিয়াখন গমগমাই আছে। শব্দটো ওপৰৰ ইটো কোঠাৰ পৰা সিটো কোঠালৈ গৈছে। ইখন বাৰাণ্ডাৰ পৰা সিখন বাৰাণ্ডালৈ । অনুপমাৰ বিৱৰ্ণ হোৱা মুখখনলৈ চাই জগদীশৰ তভাৱ ৰহল এটা ভৌতিক পৰিবেশে যেন ঘৰটো আচন্ন কৰি থৈছে। অশৰীৰি কিবা এটাই যেন ঘৰটো আৰু সাত বিঘা মাটিৰ বিশাল বাৰীখন ঘেৰি লৈছে। ক'লৈ আহিল সি ? ক'লৈ লৈ আহিল সি তাৰ প্ৰিয়তমা পত্নী আৰু কন্যাক? সি নিজকে দোষী যেন অনুভৱ কৰিলে? বিচনালৈ উঠি সি আঁঠুৱাৰ ভিতৰলৈ সোমাই। অনুপমাৰ মূৰটো নিজৰ বুকুৰ সাৱটি ধৰি এটা হাত শুই থকা জীয়েকৰ গাত থলে। ওপৰ মহলাৰ কাঠৰ মজিয়াত হোৱা ভয়াৱহ শব্দটোৱে পৰিৱেশ টো অধিক জয়াল কৰি তুলিছে। তাতে মাজে মাজে ফেঁচাৰ কৰ্কশ মাতত আৰু শিয়ালৰ আৰাও। গোটেই পৰিৱেশটোৱেই কিবা এটা প্ৰাগ ঐতিহাসিক পৰিৱেশত পৰিণত হৈছে। পৰিৱেশটো যেন এটা অশৰীৰি পৰিৱেশ। নিশাটো জয়াল হৈ পৰিছে। অনুপমাৰ মুখখন বিৱৰ্ণ হৈ পৰিছে। তাই জগদীশৰ বুকুৰ ওচৰ চাপি আহিছে বতাহত কঁপা ধানগছ জোপাৰ দৰে শৰীৰটো চেচাঁ হৈ পৰিছে। অনুপমাৰ শৰীৰ ইমান উত্তাপ হীন হৈ কাহানিও পৰা নাছিল। সি অনুপমাৰ নিৰুতাপ শৰীৰটো তাৰ দুবাহুৰ মাজলৈ আনিলে। তাই তাৰ বুকুৰ মাজত মুখখন গুজিলে। কঁপা কঁপা মাতেৰে ক'লে আমি ইয়াৰ পৰা ক'ৰবালৈ যাওগৈ ব'লা। মোৰ ভয় লাগিছে। "ভয় লাগিবলৈ কি আছে? মই আছো নহয়।" সি অনুপমাৰ ভয় ভাঙিবৰ কাৰণে নহয় কিন্তু ইমান কম খৰচত ইমান সুবিধাজনক ঘৰ নেপাব বুলিহে লগা তাৰ ভয়টো তল পেলাবলৈ তেনেকৈ কলে। সি অনুপমাৰ বুকুত ধপ্ ধপ্ শব্দটোও শুনিবলৈ পালে। সি তাইৰ হাতটো তাৰ গাৰ পৰা এৰুৱাই দিলে। অনুপমাই সাৰ পালেআৰু ফেকুৰি ফেকুৰি কান্দিবলৈ লাগিব। তাই বহুত সময় ধৰি কান্দি থাকিল। সি তাইৰ মূৰটো তাৰ বুকুৰ মাজত সাৱটি ধৰি থাকিল। ৰাতিপুৱা বহুত পলমকৈ জগদীশে সাৰ পালে। সি শোৱাৰ পৰা উঠোতে অনুপমা পাকঘৰত জীয়েকক স্কুললৈ সাজু কৰিছে। উঠি আহোতে জগদীশে দেখিলে কাপোৰ মেলা ডাঁৰত অনুপমাই গা ধুই উঠি মেলি দিয়া কাপোৰ ওলমিছে। তিতা কাপোৰবোৰৰ পৰা তেতিয়াও টোপ টোপ কৈ পানী পৰি আছে। পূব আকাশত বেলিটো জিলিকি আছে। বেলিৰ পোহৰ পৰি গছৰ পাত আৰু পুখুৰীৰ পানীও জিলিকি পৰিছে। চোতালৰ পৰা ভিতৰলৈ সোমাবলৈ ধৰোতে তাৰ নিশাৰ ভয়াৱহ শব্দটোৰ কথা মনত পৰিল। সেই ভয়াৱহ শব্দ আৰু নিশাৰ কথাবোৰ তাৰ অৰ্থহীন যেন লাগিল।

নিয়ম অনুসৰি জগদীশে আঠ বজাতেই গা ধুলে। গা ধুই সি জীয়েকক স্কুলৰ বাছত উঠাই থৈ আহিলগৈ। ছোৱালী জনীক বাছত উঠাই থৈ আহি সি ভাত খালেহি আৰু কলেজলৈ ওলাই গ'ল। কলেজৰ চাকৰিকেইটা কৰি সি সোনকালে আহি ঘৰ পালেহি। স্কুলৰ পৰা ঘৰলৈ আহি ছোৱালীজনীও শুই থাকিল। জগদীশৰ ভাৱ হ'ল ঘৰটো নিজান হবলৈ আৰম্ভ কৰিছে। আবেলিৰ বেলিটোৱে ডুব যাবলৈ যো জা কৰিছে।

গোটেই কথাটোৱেই জগদীশক ভাল নেলাগিল। নিৰ্জনতাই ঘৰটো আৰু বাৰীখন গ্ৰাস কৰি লোৱা মানেই নিশাৰ ভয়াৱহতাৰ সময় আগবাঢ়ি অহা। তাৰো বুকুখন কঁপিবলৈ লাগিল। সি অনুপমা আৰু ছোৱালী জনীৰ লগতে দৰকাৰী অদৰকাৰী কথা পাতি থাকিল। ছোৱালীজনীক অংক বুজাবলৈ লাগিল। অনুপমাৰ লগত সৰু কথাতে কাজিয়া কৰিলে। সি দুৱাৰখন খুলি বাৰাণ্ডালৈ ওলাই আহিল। মাক আৰু জীয়েকে পাকঘৰত কথা পাতি আছে। সন্ধিয়াৰ চকাচন্দা পোহৰত দেখা গ'ল বুঢ়ীজনীয়ে সাত বিঘা মাটিৰ বাৰীখনত পিত পিতাই ঘুৰি ফুৰি সৰি পৰা পকা তামোল আদি বুটলি ফুৰিছে। বাৰীখনৰ ক'ৰবাত তৰুৱা কদম ফুলিছে। আবেলিৰ বতাহত তাৰে সুবাস, বাৰাণ্ডাৰ পৰা জগদীশে বুঢ়ীজনীক দেখিলে। জীয়েকৰ মুখে সি মাজে মাজে শুনিলে আনকি অনুপমায়ো তাক কৈছে । বাৰীখন বুঢ়ীজনীৰ এলেকাত পৰা ঘৰখন ক'তো বেজীৰে আগটোৰ সমান ঠাই অকণমানো নাই য'ত বুঢ়ীজনী দিনৰ দিনটো পিতপিতাই ঘুৰি নুফুৰে। অনুপমাই তালৈ বুলি একাপ চাহ লৈ আহিছিল। সি হাত মেলি তাইৰ পৰা চাহ কাপ ল'লে। চাহৰ সোহা মাৰিবলৈ লৈ সি দেখিলে তামোল গছৰ তলত পকা তামোল বিচাৰি বুঢ়ীজনী তেতিয়াও পিত পিতাই ঘুৰি ফুৰিছে। তামোলৰ লগতে পকা পাণো বুটলিছে। ক্ষীৰ্ণকায় বুঢ়ীজনী ঘৰখনৰ প্ৰতিটো চুক কোণতে পৰুৱাৰ দৰে পিতপিতাই বগাই ফুৰে তাৰ পিছত জগদীশ বজাৰলৈ গল। বজাৰৰ পৰা আহি স্কুটাৰৰ পৰা নামিয়েই সি বাহিৰতে তাৰ জীয়েকক দেখি স্বভাৱবশত ঃ তাইক নিজৰ বাহু দুটাৰে সাৱট মাৰি ধৰি ওপৰলৈ তুলিলে। বাৰাণ্ডাত বুঢ়ীজনীৰে সৈতে অনুপমাই কথা পাতি আছে। বুঢ়ীৰ মুখত ভিতৰত এমোকোৱা তামোল বুঢ়ীৰ মুখৰ আগত তামোলৰ বঁটা। বঁটাত পকা পাণ তামোল। চুণৰ টেমী বহঁতৰ চালি। ধঁপাতৰ টেমা ৰুকি ৰুকি তামোল গুড়ি কৰিব পৰা সৰু খুন্দনা এটা। কৰ্পূৰ এডোখৰ ইত্যাদি। বুঢ়ীজনীৰ লগত পৰি অনুপমায়ো এখন দুখন তামোল জগদীশে অনুপমাৰ এই তামোল খোৱা অভ্যাসটো বেয়া পায়। ক'লেও অনুপমাই তাৰ কথালৈ কাণসাৰ নকৰে। কৈ কৈ জগদীশৰো আমনি লাগিছে। সিয়ো আজিকালি একেটা কথাকে নকয়। জগদীশক দেখি বুঢ়ীজনী উঠিল আৰু বাৰাণ্ডাৰ খুটাটোৰ ওচৰত থিয় হৈ গুটিমালি ফুল জোপাৰ ওপৰত পিৰিককৈ পিক এসোপা পেলাই দিলে। বিৰক্তিত জগদীশৰ কপালৰ গাঁঠি থোপা খালে। মানুহজনী বাৰীখনৰ ভিতৰলৈ সেমাই গ'ল। তামোল গছৰ ফাকে ফাকে পকা চুলীয়া মুৰটো মাজে মাজে দেখা পোৱা গ'ল। জগদীশে বহুত সময় তামোল গছৰ ফাকে ফাকে ওলোৱা সোমোৱা কৰা পকা চুলীয়া মূৰটোলৈকে একে থৰে চাই থাকিবলৈ ধৰিলে। বুঢ়ীজনীৰ তিনিটা পুতেকেই বিদেশত থাকে। স্বামী পুত্ৰ ধন খ্যাতিৰ সৈতে সুখী। এজনী জীয়েক থাকে চেন্নাইত। এজনী জীয়েক থাকে গুৱাহাটীত। মানুহজনী পুতেক বা জীয়েক কাৰো লগলৈকে নেযায়। জগদীশে বহুত সময় ধৰি বাৰাণ্ডাৰ খুটাটোতে আউজি পকা তামোল বুটলি ফুৰা বুঢ়ীজনীলৈ চাই ৰ'ল। একে সময়তে অদ্ভুত ধৰণৰ দুখবোধ এটাই তাৰ বুকুখনত হেচা মাৰি ধৰিলে। বুঢ়ীজনীলৈকে তাৰ দুখ লাগিল আৰু বুঢ়ীৰ খ্যাতিসম্পন্ন সফল পুতেক জীয়েক হঁতলৈয়ো দুখ লাগিল। পুতেক জীয়েকহঁতে মাকক লৈ যাব খোজে। বুঢ়ীৰ যুক্তি তেওঁ কাকো এৰি থৈ যাব নোৱাৰে। তামোল গছ কেইজোপা, পকা কঁঠাল খাবলৈ অহা কাউৰী কেইটা, ওচৰ চুবুৰীয়া, ঘৰটো, ঘৰৰ আচবাব পত্ৰ, আনকি চোতাল সৰা বাঢ়নী ডাল একো এৰি থৈ তেওঁ ক'লৈকো যাব নোৱাৰে। মাকৰ লগত কাজিয়া কৰি "তই ইয়াতেই মৰি থাক" বুলি পুতেক বোৱাৰীয়েক অহা বাটে উলটি গ'ল। অলৰ অচৰ হৈ মানুহজনী ঘৰটোতে থাকিল।

জীয়েক জগদীশৰ দুবাহুৰ মাজৰ পৰা ওলাই গৈ চোতালখনত জঁপিয়াই জঁপিয়াই খেলিবলৈ লাগিল। বুঢ়ীজনীয়ে

দুপৰীয়া চোতালখনত শুকাবলৈ দিয়া পুৰণি বটল আৰু টেমা এসোপা ভিতৰলৈ ভৰাবলৈ ধৰিছে। সন্তান সফল হলে পিতৃ কিমান অসহনীয় একাকীত্বৰ বলী হ'ব লগাত পৰে জগদীশে বুজি পালে। বুঢ়ীজনীয়ে বটল টেমাবোৰ ভিতৰলৈ ভৰাইছে আৰু মুখেৰে কিবা, কিবি বিৰবিৰাই আছে। অনুচিত যদিও জগদীশে বুঢ়ীয়ে কি কৈছে শুনিবলৈ চেষ্টা কৰিলে। কিন্তু একো শুনা পোৱা নগল অনুপমাই জগদীশলৈ চাই কলে। আজি দিনৰ দিনটো বটল টেমাবোৰকে ধোৱা দেখিলোঁ।

ৰাতি হ'ল। জীয়েক আগতেই শুলে। তাই শোৱা পিছত অনুপমা আৰু জগদীশে টিভিৰ চিৰিয়েলখন চাই ভাত খাবলৈ আহিল। ভাত পানী খাই পাকঘৰ অ তাইহে শুবলৈ আহিব।

অনুপমা আৰু জগদীশ শুবলৈ আহিল। গাৰুত মূৰটো থৈ জীয়েকৰ গাত কাপোৰখন দি আঁঠুৱাৰ ভিতৰত মহ আছে নেকি চাই অনুপমাই আগনিশাৰ ফেঁচাৰ চিঞৰটোৰ কথা ভয়ে ভয়ে উলিয়ালে। ফেঁচাই মাতিলে ভাল নে বেয়া সেই কথা জগদীশক সুধি তাই এই কথাও ক'লে যে পিছদিনালৈ কথাটো তাই বুঢ়ীজনীক সুধিব। বুঢ়ী মানুহ কথাবোৰ ভালকৈ জানিব পাৰে। অনুপমাৰ কথা শুনি জগদীশৰ হাঁহি উঠিল। সি তাইক ক'লে যে ঘৰৰ চিলিঙত নিগনিয়ে বাহ লৈছে আৰু নিগনি খাবলৈকে ফেঁচা আহিছে। খুট খুট শব্দটো নিগনি ঘুৰি ফুৰাৰে শব্দ।

স্বামী স্ত্ৰীৰ গতানুগতিক স্বাভাৱিক জীৱন। জীয়েকক মাজত লৈ দুয়োটা টোপনিত পৰিল। হঠাতে জগদীশ সাৰ পাই উঠিল। তাৰ বুকুখন যেন চমচমাই গ'ল। আগনিশাৰ সেই একেটা শব্দই উলটি আহিছে। জীয়েকক বুকুৰ ওচৰলৈ চপাই অনুপমা গভীৰ টোপনিত, জীয়েকো। পুনৰ শব্দটো শুনা গ'ল। নিজকে সাহসী বুলি ভবা জগদীশৰ বুকুখন ধৰফৰাবলৈ লাগিল। কৰ্কশ শব্দটোৱে তাক যেন বৰ অকলশৰীয়া কৰি পেলালে।

দৰাচলতে সকলো মানুহেই বৰ অকলশৰীয়া। জগদীশো এই ঘৰৰ সকলো বাসিন্দা। আচবাব পত্ৰ। বুঢ়ীজনী এই ঘৰৰ চৌহদত থকা প্ৰতিজোপা গছ প্ৰতিটো জীৱ সকলো সকলো। সাহসী বুলি অহংকাৰ কৰা জগদীশৰো ভয় লাগিল। সি জীয়েকৰ চুলিৰ সুগন্ধ বিচাৰি তাইৰ চুলিত তাৰ নাকটো ভৰাই দিলে আৰু সি জীয়েকৰ চুলিৰ সুগন্ধ পালে। আগতেৰো বহুদিন সি সাহসৰ প্ৰয়োজন হ'লে জীয়েকৰ চুলি আৰু শৰীৰৰ সুগন্ধলৈ সি টোপনি যাবলৈ চেষ্টা কৰিলে। আৰু তেতিয়াই সি শুনিবলৈ পালে আগনিশাৰ সেই কৰ্কশ শব্দটো। সি জীয়েকৰ গাৰ সুগন্ধ তাৰ বুকুৰ ভিতৰলৈ টানি নিবলৈ চেষ্টা কৰিছিলহে। সেই তেতিয়াই তাৰ কাণত পৰিল আগনিশাৰ সেই কৰ্কশ খুট খুট শব্দটো। শব্দটোৰ উৎস ক'ত সি জানে। ভয় খাব পাৰে বুলি অনুপমাক কোৱাহে নাই। জীয়েকৰ শৰীৰৰ সুগন্ধই কাম কৰিবলৈ লাগিল। জগদীশৰ চকুৰ পতা লাগিল কি নেলাগিলেই আকৌ ওপৰ মহলাৰ কাঠৰ মজিয়াখনৰ পৰা খুট খুট শব্দটো আহিবলৈ ধৰিলে। এইবাৰ জগদীশৰ সচাঁকৈয়ে ভয় লাগিল। সি তাৰ বুকুৰ ওচৰতে শুই থকা জীয়েকৰ চুলিৰ মাজলৈ তাৰ নাকটো ভৰাই দিলে। আগতেৰো বহুদিন সি বিপাঙত পৰাৰ সময়ত জীয়েকৰ চুলি আৰু শৰীৰৰ এই সুগন্ধই তাক সকাহ দিছিল। এতিয়াও তাৰ মনটো ভাল লাগিবলৈ ধৰিলে। সি যেন সকাহ পাইছে। আঃ কি সুন্দৰ, কি সুন্দৰ। তাৰ বুকুৰ ওপৰৰ পৰা অসহ্য ভাৰ এটাহে যেন নোহোৱাহে তাৰ বুকুখন পাতল হৈ পৰিল।

ওপৰ মহলাৰ কাঠৰ মজিয়াখনৰ পৰা খুট খুট শব্দটো বেছি কৈহে আহিবলৈ লাগিল। কোনোবাই যেন কাঠৰ মজিয়াখনৰ ওপৰত ইফালৰ পৰা সিফাললৈ ভৰিৰ শব্দ তুলি ঘূৰি ফুৰিছে আৰু কাঠৰ আচবাব পত্ৰবোৰ চোঁচৰাই ফুৰিছে। মাজে মাজে ফেঁচা এটাই বিকট শব্দ কৰি চিঞৰিছে। বাৰীৰ বাঁহনি ডৰাৰ পৰা আহিছে শিয়ালৰ মাত। শিয়ালৰ মাত শুনি কুকুৰে চিঞৰ বাখৰ কৰিছে। নিশা যিমানে গভীৰ হৈছে সিমানে নিশাটো ভয়াৱহ হৈ পৰিছে। কি আচৰিত। এই ভয়ংকৰ নিশাটোৱে জগদীশ নামৰ ভয়হীন বুলি অহংকাৰ কৰা কলেজ শিক্ষক জনৰো অন্তৰাত্মা কঁপাই পেলাবলৈ লাগিল, সি সাহস বিচাৰি বাৰে বাৰে তাৰ কণমাণি ছোৱালীজনীৰ কাষ চাপিবলৈ ধৰিলে। হঠাৎ তাৰ ভাৱ হ'ল অকলে অকলে শুই থকা বুঢ়ীজনীৰ কোঠাত কিজানিবা চোৰ বা ডকাইত সোমাইছে। বাতৰি কাগজত তেনেকুৱা বহু খবৰ পঢ়িবলৈ পোৱা যায়। খবৰ বোৰৰ শেষ অংকৰ কথা ভাবি তাৰ ভয় লাগিবলৈ ধৰিলে। এপাকত ভাৱ হ'ল সি ছোৱালীজনী আৰু অনুপমাক জগাই দি সৰ্তক কৰি দিয়ে। জগালে সিহঁতে ভয় খাব, কলে কন্দা কটা কৰিব চিঞৰ বাখৰ চলিব। ৰাতিপুৱা ওচৰ চুবুৰীয়াই কি হ'ল বুলি প্ৰশ্ন কৰিব। নতুবা নিগনি ডালশলীয়া খাবলৈ বাদুলীয়েই সোমাইছে নেকি? জগদীশৰ সকলো কথাই খেলি-মেলি লাগিল। আচলতে এই ঘৰটোত সিহঁত সোমোৱাৰ দিনৰ পৰাই কথাবোৰ খেলি মেলি হৈ পৰিছে। ৰাতি পুৱাও পুৱাও হৈছিল। খিৰিকীৰে অহা ৰ'দৰ জিলমিলনি তাৰ চকুত পৰি তাৰ টোপনিটো ভাহি দিলে। এজাক শৰালী চৰাই পূবৰ পৰা পশ্চিমলৈ বুলি উৰি গ'ল। সি সিহঁতৰ মাত আৰু ডেউকাৰ দপদপনিৰ শব্দ শুনিলে। হাবিৰ মাজৰ পৰা বনৰীয়া ফুলৰ গোন্ধ আহি তাৰ নাকত লাগিল। গোন্ধটো একোবাৰ তাৰ অনুপমাৰ আৰু একোবাৰ জীয়েকৰ শৰীৰৰ গোন্ধ যেন লাগিল। যোৱা নিশাৰ ভয়াৱহতা মনৰ পৰা দূৰ হৈ মনটো পাতল হৈ পৰিল। সি বেৰত থকা ঘড়ীতোলৈ চালে। সাত বাজি গ'লেই। অনুপমা কেতিয়াবাই উঠিল। ছোৱালীজনী ইতিমধ্যে স্কুললৈ যাবলৈ বুলি সাজু হৈছে। আনকালৰ দৰে আজিও চোতালৰ ডাঁৰত অনুপমাৰ তিতা চাদৰ মেখেলা ওলমিছে। আনকালৰ দৰে বুঢ়ীজনীয়ে আজিও বাৰীখনৰ মাজত পিত পিতাই ঘুৰি ঘুৰি পকা তামোল



পকা পাণ বুটলিছে। সি গৈ পাকঘৰ পালেগৈ। তাক দেখি অনুপমাই চাহৰ পানী গেছৰ ওপৰত তুলি দি ক'লে "আজি দেখোন তুমি সোনকালে নুঠিলা।" সি হাত সাৰিব পৰা উত্তৰ এটা দি চাহ কাপ খাবলৈ লাগিল। যোৱা নিশাৰ কথা সি একো উল্লেখেই নকৰিলে। পাকঘৰৰ পৰা চাহ কাপ খাই আহি সি জীয়েকক স্কুলৰ বাচত উঠাই থৈ আহিলগৈ। আহোতে ঠাইতে পোৱা বজাৰখনৰ পৰা মাছ আৰু বিলাহী কিনি আনিলে। তাৰ গাটো অৱস লাগিছিল। মুখখনো বিস্বাদ বিস্বাদ লাগি আছিল, কলেজতো তাৰ মনটো ভাল লাগি থকা নাছিল। অৱশ আৰু অসহায় আৰু বিষাদগ্ৰস্ত হৈ পৰিবলৈ লাগিছে দিনে দিনে কলেজৰ পৰা আহোতে সি জীয়েককো স্কুটাৰত উঠাই ঘৰলৈ লৈ আহিল। অনুপমা ঘৰত নাছিল। তাই ওচৰৰে কাৰোবাৰ ঘৰলৈ গৈছে। বুঢ়ীজনীয়ে বাৰাণ্ডাত বহি লৈ তামোল খাইছে। সমুখত তামোল পাণৰ সম্ভাৰ। কাহঁৰ বটাটো সোণৰ দৰে চকচককৈ জিলিকিছে। মুখলৈ তামোল এখন ভৰাই লৈ বুঢ়ীজনীয়ে ক'লে "আহিলা? সি মূৰ দুপিয়ালে চোতালৰ এটা মূৰত বুঢ়ীয়ে ধুই লৈ শুকাবলৈ বুলি ওভটাই থৈ দিয়া এগাল পুৰণি বটল টেমা বাচন-বৰ্ত্তন, লোটা-ঘটী, কেৰাহী-কাঁহি, বাল্টি, পিতলৰ গচা, ৰূপৰ গিলাছত সূৰ্য্যৰ পোহৰে চিকমিকনি তুলিছেহি। জগদীশলৈ চাই নিস্পৃহ হাঁহি এটা মাৰি বুঢ়ীজনীয়ে সন্মুখত থকা পাটিটো ককাঁললৈ তুলি ল'লে। কাম কৰা মানুহটোক গৰুজনীক ঘাঁহ আৰু দানা দি গোহালীত বান্ধিবলৈ দিহা দিলে আৰু পুনৰাই কপুৰ আৰু মলা ধঁপাতেৰে তামোল এখন মুখত ভৰাই পকা তামোল আৰু বতাহত সৰা পাণ বুটলিবলৈ বুলি ওলাল। থিয় হওঁতে তেওঁৰ ককাঁলত বান্ধি থোৱা চাবি একোচাই জুনুককৈ শব্দ এটা কৰিলে। জগদীশ এশ শতাংশই খাটাং যে সেই কোচা চাবিৰ এটা চাবিয়েও পৃথিৱীৰ কোনো তলা নোখোলে। বুঢ়ীজনীয়ে একো ন'কলে কিন্তু মুখেৰে বিৰবিৰাই থাকিল। সন্ধিয়াৰ বেলিটো ৰঙা হৈ বাৰীখনৰ গছবোৰত পৰিল আৰু গছবোৰৰ ডালে পাতে বগাই ফুৰিবলৈ লাগিল। বজাৰৰ পৰা কি কি আনিব লাগিব অনুপমাৰ পৰা জানি লৈ জগদীশে স্কুটাৰত হাত দিলে। ওচৰলৈ আহি অনুপমাই ফুচফুচাই কোৱাদি তাক ক'লে। বুঢ়ীজনীয়ে ভাত খাই উঠিছেহে। দিনৰ দিনটো ধোৱাকে ধোৱা, কৰাকে কৰা। কি হৈছে জানো বুঢ়ীৰ। দিনেই ধুই থাকিবলৈ এখন ঘৰত যিখন পুৰণি বটল আৰু টেমা থাকিব লাগিব। জগদীশে মনতে হিচাপ কৰিছে। জগদীশৰ হঠাতে ভাৱ হ'ল সি বাৰু লোকৰ ঘৰত সোমাই ধৰা পৰা অবাঞ্চিত মানুহ নেকি? বুঢ়ীজনীয়ে বোধ হয় দিনে-নিশাই টেমা বটল সোপাৰ কথাই জাৰি থাকে, আৰু বিৰবিৰাই বিৰবিৰাই সিহঁতৰ লগতেই কথা পাতি থাকে। স্কুটাৰ চলাই বজাৰলৈ গৈ থাকোতে তেওঁ জগদীশে সেই কথাটোকে ভাবি ভাবি গৈ থাকিল।

এই যে দিনে নিশাই একে খিনি কামকে কৰা ধোৱা বটলকে ধোৱা সদায় একেখিনি টেবুল চকীকে ইফাল সিফাল কৰা একেটা বাকচকে খুলি তাৰ পৰা পুৰণি বয় বস্তু উলিওৱা এইখিনি কথাই কি সুচায় বাৰু? বুঢ়ীমানুহ এজনীৰ ভয়ংকৰ একাকীত্বৰ কথা নুসুচায়নে? বজাৰৰ পৰা ঘৰলৈ আহিও জগদীশে একেটা কথাকেই ভাবি থাকিল। কাৰ একাকীত্ব? এই বুঢ়ী মানুহজনীৰনে কাঠৰ চাং বঙলাটোৰ নে সমগ্ৰ মানৱ কুলৰে? জগদীশে একো নেজানে মাথো সি কথাটো চিন্তা কৰি থাকিল। কলেজত অংক পঢ়োৱা জগদীশে এইটো অংকৰ উত্তৰ উলিয়াব নোৱাৰিলে। কেতিয়াবা কিছুমান অংকৰ উত্তৰ জগদীশে নেজানে। ভাত পানী খাই বৈ বিচনাত পৰাৰ পিচত জীয়েক আৰু পত্নীক বুকুৰ ওচৰলৈ চপাই লৈ জগদীশে ওপৰত হোৱা শব্দটো শুনিবলৈ বুলি উৎকণ্ঠিত হৈ অপেক্ষা কৰি ৰ'ল। আচৰিত কথা। শব্দটো শুনিবলৈ উৎকণ্ঠিত হৈ বৈ থকাটো জগদীশৰ ৰুটিনত পৰিণত হৈছেগৈ। যিদৰে পুৰণি বটল সেইদৰে জগদীশৰো ৰুটিন শব্দটোলৈ উৎকণ্ঠিত হৈ বৈ থকাটো। সকলো মানুহেই কিবা নহয় কিবা এটাৰ কাৰণে অপেক্ষা কৰে। অপেক্ষা কৰাটো মানুহৰ ধৰ্ম। জগদীশৰ উৎকণ্ঠাক ওৰ পেলাই অৱশেষত শব্দটো হ'বলৈ ধৰিলে। কিহৰ শব্দ? সেইটো যেন মহাকালৰ শব্দ। সি যেন অসহায় হৈ পৰিল আৰু সাহস বিচাৰি পত্নী আৰু কন্যাক সাৱটি ধৰি থাকিব পৰাকৈ তাৰ হাতটো দীঘল কৈ মেলি দিলে এইটো যেন এটা অতি ৰহস্যময় শব্দ। শব্দটো শুনিলে তাৰ এনে লাগে যেন সি বহু শতিকাৰ আগৰ ৰহস্যময় পিৰামিডৰ মাজত অকলে অকলে বৈ আছে। সি ওলাব পৰা নাই। তাক ঘেৰি আছে ৰহস্যময় পিৰামিডৰ মাজৰ অশৰীৰি শব্দই। সি যেন পিৰামিডৰ মাজত বন্দী হৈ থকা ফাৰাও সকলৰ কথা বতৰাৰ ফিচফিচনিৰ শব্দ এটা শুনিবলৈ পাইছে। শব্দটো বৰ ভয়াৱহ। ভয়াবহ হলেও গা সিৰসিৰাই যোৱাকৈ বুকুখনত কঁপনি এটা টুলিব পৰা কিবা এটা ভাল লগা ৰহস্যময় আকৰ্ষণো তাত আছে। নহলেনো দিনটো সি এই শব্দটো শুনিবলৈ বৈ থাকেনে? এই শব্দটো বাৰু কিহৰ সমষ্টি? জগদীশে জানে এই কথাৰ কোনো বৈজ্ঞানিক ব্যাখ্যা নাই। এইটো যেন অশৰীৰি মহাকালৰ খোজৰ শব্দ। ভয়ংকৰ একাকীত্বৰ মাজত থকা মানুহৰ একাকীত্ব আৰু বিচ্ছিন্নতাৰ শব্দ। একাকীত্ব আৰু মানুহ মানুহৰ পৰা হেৰাই যোৱা। মই তোমাক ভাল পাওঁ বুলি কব নজনা আৰু সেই শব্দ উচ্চাৰণ কৰা জনকো নিৰ্দ্দয় ভাৱে ওচৰৰ পৰা বিতাড়িত কৰা হৃদয়হীন মানুহৰ পৰা হেৰাই যোৱাৰ শব্দ। মানুহে মানুহক ভাল পোৱা কথাটো বহু কলীয়া কথা হৈ গ'ল। সেয়ে মানুহক ভাল নেপায়। কোনো সম্পৰ্কৰে মানুহৰ সতে বান্ধ খাব নোখোজে। প্ৰিয়তম পুত্ৰৰ লগত মাতৃৰ সম্পৰ্ক ৰাখিব নোখোজে। বিভিন্ন 'বাদ'ৰ জ্বালাত মানুহে হেৰুৱাই পেলাইছে হৃদয়। এইশব্দটো মানুহৰ হৃদয় হেৰাই যোৱাৰ শব্দ। খুট খুট খুট খুট। চক খাই জগদীশ সাৰ পাই উঠিল।

আচলতে সি টোপনি যোৱাই নাছিল সি শব্দটো শুনিবলৈহে বৈ আছিল। ছোৱালীজনীক সাৱট মাৰি লৈ অনুপমা শুই আছে। ওপৰ মহলাত শব্দটোৱে ক্ৰমাগত ইফালৰ পৰা সিফাললৈ ঘূৰি ফুৰিছে। তাৰ শব্দতে বোধহয় অনুপমায়ো সাৰ পালে ডিঙি তাৰ শুকাই গৈছিল। বিছনাৰ ওচৰৰ চকীখনতে সি বহি থাকিল মেজৰ ওপৰত ঢাকি থোৱা পানীখিনি খালে আৰু টোপনিত খোজ কঢ়া মানুহৰ দৰে সি দুৱাৰ খুলি শোৱনি কোঠাৰ পৰা বাৰাণ্ডাখনলৈ ওলাই আহিল। বাৰাণ্ডাৰ পৰা সি লাইটৰ ক্ষীণ পোহৰত ওপৰলৈ যোৱা চিৰিটো বিচাৰি কাঠৰ চিৰিয়েদি সি হাতত সাৰে ভৰিত সাৰে ওপৰলৈ যাবলৈ ধৰিলে। সি গৈ ওপৰলৈ যোৱা চিৰিৰ শেষৰ ঢাপত ভৰি দিলেগৈ। তাৰ খোজত কাঠৰ চিৰিত হোৱা শব্দ লাহে লাহে মাৰ গ'ল। ওপৰৰ কোঠাত হোৱা শব্দটো যেন চিৰিয়ে দি নামি আহিছে। সি নামি অহা শব্দটো কানি দুৰবী হৈ থকা দুৱাৰ খুট খুট ধপ ধপ শব্দটো নিজে নুশুনিবৰ বাবে জগদীশে তাৰ নিজৰ বুকুখনতেই হেঁচা মাৰি ধৰিলে। শব্দটোৱে যেন এটা কথাই কব খুজিছে যে প্ৰতি মানুহৰ মাজত থকা অইন এটা মানুহক প্ৰতি মুহূৰ্তে মূল মানুহটোৰ পৰা হেৰাই যোৱাৰ ভয়ে ম্ৰিয়মান কৰি ৰাখে। এইটো তাৰেই শব্দ। কিহৰ শব্দ জগদীশে সি মাথোন কাণী দুৰবী হৈ থকা দুৱাৰখনৰ মুখত অসহায় মানুহৰ দৰে বৈ থাকিল। ভিতৰৰ পৰা অসহায় মানুহ এটা যেন লগাৰ বাদেও প্ৰাগঐতিহাসিক কালৰ শিলৰ টুকুৰা এটাৰ দৰে দেখা গ'ল। সি যেন বৰ অকলশৰীয়া মানুহৰ বুকুৰ মাজৰ নিৰন্তৰ হাহাকাৰ। সি তাৰ নিজৰ উশাহ নিশাহৰ শব্দ শুনিবলৈ পালে। কাণী দুৰবী হৈ থকা দুৱাৰ খনেৰে সি লাহে লাহে ভিতৰলৈ চকু দিলে। মুহূৰ্তৰ বাবে হ'লেও সি উচপ খাই উঠিল। কোঠাটোৱে এটা ভয়ংকৰ ভাৱে প্ৰাচীন পিৰামিড এটাৰ ৰূপ লৈছে। পিৰামিডৰ অন্তৰভাগ ৰূপ লোৱা কোঠাটোৰ মজিয়াত সিচঁৰিত হৈ পৰি আছে কিছুমান পুৰণি কিতাপ বহী। পুৰণি হৈ যোৱা কাঁহৰ আৰু পিতল বা তামৰ কাহী, বাটী, হাতী বন্ধা লোহাৰ শিকলি হাতীৰ বেমাৰ হলে দৰব খুলিবলৈ ব্যৱহাৰ কৰা লোহাৰ প্ৰকাণ্ড খুন্দনা, পিতলৰ তামোলৰ টেমা, হাতী দাঁতৰ টুপ খুওৱা লাখুটি, ৰূপৰ মুঠিয়াৰ দা-কটাৰী, তামোল খুন্দা খুন্দনা, কিংখাপৰ ৰিহা মেখেলা, দীঘল হাতৰ জাকিট চোলা, হাতী দাঁতৰ অলংকাৰৰ টেমা আৰু যে কত কি বয় বস্তু। বুঢ়ীজনীয়ে এবাৰ বস্তুখিনিৰ ওপৰত আবেগৰ হাত ফুৰাইছে, এবাৰত প্ৰতি পদ বস্তু বুকুত সাৱট মাৰি লৈছে। বুঢ়ী জনী পুৰণি চোফা, কেঁচুৱা লৰা-ছোৱালী শুৱা সৰু খাট, পুৰণি হোৱা চকী মেজ আলমিৰা বিচনা আদিত সন্তানৰ গাত হাত বুলোৱাৰ দৰে এফালৰ পৰা হাত বুলাই যাবলৈ ধৰিলে। সন্তানৰ শৰীৰৰ গাত বুলোৱা মাতৃৰ পৰম আনন্দময় মহিমামণ্ডিত হাত। মানুহজনীৰ যেন অশৰীৰি কিবা এটাই ভিৰ কৰিবলৈ লাগিছে। অকলশৰীয়া বিচিন্ন মানুহজনীক যেন প্ৰাগঐতিহাসিক একাকীত্বই গ্ৰাস কৰি লৈছে। তেওঁক বৰ ভাগৰুৱা যেন দেখা গ'ল। জগদীশৰ নিজৰো বৰ ভাগৰ লাগিবলৈ আৰম্ভ কৰিছিল। সিও যেন এটা প্ৰাগঐতিহাসিক কালৰ পৰ্বত গহ্বৰত পৰিণত হৈ পৰিছে। কিবা এটা অলৌকিক মায়াৰ বলত সি তাৰ নিজৰ ভিতৰত থকা অইন এটা মানুহ দেখিবলৈ পালে। বুঢ়ীজনীৰ ভিতৰতো অইন এজনী মানুহক সি দেখা পাই থাকিল। ছায়া পোহৰৰ খেলৰ মাজত জগদীশে যেন এটা স্বচ্ছ মূৰ্ত্তি হৈ পৰিছে বুঢ়ীজনীও। সি দেখিলে স্মৃতি বিস্মৃতিৰ মাজত বৈ থকা ডুব গৈ থকা প্ৰাগঐতিহাসিক কালৰ মানুহ এজনীয়ে দেখা পোৱা গাওঁ এখন, গাঁৱৰ ৰিণিকি ৰিণিকি দেখা পোৱা গাওঁ এখন, গাওঁৰ তামোল গছ, গছৰ ওপৰত উৰি ফুঁৰা চৰাইৰ জাক। নৈখনৰ বুকুত গৈ থকা নাওঁ এখন চাবলৈ চেষ্টা কৰিছে। তেওঁ আপ্ৰাণ চেষ্টা কৰিছে। তেওঁ যেন চেষ্টা কৰিছে সোঁৱৰণিৰ নদীখনৰ সিপাৰৰ গাওঁখনৰ মাজত হালি তামোল বা নাৰিকল গছৰ পাতত হালি জালি আছে নেকি টোকোৰা চৰাইৰ বাহে। কাণ পাতিলে শুনিবলৈ পোৱা যায় নেকি। আবেলি চৰাইৰ গীত। বিধ্বস্ত হৈ পৰা যেন লগা বুঢ়ীজনীয়ে যেন তাকে শুনিবলৈ চেষ্টা কৰি আছে।

জগদীশৰ বিধ্বস্ত মানুহজনীক ৰাতিপুৱা প্ৰশ্ন কৰিবলৈ মন গ'ল। আপুনি বাৰু শুনিছেনে, শুনিছেনে আপুনি আহিন মাহৰ পথাৰখনৰ ওপৰেৰে বৈ যোৱা ফাগুনীয়া বতাহ জাকৰ শব্দ। বুকুৰ মাজত বাজিছেনে মাকৰ পৰা লগ এৰা দি অহা বাট হেৰুওৱা গৰু পোৱালীৰ কান্দোন। আপোনাৰ নাকত লাগিছেনে শুকান আলিত বৰষুণ পৰিলে হোৱা মাটিৰ নিজস্ব গোন্ধটো। আপোনাৰ চকুত পৰিছেনে গৰুগাড়ীৰ তলত জ্বলা হাত লেমটোৰ পোহৰত অহা কুকুৰটো? চকুত পৰিছেনে বাঁহ গছৰ ওপৰত বহি থকা বগলী চৰাইৰ জাকটো? কাণত পৰিছে খেৰেৰে চোৱা ঘৰৰ চালৰ ওপৰত ৰাতি বৰষুণ পৰাৰ শব্দ? কি হেৰুৱাইছে আপুনি স্মৃতিসেন আবেগ? স্মৃতিয়েই জানো আৱেগ নহয়, আৰু আবেগেই ভালপোৱা? ইয়াৰ যিকোনো এটা হেৰুৱাই পেলোৱা মানেই সকলো হেৰাই যোৱা।

আপোনাক ভালপোৱা হেৰুৱাই পেলোৱা মানুহৰ দৰে বিধ্বস্ত যেন লাগিছে দেখাত। দুৱাৰ এখনৰ চুকত সোমাই থাকি জগদীশে লক্ষ্য কৰি গ'ল। আমোঘ মহাকালৰ সন্মুখত বুঢ়ীজনী যেন নতমস্তকে ঠিয় হৈ আছে আৰু মহাকালক বাধা দিবৰ চেষ্টা কৰি আছে আপ্ৰাণ ভাৱে। মহাকালৰ সন্মুখত মানুহ সদায় নতমস্তকৰেই ঠিয় হৈ থাকে আৰু তথাপিও মহাকালক বাধা দিবৰ বাবে অসহায় বিপৰ্য্যস্ত মানুহে আপ্ৰাণ চেষ্টা কৰে। জগদীশে নিজেও নহয়নে ? ◆◆



# প্ৰতীক্ষাৰে

✍ ড° অনিল শইকীয়া
অধ্যক্ষ, মৰাণ মহাবিদ্যালয়




ডিব্ৰুগড়ৰ বগীবিল ফেৰীঘাট।

বিশাল ব্ৰহ্মপুত্ৰ। সুদূৰত যেন আকাশখনে নৈখন চুই আছে। ফিৰ-ফিৰিয়া বতাহ এজাকে অমৰেশক চুই গৈছিল।

ফেৰীখনৰ ৰেলিঙত ধৰি তিনিকুৰি বছৰীয়া অমৰেশে নৈখনলৈ চাই আছিল। ফেৰীখনৰ সেইখিনিত আৰু আন মানুহ নাছিল। ফেৰীখনৰ সেইখিনিত সিপাৰলে নিবলৈ দুখন গাড়ী ৰাখি থোৱা আছিল।

অমৰেশে মানুহ-দুনুহ নথকা সেই ঠাইখিনিতে বৈ গোটেই নৌকাযাত্ৰা শেষ কৰিম বুলি মনস্থ কৰিলে। সি আজি বহু দিনৰ পৰা মানুহ-দুনুহৰ সমাগম বৰ ভাল নোপোৱা হৈ আহিছে। তাৰ মনতো উদাস উদাস লাগিল। যেন পৰীক্ষাত অকৃতকাৰ্য হৈ সি যেন ঘৰলৈ উভতি আহিছে।

ঠিক ন বজাৰ লগে লগেই ফেৰীখন চলিবলৈ আৰম্ভ কৰিলে। অমৰেশে মন কৰিলে, তাৰ কাষত যেন কোনোবা বৈ আছে। সি পিছলৈ ঘূৰি চালে, এগৰাকী নাৰী। সি তেওঁক চিনি পালে। তাৰ শৈশৱ, তাৰ কৈশোৰ, আৰু যৌৱনৰ সমস্ত সময় এই নাৰীগৰাকীয়ে আগুৰি আছিল। নাৰী গৰাকীক চিনি পাবলৈ তাৰ এক মুহূৰ্তও নালাগিল। হয়, তেওঁ অৰুনিমা। অৰুনিমা বৰুৱা। অৰু। একেই সেই মুখ। একেই সেই কপালৰ তিল। একেই সেই চুলিৰ ভাজ। কেনেকৈ, ক'ৰ পৰা আহিল ইয়ালৈ? আচৰিত। যাক সি আজি ইমান বছৰে বিচাৰি ফুৰিছে তেওঁ দেখোন আজি নিচেই কাষতে বৈ আছে। তেওঁ অমৰেশলৈ চাই আছে। অমৰেশৰ চকুত তেওঁৰ দৃষ্টি স্থিৰ হৈ ৰ'ল। দুয়ো-দুয়োলৈ চাই আছে। কাৰো মুখত মাত-বোল নাই। ওচৰত কোনো মানুহ-দুনুহো নাই। ধীৰ গতিত ফেৰীখন চলি আছে।

- 'তুমি বাৰু অমৰেশ নোহোৱানে?'

হয়, সেয়া অৰুনিমাৰে কণ্ঠস্বৰ। কোমল আৰু মিঠা। এতিয়াও সলনি হোৱা নাই সেই স্বৰ। তাহানি 'অমৰ' বুলি মাতোতে কণ্ঠত যি উচ্ছাস আৰু উত্তাপ আছিল আজিও একেই আছে। ক'ৰ পৰা আহিছে তেওঁ? ক'লৈ যাব? তেওঁ অমৰেশক বিচাৰ অহা নাইতো! নাই নাই, সেয়া অসম্ভৱ। অৰুনিমা এতিয়া আনৰ। তেওঁ আকৌ তাক কিয় বিচাৰি আহিব?

- 'তুমি মোক চিনি পাইছা?'
- 'পাইছোঁ।' - অৰুনিমাই ক'লে।
- 'পাহৰি যোৱা নাই?'
- 'নাই পাহৰা।'
- 'তুমি বাৰু মোক চিনি পাইছানে?'
- 'তোমাৰ নাম অৰুনিমা। তোমাৰ ঘৰ লক্ষীমপুৰত। কলেজত একেলগে পঢ়িছিলো। লাইব্ৰেৰীত বহি দুয়ো-দুয়োলৈ চাই আছিলো। কলেজৰ বকুল জোপাৰ তলত ধেমালী কৰিছিলোঁ। তুমি গান গাইছিলা। আৰু ময়ো গান গাইছিলো। তুমি বক্তৃতা দিছিলা। মই তোমাৰ প্ৰতিদ্বন্দ্বি আছিলো। একেলগে পঢ়িছিলোঁ। পিকনিকলৈ যাওঁতে একেলগে নদীত সাঁতুৰিছিলো। বহাগ বিহুত তোমাৰ বাৰীৰ তগৰ ফুল জোপাৰ গোন্ধ সন্ধিয়া পৰত একেলগে লৈছিলোঁ। চকুত-চকু থৈ, হাতত হাত থৈ মোক কি কৈছিলা সেয়াও মই পাহৰা নাই।' অমৰেশে অনৰ্গল কৈ গ'ল।

মাজতে বাধা দি অৰুনিমাই ক'লে -
- 'আৰু নক'বা।'
- 'তুমি বাৰু ইমান যাত্ৰীৰ মাজত মোক কেনেকৈ চিনিলা?'
- 'ফেৰীখনত উঠোতেই মই তোমাক দেখিছিলো। কিবা চিনাকী যেন লাগিল। তোমাক দেখিয়েই মোৰ হৃদয়ৰ কোনোবাখিনি আচোঁৰ খাই উঠিল। মই ফেৰীৰ ভিতৰলৈ গৈ বহিবলৈ ঠাই অকণ বিচাৰিলো। পালো। বহিলোঁ। বহি বহি চিন্তা কৰিলো। তুমি অমৰেশেই হ'ব লাগিব। কিন্তু তোমাৰ বিশৃংখল চুলি আৰু মুখত বহু দিন নুখুৰোৱা দাড়ি দেখি প্ৰথমে মোৰ অলপ

সন্দেহ হৈছিল। তথাপিও মনে নসহিলে। মই উঠি আহিলো। উঠি আহি তোমাৰ ওচৰত বৈ আছিলো।'

- 'এতিয়া ক'লৈ যাবা?' অমৰেশে সুধিলে।

- 'লক্ষীমপুৰলৈ।'

- 'নিজৰ ঘৰলৈ?'

- 'নহয়। লক্ষীমপুৰ টাউনৰ নকাৰি নামৰ ঠাইখনলৈ যাম।'

- 'তাত কোনোবা আছে?'

- 'নাই।' - অৰুনিমাই ক'লে।

- 'মোৰ ডাঙৰ ল'ৰাটোৰ বিয়া। ছোৱালী ল'ৰাই নিজে ঠিক কৰিছে। ল'ৰাই কলিকতাত চাকৰি কৰে। ছোৱালীয়েও কলিকতাতে চাকৰি কৰে। ছোৱালীৰ ঘৰ চাবলৈ আহিলো।'

- 'তোমাৰ ঘৰত কোন কোন আছে?' নিৰুদ্বেগভাৱে অমৰেশে সুধিলে।

- 'আমাৰ ল'ৰা-ছোৱালী দুটা। ছোৱালীজনী দিল্লীত থাকে। চাকৰি কৰে। ল'ৰাজন কলিকতাত আছে বুলি ক'লোৱেই। আমাৰ তেখেত ঢুকাইছে। এতিয়া ঘৰত মই অকলে।'

তাৰ পিচত দুয়োৰে মাজত কথা-বাৰ্তা নোহোৱা হ'ল। ইমান দিনৰ মূৰত অৰুনিমাক লগ পাই অমৰেশ আবেগ-বিহ্বল হৈ পৰিল। কি সুধিম, কি নুসুধিম লাগিল অমৰেশৰ। কি সুধিব এতিয়া, এতিয়াতো সকলো অতীত হৈ গ'ল। অমৰেশে অৰুনিমাক ভাল পাইছিল। কিন্তু বিয়া হ'ল আনৰ লগত। হঠাৎ অমৰেশে অৰুনিমাক ক'লে -

- 'তোমাৰ বিয়াৰ খবৰ মই বৰ পলমকৈ পালো।' হঠাৎ তেনেকুৱা এটা প্ৰশ্ন শুনি অৰুনিমাই থত্-মত্ খালে। তেওঁৰ বহুত কথা মনত পৰি গ'ল। তথাপিও স্বাভাৱিক স্বৰেৰে ক'লে -

- 'সেই সময়ত তুমি আমেৰিকাত আছিলা। তেতিয়া আজিকালিৰ দৰে ফোনো নাছিল। মই তোমালৈ কেইবাখনো চিঠি দিছিলো। উত্তৰ নেপালো।' - অৰুনিমাই ক'লে।

- 'মই তোমাৰ কোনো চিঠি পোৱা নাছিলো। কিন্তু তোমাৰ ঘৰৰ পৰা পঠোৱা বিয়াৰ নিমন্ত্ৰণী চিঠিখন পাইছিলো। চিঠিবোৰ বাৰু তুমি নিজে প'ষ্ট কৰিছিলানে?'

- 'নাই কৰা। ঘৰৰ ওচৰৰ ল'ৰা এজনৰ হাতত দিছিলো।'

- 'উচিত মূল্যৰ ডাক টিকত লগাইছিলানে?'

- 'নাজানো।'

- 'নিজে প'ষ্ট কৰা হ'লে পালোহেঁতেন চাগৈ।'

কিছু সময় দুয়ো নিৰৱ হৈ ৰ'ল। অমৰেশৰ নৈৰ পানীখিনি চুই চাবৰ মন গ'ল। কথাৰ প্ৰসঙ্গ সলাই অমৰেশে সুধিলে - 'তোমাৰ শ্ৰীমান ক'ৰ আছিল? তেখেতৰ কথাবোৰ কোৱাচোন।'

- 'সেইবোৰ বহুত কথা। তেখেতৰ ঘৰ ডিব্ৰুগড়ত। তেখেত ডাক্তৰ আছিল। মই এম.এ. পাছ কৰাৰ দুদিনমানৰ পিচতে এদিন ককাইদেউৰ লগত তেওঁ আমাৰ ঘৰলৈ গৈছিল। তেওঁ লণ্ডনত থাকে। দুঘণ্টামান আমাৰ ঘৰত থাকি কথা-বতৰা পাতি গুচি গৈছিল। কেইদিনমানৰ পিছত তেওঁৰ মাক-দেউতাক আমাৰ ঘৰলৈ আহিছিল। আৰু মই গমেই পোৱা নাছিলো যে তেওঁলোকে মোক চাবলৈহে আহিছিল। কিছু দেৰি কথা-বতৰা হোৱাৰ পিচত তেওঁলোকে বিয়াৰ প্ৰস্তাৱ আগবঢ়ালে।' - এই বুলি কৈ অৰুনিমা নিৰৱ হৈ ৰ'ল। তেওঁ উদাস দৃষ্টিৰে নৈখনলৈ চালে। চকুৰ আগত অলেখ স্মৃতিয়ে অগা-দেৱা কৰিলে। সেই যে, তাইক চাবলৈ তেওঁৰ মাক-দেউতাক আহিছিল। বিয়াৰ প্ৰস্তাৱ দিছিল। দেউতাকে যে মানি লৈছিল। ককায়েক যে উৎফুল্লিত হৈছিল। আৰু তাইক নোসোধাকৈয়ে যে বিয়াৰ দিন-বাৰ লৈছিল। সেইবোৰ কথা মনত পৰিলে তাইৰ মনটো সদায় বিদ্ৰোহী হৈ উঠে। সেই সময়ত তাইৰ প্ৰতিবাদক কোনেও গুৰুত্ব দিয়া নাছিল। লণ্ডনত চাকৰি কৰা এজন ডাক্তৰে তাইক বিয়া কৰিবলৈ আহিছে। তাক লৈ ঘৰখনৰ গৌৰৱৰ সীমা নাই। ওচৰৰ মানুহবোৰে আহি তাইক কিবা-কিবি শব্দৰে শুভেচ্ছা জনালে। তাই বোলে বৰ সৌভাগ্যৱতী। নহ'লেনো বিলাতত চাকৰি কৰা ল'ৰা এটাৰ লগত বিয়া হ'বলৈ পাইনে? বংশ-পৰিয়ালত আনন্দৰ সীমা নাই। কাষত থকা খুড়ীয়েকে আনন্দত উৎফুল্লিত হৈ তাইক আহি ক'লেহি - 'হওঁক তেওঁ, তোমাৰ জহতে এদিন বিলাতখন চাই আহিবগৈ পাৰিম।' কেইদিনমানৰ পিছত এদিন মোমায়েকহঁত আহিছিল। আহি পায়েই মোৰ মূৰত আলফুলে হাত থৈ বৰ মৰম লগাকৈ কৈছিল - 'তোৰ সমান সৌভাগ্যৱতী কোনো নাই।' সেই সময়ত মোৰ মনৰ খবৰ ল'বলৈ কাৰো আহৰি নাছিল। এদিন ককাইদেউক কৈছিলো -

- 'তহঁতে যে এনেকৈ বিয়া ঠিক কৰিলি, মোৰ মন আছেনে নাই কিয় নোসোধ?'

- 'তোৰ আকৌ মন নাথাকিবলৈ কি হ'ল? ৰঞ্জন মোৰ বন্ধু। ভীষণ চোকা ল'ৰা। তোৰ ভাগ্য ভাল, সি যে তোক পচন্দ কৰিলে।'

- 'এই বিয়াত মই নবহো।'

- 'কিয় তেনেকৈ কৈছ?'

- 'মই বেলেগ এজন ল'ৰাক ভাল পাওঁ।'

- 'কি নাম?'

- 'অমৰেশ চৌধুৰী।'

- 'ক'ত ঘৰ?'

- 'লক্ষীমপুৰত।'

- 'কি কৰে?'

- 'আমেৰিকাত গৱেষণা কৰিবলৈ গৈছে।'



- 'কি বিষয়ত?'

- 'অঙ্কত।'

- 'বুজিলো। মই বেছিকৈ নকওঁ। সি আমেৰিকাতে থাকি যাব। আৰু আমেৰিকান বিয়া কৰাব। পিচত পস্তাবি।' - ককায়েকে ক'লে।

- 'তই ক'লেই হ'ব নেকি?'

- 'তেনেহ'লে চিঠি দি সোধ, তোক কেতিয়া বিয়া পাতিব।'

অৰুনিমাই অমৰেশলৈ চিঠি দিছিল। ওচৰৰে ল'ৰা এজনক ডাকত দিবলৈ দিছিল। অৰুনিমাই ল'ৰাজনক অকনো সন্দেহ কৰা নাছিল। কিন্তু তাই এতিয়া ভাৱে, সেই চিঠিবোৰ যেন ককায়েকে পাইছিল। হয়তো পোষ্ট কৰিবলৈ দিয়া নাছিল। নহ'লে কিয় নাপাব? ঘৰৰ পৰা পঠোৱা বিয়াৰ চিঠিখন যদি পাই, বাকীবোৰ চিঠি কিয় নাপাব। অৰুনিমাই কথাবোৰ মনৰ মাজতে পাগুলি আছিল। নীৰৱতা ভঙ্গ কৰি অমৰেশে সুধিলে -

- 'তাৰ পিচত?'

অৰুনিমাই অমৰেশক ইমান পৰে ভাবি থকা কথাখিনি ক'বলৈ আৰম্ভ কৰিলে। কথাবোৰ শুনি ক'ব নোৱাৰাকৈয়ে অমৰেশৰ হৃদয়ৰ পৰা এটি হুমুনিয়াহ নিগৰি আহিল। সি মন কৰিলে অৰুনিমাৰ চকুযুৰি সেমেকি আহিছে। কিছু সময় পুনৰ নিৰৱতাৰ পিচত অমৰেশে আৰম্ভ কৰিলে -

- 'যোৱাবোৰ হৈ গ'ল। সেইবোৰ ভাবি মনক কষ্ট দি কি লাভ? এতিয়াওতো আমি জীৱনটো নতুনকৈ আৰম্ভ কৰিব পাৰো। এতিয়াওতো আমি চকুত চকু থৈ, হাতত হাত থৈ ক'ব পাৰো 'মই তোমাক ভাল পাওঁ' বুলি।'

ইতিমধ্যে অৰুনিমাৰ সেমেকি উঠা চকুৰ পৰা অজানিতে চকুলো নিগৰি আহিল। অমৰেশে মন কৰিলে, বাষ্প ব্যাকুল সেই চকুযুৰিয়ে যেন অলেখ কথা কৈছে। তাৰ অৰুনিমাক লগ পোৱাৰ প্ৰথম দিনটোৰ কথা মনত পৰিল। লক্ষীমপুৰ কলেজত পঢ়িবলৈ আহিছিল তাই। ইংৰাজী সাহিত্য প্ৰধান বিষয় হিচাবে লৈছিল। অমৰেশে পঢ়িছিল অঙ্কশাস্ত্ৰ প্ৰধান বিষয় হিচাবে লৈ। প্ৰথমবাৰৰ কলেজ সপ্তাহৰ তৰ্ক প্ৰতিযোগিতাত সি অৰুনিমাক লগ পাইছিল। অমৰেশে বিষয়টোৰ বিপক্ষে কৈছিল। তেওঁ সপক্ষে কৈছিল। বিচাৰকে দুয়োজনকে প্ৰথম স্থান দিছিল। একেলগে যেতিয়া পুৰস্কাৰ ল'বলৈ গৈছিল তেতিয়া ঘোষকে কৈছিল - 'দুয়োজনৰেই নিপুন বাক-পটুতাত মুগ্ধ হৈ বিচাৰকে দুয়োকে প্ৰথম স্থান দিছে।' লগৰ বন্ধু-বান্ধৱীসকলে বিপুল হৰ্ষোল্লাসেৰে হাত চাপৰি বজাইছিল। অমৰেশে ক'ব নোৱাৰাকৈয়ে তাৰ হাতখন অৰুনিমাৰ ফালে আগবঢ়াই দিছিল। অৰুনিমাই যেতিয়া তাৰ হাতত ধৰি হাত মিলাইছিল তেতিয়া সি অৰুনিমাৰ চকুলৈ চাইছিল। মাত্ৰ এটা পলকৰ বাবে চাৰি চকুৰ মিলন হৈছিল। সেই যে আৰম্ভ হৈছিল চাৰি চকুৰ মিলন, সি এক দুৰ্বাৰ গতি লাভ কৰিছিল। সি অৰুনিমাক ক'ৰবাত দেখিলেই তাৰ বুকুত ধপ্‌কৈ এটা স্পন্দন হৈছিল। সি অৰুনিমাৰ লগত কথা পাতিবলৈ বিচাৰিছিল। কথা পাতিবলৈ সুযোগ পোৱা নাছিল। এদিনি সি সুযোগ পালে কলেজৰ পৰা ওলোৱা এটা বনভোজত। কোনোবা এক পাহাৰীয়া নদীৰ কাষত সিহঁতৰ বাচখন ৰৈছিলগৈ। চৌপাশ আৱৰি থকা পাহাৰ মালা, আৰু কাষেদি খিল্‌খিল্‌কৈ বৈ যোৱা নৈখন দেখি সিহঁত বিমুগ্ধ হৈছিল। ল'ৰা-ছোৱালীবোৰৰ কিছুমানে চাহ খাবলৈ কেৰাহী পাতিলে, কিছুমানে লগত লৈ যোৱা ব্ৰেডত জাম সানিলে, আৰু কিছুমানে ইফালে-সিফালে ঘূৰিবলৈ ধৰিলে।

কিছু সময়ৰ পিচত চাহৰ পৰ্ব শেষ হৈছিল। লগত নিয়া কাৰিকৰে আলু-কবি কাটিবলৈ আৰম্ভ কৰিছিল। চাহ খাবলৈ গোট খোৱা ল'ৰা-ছোৱালীবোৰ পুনৰ ইফালে-সিফালে যাবলৈ ধৰিলে। অমৰেশ অকলে বৈ আছিল। সি মন কৰিলে, কিছু দূৰত অৰুনিমাও অকলে বৈ আছে। সি এখোজ-দুখোজ কৈ অৰুনিমাৰ ফালে আগবাঢ়িল। তাৰ হৃদয়খন দুৰু-দুৰুকৈ কঁপিবলৈ ধৰিলে। সি গৈ অৰুনিমাৰ ওচৰত থিয় হৈ ৰ'ল।

- 'অকলে আছা যে?' অমৰেশে ক'লে।

- 'ব'লানা অলপ ফুৰি আহোঁ।'

- 'ক'লৈ?' - অমৰেশে সুধিলে।

- 'সৌ পাহাৰটোৰ কাষলৈ।'

- 'ব'লা।'

দুয়ো আগবাঢ়িল। কাৰো মুখত কোনো কথা নাই। কিছুদূৰ গৈ সিহঁত পাহাৰটোৰ কাষ পালেগৈ।

- 'ওপৰলৈ উঠিবা?' অৰুনিমাই সুধিলে।

- 'ভয় লাগে।'

- 'ধুৰ, ল'ৰাই ভয় কৰেনে?'

- 'নকৰো।'

- 'তেনেহ'লে কিয় নুঠা?'

- 'কোনোবাই দেখিলে কি ভাবিব?'

- 'কেলৈ? আমাৰ লগৰবোৰ দেখোন ওপৰত ঘূৰি-ফুৰিছে।' - অৰুনিমাই ক'লে।

- 'সিহঁত জাক পাতি গৈছে।'

- 'অ', সেইটো কথা! তেনেহ'লে সৌখিনিতে বহো ব'লা।'

তেতিয়া পুৱাৰ নিয়ৰবোৰ সূৰ্য্য উত্তাপত শুকাই গৈছিল। পাহাৰটোৰ নামনিত থকা শিল এচটাত দুয়ো বহিল। বহু সময় দুয়ো নিৰৱে আছিল। পাহাৰৰ সেউজীয়া গছবোৰে যেন

সিহঁতলৈ চাই আছিল। ডিচেম্বৰ মাহৰ সেমেকা বতাহ এজাকত সিহঁতক চুই গ'ল। কিছু সময়ৰ পিচত অৰুনিমাই মাত লগালে -

- 'কি ভাবি আছা?'

- 'তোমাৰ কথা।'

- 'মোৰ কথা!' - অৰুনিমাই খিল্‌খিল্‌কৈ হাঁহিলে।

- 'হাঁহিলা যে।'

- 'হাঁহিলো।'

- 'কিয়?'

- 'মোৰ কথা ভৰা কোনোবা এজন যে এই পৃথিৱীত আছে, সেই কথা মই আজিহে জানিলো।'

- 'তুমি নাভাৱা মোৰ কথা?' - অমৰেশে সুধিলে।

- 'কেৱল ভাবোৱেই নে? য'তে-ত'তে তোমোকে দেখো।'

- 'ক'ত ক'ত?'

- 'আকাশত তুমি, বতাহত তুমি, নদীৰ সোঁতত তুমি, ফুলৰ পাহিত তুমি, চৰাইৰ মাতত তুমি, পাহাৰৰ চূড়াত তুমি, অৰণ্যৰ গভীৰ সেউজীয়াখিনিত তুমি, পুৱাৰ অৰুণৰ কিৰণত তুমি, সন্ধিয়াৰ হেঙুলী আভাত তুমি, গছৰ কোমল কুঁহিপাতত তুমি, আৰু ক'ত জানা?'

- 'ক'ত?'

- 'হৃদয়ৰ গভীৰৰো গভীৰত তুমি। ....।'

- 'সাহিত্যৰ ছাত্ৰীতোহু কথাবোৰ কবিতা কবিতা।' - অমৰেশে ক'লে। অমৰেশৰ কথা শুনি অৰুনিমা ছাত্‌কৰে বহাৰ পৰা উঠিল। অভিমান ভৰা কণ্ঠৰে তাই ক'লে -

- 'তুমি হ'বলা তাকে বুজিলা? যাওঁ।' অৰুনিমাই যাবলৈ বুলি সোঁভৰিটো আগবঢ়াই দিলে। অমৰেশে থত্‌-মত্‌ খাই অৰুনিমাৰ হাতখনত আলফুলকৈ ধৰিলে। অৰুনিমা সঁচকিত হৈ উঠিল। তাইৰ সমস্ত শৰীৰত এক বিদ্যুৎ প্ৰবাহ বৈ গ'ল।

- 'এৰি দিয়া।' - অৰুনিমাই ক'লে, 'যিবোৰ মানুহৰ অন্তৰৰ কথা বুজাৰ সামৰ্থ নাই তেনে মানুহৰ লগত মই নাথাকো। মই সাহিত্যৰ ছাত্ৰী হ'ব পাৰো, কিন্তু তোমাৰ লগত সাহিত্য কৰা নাই। মই দুখিতঃ যে মই তোমাক একেটা কথাকে দুবাৰ কৈ বিৰক্ত কৰিলো।'

- 'বহা।' অমৰেশে কোমল কৈ ক'লে। অৰুনিমা বহিল আৰু অমৰেশৰ চকুলৈ চাই স্পষ্টভাৱে সুধিলে -

- 'কিবা ক'বা?'

- 'ক'ম।'

- 'কোৱা।'

- 'মই তোমাক লৈ সপোন দেখিছো।'

অমৰেশে অৰুনিমাৰ ফালে হাত দুখন আগবঢ়াই দিলে। অমৰেশৰ দুয়ো হাতত তেওঁৰ দুয়ো হাত থলে। দুয়ো অপলক নেত্ৰে দুয়োলৈ চাই থাকিল। সেমেকা বতাহজাকে সিহঁতক আকৌ এবাৰ চুই গ'ল। কাষৰ নৈখন যেন সিহঁতৰ ফালে বৈ আহিল। পালতৰা নাও এখন যেন তাত বৈ আছিল। দুয়ো যেন নাওখনত। 'ক'লৈ যাবা?' - অৰুনিমাই যেন সুধিলে।

-'সৌ তালৈ, সিপাৰৰ গাঁওখনলৈ।'

- 'কি কৰিবা তাত?'

- 'দুৰ্গতজনৰ দুখ মোচন কৰিম।'

- 'আৰু?'

- 'তাতে এটা সৰুকৈ ঘৰ সাজিম।'

- 'তাৰ পিচত?'

- 'তাত থাকিম কেৱল তুমি আৰু মই।'

সিহঁতে যেন মনৰ ভিতৰতে কথা পাতিবলৈ ধৰিলে। এটা সময়ত দুয়ো শিলচটাৰ পৰা উঠি আহিল। গোপনে সিহঁতৰ মাজত এখন অলিখিত চুক্তি হ'ল। 'মই তোমাৰ - তুমি মোৰ। তোমাৰ বাবেই মোৰ জন্ম - মোৰ বাবেই তোমাৰ জন্ম।' দুয়োজনে গোপনে গোপনে যেন ইজনে সিজনৰ ওচৰত আত্মনিবেদনৰ প্ৰাৰ্থনা কৰিলে। ভাষাহীন প্ৰাৰ্থনা। অলেখ চৰায়ে যেন দূৰণিত সুমধুৰ গীত গালে। দূৰণিৰ পৰা যেন বাঁহীৰ দীঘলীয়া সুৰ এটি ভাঁহি আহিল। ....।

বনভোজৰ পৰা ঘূৰি আহোঁতে সিদিনা ৰাতি হৈছিল।

* * *

ফেৰখন গৈ আছিল।

- 'কি হ'ল? মনে মনে আছা যে।' নদীৰ পানীলৈ চাই থকা অমৰেশক অৰুনিমাই সুধিলে। অৰুনিমাৰ মাতত অমৰেশ পুনৰ বাস্তৱলৈ ঘূৰি আহিল। অমৰেশে মন কৰিলে অৰুনিমাৰ সেমেকা চকুযুৰি এতিয়া প্ৰকৃতিস্থ হৈ পৰিছে।

- 'কি ভাবি আছা?' অৰুনিমাই সুধিলে।

- 'সেই যে পিক্‌নিক্‌লৈ গৈছিলো। ....।' অমৰেশে ভাবি থকা কথাবোৰ অৰুনিমাক ক'বলৈ আৰম্ভ কৰিলে। .... কথাবোৰ শুনি অৰুনিমাৰ অন্তৰৰ পৰা নিগৰি আহিল এতি হুমুনিয়াহ।

* * *

ফেৰীখন নিজস্ব গতিত গৈয়েই আছিল। অৰুনিমাই আৰম্ভ কৰিছিল নিজৰ জীৱন কাহিনী। বিয়া হোৱাৰ পিচত তেওঁলোক লণ্ডনত আছিল। তাতেই তেওঁলোকৰ দুটা সন্তানৰ জন্ম হৈছিল। বিয়াৰ পিছত তেওঁৰ স্বামীৰ আগত অমৰেশৰ কথা কৈছিল। তেওঁৰ স্বামীয়ে সেইবোৰ কথাত অকনো গুৰুত্ব দিয়া নাছিল। 'এটা বয়সত সেইবোৰ হয়েই' বুলি স্বাভাৱিক ভাৱে উত্তৰ দিছিল। তেওঁ আছিল অতিশয় ব্যস্ত মানুহ। তেওঁ বাস্তৱক বিশ্বাস



কৰে। অতীতৰ হৈ যোৱা ভুল-ভ্ৰান্তিক বিশ্লেষণ কৰে যদিও সেইবোৰক লৈ তেওঁ উদ্বিগ্ন নহয়। তেওঁ লণ্ডনত থাকি ইংৰাজ সংস্কৃতি আহৰণ কৰিছিল। সৰু সৰু কথাবোৰত 'চ' হোৱাট' বুলি কৈছিল। কথাই কথাই থেংক ইউ, নাইছ, বিউটিফুল, এক্সেলেন্ট, গ্ৰেট, হাউ চুইট আদি শব্দবোৰ ব্যৱহাৰ কৰিছিল। আৰু সেইবোৰ শুনি শুনি অৰুনিমায়ো এটা সময়ত সেইবোৰ শব্দ ক'বলৈ আৰম্ভ কৰিছিল। তাত মানুহবোৰ ইমানেই ব্যস্ত যে কাৰো খবৰ কোনেও ল'বলৈ আহৰি নাই। ইজনে-সিজনক লগ পালেই যেন অতি যান্ত্ৰিক ভাৱে হাই, হেল্ল শব্দবোৰ উচ্চাৰণ কৰিছিল। তেওঁলোকে যেতিয়া আজৰি পাইছিল তেতিয়া ইংলেণ্ডৰ বিভিন্ন ঠাই ভ্ৰমণ কৰিছিল। কিন্তু তাৰ মাজতো অৱকাশ পালেই তেওঁ অমৰেশৰ কথা ভাৱিছিল। অমৰেশৰ ঠিকনা বিচাৰিছিল। কোনেও দিব পৰা নাছিল অমৰেশৰ ঠিকনা। .... অৰুনিমাই কৈ গৈছিল।

- 'আমি লণ্ডনত থাকোতেই তেখেতৰ মৃত্যু হৈছিল। অসমলৈ গুচি আহিলো। আৰু তেওঁলোকৰ ডিব্ৰুগড়ত থকা ঘৰত থাকিবলৈ ল'লো। ল'ৰাজনে কলিকতাত আৰু ছোৱালীজনীয়ে দিল্লীত নিজৰ চেষ্টাৰে চাকৰি যোগাৰ কৰিলে। আছো আৰু এনেকৈয়ে। .... তোমাৰ পৰিয়ালৰ কথা কোৱাচোন?' অৰুনিমাই অমৰেশ মুখলৈ চালে।

- 'মোৰ কথানো কি ক'ম? .... আমেৰিকাত গৱেষণা সম্পূৰ্ণ কৰি দুবছৰ চাকৰি কৰিলো। তাতে থাকিবলৈ মন গৈছিল। কিন্তু দেউতাৰ পৰা চিঠিৰ ওপৰত চিঠি। আমেৰিকাৰ পৰা গুচি আহিব লাগে। তুমিতো জানাই মই ঘৰৰ একমাত্ৰ সন্তান। মই নেথাকিলে ঘৰখন তেনেই উকা। মা-দেউতাৰ আকুল আহ্বানত মই আমেৰিকা এৰি গুচি আহিলো। ঘৰলৈ আহি মই পঢ়ি যোৱা লক্ষীমপুৰ কলেজতে শিক্ষকতাৰ চাকৰিত যোগদান কৰিলো। মোক আমাৰ শিক্ষকসকলে বৰ মৰমেৰে আদৰণি জনালে। আমেৰিকা এৰি গুচি অহাত বৰ ভাল পালে। ক'লে 'আমাৰ ল'ৰা, আমাৰ ইয়াতে থাকা। আমেৰিকাত কিয় থাকিব লাগে? তোমাৰ দৰে চোকা ল'ৰা আমাৰ দেশখনত বৰ প্ৰয়োজন।' তাৰ পিচত ঘৰখনত অনেক গুনা-গঠা। মই বিয়া পাতিব লাগে। মই কেতিয়াও বিয়া নকৰাও বুলি স্পষ্ট ভাৱে ক'লো। ঘৰত নেমানিলে। দেউতাই অনেক ধৰণে বুজাবলৈ ধৰিলে। মোৰ কাৰণে নহ'লেও, দেউতাৰ বংশ ৰক্ষাৰ কাৰণে বিয়া পাতিব লাগে। অৱশেষত মই হাৰ মানিলো। স্থানীয় কলেজ এখনৰ অবৰ্ণিতা নামৰ শিক্ষয়িত্ৰী এগৰাকীৰ লগত মোৰ অনিচ্ছা স্বত্তেও বিয়া হ'ল।' কিছু সময় অমৰেশ নিৰৱ হৈ ৰ'ল। তাৰ পিচত সি কি ক'ব মনতে আওৰালে। জীৱনটো দেখোন শেষেই হ'ল, সি মনতে ভাৱিলে। ক'ত আৰম্ভ কৰিছিলে সি জীৱন। আৰম্ভ হৈছিল জানো জীৱন? আৰু প্ৰেম? অৰুনিমাৰ লগত তাৰ প্ৰেমহু ব্ৰহ্মপুত্ৰৰ বানপানীৰ দৰে উতি-ভাহি অহা পাৰাপাৰ হীন প্ৰেম। কোনো আইনৰ সীমাই ঢুকি নোপোৱা প্ৰেম। কালৈকো ভয় নকৰা প্ৰেম। বিশাল বৃক্ষই প্ৰসাৰিত কৰা ডাল-পাতৰ দৰে প্ৰসাৰিত হোৱা প্ৰেম। বিশ্বাসৰ মাজত সংগোপনে দৃঢ় হোৱা প্ৰেম। একো প্ৰতিদান নিবিচৰা প্ৰেম। অলপ অলপ ঈৰ্ষা মিহলি প্ৰেম। কোনো দিন শেষ নোহোৱা এক বিশাল আয়োজনৰ প্ৰেম। যাত্ৰা পথৰ শেষ বিন্দু নোপোৱা প্ৰেম। কি এইবোৰ ....।

- 'তাৰ পিচত।' অৰুনিমাই নিৰৱতা ভঙ্গ কৰি সুধিলে। অমৰেশে সম্বিত ঘূৰাই পালে।

- 'তাৰ পিচত সাধাৰণ ঘটনা। মোৰ গাৰ্হস্থ্য জীৱন আৰম্ভ হ'ল। চৰাচৰিত নিয়ম মতে মই দুজনী ছোৱালী আৰু এটা সন্তানৰ পিতৃ হ'লো। ল'ৰাটো ডক্টৰ। ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজতে চাকৰি কৰে। মই তাৰ ঘৰৰ পৰাই আহি আছো। ডাঙৰ ছোৱালীজনীয়ে স্থানীয় কলেজ এখনত ইংৰাজী সাহিত্যৰ অধ্যাপনা কৰে। তাইয়ো সহকৰ্মী অধ্যাপক এজনৰ লগত বিয়া হৈছে। সৰু ছোৱালীজনী মাকৰ নিচিনা হ'ল। তাইক মই 'গানমাই' বুলি মাতো। জন্মৰ তিনি বছৰমান পিচৰ পৰা তাই গান গাবলৈ ধৰিলে। য'তে যি শুনে তাকে গাব পাৰে। অলপ দিনৰ ভিতৰতে তাই বৰগীত, জ্যোতিসংগীত সেইবোৰ গাব পৰা হ'ল। ওচৰৰ মানুহ আহি তাইৰ পৰা গান শুনে। মাকে গানৰ স্কুলত নাম লগাই দিলে। মেট্ৰিক পাছ কৰি তাই কলিকতাৰ শান্তি নিকেতনত পঢ়িবলৈ গ'ল। শাস্ত্ৰীয় সংগীতত এম. মিউজ. কৰিলে। এতিয়া কলিকতাতে থাকে। তাৰ কোনোবা এটা ৰেডিঅ' চেন্টাৰত চাকৰি কৰে। অ' ক'বলৈ পাহৰিছোৱেই, মোৰ ডাঙৰ ছোৱালীজনীৰ ল'ৰাটোৰ তিনিবছৰ হৈছে। মই এতিয়া ককাক হ'লো। আমাৰ তেওঁ আজি দুবছৰৰ আগতে ইহ সংহাৰ ত্যাগ কৰিলে। এতিয়া মই অকলে থাকো। সুখৰ সংসাৰ, বৰ সুখৰ, বৰ সুখৰ ....।' কিছু সময় ৰৈ অমৰেশে পুনৰ আৰম্ভ কৰিলে -

- 'পিচে এতিয়া মোৰ একো ভাল নলগা হৈ আহিছে। অহৰহ তোমালৈ মনত পৰি থাকে। আজি অত বছৰে তোমাক বিচাৰি ফুৰিছিলো। আজি হঠাৎ তোমাক ল'গ পালো। বাৰ্ট্ৰেণ্ড ৰাছেলে কোৱা কথা এষাৰ মনত পৰিছে, কওঁনেহু'

- 'কোৱা।' অৰুনিমাই ক'লে।

- 'সত্য, প্ৰেম এক জ্বলন্ত অগ্নি শিখা।
এই শিখা দুৰ্বল নহয়। শীতাৰ্ত নহয়।
স্থানাচ্যুত নহয় কোনোদিন। ....
হে প্ৰেম। তোমাৰ মধুৰতাক যি জ্বালা-যান্ত্ৰণা বুলি কয়, তেওঁ তোমাৰ প্ৰতি অন্যায় কৰে। অথচ তোমাৰ তৃপ্তিকৰ ফল এনেকুৱা যে তাতকৈ মধুময় এই পৃথিৱীত আন একোৱেই নাই।'

অমৰেশে পুনৰ নৈখনলৈ চালে। তাৰ মনত পৰিল অৰুনিমাৰ লগত বিশ্ববিদ্যালয়ত পঢ়া সেই দিনবোৰৰ কথা। সিহঁত দুটাই সুবিধা পালেই য'তে-ত'তে বহি কথা পাতিছিল। কথাৰ মাজে মাজে অভিমান কৰিছিল। ঠেঁহ পাতিছিল। কৃত্ৰিম খং কৰি উচাৎ মাৰি কেতিয়াবা অৰুনিমা উঠি গৈছিল।

- 'মনত পৰেনে অৰুনিমা?' অমৰেশে পুনৰ ক'বলৈ আৰম্ভ কৰিলে। 'সেই যে সন্ধিয়াটো, আমাৰ দুয়োৰে যে বিদায়ৰ বেলা। তাৰ পিচদিনা যে আমি বিশ্ববিদ্যালয় এৰি নিজ নিজ ঘৰলৈ ঘূৰি অহাৰ কথা। তুমি যে মোৰ হাতত হাত থৈ, চকুত চকু থৈ কৈছিলা মই তোমাৰ বাবে আজীৱন ৰৈ থাকিম। মনত আছে?'

- 'আছে।'

- 'কিয় পাহৰিলা সেই কথা?'

- 'সেইবোৰ কথা সোঁৱৰাই মোক আৰু নজ্বলাবা অমৰেশ।'

- 'জ্বলোৱা নাই। সোঁৱৰণিৰ মিঠা উমহে ল'ব খুজিছো। তাৰ পৰাও তুমি এতিয়া মোক বঞ্চিত কৰিবানে?'

- 'কৈ যোৱা।' অৰুনিমাই ক'লে।

- 'সেই সন্ধিয়াটোত তোমাৰ চকুলোবোৰ মচি দিছিলো। এখুজি-দুখুজিকৈ দুয়ো ছাত্ৰী নিবাসৰ ফালে আগবাঢ়িছিলো। ছাত্ৰী নিবাসৰ গেটখনৰ ওচৰত ৰৈ তুমি যে মোলৈ চাই হাত জোকাৰি বিদায় দিছিলা। মনত আছেনে?'

- 'আছে।'

- 'তাৰ পিচত মই আৰু কোনোদিন তোমাক নেদেখিলো। সেইদিনা তোমাৰ সকৰুণ মুখখনৰ ছঁবি আজিও মোৰ মানস পটত ভাঁহি আছে। মোৰ বুকুৰ মাজত সেই ছবিখন ইমান বছৰে সংগোপনে সাঁচি থৈছো।'

- 'আৰু নক'বা অমৰেশ। সময়ে আমাক জীৱনৰ ঘাই সুঁতিৰ পৰা উতুৱাই লৈ গ'ল।'

- 'নিব পাৰে। কিন্তু তুমি মোক কৈছিলা, মোৰ অবিহনে তোমাৰ জীনৱ অসম্পূৰ্ণ। আৰু ময়ো তোমাক কৈছিলো, জনমে-মৰণে তুমি মোৰ হৈ থাকিবা। গছবোৰে আমাৰ কথাবোৰ শুনি আছিল। চৰাইবোৰ আমাক শুনাই গীত গাইছিল। সেই গানবোৰ এতিয়াও মই শুনি আছো। বিশ্ববিদ্যালয়ৰ নাহৰ কেইজোপা এতিয়া ওখ হৈছে। মই সেইফালে গ'লে গছ কিজোপা ই মোক উপহাস কৰি সোধে 'অৰুনিমাৰ লগত তোমাৰ বিয়া নহ'লনেকি?' গছ কেইজোপাক মই ফাঁকি দি কওঁ - 'কিয় নহ'বহু তোমালোকে বহুত খবৰেই নাজানা।" অমৰেশে আৰু অনেক কথা ক'লে। পিচৰ ফালে তাৰ কথাবোৰৰ কোনো সঙ্গতি নাছিল। ইতিমধ্যে ফেৰীখন আহি ইপাৰ পালেহি। লৰা-লৰিকৈ দুয়ো গৈ বাচত উঠিল। দুয়ো একেলগে বহাৰ সুবিধা নাপালে।

* * *

ঠিক চাৰি বজাত বাচখন গৈ লক্ষীমপুৰ টাউন পালে। বাচৰ পৰা নামি অৰুনিমা অমৰেশৰ ওচৰলৈ আহিল আৰু ক'লে -

- 'কালিলৈ পুৱাই মই তোমালোকৰ ঘৰলৈ যাম।'

- 'কালিলৈ পুৱা নাহিবা। পুৱাবেলা মোৰ আহৰিয়ে নাই। অঙ্কৰ শিক্ষকতো, ছাত্ৰ-ছাত্ৰী কিছুমান অঙ্ক শিকিবলৈ আহে।'

- 'তেতিয়া হ'লে পাচবেলা আহিম।' অৰুনিমাই ক'লে।

- 'পাচবেলাও আহৰি নাই। একেই, ছাত্ৰ-ছাত্ৰী আহে।'

- 'তেতিয়া হ'লে কোন সময়ত আহিম কোৱা।'

- 'মই গৈ তোমাক লৈ আহিম গৈ। তোমাৰ ল'ৰাৰ কন্যাৰ ঘৰ মই উলিয়াব পাৰিম।'

দুয়ো দুয়োৰ পৰা বিদায় ল'লে।

* * *

পিচদিনা পুৱা অৰুনিমা গৈ অমৰেশৰ ঘৰ পালেগৈ। জৰাজীৰ্ণ দুটা কোঠাৰ এটি ঘৰ। দুৱাৰখন খোলাই আছিল। অৰুনিমা ভিতৰলৈ সোমাই গ'ল। অমৰেশে বিমৰ্ষভাৱে অৰুনিমালৈ চালে।

- 'কি হ'ল?' অৰুনিমাই ক'লে।

- 'বহা।' মূঢ়া এটা দেখুৱাই অৰুনিমাক ক'লে।

- 'বহিবলৈ অহা নাই। সুধিবলৈ আহিছো। তোমাৰ শ্ৰীমতীৰ ঘৰ ক'ত আছিল?'

- 'নাই।'

- 'কেনেকৈ থাকিব। তুমি বিয়াই পতা নাই। মোৰ বিয়াৰ চিঠি পাই তুমি গৱেষণা অসম্পূৰ্ণ কৰি আমেৰিকাৰ পৰা ঘূৰি আহিলা। তাৰ পিছত দহ বছৰ তেজপুৰৰ পগলা ফাটেকত থাকিলা। তাৰ পিচত তুমি ক'ত ক'ত থাকা, কোনেও নাজানে। ইমান দিনৰ মূৰত লগ পাই তুমি ইমান মিছা কথাবোৰ কিয় কলা? কিয় ইমান অভিনয় কৰিলা?'

- 'মিছা কিয় হ'বহু অভিনয় কিয় হ'বহু তুমি মোক যিমান সঁচাকৈ ভাল পাইছিলা, মোৰ লগত যিমান অভিনয় কৰিছিলা, কালিৰ কথাবোৰে সিমানেই সঁচা আছিল, সিমানেই অভিনয় আছিল।'

* * *

* গল্পটোৰ মূল ভাৱটো লক্ষীমপুৰ কলেজৰ প্ৰাণীবিদ্যা বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক আমান ছাৰৰ পৰা শুনা।

◆◆



# নিতাই পুখুৰীত মহাবিদ্যালয় আৰু মোৰ কলেজীয়া জীৱন

✍ ঘনকান্ত গগৈ
*ডিমৌ উচ্চতৰ মাধ্যমিক বিদ্যালয়, অধ্যক্ষ*

মহাবিদ্যালয় শব্দটো ইংৰাজী College শব্দৰ পৰা অনা হৈছে। মহাবিদ্যা বা শ্ৰেষ্ট বিদ্যা অৰ্থাৎ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানেই মহাবিদ্যালয়। যিমান দূৰ সম্ভৱ মহাবিদ্যা শব্দৰ পৰা মহাবিদ্যালয় শব্দটো অনা হৈছে। মহাবিদ্যালয় যথেষ্ট অৰ্থপূৰ্ণ গাম্ভীৰ্য আৰু প্ৰকৃতি স্বৰূপ এটি শব্দ যাৰ প্ৰভাৱত মানৱ সম্পদ উচ্চ স্তৰলৈ বিকশিত হয়। এনে এখন উচ্চ শিক্ষাৰ অনুষ্ঠান আমাৰ ল'ৰালি কালত নিতাইপুখুৰীত প্ৰতিষ্ঠা হৈছিল। মোৰ মস্তিস্কই যদি মোক প্ৰতাৰণা কৰা নাই তেন্তে মই পঞ্চম শ্ৰেণীত (১৯৬৫ চনত) থাকোতেই এই মহাবিদ্যালয়খনি আৰম্ভনি হৈছিল। নিতাইত মহা-বিদ্যালয়। শব্দ কেইটাই কাৰোবাক আশ্বৰ্য আৰু কাৰোবাক স্বস্তিৰ নিশ্বাস দিছিল। সকলোৰে মাজত মহাবিদ্যালয়ৰ বিষয়ে আলোচনা বিলোচনা হৈছিল। আমি ল'ৰাবোৰে তেতিয়া এখন ডাঙৰ স্কুল নিতাইত প্ৰতিষ্ঠা হৈছিল বুলিয়েই বুজিছিলো। লগতে জানিছিলো যে, ডাঙৰ স্কুলত ডাঙৰ ডাঙৰ ল'ৰা ছোৱালী অৰ্থাৎ মানুহে পঢ়িব। কোনোবা এটা দিনত দিহিঙ্গীয়া গাৱঁৰ এম ভি স্কুলৰ পৰা মজলীয়া বিদ্যালয়ৰ শিক্ষা সামৰি নিতাইপুখুৰী হাইস্কুললৈ (বৰ্তমান উঃমাঃবিদ্যালয়) আহিছিলো। তেতিয়া বিদ্যালয়লৈ আহোতে আমাৰ সমান্তৰালভাৱে কলেজীয়া ককাইদেউ আৰু বাইদেউ সকলক অহা দেখিছিলো। সেই সময়ত পৰিস্কাৰ-পৰছিন্ন সাজপোচাকেৰে তেখেতলোকক মহাবিদ্যালয়লৈ অহা ছবিৰে মোক যথেষ্ঠ আপ্লুত কৰি তুলিছিল আৰু মই পুলকিত হৈ হৃদয়ৰ কোনোবা এটা কোণত মহাবিদ্যালয়লৈ যোৱাৰ আশা পুহি ৰাখিছিলো। কলেজীয়া শিক্ষাৰ মহত্বক বেছিকৈ অনুভৱ কৰিছিলো। যেতিয়া আমাৰ নিতাইপুখুৰী হাইস্কুলৰ সন্মুখৰ পথেদি ডাঙৰ আকাৰৰ কিতাপ হাতত লৈ মুহি গগৈ ছাৰে গহীন গম্ভীৰ খোজেৰে নিতাই পুখুৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক শিক্ষাদান দিবলৈ ওলাই যায়। জানিব পাৰিছিলো তেতিয়া আমাৰ বিদ্যালয়ৰ পৰা কেইবা জনো শিক্ষকে কলেজত শিক্ষাদানৰ বাবে গৈছিল। তেখেতলোক ক্ৰমে ˆকলেশ্বৰ ফুকন ছাৰ ড° প্ৰহলাদ কুমাৰ বৰুৱা ছাৰ, ˆকৰ্ণপ্ৰসাদ গগৈ ছাৰ আৰু লগতে মই নজনাকৈয়ে কোনোবা ছাৰ থাকিবও পাৰে। আমাৰ বিদ্যালয়ৰ প্ৰধান ˆ মিনাৰাম দত্ত ছাৰ, শ্ৰীযুত কোযেশ্বৰ গগৈ ছাৰ আদি সকল কলেজ পৰিচালনা কমিটিত আছিল। তেতিয়া কলেজৰ অধ্যক্ষ কনক দত্ত চাৰ, ডম্বৰু নেওঁগ ছাৰ, ভদ্ৰাৱতী গগৈ বাইদেউ আদিক দেখা মনত পৰে। আমি যেতিয়াঅষ্টম শ্ৰেণীত আছো তেতিয়া মহাবিদ্যালয়ৰ নিমন্ত্ৰণ মৰ্মে আউনী আটি সত্ৰৰ গোসাঁই হেম চন্দ্ৰ দেৱ গোস্বামী দেৱ আহিছিল আৰু সেইসময়ত গোসাঁইক সন্দিকৈ চুক আৰু বাপুটি গড়ৰ মাজৰ মথাউৰি কাষৰ পথাৰত ডাঙৰ ৰভা সাজি বাহৰ পাতি দিছিল। নিতাই মহাবিদ্যালয়ৰ তৰফৰ পৰা সত্ৰৰ গোসাঁই জনাক বিদ্যালয়ৰ গৃহটি পকীকৰণ কৰি প্ৰস্তুত কৰি দিবৰ বাবে আবেদন জনোৱা হৈছিল। সেই আবেদনৰ মৰ্মে কলেজৰ গৃহটি পকীকৰণ হৈছিল আৰু কলেজ নামকৰণো হেমন্দ্ৰদেৱ গোস্বামী মহাবিদ্যালয় বুলি লিপিবদ্ধ হৈছিল। এইদৰেই কলেজখনে লাহে লাহে পূৰ্ণাঙ্গঁ ৰূপলৈ অগ্ৰসৰ হৈছিল আৰু আমিও উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানটিৰ সামগ্ৰিক কাৰ্য ক্ৰমণিকা আমাৰ দৃষ্টিৰে পাৰ্যমানে উপভোগ কৰিছিলো। নিশ্চয় তেতিয়াই কলেজীয়া জীৱনৰ কিছু তাৎপৰ্য আগতীয়াকৈ অনুভৱ কৰিছিলো।

১৯৭২ চনৰ কথা। হাইস্কুল শিক্ষান্ত পৰীক্ষাত দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ শিৱসাগৰ কলেজলৈ পোহৰ বিচাৰি গ'লো। শিৱসাগৰ কলেজৰ গেটত লিখা আছে-পোহৰ বিচাৰি যাওঁ কলেজৰ Motto Song অৰ প্ৰথম শাৰীত আছে- 'পোহৰ বিচাৰি যাওঁ, পোহৰ বিচাৰি যাওঁ; আন্ধাৰৰ কাল যৱনিকা ভেদি ইপাৰে কি আছে চাওঁ'। নিতাই পুখুৰী দিহিঙ্গীয়া গাঁৱৰ ভাটি চুকৰ পৰা শিক্ষা পোহৰ বিচাৰি জয়সাগৰৰ শিৱসাগৰ কলেজ পালোগৈ। মনত সোণালী সপোন। জীৱন গঢ়া। নাজানো কাৰ প্ৰেৰণা বা পৰামৰ্শই মোক বিজ্ঞান শিক্ষাৰ প্ৰতি আকৃষ্ট কৰিছি। শিৱসাগৰ কলেজত বিজ্ঞান শাখাত প্ৰাক স্নাতক মহলাত P.D.C. (Pre Degree Course) নামভৰ্ত্তি কৰিলো। ঘৰৰ আৰ্থিক অৱস্থা প্ৰতি লক্ষ্য ৰাখি হোষ্টেলৰ পৰিৱৰ্ত্তে মেচতে থকাৰ সিদ্ধান্ত কৰি কলেজীয়া জীৱন আৰম্ভ কৰিলো। ˆপৰাগধৰ চলিহা ছাৰ তেতিয়া কলেজৰ অধ্যক্ষ আছিল। কলেজত বহুত শাসন। পুৱা ৯.০০ বজাৰ পৰা গধুলি ৪.০০ বজালৈকে ক্লাছ। নিয়মিতভাৱে থিঅ'ৰি ক্লাছ, প্ৰেকটিকেল ক্লাছ আৰু টিউট'ৰিয়েল ক্লাছ হৈছিল। বিজ্ঞানৰ ছাত্ৰ হিচাপে উশাহ-নিশাহ ল'বলৈ সময় নাই। শ্ৰেণীসমূহ কৰি থাকোতে মনলৈ ভাব আহে বিদ্যালয়ত পঢ়োৱাৰ দৰে ইয়াত চাৰ-বাইদেউ সকলে পঢ়োৱা নাই নেকি। কিবা এটা পাৰ্থক্য অনুভৱ কৰিছিলো। তেতিয়া লাহে লাহে অনুভৱ হ'ল - বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় নামকৰণ এনেই হোৱা নাই। বিদ্যালয়ত জীৱনৰ বাবে শিক্ষা, মহাবিদ্যালয়ত বিষয়গত উচ্চ শিক্ষা আৰু বিশ্ববিদ্যালয়ত বিষয়ৰ ওপৰত উচ্চতম ধাৰণা দিয়া হয়। এতিয়া ভালদৰে বুজিছো যে কলেজত International Teaching হয়। গতিকে মহাবিদ্যালয়ত জ্ঞান গঠনৰ Shaping of knowledge বাবেহে শিক্ষা দিয়া হয়। কিন্তু বিদ্যালয়ত প্ৰধানকৈ আচৰণ পৰিবৰ্তন আৰু চৰিত্ৰ গঠনৰ বাবেহে শিক্ষা প্ৰদান কৰা হয়। এই সমূহ শিক্ষণৰ কথা স্পষ্টকৈ বুজাবৰ বাবে Teach-

ing Technologyত পোৱা চিত্ৰ এটা অঙ্কন কৰি দিয়া লোভ সামৰিক নোৱাৰি চিত্ৰটো তলত দিয়া হ'ল।

উক্ত কথাবিলাক এতিয়া বুজিছো। মুঠ কথাত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত জ্ঞান গঠন কৰিব লাগে (Construction of Knowledge) জ্ঞান গঠন হ'লে কি হব এই কথা একেবাৰে শেহতীয়া শিক্ষা আয়োগ National Knowledge Commission এইদৰে বৰ্ণনা কৰিছে। "We need to facilitate knowledge applications in sectors like industry, agriculture and health because the ability of a nation to use and create knowledge capital determines its capacity to empower and enable its citizens" বৰ্তমান Project Method ৰ শিক্ষাই প্ৰয়োগবাদৰ Pragmatism আৰ্হি লৈছে। মই ওপৰৰ কথাবিলাক একো জনা নাছিলো। আনকি পাঠ্যক্ৰম, শিক্ষণৰস্তৰ শিক্ষাৰ লক্ষ্য আদিও লক্ষ্য কৰা নাছিলো। সঁচা অৰ্থত কলেজৰ শিক্ষাত মোৰ Cognitive learning বিশেষ একো নহ'ল। জৰ্জ বাণাৰ্ড শ্বই ক'বৰ দৰে 'স্কুলীয়া শিক্ষাই মোক একো নিদিলে'। মই ভাবো কলেজীয়া শিক্ষাই বিষয়জ্ঞানৰ পথটোহে চিনাকী কৰে বাকী সামগ্ৰিক জ্ঞান পিছৰ জীৱনতহে কৰ্ষণৰ যোগেদি আহৰণ হয়। মই মধ্যমীয়া বিধৰ ছাত্ৰ হিচাপে এনেদৰে শৈক্ষিক দিশটো কলেজীয়া জীৱনত সামৰণি মাৰিছিলোঁ।

শৈক্ষিক দিশৰ বাহিৰে সেই সময়ত মোৰ ৰূপ নাছিল। সাহিত্য সংস্কৃতি, খেলা-ধূলা আদি। ক'তোৱেই নিজকে আত্মনিয়োগ কৰা নাছিলো। আনকি কলেজীয়া জীৱনৰ যৌৱনৰ আবেগকো নেওচা দি নিজকে নিলগাই ৰাখিলো। কোনো সামাজিক কামটো জড়িত হোৱা নাছিলো। পোনমূৰে শোৱা আৰু পঢ়াতে নিজকে ব্যস্ত ৰাখিলো। কেৱল খোৱা মই অনুভৱ কৰিছো জীৱনত একোৱেই উপভোগ কৰা নহ'ল। কিন্তু এতিয়া ঘূৰিচাই এতিয়াহে বুজিছো যে জীৱনটোকে সীমাৱদ্ধতা মাজত ৰাখি বয়স সাপেক্ষে আনন্দ উপভোগ কৰাৰ লগতে বাহিৰৰ জগতৰ লগত নিবিড় সম্বন্ধ ৰাখিব লাগে। মোৰ কলেজীয়া জীৱনৰ কল্পনাবোৰমোৰ অজ্ঞানৰ বাবেই সুদূৰৰ নীলা পাহাৰৰ দৰেই হৈ ৰ'ল, পাহাৰ বগাবলৈ পথেই বিচাৰি নেপালো; অথচ মোৰ শক্তি আৰু সমল সকলোৱেই আছিল। গতিকে মোৰ অনুভৱ ছাত্ৰ-ছাত্ৰী সকলেও ঘৰৰ ভিতৰত মুকলি বতাহ সোমাবলৈ দুৱাৰ খিৰিকি খুলি ৰখাৰ দৰে মনৰ সকলো দুৱাৰ খুলি সামাজিক কৰ্ষণৰ যোগেদি নিজস্বতা অটুট ৰাখি জীৱনটো উপভোগ আৰু পুৰঠ কৰক।

## Mode of Teaching




◆◆



# মামণি ৰয়চম গোস্বামীৰ 'দঁতাল হাতীৰ উঁইয়ে খোৱা হাওদা'ত প্ৰতিফলিত নাৰী চৰিত্ৰ ঃ এটি পৰ্যালোচনা

ড° দিগন্ত গগৈ
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ

### ০.০ অৱতৰণিকা ঃ

অসমীয়া সাহিত্যৰ বুৰঞ্জীত সোণালী আখৰেৰে নিজৰ নাম খোদিত কৰি যাবলৈ সক্ষম হোৱা স্বাধীনোত্তৰ কালৰ অসমীয়া সৃষ্টিশীল লেখিকাসকলৰ ভিতৰত মামণি ৰয়চম গোস্বামী অন্যতম। তেওঁ একেধাৰে এগৰাকী কবি, গল্পকাৰ ঔপন্যাসিকা আৰু ৰামায়ণী সাহিত্যৰ গৱেষক। বৰ্ণাঢ্য জীৱন-অভিজ্ঞতা, যুক্তিবাদী আৰু প্ৰগতিশীল দৃষ্টিভংগীৰ আধাৰত সৃষ্ট সাহিত্য-কৰ্মই লেখিকাগৰাকীলৈ কেৱল ৰাষ্ট্ৰীয়ই নহয়, আন্তঃৰাষ্ট্ৰীয় খ্যাতিও কঢ়িয়াই আনিছে। তেওঁ সাহিত্য একাডেমী আৰু জ্ঞানপীঠ বঁটাৰ লগতে 'Ramayana From Ganga To Brahmaputra' শীৰ্ষক গ্ৰন্থৰ বাবে ফ্ল'ৰিডা আন্তঃৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়ৰপৰা 'The International Tulsi Award' লাভ কৰে। তদুপৰি তেওঁৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' নামৰ উপন্যাসখনৰ কাহিনীৰ আধাৰত সান্ত্বনা বৰদলৈয়ে নিৰ্মাণ কৰা 'অদাহ্য' (The Flight) নামৰ বোলছবিখনেও ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ভিন্‌ভিন্ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে।

### ০.১ বিষয়ৰ পৰিচয় ঃ

মামণি ৰয়চম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' এখন জনপ্ৰিয় সামাজিক উপন্যাস। উপন্যাসখনত অসমৰ সমাজ-বাস্তৱৰ লগত সাঙোৰখাই থকা বিভিন্ন পুৰুষ-নাৰীৰ জীৱন-চিত্ৰ অভিব্যক্ত হোৱাৰ লগতে সমাজৰ ভিন্‌ভিন্ দিশৰো প্ৰতিফলন ঘটিছে। উপন্যাসখনৰ পটভূমি হৈছে দ্বিতীয় মহাসমৰৰ শেষ তথা ভাৰতে স্বাধীনতা লাভ কৰা সময়ছোৱাৰ অসমৰ দক্ষিণ কামৰূপৰ সামন্তযুগীয় সত্ৰানুষ্ঠান এটিৰ লগত সাঙোৰখাই থকা সমাজ-ব্যৱস্থা। উপন্যাসখনত তদানীন্তন পতন হ'বলৈ ধৰা এখন ৰক্ষণশীল সমাজ, আধুনিকতাৰ আগমন, আদবয়সতে বিধবা হ'বলগীয়া হোৱা সত্ৰৰ গোসাঁনীসকলৰ কামনা-বাসনা, নিসংগতা আৰু অৱহেলা, সত্ৰাধিকাৰৰ আভিজাত্য, এলান্ধুকলীয়া নীতি-নিয়ম, বাল্যবিবাহ, কানিৰ প্ৰচলন, কানি নিবাৰণ আন্দোলন, ভূমি-সংস্কাৰ আৰু সাম্যবাদী ভাৱধাৰাৰ আগমনে সামন্তবাদী সমাজলৈ অনা পৰিৱৰ্তনৰ কাহিনী বৰ্ণিত হৈছে।

'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ৰ কাহিনীটো বাস্তৱধৰ্মী আৰু গতিশীল কৰি তোলাৰ ক্ষেত্ৰত ভালেকেইটা প্ৰধান আৰু পাৰ্শ্ব নাৰী চৰিত্ৰই অৰিহণা যোগাইছে। এই আলোচনা-পত্ৰত উপন্যাসখনত প্ৰতিফলিত প্ৰধান নাৰী চৰিত্ৰকেইটিৰ এটি পৰ্যালোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে। উপন্যাসখনৰ প্ৰধান নাৰী চৰিত্ৰকেইটি হৈছে — গিৰিবালা, দুৰ্গা, সৰু গোঁসানী আৰু ইলিমন।

### ০.২ অধ্যয়নৰ উদ্দেশ্য ঃ

উপন্যাসখনত প্ৰতিফলিত তদানীন্তন সমাজ-ব্যৱস্থাত নাৰীৰ সামাজিক প্ৰস্থিতি নিৰ্ণয় কৰাৰ লগতে নাৰীকেন্দ্ৰীক ধ্যান-ধাৰণা পৰিস্ফুট কৰি তোলাই হৈছে এই অধ্যয়নৰ মূল উদ্দেশ্য।

### ০.৩ অধ্যয়নৰ পদ্ধতি ঃ

মুখ্য উৎস হিচাপে মূল উপন্যাসখন আৰু গৌণ উৎস হিচাপে বিভিন্ন গ্ৰন্থ-আলোচনী আদিৰ সমালোচনাত্মক লেখাৰপৰা লাভ কৰা তথ্যৰ আধাৰত বিশ্লেষণাত্মক পদ্ধতিৰে আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে।

### ১.০ নাৰী চৰিত্ৰৰ পৰ্যলোচনা ঃ

'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ৰ এটি অন্যতম নাৰী চৰিত্ৰ হৈছে — গিৰিবালা। দাম্পত্য জীৱনৰ পাতনি মেলিয়েই বৈধব্যৰ সাজ পিন্ধি পিতৃ গৃহলৈ ঘূৰি অহা গিৰিবালা আমৰঙা সত্ৰৰ অধিকাৰৰ নুমলীয়া জীয়ৰী আৰু উপন্যাসখনৰ নায়ক ইন্দ্ৰনাথৰ ভনীয়েক। উপন্যাসখনত গিৰিবালা চৰিত্ৰটো তদানীন্তন ৰক্ষণশীল তথা পুৰষতান্ত্ৰিক ব্ৰাহ্মণ সমাজৰ পৰম্পৰাগত ৰীতি-নীতিৰ বিৰুদ্ধে আত্মজাহৰ মাজেদি প্ৰতিবাদ সাব্যস্ত কৰা এক বিদ্ৰোহী সত্তা ৰূপে অংকিত হৈছে। তদুপৰি চৰিত্ৰটোৰ মাজেদি বৈধব্য জীৱন যাপন কৰিব লগা হোৱা এগৰাকী যুৱতীৰ মনৰ কামনা-বাসনাৰ অকপট প্ৰকাশ ঘটিছে।

গিৰিবালা চৰিত্ৰটো যিখন সমাজৰ প্ৰতিনিধি চৰিত্ৰ

হিচাপে অংকিত হৈছে, সেইখন সমাজ হৈছে— বিংশ শতিকাৰ মাজভাগৰ সমাজ; যিখন সমাজ বাল্যবিবাহ, অন্ধবিশ্বাস, অস্পৃশ্যতা আদিৰ দৰে সামাজিক ব্যাধিৰে আচ্ছন্ন হৈ আছিল। তদানীন্তন ৰক্ষণশীল ব্ৰাহ্মণ সমাজত নাৰী-শিক্ষাৰ প্ৰতি যে গুৰুত্ব আৰোপ কৰা নাছিল, সেই কথা গিৰিবালাৰ শিক্ষা-দীক্ষাৰ প্ৰসংগত ইন্দ্ৰনাথে মাৰ্ক চাহাবৰ আগত প্ৰকাশ কৰা বক্তব্যৰপৰা পৰিস্ফুট হৈ উঠিছে। ইন্দ্ৰনাথে মাৰ্ক চাহাবক গিৰিবালা সম্পৰ্কত কৈছে—"মই ভাবিছিলোঁ তাইক স্কুলত নাম লগাই দিম কিন্তু এই বিষয়ে কোনো একমত নহয়। আমাৰ গহেৰ আপীয়ে ফলিপুথি লৈ স্কুলত যাবাৰ নিয়ম নাই।" (পৃ. ৫১)

উপন্যাসখনত প্ৰতিফলিত হোৱা ব্ৰাহ্মণ সমাজখনত বাল্যবিবাহৰ দৰে কু-সংস্কাৰৰ প্ৰচলন আছিল। সমাজৰ গঞ্জনাৰ ভয়তেই যে পিতৃ-মাতৃয়ে নিজ সন্তানক কন্যাকাল হোৱাৰ আগতেই বিয়া দিব লগা হৈছিল, সেই কথা গিৰিবালাৰ মাক গোসাঁনী আৰু পেহীয়েক দুৰ্গাৰ কথাত প্ৰকাশ পাইছে। গিৰিবালা পিতৃ-গৃহত উপস্থিত হোৱাৰ সময়ত আনৰ দুখ উপভোগ কৰি সন্তুষ্টি লাভ কৰিবলৈ অহা ওচৰৰ তিৰুতাবোৰক উদ্দেশ্যি গোসাঁনীয়ে কৈছিল—" শুন, তঁহতৰ ভয়তে আমি তাইৰ বিয়াৰ বাবে তাৰাতাৰি লগে দিছিলো।" (পৃ. ২৬) দুৰ্গাই ৰণচণ্ডী মূৰ্তিধৰি চিঞৰি উঠিছিল—"এই দামোদৰীয়া গহেৰ বংশত ডাঙৰ হৱা আপীৰ বিয়া আগে-পিছে হৱা নাই— আৰু আমি জীয়াই থকাক গেলি নহবও।" (পৃ. ২৬) গিৰিবালাক বিয়া দিব গিৰিবালাৰ বাল্যবিবাহ সম্পন্ন হৈছিল বঙৰাৰ লাতু গোসাঁইৰ সৈতে আৰু শান্তি বিয়া হোৱাৰ কিছু দিনৰ পাছতে বৈধব্য-সাজ পৰিধান কৰি গিৰিবালা পিতৃ-গৃহলৈ ঘূৰি আহিছিল। লাতু গোসাঁইৰ পৰস্ত্ৰীৰ সৈতে সম্পৰ্ক আছিল। সেই কথা সকলোৱে জানিছিল। গিৰিবালাৰ পিতৃ সত্ৰাধিকাৰ মহাপ্ৰভুৱেও জানিছিল। কিন্তু উপায় নাছিল কিয়নো গিৰিবালাৰ পুষ্পিতা হোৱাৰ সময় সমাগত হৈছিল। আমৰঙা সত্ৰৰ কুল-পুৰোহিত পুৰুষোত্তম ভাগৱতীৰ ভাষাত—"কাই নাজানে? অৰায় জানে। গহাঁই মহাপ্ৰভুৱে জানিছিল। জানিলি কি হবা! অহাই মাইচেনা দুখেনীয়া হয়হু দুখেনীয়া হয়!" (পৃ. ১৯৪) পুষ্পিতা হোৱাৰ আগতে ব্ৰাহ্মণ কন্যা বিয়া দিব নোৱাৰিলে সেই কন্যা চুৱা হয়। দৰাচলতে এনে নিয়মক নাৰীৰ প্ৰতি কৰা এক অন্যায় আৰু তদানীন্তন ব্ৰাহ্মণ সমাজৰ বাবে এক কলঙ্ক স্বৰূপ বুলি ক'ব পাৰি।

পুৰুষ-প্ৰধান ব্ৰাহ্মণ সমাজত বিধবা-বিবাহ নিষিদ্ধ আছিল। সমাজত বিধৱা নাৰীৰ স্থান আছিল নিতান্তই অৱনমিত, অৱহেলিত আৰু অস্পৃশ্য। বিধবা হোৱাৰ পাছতে গিৰিবালাৰ ওচৰত গোটখোৱা তিৰুতাৰ মাজৰপৰা কোনোবাই কৈছিল—

"নুচুবি! নুচুবি! এই মাত্ৰ ৰাঁৰী হোৱা তিৰি ঐ শিৰত সেন্দুৰ পিন্ধা তিৰীহঁত!! নুচুবিহু নুচুবি!!" (পৃ. ২১)

পিতৃ-গৃহত ভৰি দি গিৰিবালাই পাগঘৰৰ ভিতৰলৈ সোমাব খুজিয়েই বাধাৰ সন্মুখীন হৈছে। বিধবা পেহিয়েক দুৰ্গাই আটাহ পাৰি উঠিছে—" মছুৱা চৰু আছে, সহাই যাবা নৰাহ।" (পৃ. ২১)

উপন্যাসখনত প্ৰতিফলিত হোৱা সমাজ-ব্যৱস্থাত বিধবা নাৰীৰ জীৱন আছিল অতি দুৰ্বিসহ। নানান কঠিন নীতি-নিয়মৰ মাজত বিধবা নাৰীৰ জীৱন আছিল অৱৰুদ্ধ। তদানীন্তন সমাজ-ব্যৱস্থাত সধবা নাৰীৰ দৰে বিধৱা নাৰীৰ মুক্ত বিচৰণ স্বীকৃত নাছিল। দৰাচলতে বিধবা নাৰীয়ে এক নৰক-যন্ত্ৰণা ভোগ কৰিব লগা হৈছিল। বিধবা নাৰীয়ে জীৱনৰ সকলো আশা-আকাংক্ষা কামনা-বাসনা বিসৰ্জন দি ওৰেটো জীৱন কেৱল মৃত স্বামীৰ খৰমযোৰত ফুল-পানী দিয়েই কটাব লগা হৈছিল। উপন্যাসখনত সত্ৰাধিকাৰৰ বিধবা ভনীয়েক দুৰ্গাৰ চৰিত্ৰটো সমাজত প্ৰচলিত বিধি-ব্যৱস্থাৰ প্ৰতি আস্থাশীল নাৰী নাৰী চৰিত্ৰ ৰূপে অংকিত হৈছে। দুৰ্গাই মৃত স্বামীৰ খৰমযোৰকে বুকুত সাবটি কঠিন জীৱনক সহজভাৱে লবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছে। সেয়ে পিতৃ সত্ৰাধিকাৰে দুৰ্গাৰ উদাহৰণ দি গিৰিবালাক কৈছে—"তৰ ভাগ্য দুৰ্গাৰ ভাগ্যৰ হেতি সাঙোৰ খাই আছে। তাই উচিত পথত ভৰি দিছি। এই পথেদি তহনায়ো চলিবা লাগিব।তহনাই তাইৰ দৰে খৰমত ফুল-পানী দিবি। তিৰীৰ বাবে স্বামী পৰম দেৱতা। সেই দেৱতাক অহৰহ পূজা কৰিবি।" (পৃ. ১৩৯)

গিৰিবালাই সমাজে জাপি দিয়া বিধান পালন কৰাকৈ নাথাকে। তায়ো দুৰ্গাৰ দৰে স্বামীৰ খৰমত ফুল-পানী দি যথাবিধি পূজা-অৰ্চনা কৰে কিন্তু তাত তাইৰ কোনো আন্তৰিকতা নাই। যি স্বামীয়ে নিজৰ স্ত্ৰীক সন্মান কৰাৰ বিপৰীতে উপলুঙা আৰু তাচ্ছিল্য কৰিছিল; যি স্বামীয়ে পৰস্ত্ৰীৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি চলিছিল, তেনে লম্পট আৰু ব্যভিচাৰী স্বামীৰ প্ৰতি গিৰিবালাৰ মনত কোনো সম্ভাৱনা নাই ; নাই কোনো শ্ৰদ্ধা। লেখিকাৰ ভাষাত—" কানিৰ কান কাটি বেচা নামেৰে কুখ্যাত, তিনি আলিৰ সেই বাৰাভাতেৰী তিৰোতাৰ লগত ৰং-ৰহইচ কৰা তাইৰ স্বামীৰ প্ৰতি তাইৰ কোনো স্মৃতিয়ে সন্মান আৰু প্ৰেমেৰে বিগলিত নহয়।" (পৃ. ১১১)

উপন্যাসখনত অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু অস্পৃশ্যতাই আচ্ছন্ন কৰি ৰখা এখন পতনমুখী সমাজৰ বাস্তৱধৰ্মী চিত্ৰ ফুটি উঠিছে আৰু গিৰিবালা চৰিত্ৰটো অন্ধবিশ্বাস আৰু কু-সংস্কাৰ মুক্ত মনৰ অধিকাৰী চৰিত্ৰ ৰূপে অংকিত হৈছে। উপন্যাসখনত বৰ্ণিত সমাজ-ব্যৱস্থাত বিধবা নাৰীয়ে তেল-মচলা নিৰামিষ



'হৱিষীয়া' (পৃ. ১০৬) আহাৰহে খাব পাৰিছিল। বিধবা হোৱাৰ পিছত সুদীৰ্ঘকাল 'হৱিষীয়া' ভাত খাই খাই গিৰিবালাৰ আমনি লাগিছিল। সেয়ে তাই ককাক সদানন্দ বুঢ়াগোসাঁইৰ শ্ৰাদ্ধত ৰন্ধা ছাগলীৰ মাংস চুৰকৈ ভক্ষণ কৰিছিল। মাংস খাই থাকোতে হাতে-লুটে ধৰা পৰি তাই পৰাচিত হ'ব লগা হৈছিল। অৱশ্যে তাৰ বাবে তাইৰ কোনো পাপবোধ হোৱা নাছিল। গিৰিবালাই সেই কথা নিজেই মাৰ্ক চাহাবৰ আগত প্ৰকাশ কৰি কৈছে—" সেইদিনা মাংস খাই কৰা পাৰাচিতৰ পিছতো মৰ কোনো পাপবোধ হৱা নাই।" (পৃ. ১৩৯)

গিৰিবালা লালিত-পালিত হোৱা সত্ৰীয়া সমাজখন জাতি-ভেদ প্ৰথা আৰু অস্পৃশ্যতাই ছানি আছিল। গিৰিবালাৰ মাক গোসাঁনী আৰু দুৰ্গাৰ দৃষ্টিত খ্ৰীষ্টান ধৰ্মী সন্যাসী মাৰ্ক চাহাব আছিল ম্লেছ। তেওঁলোকৰ মতে ম্লেছ অপবিত্ৰ, তাৰ ছাঁটোও স্পৰ্শ কৰিব নাপায়। আনহাতে গিৰিবালাৰ মনত সেইবোৰ জাতি-ধৰ্মৰ ভেদাভেদ ভাব নাছিল। জ্ঞান আৰু তথ্যৰ সন্ধানত উৎসৰ্গীকৃত জীৱনৰ অধিকাৰী মাৰ্ক চাহাবক গিৰিবালাই ভাল পাইছিল, মাৰ্কক পাবৰ বাবে তাই খ্ৰীষ্টান ধৰ্ম ল'বলৈও সাজু আছিল আৰু অৱশেষত অকপটভাৱে তাই মাৰ্ক চাহাবৰ ওচৰত আত্ম-নিবেদন কৰিছিল। গিৰিবালাৰ অন্তৰাত্মাই মাৰ্ক চাহাবক কৈছিল—"মক হাতত ধৰি তুমি উৰিয়াম কাঠৰ বাকচটোৰপৰে উলিয়াই নিয়া।" (পৃ. ১১১)

উপন্যাসখনত গিৰিবালা চৰিত্ৰটোৰ কৰুণ পৰিসমাপ্তি ঘটিছে কু-সংস্কাৰৰ মাজেদি। গিৰিবালাই অজাতি মাৰ্ক চাহাবৰ লগত ঘূৰা-ঘূৰিৰ কথা শহুৰৰ ঘৰত গম পাই তেওঁলোকৰ আত্ম-সন্মানত আঘাত লাগিল। গিৰিবালাক জোৰ কৰি হ'লেও ঘূৰাই নিবলৈ স্বামী-গৃহৰপৰা মানুহ পঠালে। গিৰিবালাই স্বামী-গৃহলৈ ঘূৰি যাব নিবিচাৰিলে। তাই মাৰ্ক চাহাবৰ ওচৰত আত্ম-নিবেদন কৰি ক'লে —"তাকে যাৱা আৰু চচানক যাৱা একে কথা। মই জীয়াই জীয়াই গাঁৱাত সুমব নৰু চাহাব! " (পৃ. ২০২) গিৰিবালাই সমাজৰ দৃষ্টিত ম্লেছ স্বৰূপ মাৰ্ক চাহাবৰ ওচৰত নিজকে সমৰ্পণ কৰিবলৈ যোৱাৰ বাবে কুল-পুৰোহিতে তাইক মেষদাহ প্ৰথাৰে পৰাচিত কৰিছিল আৰু তাতেই তাই আত্মজাহ গৈছিল। সেই মুহূৰ্তত নিৰ্দোষী, নিষ্পাপ গিৰিবালাৰ কণ্ঠত মাথো ধ্বনিত হৈছিল—"চালিখানত জুই লগাই দি! চালিখানত জুই লগাই দি!" (পৃ. ২৯৭) গিৰিবালাই ইচ্ছাকৃত ভাৱে জুই লগাই দিয়া চালিখনৰ তলৰপৰা ওলাই নাহি নিজকে জুইৰ মাজত নিঃশেষ কৰি সমাজৰ অভিশাপ স্বৰূপ বিধি-ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিলে।

'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ত দুৰ্গা চৰিত্ৰটোক এখন ৰক্ষণশীল সমাজৰ প্ৰতিভূ চৰিত্ৰ ৰূপে অংকন কৰা হৈছে। দুৰ্গা বিধবা আৰু সন্তানহীনা। এগৰাকী বিধবাৰ বাবে সমাজে বান্ধি দিয়া কঠোৰ নিয়ম দুৰ্গাই অতি নিষ্ঠাৰে পালন কৰে। সমাজত প্ৰচলিত ধ্যান-ধাৰণাকে দুৰ্গাই বিশ্বাস কৰে। দুৰ্গা চৰিত্ৰটোৰ মাজেৰে এখন পুৰুষ-তান্ত্ৰিক সমাজত এগৰাকী বিধবা আৰু সন্তানহীনা নাৰীয়ে অৰ্থনৈতিক আৰু সামাজিক নিৰাপত্তাহীনতাত ভোগ কৰিব লগা জীয়া-যন্ত্ৰণাৰ ছবি এখন প্ৰকট হৈ উঠিছে। তদুপৰি এগৰাকী বিধবা নাৰী কেনেদৰে সমাজত প্ৰচলিত অন্ধবিশ্বাসৰ বলি হ'ব লগা হয়— তাৰ ছবি এখনো চৰিত্ৰটোৰ মাজেদি ফুটি উঠিছে। দুৰ্গাৰ ওপৰত শহুৰেকৰ ঘৰে আৰোপ কৰা দুৰ্যশৰ অন্তৰালত নিহিত হৈ আছে অন্ধবিশ্বাস। দুৰ্গাৰ শহুৰেক চিকাৰহাতীৰ গোসাঁইৰ মতে—"বিয়াৰ সময়ত হেনো আমৰঙাৰ গোসাঁয়ে দুৰ্গাৰ কোষ্ঠীখন সলনি কৰি দিলে। দুৰ্গাৰ কোষ্ঠীত থকা পাপ-গ্ৰহকেইটাৰ বাবে হেনো পুতেক এনে আওমৰণে মৰিবলগীয়া হ'ল।" (পৃ. ৮-৯) আনহাতে—"দুৰ্গাই সেইখন ঘৰ এৰি অহাৰ পিছতে হেনো চিকাৰত দিয়া হাতীয়ে দুটা চাকোনা হাতী (ওপৰমুৱা হৈ ভাঁজ হৈ থকা দাঁতেৰে সৈতে) আৰু গৰুৰ দমৰাৰ দৰে তিনিটা চাৰেল হাতী ধৰি অজস্ৰ টকা লাভ কৰিলে। .....এইবোৰ শুভকাম দুৰ্গা যোৱাৰ লগে লগে সংঘটিত হ'ল। " (পৃ. ১১) পাগঘৰত অমংগলীয়া বেমাৰী ফেঁচা সেমোৱাৰ কাৰণো দুৰ্গাৰ কুষ্ঠীত থকা পাপ-গ্ৰহ। পাপ-গ্ৰহৰ বাবেই বিভিন্ন মাংগলিক অনুষ্ঠানত দুৰ্গাৰ উপস্থিতি অমংগল বুলি পৰিগণিত হ'ল। কুষ্ঠীত পাপ-গ্ৰহ থকাৰ কথা দুৰ্গাৰ মনেও পতিয়ায়— "হয়, হয়, কথাবোৰ সঁচাই কিজানি? পাপ-গ্ৰহৰ বাবে তিনি-চাৰিটা মাদলি পিতাকে কঁকাল আৰু বাহুত ল'বলৈ দিয়া নাছিলনে?" (পৃ. ৯)

পুৰুষ-তান্ত্ৰিক সমাজ ব্যৱস্থাত স্ত্ৰীৰ বাবে স্বামীয়েই পৰম দেৱতা, লাগিলে জীৱিতই হওক বা মৃতই হওক। দুৰ্গা এনে বিশ্বাসৰ বাহক চৰিত্ৰ। তাই মৃত স্বামীৰ খৰমযোৰকে ফুল-পানী দি নিয়মিত পূজি আহিছে। স্বামীৰ আত্মাৰ সদ্গতিৰ বাবে দুৰ্গাই নিজৰ অলংকাৰ বিক্ৰী কৰি হ'লেও কাশী ধামত স্বামীৰ অস্থি বিসৰ্জন দিবলৈ প্ৰয়াস কৰিছে। দুৰ্গাই গোসাঁনীক কৈছে—" কাশী ধামত গহাইৰ অস্থি দিবা যাবা যদি আৰু কোনো উপায় নলে, এই দুইপদ বস্তু বেচি যাবা লাগিব।" (পৃ. ৭৬) দুৰ্গাৰ হাতত শেষ সম্বল হিচাপে থকা গহনাকেইপদ যেতিয়া চুৰি হ'ল, তেতিয়া দুখে-শোকে জৰ্জৰিত হৈ দুৰ্গাই কৈছে— "সৰগৰ দেৱতাই চাই থাকিব। চিকাৰহাতীৰ বিধবাই অস্থি দিব নৰা দুখত মৰিব। মই শাপ দি যাম— স্বামীৰ অস্থি দিব নৰা জ্বালাত মই মহাশাপ দি যাম।" (পৃ. ১২৮)

উপন্যাসখনত অংকিত হোৱা এটি ব্যতিক্ৰমধৰ্মী নাৰী চৰিত্ৰ হৈছে সৰু গোঁসানী— আমৰঙা সত্ৰৰ অধিকাৰ মহাপ্ৰভুৰ ভায়েক ৰমানন্দ গোস্বামীৰ পত্নী— দৈহিক কামনা-বাসাৰে ভৰপূৰ দেৰ কুৰি বছৰীয়া এগৰাকী বিধৱা। সৰু গোসানী চৰিত্ৰটো এগৰাকী সাহসী, অত্যন্ত আত্ম-সংযমশীলী আদৰ্শ নাৰীৰ প্ৰতিনিধি চৰিত্ৰ ৰূপে অংকন কৰা হৈছে। সামন্ত যুগীয় পুৰুষ-তান্ত্ৰিক সমাজ ব্যৱস্থাতো যে নাৰীয়ে সাহস, দক্ষতা আৰু জ্ঞানৰ বলত সত্ৰাধিকাৰৰ স্থানত অধিষ্ঠিত হৈ কাৰ্যনিৰ্বহ কৰিব পাৰিছিল— সেয়া সৰু গোসাঁনী চৰিত্ৰটোৰ মাজেদি অভিব্যক্ত হৈছে। "গোসাঁইৰ মৃত্যুৰ পিছত তেওঁ নিজেই শৰণ দিয়াই মাটি-বাৰী চলাই দক্ষিণ পাৰৰ দামোদৰীয়া সত্ৰৰ একপ্ৰকাৰ যশস্যা অৰ্জন কৰিছিল।" (পৃ. ৭) আনহাতে অত্যন্ত আত্ম-সংযম আৰু সামাজিক সংকাৰৰ দ্বাৰা মানুহে যে নিজৰ ৰিপু দমন কৰি জিতেন্দ্ৰীয় হ'ব পাৰে— তাৰ জলন্ত উদাহৰণ স্বৰূপে সৰু গোসাঁনী অংকিত হৈছে। একান্ত মানৱীয় আবেগ-অনুভূতিৰে সৰু গোসাঁনী মহীধৰ বাপুৰ প্ৰতি আকৰ্ষিত হৈছে যদিও আত্ম-সংযমৰ দ্বাৰা নিজকে স্খলনৰপৰা আঁতৰাই ৰাখিছে। পুৰুষসুলভ আকৰ্ষনীয় চেহেৰাৰ অধিকাৰী মহীধৰ বাপুৰ ভাবনাই যেতিয়া সৰু গোসাঁনীৰ মন উন্মনা কৰি তোলে, তেতিয়া তেওঁ নিজকে নিজে কয়— "মহাপাপ ভাব এয়া! মহাপাপ ভাব। দামোদৰীয়া গোসাঁনীক নৰকত ডুবাব পাৰে এই ভাবে!! ....ক্ষমাকৰ! ক্ষমা কৰ প্ৰভু!"

এগৰাকী অকলশৰীয়া বিধবা তিৰুতাই কোনো এজন পুৰুষৰ সহযোগিতা স্বাভাৱিকতেই বাঞ্ছা কৰে। কিন্তু এনে ক্ষেত্ৰত কোনো কলুষতা নাথাকিলেও সমাজে তাক ভাল দৃষ্টিৰে নাচায়। অকলশৰীয়া বিধবা সৰু গোসানীয়ে নানান সহায়ৰ বাবে মহীধৰ বাপুক কাষ চপাই লৈছিল। তাত কোনো ব্যভিচাৰ হোৱা নাছিল কিন্তু মানুহবোৰে বুবু-বাবা কৰি ফুৰিছিল। দুৰ্গাই সেয়ে সৰু গোসাঁনীক কৈছে—"মহীধৰ বাপু আৰু তহনাৰ কথা একেবাৰে দখলাৰ মানুহেও কৰা-মেলা কৰে, মহীধৰ বাপুৰে বোলে তহনাৰ গা ধোৱা পানী তুলি দিয়ে...।" (পৃ. ৫৭)

উপন্যাসখনত প্ৰতিফলিত হোৱা আন এটি উজ্বল নাৰী চৰিত্ৰ হৈছে—ইলিমন। ইলিমন হৈছে— গোঁসাই ধুওৱা বাপুৰ জীয়েক, আমৰঙা সত্ৰৰ জোকৰাম ভাগৱতীৰ ভতিজা জী। বাল্যবিবাহৰ সময় উকলি যোৱা ব্ৰাহ্মণ-কন্যাক বিবাহ দিয়াটো তদানীন্তন সমাজৰ বাবে সমস্যা হৈ পৰিছিল। ইলিমনক তেনে এক সমস্যাৰ বাহক চৰিত্ৰ ৰূপে অংকন কৰা হৈছে। ইলিমনৰ ধাইমাক যঁতৰ কটা বুঢ়ীয়ে ব্ৰাহ্মণ-কন্যা ইলিমনক আমৰঙা সত্ৰ ভাবী অধিকাৰ ইন্দ্ৰনাথলৈ বিয়া দিয়াৰ ইচ্ছা তেওঁ নিজে ইন্দ্ৰনাথৰ আগত প্ৰকাশ কৰিছে। ইলিমনৰ সৌন্দৰ্যই ইন্দ্ৰনাথক মন্ত্ৰমুগ্ধ কৰিছিল কিন্তু ইন্দ্ৰনাথৰ সামাজিক প্ৰতিষ্ঠা আৰু মান-সন্মানৰ বাবেই ইলিমনৰ স্বপ্ন স্বপ্ন হৈয়ে ৰৈছিল। উপন্যাসখনত প্ৰতিফলিত সমাজ ব্যৱস্থাত দক্ষিণ পাৰৰ দামোদৰীয়া সত্ৰৰ গোসাঁয়ে ব্ৰাহ্মণৰ ছোৱালী বিয়া নাপাতিছিল। সেয়ে সত্ৰৰ গোসাঁনীৰ তাংখু খোৱাৰ সংগী গুইমেন্নী নামৰ মানুহ এজনীয়ে ইলিমনৰ ধাইমাকক সতৰ্ক বাণী শুনাইছে এনেদৰে— "পূৰ্ণিমাৰ চন্দ্ৰক গেলি হাত নেমেলিবি, তহঁত বামুণ মানুহ।" (পৃ. ৯৩)

উপসংহাৰ ঃ

'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখন বিধবা নাৰী নিৰ্যাতনৰ এক কৰুণ কাহিনীৰে সিক্ত হৈ উঠিছে। গিৰিবালা, দুৰ্গা আৰু সৰু গোসানী এই কৰুণ কাহিনীৰ কেন্দ্ৰীয় চৰিত্ৰ । উপন্যাসখনত বৰ্ণিত প্ৰধান নাৰী চাৰিত্ৰিকেইটিৰ জৰিয়তে তদানীন্তন সমাজত নাৰীৰ সামাজিক স্থিতি, মান-মৰ্যাদা, সমাজত প্ৰচলিত নাৰীকেন্দ্ৰীক ৰীতি-নীতি, ধ্যান-ধাৰণা, অন্ধবিশ্বাস আদিৰ ছবি এখন অনুধাৱন কৰিব পাৰি। তদুপৰি উপন্যাসখনত সত্ৰৰ গোসানী, গুইমেন্নী, যঁতৰ কটা বুঢ়ী, ননীচম্পা, ভুমিচম্পা আদি পাৰ্শ্ব চৰিত্ৰসমূহেও নাৰীৰ সামাজিক স্থিতি প্ৰতিফলনত অৰিহণা যোগাইছে।

লেখিকাৰ সমাজ-বাস্তৱৰ অভিজ্ঞতা আৰু অনন্য সৃজন ক্ষমতাৰ আধাৰত সৃষ্ট প্ৰতিটো নাৰী চৰিত্ৰই উপন্যাসখনিত একো একোপাহি ফুলৰ দৰে ফুলি উঠিছে আৰু তাৰ সুগন্ধী সুৰভিৰে সমগ্ৰ উপন্যাসখন ৰসোত্তীৰ্ণ হৈ উঠিছে।

আধাৰ গ্ৰন্থ ঃ

মামণি ৰয়চম গোস্বামী ঃ দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, ষ্টুডেন্টচ্ ষ্ট'ৰচ, গুৱাহাটী-৭৮১০০১, পুনৰ্মুদ্ৰণ, ২০১০

সহায়ক গ্ৰন্থ ঃ

গীতাঞ্জলি হাজৰিকা, দীপামণি বৰুৱা দাস ঃ মামণি ৰয়চম গোস্বামীৰ উপন্যাস বৈভৱ, এন এল পাব্লিকেশ্বনছ, গুৱাহাটী-ৰ, প্ৰথম প্ৰকাশ, ২০১৩

◆◆



# বৰ্তমান সমাজ ব্যৱস্থাত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰাসংগিকতা

✍ ড° সঞ্জীৱ বৰগোহাঁই, *অধ্যক্ষ*
*হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়*
*নিতাইপুখুৰী*



অসমত শ্ৰীমন্ত শঙ্কৰদেৱে নৱ বৈষ্ণৱ আন্দোলনৰ জৰিয়তে এক শৰণ নামধৰ্ম্ম প্ৰচাৰ কৰি অসমীয়া জনজীৱনৰ এক অন্ধকাৰাচ্ছন্ন যুগৰ অৱসান ঘটাইছিল। সমগ্ৰ ভাৰতবৰ্ষতে তান্ত্ৰিক বাদে উৰ্দ্ধমুখী গতি লোৱাত বেদ আধাৰিত ধৰ্ম্ম বিশ্বাস আৰু উপনিষদ, গীতা আদিত থকা তত্ত্বগত কথাবোৰে জনসমাজৰ পৰা মেলানি মাগিবলৈ ধৰিলে। তাৰ ঠাইত যাগ-যজ্ঞ, দেৱ-দেৱীৰ পূজা আদি ক্ৰিয়া- কাণ্ডই প্ৰাধান্য লাভ কৰিলে। এই পৰিঘটনাই লোক সমাজত এক বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। সেই সন্ধিক্ষণত অসমত আবিৰ্ভাৱ হ'ল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ (১৮৮৯-১৫৬৮ খ্ৰীষ্টাব্দ)।

শঙ্কৰদেৱৰ আবিৰ্ভাৱে অন্ধকাৰাচ্ছন্ন কৰি ৰখা অসমখনৰ পৰা অস্পৃশ্যতা, কু-সংস্কাৰ, অনাচাৰ, ব্যভিচাৰ আদি ব্যাধিসমূহক আঁতৰ কৰি পুনৰ পোহৰ বিলাবলৈ নিৰ্মল ভাগৱতী ধৰ্ম্মৰ পথ প্ৰশস্ত কৰিলে। ইয়াৰ জৰিয়তে শঙ্কৰদেৱে অসমৰ জাতীয় বিশৃংখল পৰিস্থিতিৰ লগত মোকাবিলা কৰি স্বাভাৱিক অৱস্থালৈ আনিবলৈ সক্ষম হৈছিল।

গুৰুজনাই ধৰ্ম্ম-সংস্কৃতিৰ দ্বাৰা বিভিন্ন জাতি-জনজাতিৰ মাজত থকা বিভেদ দূৰ কৰি এখন আদৰ্শগত সমাজ প্ৰতিষ্ঠা কৰি গৈছিল। অসমৰ সমাজ জীৱনলৈ আগবঢ়োৱা ধৰ্ম্মীয় দৰ্শনে অসমৰ সাংস্কৃতিক জীৱন, ভাষা-সাহিত্য আৰু সংস্কৃতি সকলোতে পূৰ্বাপৰ পৰিচিত নৱৰসৰ উপৰি এক নতুন ৰসৰ সংযোগ ঘটাইছিল, সেয়া হৈছে সেৱা ৰস বা ভক্তি ৰস।

বৰ্তমান অসমৰ নৱ প্ৰজন্মই পশ্চিমীয়া সংস্কৃতিৰ আঁৰি লৈ নিজৰ জাতীয় বৈশিষ্ট্য সমূহ পৰিহাৰ কৰি মানৱতাবোধ হেৰুৱাই দিকহাৰা হৈ পৰিছে। এই সামাজিক বাতাৱৰণৰ বাবে দেশৰ ক্ষমতালোভী ৰাজনৈতিক চক্ৰ, শোষণনীতিৰ জৰিয়তে সৃষ্টি হোৱা দুৰ্বল অৰ্থনৈতিক ব্যৱস্থা, প্ৰচলিত শিক্ষাব্যৱস্থাত ধৰ্ম্ম-সংস্কৃতিৰ জ্ঞানৰ অভাৱেই প্ৰধানকৈ জগৰীয়া।

শ্ৰীমন্ত শঙ্কৰদেৱৰ ভক্তি ধৰ্ম্মৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশ হৈছে মানৱতাবাদ। কিন্তু আজিৰ সমাজত মানৱতাবাদ ভূলুণ্ঠিত হোৱা পৰিলক্ষিত হৈছে। ইয়াৰ কাৰণ হ'ল সমাজত আধ্যাত্মিক জ্ঞান আৰু নৈতিক শিক্ষাৰ অভাৱ। সম্প্ৰতি সমাজত আধ্যাত্মিক জ্ঞান আৰু নৈতিক শিক্ষাৰ দ্বাৰা সুস্থ শৰীৰ, মন আৰু আত্মাৰ সংযোগ ঘটাই এক নৱ জাগৰণ সৃষ্টি কৰাৰ সময় সমাগত। ধৰ্ম্মৰ উপাদান বিলাক হ'ল-সত্য, প্ৰেম, দয়া, ক্ষমা, সহানুভূতি, বিশ্বভ্ৰাতৃত্ববোধ, মানৱতাবোধ আদি। ব্যক্তি আৰু সমাজৰ নৈতিক অধঃপতন ৰোধ কৰিবলৈ গুৰুজনাৰ আদৰ্শ সমূহ সাম্প্ৰতিক কালত অতি প্ৰাসংগিক হৈ পৰিছে।

মহামানৱ গান্ধীজীৰ মতে সম্পূৰ্ণ শিক্ষাই মানুহৰ শাৰীৰিক, মানসিক, নৈতিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধন কৰে। গান্ধীজীৰ মতে আধ্যাত্মিক জ্ঞানৰ বিকাশৰ দ্বাৰা মানুহে জীৱনৰ অন্ধকাৰ দূৰ কৰি ঈশ্বৰ প্ৰদত্ত স্বৰ্গীয় গুণৰাজি দীপ্তিময় কৰি জীৱাত্মা আৰু পৰমাত্মাৰ মিলনৰ পথ সুগম কৰিব পাৰে। স্বামী বিবেকানন্দই আধ্যাত্মিক জ্ঞানৰ আধাৰত নৈতিক চৰিত্ৰ সমৃদ্ধ মানৱ সম্পদ সৃষ্টি কৰাত গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ মতে নৈতিক চৰিত্ৰৰে বলৱান নাগৰিকেহে এখন সুস্থ-সবল দেশ গঠন কৰিব পাৰে। সজ চৰিত্ৰ বা সংস্কৃতিয়েহে মানুহৰ জীৱন সৰ্বাঙ্গ সুন্দৰ কৰি তুলিব পাৰে। সজ আচৰণেই মানুহক বিনয়ী, সংযমী, সত্যবাদিতা, দয়া, ক্ষমা, শিক্ষা গ্ৰহণ কৰাত প্ৰেৰণা যোগায়। এই দিশৰ পৰাও শঙ্কৰদেৱৰ ধৰ্ম্মমতৰ প্ৰাসংগিকতা নুই কৰিব নোৱাৰি।

সাম্প্ৰতিক কালত আমাৰ সমাজৰ মূল্যবোধৰ ধাৰাটো বিচাৰ কৰি চোৱাৰ সময় সমাগত। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যুগত ন ন আৱিস্কাৰ আৰু বিজ্ঞানৰ অৱদান সমূহে মানৱ সমাজৰ যান্ত্ৰিক সভ্যতাৰ উচ্চ শিখৰলৈ লৈ গৈছে যদিও ইয়াৰ সদ্ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত মানৱ মনৰ সংযমতা কিমান দূৰ আগবাঢ়িছে সেইটোও লক্ষনীয়। বৰ্তমান মানৱতাবাদ বিৰ্বজিত

সমাজত হত্যা, হিংসা, লুণ্ঠন, ডকাইতি, ধৰ্ষণ আদি ঘটনাবোৰে সকলোকে ভবাই তুলিছে।

এই ক্ষেত্ৰতো সমাজ খনক ৰক্ষা কৰিবলৈ গুৰুজনাই দি থৈ যোৱা আৰ্দশ তথা শিক্ষা সমূহ সাৰোগত কৰি আগবাঢ়িব পাৰিলেহে সু-সংস্কৃতিৱান সমাজ গঢ়িব পাৰিম। সেয়েহে শঙ্কৰদেৱৰ নিৰ্মল ভাগৱত ধৰ্মত মানৱ জাতিৰ উন্নয়নৰ বাবে যি মানৱতাৰ শিক্ষাৰে উন্নত সমাজ গঢ়িব বিচাৰিছিল ই অতি প্ৰাসংগিক হৈয়ে আছে। সকলো প্ৰণীকে এক ঈশ্বৰৰ সন্তান বুলি সমজ্ঞান কৰা, অন্য ধৰ্ম নিন্দা নকৰা, পৰম সদ্ভাৱ বিশ্বাস ৰাখি সৎ কৰ্ম সাধন কৰা, আদি ভাবাদৰ্শ সমূহে আজিৰ সমাজ খনক উদ্ধাৰৰ পথ দেখুৱাব পাৰিব।

শ্ৰীমন্ত শঙ্কৰদেৱে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ মাজত বৈষ্ণৱ আদৰ্শৰ মাৰ্গ প্ৰচাৰেৰে এক বৃহত্তৰ জাতি গঠন কৰাৰ বুনিয়াদ গঢ়ি তুলিছিল। উদাহৰণস্বৰূপে গাৰোৰ গোবিন্দ, নগাৰ নৰোত্তম, যৱনৰ চান্দখাই, মিৰিৰ পৰমান্দক বৈষ্ণৱ আদৰ্শত শৰণ দি সকলো জাতিৰ মাজতে এক সংহতিৰ বীজ ৰোপন কৰিছিল। বৰ্তমান এচাম ৰাজনৈতিক অদুৰদৰ্শী আৰু ক্ষমতালোভী নেতাৰ বাবে বৰ অসমৰ ভেটি থৰক বৰক হ'ল বৰ অসম গুচি সাতভনীত পৰিণত হোৱাৰ পৰা যিখিনি অৱশিষ্ট আছিলগৈ সেইখিনিৰ ভিতৰতো ঐক্য-সংহতিত কুঠাৰাঘাত কৰিছে। আজিৰ অসমীয়া সমাজ খনৰ সকলো জাতি-জনগোষ্ঠীকে একত্ৰিত কৰি ৰাখিবলৈ হ'লে শঙ্কৰদেৱে দেখুৱাই যোৱা পথেৰে অগ্ৰসৰ হোৱাটো অতি প্ৰয়োজনীয় হৈ পৰিছে।

বৰ্তমানৰ শিক্ষা ব্যৱস্থাই পুথিগত জ্ঞানৰ জৰিয়তে মানুহক জীৱিকাৰ সম্বল দিয়াত সফল হৈছে। কিন্তু নৈতিক চৰিত্ৰ গঠন কিমানদূৰ সফলহৈছে ই এক বিচাৰ্য বিষয়। চৰিত্ৰ গঠনত নৈতিক আৰু আধ্যাত্মিক জ্ঞানে যথেষ্ঠ প্ৰভাৱ পেলাব পাৰে। সাম্প্ৰতিক বিশ্বমানৱতাৰ জীৱন যাত্ৰাত পৰিলক্ষিত হোৱা সৰ্বগ্ৰাসী অনিশ্চয়তাক আঁতৰ কৰিবলৈ শঙ্কৰদেৱে প্ৰচাৰ কৰা আধ্যাত্মিক শিক্ষাক সাৰ্বজনীন ৰূপত প্ৰচাৰ কৰিব লাগিব। আধ্যাত্মিক জ্ঞানৰ অবিহনে ব্যক্তি কিম্বা সমাজ ব্যৱস্থাৰ সৰ্বাঙ্গীন উন্নতি কেতিয়াও সম্ভৱ নহয়। গীতা, ভাগৱত আদি শাস্ত্ৰত এইকথা স্পষ্ট ভাৱে উল্লেখ আছে যে আধ্যাত্মিকতাৰ জ্ঞান অবিহনে আত্ম দৰ্শন কৰিব নোৱাৰে। আধ্যাত্মিক জ্ঞান আৰু ধৰ্মৰ দ্বাৰা নৱপ্ৰজন্মই আগবাঢ়িব নোৱাৰাৰ ফলতেই আজিৰ সমাজ জীৱনত চৰিত্ৰৱান মানৱ সম্পদ গঠন কৰি মানৱীয় প্ৰমূল্যবোধ ৰক্ষা কৰিব পাৰি। নৱপ্ৰজন্মৰ মাজত দেখা দিয়া হতাশগ্ৰস্ততা, নিৰাশা, আত্মহনন আদি কাৰ্য কেতিয়াও এক সমাধান সূত্ৰ হ'ব নোৱাৰে। এই সমস্যা গভীৰ ধৰ্মীয় ধ্যান-ধাৰণা, ধৈৰ্য আৰু ঐকান্তিক ভক্তিভাৱেৰেহে সমাধান কৰিব পৰা যাব।

শ্ৰীমন্ত শঙ্কৰদেৱৰ আদৰ্শত প্ৰতিষ্ঠিত এখন সুস্থ সমাজ গঢ়ি তুলিবলৈ একশৰণ নাম ধৰ্মৰ মতাদৰ্শ গ্ৰহণ কৰাটো নিতান্তই প্ৰয়োজন হৈ পৰিছে। দেশ আৰু জাতিৰ সৰ্বতোপ্ৰকাৰৰ উন্নতিকল্পে আমি সকলোৱে একত্ৰিত হৈ মহাপুৰুষ জনাৰ নীতি-আদৰ্শ পালন কৰিবই লাগিব। সমতা আৰু একাত্মবোধৰ নীতিৰে পৰিপুষ্ট গুৰুজনাৰ আদৰ্শ বৰ্তমান সমাজত অতি প্ৰাসংগিক হৈ পৰিছে।

মহাপুৰুষ জনাৰ ধৰ্মীয় ভাৱাদৰ্শত অনুপ্ৰাণিত হৈ মহামানৱ মহাত্মা গান্ধীয়ে কৈছিল - "মই যি ধৰ্মৰ অৱলম্বন কৰি ৰামৰাজ্য স্থাপনৰ কল্পনা কৰিছিলো তাতোকৈ সুন্দৰ আদৰ্শ শ্ৰীমন্ত শঙ্কৰদেৱে দি গৈছে, মই মাথো অনুশীলনহে কৰিছো।" মই বহুতো ধৰ্মৰ বিষয়ে অধ্যয়ন কৰিছো, কিন্তু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰচাৰ কৰা উদাৰ ধৰ্ম এই পয্যন্ত ক'তো পোৱা নাই।" উপৰুক্ত মহাপুৰুষ সকলৰ মন্তব্যত শঙ্কৰদেৱৰ গুণৰাজি সফলভাৱে প্ৰতিফলিত হৈছে। সেয়েহে গুৰুজনাৰ আদৰ্শ আৰু ধৰ্মমত গ্ৰহণ নকৰি আজিৰ অসমীয়া সমাজে অন্য ধৰ্মত আৰু দীক্ষা গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা ক'ত ?

শঙ্কৰদেৱৰ দ্বাৰা প্ৰচাৰিত মানৱ সেৱাই যে প্ৰকৃত সেৱা সেই কথা উপলব্ধি কৰি গণশিল্পী ড° ভূপেন হাজৰিকাই তেখেতৰ গীতৰ মাজেৰে প্ৰকাশ কৰিছিল "মানুহে মানুহৰ বাবে যদিহে অকণো নাভাৱে ...............।" ড° ভূপেন হাজৰিকাই শঙ্কৰদেৱৰ ব্যক্তিত্বৰ প্ৰতি আকৃষ্ট হৈ কৈছে- "এইজনা মহাপুৰুষ, যি জনাই ৰবীন্দ্ৰনাথ ঠাকুৰৰ বহু আগতেই বহু বিষয়ৰ কাৰ্যসূচী থকা সত্ৰৰূপী বিশ্ববিদ্যালয় পাতি থৈ গৈছে, যি গৰাকী শিক্ষাবিদে দৰ্শন, সাহিত্য, সমাজ সংস্কাৰৰ সৰ্বদিশে শিক্ষা দি গৈছে, শিক্ষাৰ অভিনৱ পদ্ধতি যাঁচি গৈছে ..........।" সেয়েহে শঙ্কৰদেৱৰ অৱদানসমূহৰ প্ৰাসংগিকতাৰ কোনো দিনেই ম্লান পৰিব নোৱাৰে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই নীতি, আদৰ্শ আমাৰ সমাজৰ উত্তৰণৰ বাবে দি থৈ গ'ল তাক যদি পৰিহাৰ কৰো তেন্তে আমাৰ সমাজখন ধ্বংসম্ভূপত পৰিণত হোৱাটো নিশ্চিত। শেষত গুৰুজনাৰ প্ৰিয়তম শিষ্য শ্ৰী শ্ৰী মাধৱদেৱে দেখুৱাই যোৱা গুৰু ভক্তিৰ নিদৰ্শনক সেৱা জনাই তেখেতৰ কথাৰে গুৰুজনালৈ সশ্ৰদ্ধ প্ৰণিপাত জনালো।

*"জয় গুৰু শঙ্কৰ সৰ্ব গুণাকৰ*
*যাকেৰি নাহিকে উপাম।*
*তোহাৰি চৰণকু ৰেণু শত কোটি*
*বাৰেক কৰোহো প্ৰণাম।।"*

◆◆



# সাহিত্যৰ চলচ্চিত্ৰকৰণ

*ড° সুব্ৰত জ্যোতি নেওগ*
*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ*
*হে.চ.দে.গো. মহাবিদ্যালয়*

চলচ্চিত্ৰ আধুনিক যুগৰ সৃষ্টি । এবিধ লহপহকৈ বাঢ়ি অহা কলা (Nascent Art) । এই লহপহকৈ বাঢ়ি অহা কলাবিধক চালুকীয়া অৱস্থাৰে পৰা সাৰ-পানী যোগাই আহিছে এইবিধ কলাৰ পূৰ্বৱৰ্ত্তী দুবিধ সমৃদ্ধিশালী কলা-সাহিত্য আৰু থিয়েটাৰ । আজিৰ পৰা প্ৰায় ৫০ বছৰমান আগতেই ফৰাচী চলচ্চিত্ৰ সমালোচক এন্দ্ৰি বাজিনে (Andre Bazine) কৈছিল যে সাহিত্য আৰু থিয়েটাৰৰ অবিহনে চলচ্চিত্ৰ অকলে জীয়াই থাকিব নোৱাৰে। সম্প্ৰতি "সাহিত্যৰ চলচ্চিত্ৰকৰণ (The einematization of literature) এক বহুলভাৱে চৰ্চিত বিষয়। আচলতে চলচ্চিত্ৰ আৰু সাহিত্যৰ মাজৰ সম্পৰ্ক অতি নিবিড়। এই সম্পৰ্ক অতি নিবিড়। এই সম্পৰ্কক এক সফল আৰু সাৰ্থক 'সহজীৱিতা' (Symbiosis) বুলি অভিহিত কৰিব পাৰি।

বিশ্বৰ বহুতো প্ৰাচীন সাহিত্যৰ পৰা চলচ্চিত্ৰই লাভ কৰিছিল অপৰিসীম প্ৰেৰণা । বাইবেলৰ কথাবস্তুক উপজীব্য হিচাপে লৈ 'The king of kings' (1961) 'David and Bathsheba' (1951), 'The Robe'(1953), 'Samson and Delilah' (1949), 'The Greatest Story Even told' (1965) আদিৰ দৰে অসংখ্য মননশীল চলচ্চিত্ৰ নিৰ্মাণ হৈছিল। গ্ৰীক কবি আৰু ট্ৰেজেদীয়ান সকলৰ সাহিত্য-কৰ্মক আধাৰ স্বৰূপে লৈ চলচ্চিত্ৰৰ জন্মলগ্নৰে পৰা ভালেসংখ্যক চলচ্চিত্ৰ নিৰ্মাণ কৰা হৈছে। Theodore Fonatane ৰ উপন্যাস Effi Briest (1974) ক Rainer werner Fassbinder য়ে উপযুক্তভাৱে চলচ্চিত্ৰৰ ৰূপ দিছিল। এই ছবিক সাহিত্য আৰু চলচ্চিত্ৰ সংশ্লেষণৰ সুন্দৰ সফল উদাহৰণ বুলি ক'ব পাৰি। Hiroshi Teshigahara ৰ Rashomon (1950) ইহওকবা Hiroshi Teshigahara ৰ Tanin no Kao (1966) হওক এই ছবিবোৰৰ আধাৰ হ'ল সাহিত্য। ভাৰতৰ চলচ্চিত্ৰ আকাশলৈ মন কৰিলেও দেখিম প্ৰমথেশ বৰুৱা, সত্যজিৎ ৰায়, অদুৰ গোপাল কৃষ্ণ, আদিৰ চলচ্চিত্ৰৰ আধাৰ হ'ল সাহিত্য। বহুতো ভাৰতীয় চলচ্চিত্ৰ নিৰ্মাতাই শৰৎ চন্দ্ৰ চট্টোপাধ্যায়, ৰবীন্দ্ৰনাথ ঠাকুৰ, প্ৰেমচন্দ্ৰ, আৰু কে. নাৰায়ণ, বনফুল আদিৰ দৰে যশশ্ৰী সাহিত্যিকৰ সাহিত্যকৰ্মক আধাৰ কৰি চলচ্চিত্ৰ নিৰ্মাণ কৰা দেখা গৈছে। একেদৰে অসমীয়া চলচ্চিত্ৰ জগতলৈ মন কৰিলেও দেখিম অসমীয়া চলচ্চিত্ৰ জগতৰ যুগমীয়া চলচ্চিত্ৰখনেই আছিল সাহিত্যত আধাৰিত। লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যৰ আধাৰত জ্যোতি প্ৰসাদ আগৰৱালাদেৱে ১৯৩৫ চনত প্ৰথমখন অসমীয়া চলচ্চিত্ৰ "জয়মতী" নিৰ্মাণ কৰে।

ইয়াৰ পৰৱৰ্তী সময়ত নিৰ্মিত বহুতো কালজয়ী অসমীয়া ছবিৰ আধাৰ হ'ল অসমীয়া সাহিত্য। প্ৰথম অসমীয়া চলচ্চিত্ৰখনেই আছিল সাহিত্য আধাৰিত । লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যৰ আধাৰত চলচ্চিত্ৰ "জয়মতী" নিৰ্মাণ কৰে। ইয়াৰ পৰৱৰ্তী সময়ত নিৰ্মিত বহুতো কালজয়ী অসমীয়া ছবিৰ আধাৰ হ'ল অসমীয়া সাহিত্য । সাহিত্যিক লক্ষ্মীনন্দন বৰাৰ 'গংগা চিলনীৰ পাখি' আধাৰত নিৰ্মাণ কৰা পদুম বৰুৱাৰ একে নামৰ চলচ্চিত্ৰখন "গংগা চিলনীৰ পাখি" নামৰ চলচ্চিত্ৰখন অসমীয়া চলচ্চিত্ৰৰ সমান্তৰাল ধাৰাৰ এক মাইলৰ খুঁটি। ড° ভবেন্দ্ৰ নাথ শইকীয়া গল্প,উপন্যাসৰ চলচ্চিত্ৰকৰণ তেওঁ নিজেই কৰিছে। ড° শইকীয়াৰ "বানপ্ৰস্থ" গল্পৰ আধাৰত নিৰ্মিত "সন্ধ্যাৰাগে" ই হওক বা 'এন্দুৰ' গল্পৰ আধাৰত নিৰ্মিত 'কোলাহলে' ই হওক বা "অন্তৰীপ" উপন্যাসৰ আধাৰত নিৰ্মিত "অগ্নিস্নানে' ই হওক, প্ৰত্যেকখন ছবিয়েই আছিল উচ্চ-স্তৰীয়।

সাহিত্যৰ চলচ্চিত্ৰকৰণৰ ক্ষেত্ৰত সততে এটা প্ৰশ্ন উঠে- সাহিত্যক আধাৰ কৰি নিৰ্মাণ কৰা চলচ্চিত্ৰ এখনত এজন পৰিচালকে সাহিত্যিকজনৰ সৃষ্টিক আৰু দৰ্শনক পুৰামাত্ৰাই বিশুদ্ধ কৰি ৰাখিব পাৰেনে বা বিশুদ্ধতা ৰক্ষা কৰাটো কিমানদুৰ সমীচিন? এইখিনিতে Anthony Davies য়ে Filming Shakespeare's play নামৰ গ্ৰন্থখনত কোৱা এটি কথাও প্ৰণিধানযোগ্য।

> "Since the natural prierities of the einema are not immediately compatible with the theatrical priorities of shakespearean drama, the quostion is one of the legitmacy of the film maker's work. How far can the film maker be a creaotor ? To what extent is he obliged to confine himself to being on interpreter ?"

প্ৰকৃততে চলচ্চিত্ৰ হ'ল পৰিচালকৰ এক বিশেষ মাধ্যম। ইয়াত পৰিচালকজনৰ সৃষ্টি, দৃষ্টি আৰু দৰ্শন প্ৰতিফলিত হোৱা উচিত। কিন্তু যেতিয়া এজন পৰিচালকে সাহিত্যক আধাৰ কৰি চলচ্চিত্ৰ এখন পৰিচালনা কৰিবলৈ যাব তেতিয়া তেওঁ মূল সাহিত্য কৰ্মটিৰ কথাবস্তুক বিকৃত নকৰাকৈ নিজস্ব দৃষ্টিভংগীৰ প্ৰয়োগ কৰিব পাৰে।

মনকৰিবলগীয়া কথা দাদা চাহেব ফালকে বঁটা বিজয়ী তপন সিনহাৰ "কাবুলীৱালা" নামৰ চলচ্চিত্ৰখন ৰবীন্দ্ৰ নাথ ঠাকুৰৰ একে নামৰ চুটিগল্প এটিৰ অভিযোজনা (Adaptation)। কিন্তু তপন সিনহাৰ কাবুলীৱালক কঠোৰ ভাষাৰে সমালোচনা কৰা হৈছিল কাৰণ ৰবীন্দ্ৰ নাথ ঠাকুৰৰ গল্পটো যথাযথ ৰূপত চিত্ৰিত হোৱা নাছিল। একেদৰে প্ৰসিদ্ধ চলচ্চিত্ৰ নিৰ্মাতা মৃণাল সেন, কুমাৰ চাহানী, অন্তৰ গোপাল কৃষ্ণণ আদিও সমালোচনাৰ সন্মুখীন হৈছিল যেতিয়া তেওঁলোকে সাহিত্য,ক

আধাৰ কৰি চলচ্চিত্ৰ নিৰ্মাণ কৰিছিল। মৃণাল সেনক তেওঁৰ উড়িয়া ছবি "মাটিৰ মানুষে" (১৯৬৫) ৰ বাবে সমালোচনা কৰা হৈছিল কাৰণ তেওঁৰ চিত্ৰনাট্যখন মূল সাহিত্য কৰ্মটিতকৈ পৃথক হৈছিল। অদ্ভুৰ গোপালকৃষণ আৰু কুমাৰ চাহানীকো যথাক্ৰমে 'Vidheyan' আৰু 'Char Adhyay' ৰ বাবে একেটা কাৰণে বহুলভাৱে সমালোচনা কৰা হয়। কিন্তু তেওঁলোকক সমালোচনা কৰাৰ কোনো যুক্তি নাই কিয়নো মূল সাহিত্য কৰ্মটিক তেওঁলোকে ক'তো বিকৃত কৰা নাই। মাত্ৰ চলচ্চিত্ৰ ধৰ্ম ৰক্ষা কৰিবলৈ মাজে মাজে নিজস্ব দৃষ্টিভংগী কথাবস্তু চৰিত্ৰ আদিৰ সমাবেশ ঘটাইছে। দৰাচলতে সাহিত্যৰ পৰা চয়ন কৰা কাহিনী এটা উৎকৃষ্ট হ'লেও এখন ভাল ছবি নিৰ্মাণ নহ'বও পাৰে যদি কাহিনীটোৰ, চিত্ৰনাট্যখন উৎকৃষ্ট নহয়। গল্প, উপন্যাস আদিৰ পৰা কাহিনী এটা নিৰ্বাচনৰ পিছত চিত্ৰনাট্যকাৰজনে সিদ্ধান্ত ল'ব লাগে কাহিনীটোৰ কোনবোৰ কথা বা চৰিত্ৰ তেওঁ বাদ দিব আৰু কোনবোৰ প্ৰাধান্য দিব আৰু কাহিনীটোৰ ৰূপৰেখা ছবিখনৰ বাবে কিদৰে নিৰ্মাণ কৰিব। ইয়াৰ লগতে তেওঁ চলচ্চিত্ৰৰ ধৰ্মৰ প্ৰতিও সমানে নজৰ দিব লাগিব। উল্লেখযোগ্য ড° ভবেন্দ্ৰ নাথ শইকীয়া সচেতন আছিল, পাৰদৰ্শি আছিল বাবেই তেওঁ নিমাৰ্ণ কৰা তেওঁৰে প্ৰতিটো গল্প, প্ৰতিখন উপন্যাসৰ কাহিনীৰে একো একোখন উৎকৃষ্ট চিত্ৰনাট্য সৃষ্টি হৈছিল আৰু সেই চিত্ৰনাট্যৰে একোখন একো ভাল ছবি নিৰ্মাণ হৈছিল। এইখিনিতে ড° শইকীয়াৰে ১৯৬০ চনত ৰচিত "প্ৰহৰী" নামৰ কাহিনী প্ৰধান গল্পটোৰ আধাৰত নিৰ্মিত "অনিৰ্বাণ" নামৰ ছবিখনৰ কথাই উল্লেখ কৰিব পাৰি। ৰজনী মাষ্টৰ আৰু তেওঁৰ পত্নী ভাগ্যৱতীৰ জীৱনৰ কাৰণ্যক কেন্দ্ৰ কৰিয়েই "প্ৰহৰী" গল্পটি ৰচনা কৰা হৈছে। এটা দুটাকৈ তিনিটা সন্তানৰ জন্মৰ পিছতে মৃত্যু হোৱা ঘটনাই ৰজনী মাষ্টৰ আৰু ভাগ্যৱতীৰ জীৱন স্থৱিৰ কৰি দিব খুজিছে আৰু তাৰ মাজতে এঘাৰ বছৰীয়া স্কুলৰ চাকৰিটোও ৰজনী মাষ্টৰে হেৰুৱাবলগীয়া হৈছে। কিন্তু বহুদিনৰ পিছত ৰজনী আৰু ভাগ্যৱতীৰ সংসাৰলৈ নিশা নামৰ এটি কন্যা সন্তান আহিল। নিশাৰ বাল্যকালৰ পৰা আৰম্ভ কৰি যৌৱন প্ৰাপ্তিলৈকে এচেৰেঙা সুখেৰে জীপাল হৈ উঠিল ৰজনী মাষ্টৰৰ সাংসাৰিক জীৱন কিন্তু হঠাতে নিশাৰো মৃত্যু হ'ল আৰু এই মৃত্যুৱে ৰজনী মাষ্টৰ আৰু ভাগ্যৱতীৰ জীৱনৰ যন্ত্ৰণা অধিক ঘনীভূত কৰি তুলিলে। কাহিনীটোলৈ লক্ষ্য কৰিলে দেখা যায় এই কাহিনীটো যেন বহু পৰিমাণে নিয়ন্ত্ৰিত হৈছে নিয়তিৰ দ্বাৰা, এক অজান অদৃষ্টৰ দ্বাৰা। যি কি নহওক, দিবাকৰ নিশাৰ প্ৰেমৰ পৰা আৰম্ভ কৰি নিশাৰ মৃত্যু হোৱা দিবাকৰ - বিজয়ৰে বিয়া আৰু এই বিয়াত ভাগ্যৱতী ধৈৰ্য্যচ্যুতা হোৱা কাহিনীৰ অংশ বিশেষ অপ্ৰয়োজনীয় বুলি বহুতো সমালোচকে মন্তব্য কৰিছে। তেওঁলোকৰ মতে এই অংশই গল্পটোৰ কাৰিকৰী গুণ হ্ৰাস কৰিছে। কিন্তু ছবিখনত এই অংশৰ বাবেই চৰিত্ৰৰ বিকাশে ছবিখনত পূৰ্ণতা পাইছে কাহিনীটো বেছি সংবেদনশীল হৈ উঠিছে আৰু এই অংশই কেথাৰচিছ সৃষ্টি কবি পাৰিছে। উল্লেখখনীয় যে সম্পূৰ্ণ চলচ্চিত্ৰ ধৰ্ম ৰক্ষা কৰি ড° শইকীয়াই গল্পটিৰ কাহিনীটোক চলচ্চিত্ৰৰূপ দিছে। প্ৰয়োজনমতে সহযোগী চৰিত্ৰ (Supporting Actors), খণ্ড চৰিত্ৰ (Bit actors) আৰু পৰিৱেশ চৰিত্ৰ (Extras) ৰ সংযোগ ঘটাইছে। গল্পটোত ৰজনী মাষ্টৰৰ জীৱনৰ কাৰণ্যৰ ছবি এখন পোহৰলৈ আহিছে ফ্লেচবেকৰ দ্বাৰা কিন্তু ছবিখনৰ ক'তো ফ্লেচবেক নাই। এখন সৰলৰৈখিক গতিত সংবেদনশীলভাৱে "অনিৰ্বাণ'ৰ কাহিনী আগবাঢ়িছে। এক কথাত কাহিনী একে হ'লেও গল্পটিৰ আবেদন আৰু ছবিখনৰ আবেদন তথা বক্তব্য সুকীয়া হৈ উঠিছে। ইয়াতেই ড° শইকীয়াৰ পৰিচালকৰূপে দক্ষতা ফুটি উঠিছে।

সম্প্ৰতি দেখা গৈছে 'Romeo and Juliet, A midsummer Night's Grent Expectation, 'Midninght Children' আদিৰ দৰে সাহিত্যক চলচ্চিত্ৰৰূপ দিয়া হৈছে আৰু চলচ্চিত্ৰৰূপ দিবলৈ যাওঁতে এইবোৰ সাহিত্যক পৰিবৰ্তন আৰু পৰিবৰ্দ্ধন কৰা হৈছে। মন কৰিবলগীয়া কথা নতুন প্ৰজন্মই ও সাহিত্য সমূহ আদৰি লোৱা পৰিলক্ষিত হৈছে। দেখা গৈছে পুৰণি সাহিত্য আধাৰিত প্ৰত্যেকখন ছবিৰে কাহিনী, চৰিত্ৰ,পৰিবেশক বৰ্তমানৰ পৰিচালক সমুহে আধুনিক ৰূপ-ৰস-গন্ধেৰে জীপাল কৰি তুলিছে। শ্বেক্সপীয়ৰৰ 'Othello'ৰ আধুনিক সংমৃৰণ বিশাল ভৰদ্বাজৰ "ওমকাৰা" কথাই এই প্ৰসংগত উল্লেখ কৰিব পাৰি।

যি কি নহওক, সাহিত্যৰ চলচ্চিত্ৰকৰণৰ দুটা প্ৰধান যোগাত্মক দিশ আছে। সেই দুটা হ'ল - ক) চলচ্চিত্ৰ এক জনপ্ৰিয়, শিল্পকৰ্ম, শ্বেক্সপীয়েৰ, শৰৎচন্দ্ৰ চট্টোপাধ্যায়, লক্ষ্মীনন্দন বৰা, আদিৰ যোগেদি তেওঁলোকৰ কালজয়ী সাহিত্যৰ লগত পৰিচয় হ'ব পাৰে। ই সাহিত্যৰ চলচ্চিত্ৰকৰণৰ এটি ডাঙৰ কৃতি।

খ) সাহিত্যৰ আধাৰত উচ্চ মানদণ্ডৰ চলচ্চিত্ৰ নিৰ্মাণ হ'লে আৰু সেই চলচ্চিত্ৰক জনগণে আদৰি ল'লে পৰৱৰ্তী সময়ত সেই সাহিত্যৰ বিক্ৰীও ব্যাপক ৰূপত হয়। প্ৰথম অৱস্থাত কিছুমান সাহিত্য সমূলি জনপ্ৰিয় নহয় কিন্তু যেতিয়া সেই সাহিত্যক চলচ্চিত্ৰৰূপ দিয়ে আৰু সেই চলচ্চিত্ৰই ৰাইজৰ হৃদয় জয় কৰে তেতিয়া পৰৱৰ্তী সময়ত সেই সাহিত্য ব্যাপক ৰূপত বিক্ৰী হোৱাৰ লগতে জনপ্ৰিয় হোৱা অলেখ উদাহৰণ আছে। ই সাহিত্যৰ চলচ্চিত্ৰকৰণৰ অন্যতম যোগাত্মক দিশ।

চলচ্চিত্ৰ হৈছে এক যৌগিক কলাৰূপ। ইয়াক 'Crystallied Art' বুলিও ক'ব পাৰি। কাৰণ চলচ্চিত্ৰ হৈছে এক নতুন, আধুনিক যৌগিক শিল্প, ইয়াক পুৰণি প্ৰতিষ্ঠিত আন কিছুমান শিল্পই সমৃদ্ধ কৰিছে আৰু এইবোৰৰ ভিতৰত অন্যতম সাহিত্য। সাহিত্যৰ চলচ্চিত্ৰকৰণৰ প্ৰসংগত পৰিবেশত ক'ব পাৰি- সাহিত্য কৰ্ম এটিৰ সাৰ (Synepsis)ৰ আধাৰতেই চলচ্চিত্ৰকাৰ এজনে চলচ্চিত্ৰ এখনত নিজা ব্যাখ্যাৰে কাহিনী, চৰিত্ৰ, পৰিবেশ নিৰ্মাণ কৰি চলচ্চিত্ৰ কৰ্মটিক এক স্বকীয় ৰূপ প্ৰদান কৰে।

◆◆



# পৰ্যটন

✍ মুনমী দত্ত
প্ৰাক্তন ছাত্ৰী

## "পৰ্যটন থলী হিচাপে শিৱসাগৰ জিলা"

ভ্ৰমণে মানুহৰ মন পুলকিত কৰে। অন্ন বস্ত্ৰ বাসস্থানৰ সন্ধানত প্ৰাচীন কালৰ পৰাই মানুহে ভ্ৰমণ লগত জড়িত হৈ আহিছে, ক্ৰমান্বয়ে আত্মীয় কুটুমৰ ঘৰলৈ অহা যোৱা কৰোতে, বেহা বেপাৰ, মনোৰঞ্জনৰ বাবে মানুহে ভ্ৰমণ কৰি আহিছে। কোনো অঞ্চল ভ্ৰমণ কৰি পুনৰ যাত্ৰা কৰা ঠাইলৈ ঘূৰি অহা ভ্ৰমণকাৰীক ১৭ শ শতিকাত পৰ্যটকক আকৰ্ষণ কৰিব পৰাকৈ অসম এখন সমৃদ্ধিশালী ৰাজ্য। বিভিন্ন জনগোষ্ঠীৰ বাৰেৰহনীয়া সংস্কৃতি আৰু প্ৰত্নতাত্বিক সম্পদ সমূহেও পৰ্যৰ্টকসকলক প্ৰাচীন কালৰে পৰা মুগ্ধ কৰি আহিছে। অসমৰ বাৰেৰহনীয়া সংস্কৃতিৰ অন্যতম কেন্দ্ৰ পূৰ্বতে কলুষঙপাৰ হিচাপেখ্যাত শিৱসাগৰ জিলাখন পৰ্যাপ্ত ঐতিহাসিক সমলেৰে পৰিপূৰ্ণ।

অসমৰ পযটৰ্কসকলৰ এক অন্যতম আকৰ্ষণীয় কেন্দ্ৰস্থল এই শিৱসাগৰ জিলাতেই আছে। সৰু ডাঙৰ বহুতো ঐতিহাসিক পুখুৰী, পূবৰ জেৰুজেলাম হিচাপে খ্যাত চৰাইদেউৰ মৈদামসমূহ, দল দেৱালয়সমূহ এছিয়াৰ প্ৰথম খন ক্ৰীড়া পেভিলিয়ান 'ৰংঘৰ', অসমৰ কনিষ্ঠতম পক্ষী অভনাৰণ্য পানী দিহিং নামদাঙৰ শিলৰ সাকোঁ, অসমৰ বহুতো ডাঙৰ ডাঙৰ উদ্যোগ আৰু চাঁহবাগান সমূহ।

আহোমৰ প্ৰথম ৰাজধানী কেইটামান সৰু সৰু পাহাৰৰ সমষ্টি চৰাইদেউ, শিৱসাগৰ নগৰৰ পৰা ১৮ কিঃমিঃ দূৰত্ব অৱস্থিত বুৰঞ্জীয়ে পৰশা এখন ঠাই। প্ৰথম দৃষ্টিতেই ইয়াৰ বৈযয়িক সৌন্দৰ্যই সকলো পৰ্যটকৰে দৃষ্টি আকৰ্ষণ কৰে। বৰ্তমানৰ পৰ্যটকৰ অন্যতম আকৰ্ষনীয় স্থান হিচাপে পৰিচিত এই নগৰৰ উল্লেখযোগ্য সম্পদ হ'ল মৈডামসমূহ। কেন্দ্ৰীয় পুৰাতত্ব বিভাগে, গদাধৰ সিংহ, ৰুদ্ৰসিংহ, শিৱসিংহ, ৰাজেশ্বৰ সিংহৰ চাৰিটা যথেষ্ট ডাঙৰ মৈদাম সংৰক্ষন কৰি ৰাখিছে। মৈদামবোৰ সামৰি এখন প্ৰত্নতাত্বিক উদ্যানো স্থাপন কৰা হৈছে। বৰ্ত্তমান ধোদৰ আলিৰ পৰা শ দিয়া আলিয়েদি সোমাই গলেই চৰাইদেউৰ এই উদ্যোনখন পোৱা যায়।

আহোমৰ ৬০০ বছৰীয়া শাসনৰ সময়ত খন্দোৱা বহুতো ৰজাদিনীয়া পুখুৰীয়েও পৰ্যটকসকলক আকৰ্ষণ কৰে। শিৱসাগৰৰ জিলাত ৰজাসকলে খন্দোৱা সাগৰ সদৃশ পুখুৰীবোৰৰ ভিতৰত জয়সাগৰ, গৌৰীসাগৰ, শিৱসাগৰ আৰু ৰুদ্ৰসাগৰ অন্যতম।

শিৱসাগৰ নগৰৰ পৰা ৫ কিঃমিঃ দূৰত থকা জয়সাগৰ পুখুৰীটো ৰজা ৰুদ্ৰসিংহৰ মাতৃ জয়মতীৰ স্মৃতিত খন্দোৱাইছিল। পৰ্যটক অন্যতম আৰ্কষন এই জয়সাগৰ পুখুৰীটোৰ মাটিকালি ১৯৭ পুৰা ১ বিয়া ৯ লোচা পাৰেৰে সৈতে ২১০ পুৰা। শিৱসাগৰ নগৰৰ পৰা ১২ কিঃমিঃ দূৰত অৱস্থিত গৌৰীসাগৰ পুখুৰীটো পৰ্যৰ্টকৰ অন্যতম কেন্দ্ৰ বিন্দু। ইয়াতো প্ৰায়। ১১৩ পুৰা১ বিঘা। ১৫ লোচা মাটি আছে। ১৭৩৪ চনতে শিৱসিংহৰ ৰাণী অম্বিকাই খন্দোৱাই শিৱসাগৰ পুখুৰীটো ৬৪ ফুট গভীৰ।

পৰ্যটকক আৰ্কষণ কৰিব পৰাকে শিৱসাগৰ জিলাত অনেক দৌল দেৱালয়ো আছে। এইবোৰৰ ভিতৰত, শিৱসাগৰ জিলাত শিৱদৌল, জয়সাগৰ পুখুৰী পাৰৰ জয়দৌল গৌৰীসাগৰ পুখুৰীৰ পাৰৰ দেৱীদ'ল উল্লেখযোগ্য। ইয়াৰ ভিতৰত শিৱসাগৰ পুখুৰীৰ পাৰৰ কৰ্দৈসিৰীয়া শিৱদৌলটোৱে দেশী বিদেশী সকলো



পযটৰ্কক আৰ্কষণ কৰি আহিছে। এই শিৱদৌলটোৱে ওপৰত থকা সোণৰ কলচীত সূৰ্যৰ ৰশ্মি পৰি তাৰ তিৰবিৰণি শিৱসাগৰ পুখুৰীত পানীত জিলমিলাই থকাৰ দৃশ্য নিজে নেদেখিলে অনুভৱ কৰিব নোৱাৰি।

আহোমৰ তৃতীয় ৰাজধানীৰূপে খ্যাত গড়গাঁৱ। এই গড়গাঁৱৰ কাৰেংঘৰটো চাবলৈ দেশী বিদেশী পৰ্যটকেৰ ভিৰ কৰা দেখা যায়। সাতমহলীয়া এই প্ৰাসাদটো আহোম স্থাপত্যকলাৰ এক অন্যতম উজ্বল নিদৰ্শন। আমাৰ অতীত গৌৰবৰ দিনবোৰ সুঁৱৰি থকা এই কাৰেংঘৰটো বৰ্তমান ভাৰতীয় প্ৰত্নতাত্বিক জৰীপ বিভাগৰ অসম চাৰ্কোলৰ অধীনত সংৰক্ষণ কৰা হৈছে। যিটোৱে পৰ্যটক সকলক আকৰ্ষণ কৰি আহিছে।

অসমীয়া শিলাকুটি বাঢ়ৈ আৰু খনিকৰৰ সুনিপুন পৰশত গঢ় লৈ উঠা উচ্চখাপৰ স্থাপত্য শিল্পৰ নিদৰ্শন স্বৰূপ 'ৰংঘৰ' টো ১০ মিটাৰ উচ্চ, ১১ মিটাৰ প্ৰস্থৰে ১৭৪৫ চনতেই সাজি উলিওৱা হৈছিল। সেই তাহানিতে নিৰ্মানিকৰা ৰঙা ইটাৰ এই ৰংঘৰটো শিৱসাগৰ জিলাত চাবলগীয়া স্থাপত্যৰ ভিতৰত অন্যতম। ৰংপুৰ নগৰৰ আনটো কীৰ্তিস্তম্ভ হ'ল তলাতল ঘৰ। আহোম স্বৰ্গদেউ সকলৰ দিনতে নিৰ্মান কৰা এই তলাতল ঘৰটো এটা সাতমহলীয়া পকী ঘৰ। ইয়াৰ সমতলত ওতলা, এপৰে তিনিতলা আৰু তললৈ তিনিতলা। মাটিৰ তলত তৃতীয় মহলাৰ পৰা পুবে এটা সুৰংগ পথ দিখৌ নৈত ওলাইছিলগৈ, বৰ্তমান সুৰংগটো বন্ধ কৰি দিয়া হৈছে। এনে অদ্ভুত কৌশলৰ ঘৰ ভাৰতবৰ্ষৰ দ্বিতীয় এটা নাই।

এসময়ৰ অতি ঐশ্বৰ্য্যশালী নগৰ ৰংপুৰে দেশী বিদেশী লোকৰ দৃষ্টি আৰ্কষণ কৰিছিল যদিও এই ঐশ্বৰ্য বেছিদিন নাথাকিল। মানৰ আক্ৰমণ মোৱামৰীয়া বিদ্ৰোহৰ ফলত এইৰংপুৰ নগৰ ধংসৰ মুখত পৰে। ৰাজধানী হিচাপে ৰংপুৰ নগৰৰ অস্তিত্ব নাই যদিও এতিয়া ইয়াত থকা অতীতৰ ঐতিহ্য ৰক্ষা কৰি তলাতলঘৰ, জয়দৌল, ৰংঘৰ, শিৱদৌলে এতিয়াও তাৰ প্ৰাচীন গৌৰবময় ইতিহাস বহন কৰি আছে।

উজনি অসমৰ অন্যতম জিলা শিৱসাগৰ সাংস্কৃতিক, পৰ্যটনৰ বাবে এখন উল্লেখযোগ্য ঠাই। শিৱসাগৰ জিলাৰ মনোৰম আৰু পৰ্যটকক আকৰ্ষন কৰা অন্যতম ঠাই হৈছে দিচাংমুখ। এই অঞ্চলত দুবছৰৰ মূৰে মূৰে দিচাং ফেষ্টিভেল পতা হয়। জানুৱাৰী মাহত পতা এই উৎসৱত বিভিন্ন পৰম্পৰাগত খেল চাবলৈ বহু পৰ্যটকৰ ভিৰ হয়। তদুপৰি শিৱসাগৰ পুখুৰীৰ পাৰত ফেব্ৰুৱাৰী মাৰ্চ মাহত পতা শিৱৰাত্ৰী মেলাতো বহু পৰ্যটকৰ আগমন হোৱা দেখা যায়।

ধৰ্ম সম্পৰ্কে জানিবলৈ এজন পৰ্যটকক আকৰ্ষণ কৰিবপৰাকৈ শিৱসাগৰ জিলাত ধৰ্মীয় স্থানো নথকা নহয়। শিৱসাগৰ নগৰৰ পৰা ১৫ কিঃমিঃ আঁতৰত থকা আজানপীৰ দৰগাহ এইক্ষেত্ৰত উল্লেখযোগ্য। ব্ৰহ্মপুত্ৰ, দিখৌ আৰু দৰিকাৰ মিলনভূমিৰ ত্ৰিবেণী সংগমস্থল সৰাগুৰি চাপৰিত মূৰ্ত হৈ আছে এইমহামিলনৰ তীৰ্থ। ধৰ্মীয় ঐতিহ্যৰ লগতে তাৰ উন্মুক্ত নৈসৰ্গিক সৌন্দৰ্যই বহু পৰ্যটকক হাত বাউল দি মাতে।

পৰ্যটকক আকৰ্ষন কৰিব পৰাকৈ শিৱসাগৰ জিলাত সম্ভাৱনীয় বহুতো স্থল থকা স্বত্বেও এই জিলাৰ সূচনীয় যাতায়ত ব্যৱস্থা, অনুন্নত আন্তঃ গাঁথনিৰ বাবে পৰ্যটকৰ আগমণ কম হোৱা পৰিলক্ষিত হয়।

এক দীৰ্ঘম্যাদী নীতি গ্ৰহন কৰিলে, শিৱসাগৰ জিলা পৰ্যটনৰ অন্যতম কেন্দ্ৰ হৈ পৰিব। পৰিবেশ প্ৰদুষণ নিয়ন্ত্ৰণ, পৰিস্কাৰ পৰিচ্ছনতা, নিৰ্মাণ কৌশলৰ আধুনিকীকৰণ কৰিলে শিৱসাগৰ জিলাৰ প্ৰত্যেকটো কীৰ্তিচিহ্ন পোহৰলৈ আহি পৰ্যটকৰ আকৰ্ষণ স্থলী হৈ পৰিব।

◆◆

**মহৎ লোকৰ বাণী**

- ছাত্ৰ অৱস্থাত জীতীয়তাৰ দ্বাৰা অনুপ্ৰাণিত হ'ব নোৱাৰিলে ছাত্ৰ জীৱন ব্যৰ্থ। -তৰুণৰাম ফুকন।
- শিক্ষাই জ্ঞান, জ্ঞানেই শিক্ষা। - ছক্ৰেটিছ।
- শিক্ষাই মানুহৰ শ্ৰেষ্ঠ সম্পদ। - ছক্ৰেটিছ।
- দুস্কৃতিৰ ৰঙ্গভূমি হৈছে মানুহৰ মন আৰু হৃদয়। -জ্যোতিপ্ৰসাদ আগৰৱালা।
- সত্যই হৈছে ঈশ্বৰ। ঈশ্বৰ সত্য, শুদ্ধ আৰু ন্যায়ৰ প্ৰতীক। - মহাত্মা গান্ধী।
- জন্মভূমি স্বৰ্গতকৈও শ্ৰেষ্ঠ। - শ্ৰীৰামচন্দ্ৰ।
- দেশতকৈ মোমাই ডাঙৰ নহয়। — লাচিত বৰফুকন।





# নাৰী শিক্ষা

*✍ সন্ধ্যা বুঢ়াগোঁহাই*
*প্ৰাক্তন ছাত্ৰী*

ভাৰতত নাৰী শিক্ষাৰ বিষয়ে জানিবলৈ হ'লে দেখা যায় যে বৈদিক যুগৰ প্ৰথম স্তৰত নাৰীৰ স্থান অতি উচ্চ আছিল। সেই কাৰণে সেই সময়ত নাৰীয়ে পুৰুষৰ সমানে শিক্ষা ল'ব পাৰিছিল। নাৰীৰ মৰ্যাদা যুগে যুগে সলনি হোৱাৰ কাৰণে শিক্ষাদানো সলনি হৈছিল। ঋক্‌বেদৰ কিছু শ্লোক মহিলাসকলে লিখি উলিয়াইছিল বুলি কোৱা হয়। সেই সময়ত ল'ৰাৰ দৰে ছোৱালীয়ে ব্ৰহ্মচাৰ্যব্ৰত পালন কৰি শিক্ষা লাভ কৰিব লাগিছিল। উপনয়ন নোহোৱাকৈ কোনো ছোৱালীয়ে বেদ আৰু শাস্ত্ৰ অধ্যয়ন কৰিব নোৱাৰিছিল। সেই সময়ত বহু কেইগৰাকী নাৰীয়ে তৰ্কটো ভাগ লৈছিল। তাৰ ভিতৰত মৈত্ৰেয়ীৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

বৌদ্ধ ধৰ্ম প্ৰচাৰৰ প্ৰথম ভাগত নাৰীসকলে বৌদ্ধ ধৰ্মত শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল। মহাপৰাক্ৰমী গৌতমী আৰু বুদ্ধ দেৱৰ প্ৰিয় শিষ্য আনন্দে ভিক্ষুণী সকলে এজন ভিক্ষুৰ উপস্থিতিত আন এজন ভিক্ষুৰ পৰা শিক্ষা লৈছিল। প্ৰাচীন কালত ভাৰতত ছোৱালী বিলাকক বৰ কম বয়সতে বিয়া দিয়া প্ৰথা প্ৰচলিত আছিল। কিন্তু বৌদ্ধ ধৰ্মই এই প্ৰথা বিপৰীতে বৌদ্ধ ধৰ্ম কৰা সকলক শিক্ষা গ্ৰহণ কৰাৰ অনুমতি দিছিল।

মুছলমান যুগত নাৰী শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া হোৱা নাছিল। ৰাজ পৰিয়ালৰ ছোৱালীয়ে ঘৰতে থাকি শিক্ষক বা শিক্ষয়ত্ৰীৰ ওপৰত অধ্যয়ন কৰিলেও সাধাৰণতে ছোৱালীক পঢ়োৱাতো নিয়ম নাছিল।

১৯ শতিকাৰ প্ৰাৰম্ভিক কালছোৱাত নাৰী শিক্ষাৰ বিষয়ে কলিকতা স্কুল সমাজে উল্লেখ কৰাৰ মতে-দেশত স্ত্ৰী শিক্ষাৰ কোনো ব্যৱস্থাই নাছিল আৰু নাৰী স্বাক্ষৰতাৰ পৰিমাণ একলাখত এগৰাকী বুলিহে জানা যায়। কুৰি শতিকাৰ আৰম্ভণিৰ পৰাহে আমাৰ দেশত স্ত্ৰী শিক্ষাই বিকাশৰ গতি লাভ কৰিবলৈ আৰম্ভ কৰে। কোনো কোনো অঞ্চলত মিছনেৰীসকলৰ আৰু ব্যক্তিগত প্ৰচেষ্টাত দুই এখন বালিকা বিদ্যালয় গঠন কৰা হৈছিল। খ্ৰীষ্টান মিছনেৰী সসকলে "জানানা" স্কুল খুলি প্ৰথমে নাৰী শিক্ষাৰ বাবে বিভিন্ন ৰাজ্যত চেষ্টা চলাইছিল।

১৮৪৯ চনত চৰকাৰৰ চুপ্ৰিম কাউন্সিলৰ আইন সদস্য মিঃ এছ.ই.ডি তেবছুনে ব্যক্তিগত প্ৰচেষ্টাতবেথুন ছোৱালী স্কুল স্থাপন কৰে। তেখেতৰ এই কাৰ্যই স্ত্ৰী-শিক্ষাৰ দিশটোৰ প্ৰতি অনেকক সচেতন কৰি তুলিলে।

এই সময়ছোৱাতে ৰাজা ৰামমোহন ৰায়ৰ নেতৃত্বত গঠন হোৱা ব্ৰাহ্মসমাজে নাৰী শিক্ষাৰ প্ৰতি বিশেষ উদ্‌গনি যোগায়।

কুৰি শতিকাৰ প্ৰাৰম্ভিক কালত লৰ্ড কাৰ্জনে আমাৰ দেশত যি শিক্ষা পুনৰ গঠন আন্দোলনৰ সূচনা কৰে তাৰে পৰাহে প্ৰকৃতপক্ষে স্ত্ৰী-শিক্ষাৰ বিকাশৰ গতি কিছু খৰটকীয়া হ'বলৈ আৰম্ভ কৰে। মহিলাসকলৰ শিক্ষাৰ বিকাশৰ বাবে ১৯১৭ চনত এনি বেচান্তৰ নেতৃত্বত ভাৰতীয় মহিলা সংস্থা গঠন কৰা হয়। মহিলাসকলৰ বাবে উচ্চ শিক্ষা প্ৰদানৰ অৰ্থে মহীয়সী ইৰাৱতী কাৰ্ভেৰ প্ৰচেষ্টাত বম্বেত ১৯১৫ চনত প্ৰথম মহিলা বিশ্ববিদ্যালয় SNDT women University প্ৰতিষ্ঠা হয়। ১৯২৫ চনত সৰ্বভাৰতীয় নাৰী পৰিষদ গঠন কৰা হয়।

সাম্প্ৰতিক সময়ত নাৰী শিক্ষাৰ বিকাশ মন কৰিবলগীয়া। নাৰী শিক্ষাৰ বিকাশৰ ওপৰত M.K. Natarajan নামৰ পণ্ডিতজনে এনেদৰে মন্তব্য কৰিছিল - "এশ বছৰ আগতে মৃত্যু হোৱা এজন ব্যক্তিয়ে যদি আজি পুনৰ জীৱন লাভ কৰে তেন্তে তেওঁ প্ৰত্যক্ষ কৰা প্ৰথম আৰু অতি গুৰুত্বপূৰ্ণ পৰিবৰ্তনটোৱেই হৈছে নাৰীৰ মৰ্যাদা বা স্থিতিৰ বৈপ্লৱিক পৰিবৰ্তন।

বৰ্তমান মহিলাসকল সমাজৰ শৈক্ষিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি বিভিন্ন ক্ষেত্ৰত পুৰুষৰ সমানেই আগবাঢ়ি যাবলৈ সক্ষম হৈছে। প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰত মহিলাসকলে বিশেষ অগ্ৰগতি লাভ কৰিছে। স্বাধীনতাৰ পিছৰ পৰা মহিলাসকলৰ সাক্ষৰতাৰ হাৰো ক্ৰমান্বয়ে বৃদ্ধি পাইছে। বৰ্তমান ভাৰতবৰ্ষত ২০১১ চনৰ লোকপিয়ল অনুসৰি সাক্ষৰতাৰ হাৰ 74.04% আৰু মহিলাসৰ সাক্ষৰতাৰ হাৰ 65.46 %।

◆◆

# নাৰী সদায় অৱহেলিত কিয়................?

## —এক অৱলোকন

জুলী চাংমাই
স্নাতক পঞ্চম যান্মাসিক

এই পৃথিৱীত ভগৱানৰ স্ৰষ্টাৰ ভিতৰত শ্ৰেষ্ঠ হৈছে মানুহ। কেৱল মানুহ, নৰ বা নাৰী নহয়। প্ৰকৃতিয়ে ইয়াৰ কোনো ভেদ নুবুজে। এটি শিশু জন্ম হয় মাতৃৰ প্ৰসব বেদনাৰ অন্তত। সেই শিশুটি জন্মতেই মহিলা হৈ জন্ম নহয়, আমাৰ সমাজ আৰু সংস্কৃতিয়ে মহিলা জন্ম দিয়ে। এই বিশ্বব্ৰহ্মাণ্ড সৃষ্টিৰ আদিৰ পৰাই নাৰী সকল অৱহেলিত হৈ আহিছে আৰু আছে। ইয়াৰ ফলত তেওঁলোকে সকলো ধৰণৰ বোজা সহ্য কৰিব লগা হৈছে আৰু নাৰীয়ে এই বোজা অতি সাদৰেৰে গ্ৰহণ কৰি এই সভ্যতাৰ আঁৰৰ কুটিল সমাজখনত জীয়াই আছে, কাৰোবাৰ পত্নী হৈ কাৰোবাৰ ভগ্নী বা কাৰোবাৰ মাতৃহৈ। বিশেষকৈ প্ৰকৃতিৰূপী এই নাৰী সকলক অবলা ৰূপত বৰ্ণনা কৰি বিভিন্ন গ্ৰন্থত তেওঁলোকক সৃষ্টিৰ অধিকাৰী ৰূপত প্ৰকাশ কৰিছে। এনে এক সামাজিক পটভূমিত মহিলাসকলে পুৰুষ প্ৰধান সমাজত শোষিত আৰু নিষ্পেষিত হোৱা বুলি অনুভৱ কৰা আৰু এনে পৰিবেশৰ পৰা মুক্তি লাভ কৰিবৰ কাৰণে আমি সকলোৱে সহ্য কৰি থকা সলনি মুখ দাঙি থিয় হোৱা উচিত। আজি আমাৰ সমাজৰ প্ৰতিটো ক্ষেত্ৰলৈ দৃষ্টি নিক্ষেপ কৰিলেই দেখা যায় নাৰীৰ গৰিহণা, নাৰীৰ অৱহেলা। আজিয়েই নহয়, প্ৰাক্ ঐতিহাসিক কালৰ পৰাই আমাৰ সমাজত দেখা গৈছে পুৰুষৰ আধিপত্য। এই সমাজত দেখা গৈছে পুৰুষৰ আধিপত্য। এই সমাজৰ সকলো সিদ্ধান্ত লোৱাৰ দায়িত্ব পুৰুষসকলৰ আৰু নাৰীৰ দায়িত্ব কি ? যিখন সমাজ নাৰীয়ে সৃষ্টি কৰে সেই সমাজখনতে নাৰীৰ এটা নিজস্ব অধিকাৰ নাই। মাথো নাৰীয়ে পালন কৰিব লাগে "দায়িত্ব"ৰ । পুৰুষৰ সকলো কাম সুচাৰুৰূপে সম্পন্ন হোৱাও সহায় কৰাটোৱে নাৰীৰ দায়িত্ব আৰু নাৰী সকলে অতি দক্ষতাৰে এই কাম কৰে। কিন্তু, নাৰীয়ে পালন কৰা এই দায়িত্বৰ বিনিময়ত পায় কি? পায় নেকি যথাযোগ্য সন্মান? এইবোৰ বিনিময়ত যদি নাৰীয়ে যথাযোগ্য সন্মান পায়, তেনেহলে সকলো ঠিকে আছিল। নাৰী অৱহেলিত নহ'ল হেতেঁন। কিন্তু নাৰীৰ ক্ষেত্ৰত তেনে নহয়, বাস্তৱত তেওঁলোকে পায় -

এই দায়িত্বৰ বিনিময়ত নাৰীয়ে লাভ কৰে- অমানৱীয় অত্যাচাৰ, অসহনীয় যন্ত্ৰনা, অপবাদ আৰু অত্যাচাৰ, যি বৰ্তমান হৈ পৰিছে নাৰীৰ অলংকাৰস্বৰূপ। বিভিন্ন ধৰণে হত্যা কৰা হয় নাৰীক, জীৱন্তে অগ্নিদগ্ধ কৰা হয় আৰু সজোৱা হয় আত্মহত্যা কৰা এইগৰাকী এগৰাকী চৰিত্ৰহীনা নাৰী। এই নাৰী সকল প্ৰতাৰিত হয় পদে পদে। হোমৰ গুৰিত সাতজনমলৈ সংগ দিয়াৰ প্ৰতিশ্ৰুতিৰে বিয়া কৰোৱা স্বামীয়ে প্ৰতাৰণা কৰে নাৰীক। প্ৰতাৰণা কৰে নিজ মাতৃ পিতৃ সম দেৱৰ ননদেও। প্ৰেমৰ ডোলেৰে বান্ধ খোৱাই মুখৰ সপোন দেখুওৱা প্ৰেমিকেও প্ৰেমিকাৰূপী নাৰীক চৰম হৃদয়হীনতাৰে প্ৰতাৰণা কৰিবলৈ কুণ্ঠাবোধ নকৰে, নাৰীক অবলা পাই এই প্ৰেমিক সকলে জাপি দিয়ে নাৰীৰ ওপৰত কিছুমান মিছা অপবাদ। য'ত নেকি সমাজৰ সভ্যতাৰ মুখা পিন্ধা ভদ্ৰ সকলে কোনো বিচাৰ নকৰাকৈ ব্যভিচাৰী আখ্যা দিয়ে এগৰাকী নাৰীক। আজিৰ সমাজত শিশু, কিশোৰী, যুৱতী, প্ৰৌঢ়া অথবা অলৰ বৃদ্ধা নাৰীৰ কোনো ৰূপেই সাৰি যাব পৰা নাই উৎপীড়নৰ পৰা।

ইয়াৰ ওপৰিও নাৰীৰ ওপৰত আন এটি অত্যাচাৰৰ প্ৰধান কাৰণ হৈছে 'যৌতুক'। আমাৰ সমাজত 'যৌতুক' এক সামাজিক ব্যাধি' বুলি মেল মিতিং পাতি নিজকে সমাজ সংৰক্ষক বুলি স্বীকৃতি দি ফুৰা সভ্যতাৰ মুখা পিন্ধা ব্যক্তি অধিক হ'লেও, আজিও আমাৰ সমাজৰ পৰা যৌতুকৰ অত্যাচাৰ শেষ হৈ যোৱা নাই। এই সমাজত এক বেপেৰুৱা আধুনিকতাই গ্ৰাস কৰি আহিছে। এই আধুনিকতাৰ বতাহজাকে মানুহৰ বাহ্যিক ৰূপটোকহে চুই গৈছে। মানুহৰ হৃদয়বোৰ মনটোক আৰু মানসিকতাক ই চুব পৰা নাই। আনফালে এই আধুনিকতাৰ বতাহজাকে চুই গৈছে যৌতুক আৰু নিৰ্যাতনৰ দৰে বিষয়কহে। বিবাহিতা নাৰীৰ ওপৰত নিৰ্যাতন, হত্যা এইবোৰ এতিয়া আমাৰ সমাজত দৈনন্দিন ঘটি থকা একো একোটা সৰু ঘটনা লৈ পৰিণত হৈছে। বৰ্তমান সময়ত বাতৰি কাকত, নিউজ চেনেল আদিত এনেধৰণৰ ঘটনা সঘনাই প্ৰতিফলিত হব'লৈ ধৰিছে। ভাৰতীয় আইন ব্যৱস্থাত যদিও এনে নাৰী নিৰ্যাতনৰ লগত জড়িত দোষী ব্যক্তিক শাস্তি দিয়াৰ ব্যৱস্থা আছে তথাপিও দিনক দিনে বাঢ়ি আহিছে এনে নাৰী নিৰ্যাতনৰ বৰ্বৰ ঘটনা।

সমাজৰ প্ৰতিটো ক্ষেত্ৰলৈ চকু দিলেই দেখা যায় যে নাৰীৰ ওপৰত অত্যাচাৰৰ সীমা নাই। আমাৰ সমাজত সতীদাহ প্ৰথা, বাল্য বিবাহ বন্ধ হ'ল সঁচা, কিন্তু তাৰ তুলনাত বিধৱা বিবাহৰ



অগ্ৰগতি হ'লে হোৱা নাই। হেজাৰ সপোন বুকুত বান্ধি এজনী কন্যা বিয়াত বহে। কিন্তু সেই সপোন বাস্তৱলৈ গতি কৰিব নাপাওতেই কেতিয়াবা ওৰণিৰ তলৰ সেন্দুৰকণ অকালত মচি অকলশৰীয়া জীৱন কটাবলগীয়া অলেখ নাৰী আমি দেখিবলৈ পাওঁ। কিন্তু এই নাৰী বিলাকৰ সপোনবোৰ বাস্তৱায়িত কৰিবলৈ কোনো পুৰুষে মুখ দাঙি নাহে। এওঁলোক সমাজৰ পৰা বঞ্চিত হোৱা উপৰিও পৰিয়ালৰ পৰাও বঞ্চিত হ'ব লগা হয়। এওঁ লোক আৰু নিজ পিতৃ ঘৰলৈ উভতি গৈ গোটেই জীৱন কটাবলগীয়া হয় এটি নিসংগ জীৱন । কিন্তু ,ইয়াৰ বিপৰীতে এজন পুৰুষে তেওঁৰ পত্নীৰ মৃত্যুৰ পাচত এজনী নালাগে দহজনী ছোৱালীও বিয়া কৰাব পাৰে লাগে সেই পুৰুষ এজনী ১৬ বছৰীয়া ছোৱালীৰ পিতৃয়ে হওক। ইয়াৰ দ্বাৰাও নাৰী সমাজক অপমান কৰা হোৱা নাইনে?

সঁচাকৈ আজিৰ সভ্যতাৰ আঁৰত নাৰী সমাজে কেৱল উচুপি থাকিলে নহব। নিৰ্যাতিনৰ বিৰুদ্ধে, বিধৱা বিবাহৰ অগ্ৰগতি, নিজৰ সুৰক্ষা আদিৰ দৰে নিজ অধিকাৰ বিলাকৰ বাবে ওলাই আহিব লাগিব নাৰী সমাজ নিজে।

লাহে লাহে দেখা গৈছে এই কথাবোৰ কিছু সলনি হৈছে। বহু নাৰী নিজে আগবাঢ়ি আহিছে আৰু বিপ্লৱী হৃদয়েৰে হাতত তুলি লৈছে কলম। কিন্তু এয়াই জানো যথেষ্ট। পুৰুষৰ তুলনাত আমাৰ সমাজত আৰোগ্য পোৱা নাৰীৰ অনুপাত তেনেই নগণ্য অৰ্থাৎ- 'এপাচি শাকত এটা জালুক'ৰ দৰে হৈছে।"

সেয়ে নাৰী সকল, আহক ওলাই আৰু ওৰণিৰ তলৰ মানুহজনীক ৰক্ষাৰ সংগ্ৰামত নামি পৰক আৰু নাৰীক ভোগৰ সামগ্ৰী বুলি ভাবি থকা ভদ্ৰ সকলৰ আগত নিজকে আদৰ্শ আৰু ত্যাগৰ প্ৰতীক হিচাপে আমি প্ৰতিষ্ঠা কৰিব পাৰিলেহে আমাৰ এই সমাজত ত্যাগৰ প্ৰকৃত মূল্যায়ন হ'ব। আহক নাৰীসকল, আগুৱাই আহক। নিজকে অৱহেলিত নকৰিব আৰু আমি প্ৰতিজ্ঞা কৰিব লাগিব যে, হয় নাৰী অবলা, কিন্তু নাৰী দুৰ্বল নহয়।

সহায়ক গ্ৰন্থ ঃ
আলোচনী, বাতৰি কাকত।

◆◆

## জানি থোৱা ভাল

সংগ্ৰাহকঃ গৌতম গগৈ
স্নাতক পঞ্চম যান্মাসিক

১. জোনাকী পৰুৱাৰ পোহৰ ঃ

'লুছিফেৰিনেজ' নামৰ এক ধৰণৰ উৎসেচকৰ বাবে জোনাকী পৰুৱাৰ পোহৰ ওলায়। জোনাকী পৰুৱীৰ শৰীৰত সংকেত প্ৰেৰণ কৰাৰ আন কোনো ব্যৱস্থা নাই। সেয়ে ৰাতি পোহৰৰ সহায়ত জোনাকীয়ে সংগী জোনাকীয়ে সহজেই সহচৰ বিচাৰি পায়।





# বিশ্ববিশ্ৰুত শিক্ষা দাৰ্শনিক ৰাধাকৃষ্ণণ

✍ অপূৰ্ব কোঁৱৰ
*স্নাতক প্ৰথম যান্মাসিক*

পৃথিৱী বিখ্যাত মহান দাৰ্শনিক পণ্ডিত ডঃ ৰাধাকৃষ্ণণ জন্ম হ'ল পাঁচ চেপ্তেম্বৰ ১৮৮৮ চনত । জাতিগত ভাৱে ৰাধাকৃষ্ণণ ব্ৰাহ্মণ আছিল। তেওঁ সৰু পৰাই অবাবত সময় নষ্ট নকৰিছিল কাৰণ তেওঁ উপলব্ধি কৰিছিল সময়ৰ মূল্য ঘড়ীৰ কাটাৰে জুখিব নোৱাৰি, কামৰ মাজেৰেহে জুখিব পাৰি। সেইবাবে তেওঁ বিশ্ববিখ্যাত দাৰ্শনিকৰ শাৰীত উঠিব পাৰিলে। তেওঁ ডেকা বয়সতে দুখন কালজয়ী গ্ৰন্থ ৰচনা কৰিছিল (১৯২০) 'দি ৰেন অব ৰিলিজন ইন কান্টেস্বৰেৰী', 'ফিলছফি অৱ ৰবীন্দ্ৰনাথ।' তেওঁ ৰবীন্দ্ৰনাথৰ কবিতা তত্বজ্ঞানৰ বিষয়ে অধ্যয়ন কৰিছিল কাৰণ ৰবীন্দ্ৰনাথৰ কবিতাবোৰ উপনিষদৰ তত্বজ্ঞানৰ ওপৰত ৰচিত।

তেওঁলৈ শান্তি নিকেতনত থকা বিশ্বকবিয়ে লিখিছিল। আপোনাৰ গ্ৰন্থ পঢ়ি তাৰ কাব্যিক সৌন্দৰ্যৰ বিষয়ে কোৱাতো মোৰ পক্ষে সম্ভবো নহয় আৰু ভাষাও নাই । মোৰ সন্দেহ আপোনাৰ দৰে তত্বজ্ঞানৰ বিষয়ে অন্য কোনোবাই লিখিব পাৰিববুলি। ৰাধাকৃষ্ণণে ১৯১৫ চনত গীতৰ ৰহস্য নামৰ গ্ৰন্থখন প্ৰকাশ কৰে। সেইখন গ্ৰন্থই তেওঁৰ জীৱনলৈ গৌৰৱৰ জয়মালা কঢ়িয়াই আনিলে। দেশ বিদেশৰ পণ্ডিত সকলে যুৱ দাৰ্শনিক ৰূপে স্বীকৃতি দিলে। তাৰ পিছৰপৰাই ড° ৰাধাকৃষ্ণণে স্বীকৃতি খ্যাতি যশ, সন্মান বিচাৰিবলগীয়া হোৱা নাই।

দাৰ্শনিক হিচাপে ৰাধাকৃষ্ণণৰ নাম বিজুলী গতিৰে ভাৰতত তাৰ পাছত প্ৰাচ্য আৰু পাশ্চাত্যত বিয়পি পৰিল। কলিকতা বিশ্ববিদ্যালয়ত পোষ্ট গ্ৰেজুৱেট ডিপাটমেন্ট স্থাপন কৰি ছাৰ আশুতোস মুখাৰ্জীয়ে বহুতো বৰিষ্ঠ আৰু বিখ্যাত পণ্ডিতমণ্ডলীৰ পৰা ডঃ ৰাধাকৃষ্ণণকহে উক্ত আসনৰ অধ্যাপক নিৰ্বাচন কৰে । কলিকতা বিশ্ববিদ্যালয়লৈ অহাটোৱেই আছিল ৰাধাকৃষ্ণণৰ অতিকৈ গৌৰৱ কথা।

ইয়াৰ পিছত ডঃ ৰাধাকৃষ্ণণৰ জীৱনলৈ এটাৰ পিছত এটা সন্মান আহিবলৈ ধৰিলে। ১৯৩৬ চনলৈ ইংলেণ্ডৰ বিশ্ববিদ্যালয়সমূহৰ সন্মিলনী কলিকতাৰ পৰা ভাৰতৰ প্ৰতিনিধি হিচাপে তেওঁক পঠোৱা হ'ল। ছাৰ আশুতোস মুখাৰ্জীৰ মৃত্যুৰ পিছত ১৯২৭ চনৰ পৰা ১৯৩০ চনলৈ ৰাধাকৃষ্ণণক পোষ্ট গ্ৰেজুৱেট কাউন্সিল অৱ আৰ্টৰ অধ্যক্ষ নিৰ্বাচন কৰা হ'য়।

১৯৩১ চনত ড° ৰাধাকৃষ্ণণ অন্ধ্ৰবিশ্ববিদ্যালয়ৰ উপাচাৰ্য হয়। ১৯৩৯ চনত কালী হিন্দু বিশ্ববিদ্যালয়লৈআচাৰ্য হৈ যায়। সেই সময়ত তেওঁৰ ওপৰ তিনিখন বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ দায়িত্ব অৰ্পন কৰা হয়। সেয়ে তেওঁ কলিকতা অন্ধ আৰু বানাৰসলৈ দাকো মাৰিবলগীয়াত পৰে। সচাঁকৈ তেওঁ এজন অসাধাৰণ দাশনিৰ্ক পণ্ডিত আছিল। নহলেনো তেওঁ ইমান গধূৰ দায়িত্ব গ্ৰহণ কৰেনে ? তেওঁৰ বিষয়ে ইমান কমকৈ লিখি শেষ কৰিব নোৱাৰি । তেওঁৰ আৰু বহুতো গৌৰৱময় কাহিনী আছে।

◆◆



# সাম্প্ৰতিক সময়ত যুৱ উশৃংখলতা আৰু মানসিকতা

✍ হেমন্ত বড়ি
*স্নাতক প্ৰথম যান্মাসিক*

শৈশৱৰ দেওনা পাৰ হোৱাৰ পিছত মানুহে প্ৰথমে কৈশোৰৰ আৰু তাৰ পিছত যৌৱন দুৱাৰ দালত ভৰি দিয়ে কৈশোৰ আৰু যৌৱন এই দুটা কালত মানুহৰ শৰীৰৰ আকাৰ আৰু শক্তি ক্ৰমাগত বাৰ্ধিত হৈ পৈণত অৱস্থাৰ ফালে আগবাঢ়ে। সেইদৰে, মানুহৰ মনো এই দুছোৱা কালত নানান ধৰণৰ পৰিৱৰ্তনৰ সন্মুখীন হয় বিভিন্ন আৱেগ অনুভূতিয়ে মনৰ ভিতৰতে বাহ লয়। নিজৰ গাৱঁৰ, নগৰৰ বা বৃহত্তৰ সমাজৰ সংস্পৰ্শতি নতুন নতুন চেতনাৰ উদয় হয় আৰু বৃদ্ধি হয়। প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়েই মানুহৰ এই স্বাভাৱিক পৰিবৰ্তন আৰু বিকাশৰ পথসমূহৰ মাজেদি জীৱনৰ বাটত আগবাঢ়ে কিন্তু, শিক্ষাৰ পোহৰে ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ আকাশ অধিক আলোকিত আৰু মনৰ আশাবোৰ অধিক সঞ্জীৱিত কৰি তোলে আৰু ফলস্বৰূপে বিষয়জ্ঞান আৰু কৌশল আহৰণৰ লগতে ছাত্ৰ - ছাত্ৰী মন হৈ পৰে বিভিন্ন চিন্তা আদৰ্শ আৰু প্ৰভাৱৰ উৰ্বৰ পথাৰ।

আদৰ্শগতভাৱেই শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ মনৰ লগতে মানৱ সভ্যতা আৰু সংস্কৃতিৰ এটা গভীৰ যোগাযোগ স্থাপন কৰিব লাগে। লক্ষ লক্ষ বছৰৰ এৰা-ধৰা অভিজ্ঞাতাৰ মাজেৰে মানুহে আদিম চিন্তাধাৰাবোৰ এৰি সৃষ্টিশীল চিন্তাৰ যোগেদি সভ্যতা আৰু সংস্কৃতি সৃষ্টি কৰিছে, শিক্ষাই ছাত্ৰ-ছাত্ৰীক তেনে সভ্যতা আৰু সংস্কৃতিৰ পথৰ সন্ধান দিয়ে। কিন্তু অতি দুঃচিন্তাৰ বিষয় যে একাংশ ছাত্ৰ-ছাত্ৰীয়ে এই সভ্যতা আৰু সংস্কৃতিৰ কু-আদৰ্শ আৰু কু-সংস্কৃতিৰ চিকাৰ হব ধৰিছে।

ছাত্ৰশক্তি যে এটা লেখত লবলগীয়া সামাজিক শক্তি। কিন্তু স-সিংহত, সুচিন্তা চালিত আৰু সুনিয়ন্ত্ৰিত নহ'লে ছাত্ৰ শক্তিয়ে সমাজৰ অপকাৰ সাধন কৰাকো প্ৰচুৰ সম্ভাৱনা হয়। একাংশ যুৱ- সমাজৰ মাজত কিছুমান কু-সমাজ ব্যৱস্থা যেনে-চৰকাৰ অভিভাৱকসকল তথা অস্থিৰ ৰাজনৈতিক সমাজৰ কিছুমান অনৈতিক ব্যৱস্থাৰ প্ৰভাৱৰ ফলত যুৱ সমাজক কলুষিত কৰিছে। সম্প্ৰিতিক কালত সমাজত সংঘটিত হোৱা হত্যা ধৰ্ষণ, ডকাইতি, ড্ৰাগছ সেৱন, মাদব, দ্ৰব্য সেৱন, পৰীক্ষাহলত নকল, অশ্লীল চিনেমাৰ প্ৰতি অত্যাধিক দুৰ্বলতা আদিবিলাকে আমাৰ সামাজিক তথা ৰাজনৈতিক আৰু সংস্কৃতিৰ আকাশখন প্ৰদূষিত কৰিছে। অৱৱশ্যে এনেবিলাক অপৰাধ সংঘটিত হয় এচাম সুষ্টিমেয় যুৱকৰদ্বাৰা। এয়াৰ বাবে সমগ্ৰ যুৱসমাজক দোষী বুলি ভবাটো যুক্তিকৰ নহয়। কিছু সংখ্যক ছাত্ৰ ছাত্ৰীয়ে ক্ষন্তেকীয়া সুখৰ বিনিময়ত নিচাযুক্ত দ্ৰব্য সেৱন কৰি খৈসোৰ আৰু যৌৱনৰ সোণালী দিনবোৰ খৰচ কৰি মৃত্যু অভিমুখে ইন্ধধভাৱে দিনবোৰ কটায়।

বাহুবলত বিশ্বাসী আৰু দুদিনীয়া ডেকা তেজৰ পিৰপিৰণিত মত্ত হৈ থকা একাংশ যুৱ-সমাজে স্থান-কাল-পাত্ৰ নিৰ্বিচাৰে অবাইচমতে মাতিবলৈ কুধাৰোধ নকৰে আৰু গুৰুজনৰ জ্ঞানীজনৰ বয়জ্যেষ্ঠজনৰ আনকি পিতৃ মাতৃৰো ভকা হকা দিয়া, যুৱতী আৰু মহিলাৰ লগত অশ্লীল ব্যলহাৰ আদি সমাজবিৰোধী আচৰণ কৰে। চুবুৰী গাওঁ স্কুল-কলেজ আদিত এই এই শ্ৰেণীৰ যুৱকৰ প্ৰতিপত্তি অধিক হয়।

এইদৰে শান্তি শৃংখলা ভংগ কৰা সাধাৰণ উশৃংখলতাৰ পৰা আৰম্ভ কৰি জঘন্য অপৰাধলৈকে বিভিন্ন ধৰণৰ আইনাবিৰোধী সমাজবিৰোধীৰ কামত আজিৰ যুৱসমাজৰ একাংশ লিপ্ত হৈ পৰিছে। যুৱ মানসিকতাৰ এই চৰম বিষ্ফোৰণৰ প্ৰতি উদাসীন নহৈ যুৱ সমাজৰ এটি সু-চন্তা প্ৰদান কৰিবৰ সময় হ'ল। সুস্থ পৰিৱেশ গঢ়িবৰ বাবে ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অভিভাৱক সকলে প্ৰত্যক্ষ ভূমিকা লোৱা উচিত। এনে কৰিলেহে ছাত্ৰসকলৰ উশৃংখল আৰু অপৰাধী মনোবাৰক বাধা দি শুদ্ধ পথে পাৰিচালিত হোৱাত যথেষ্ট সহায়ক হ'ব বুলি আশা ৰাখিব পাৰি।

◆◆



## নৱ প্ৰজন্মৰ গ্ৰন্থ অধ্যয়নৰ প্ৰতি অনীহা আৰু ম'বাইলৰ কু- প্ৰভাৱ

✍ পাৰুল দিহিঙীয়া
স্নাতক পঞ্চম ষাণ্মাসিক

এখন দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰে নৱ যুৱ প্ৰজন্মৰ ওপৰত। গতিকে তাৰ বাবে গ্ৰন্থ অধ্যয়ন জীৱন বিকাশৰ বাবে অতি প্ৰয়োজনীয় । বৰ্তমান যুগটো হৈছে প্ৰযুক্তি বিজ্ঞান আৰু যন্ত্ৰৰ যুগ। কিন্তু এই প্ৰযুক্তিয়ে বোৱাই আনিছে নৱ প্ৰজন্মৰ গ্ৰন্থ কু-মনৰ প্ৰৱণতা। এই ক্ষেত্ৰতেই নৱ-প্ৰজন্মৰ গ্ৰন্থ অধ্যয়নৰ প্ৰতি ধাউতি হেৰাই গৈছে। প্ৰত্যেকেই দায়িত্বহীন, শৃংখলাবদ্ধ, ধৈৰ্য্যশীল কিছুমান কু-প্ৰভাৱৰ ফলত নিজৰ অস্তিত্ব হেৰুৱাই পেলাইছে ইয়াৰ কাৰণ হ'ল ম'বাইলৰ কু-ব্যৱহাৰ।

আজি কালি আধুনিক যুগত মানুহৰ জীৱনৰ অংগ হিচাপে খুব জনপ্ৰিয় হৈছে এটি আটক ধুনীয়া দামী ম'বাইল। জনপ্ৰিয় হৈছে ইন্টাৰনেট,ফেচবুক।আজি কালি সকলোৰে হাতত কেৱল ম'বাইল। ম'বাইল নহলে যেন সকলোৰে জীৱন অচল। এই ম'বাইলৰ ইন্টাৰনেটৰ কাৰণেই নৱ-প্ৰজন্মই গ্ৰন্থ অধ্যয়নৰ প্ৰতি অনীহা প্ৰকাশ কৰা দেখা যায়।

আনহাতে এই কথা নকৈ নোৱাৰি যে ম'বাইল ইন্টাৰনেট, ফেচবুকৰ দ্বাৰা আমাৰ সমাজ ব্যৱস্থাৰ পৰা আদি কৰি শিক্ষাৰ্থীলৈকে কিছুমান কামকাজ বহুল পৰিসৰত বিস্তৃত। আনহাতে গৱেষণা শিক্ষা-দীক্ষা, চাকৰি,ব্যৱসায় নথি-পত্ৰ আদান প্ৰদানৰ আদি দিশৰ ক্ষেত্ৰত ইন্টাৰনেটে যথেষ্ট সহায় কৰিছে। এই ক্ষেত্ৰত ইতিবাচক আৰু নেতিবাচক এই দুয়োটাৰ ওপৰত নিৰ্ভৰ কৰে। কিন্তু আজি কালি নৱ যুৱক-যুৱতীৰ প্ৰজন্মই প্ৰযুক্তিৰ ইতিবাচক দিশটো গ্ৰহণ কৰাৰ বিপৰীতে নেতিবাচক দিশটোহে বেছি গুৰুত্ব আৰোপ কৰা দেখা যায়। ইয়াৰ কাৰণ হ'ল ফেচবুক, ইন্টাৰনেট, টুইটাৰ আদি। বিজ্ঞানী সকলে হয়টো ভৱা নাছিল যে এই মহৎ সম্পদক এদিন এচাম অসাধু ব্যৱসায়ী চক্ৰই বেয়া ব্যৱহাৰ কৰিব।

বৰ্তমান সময়ত সকলোৰে হাতৰ ম'বাইল ইন্টাৰনেট কু-ব্যৱহাৰৰ গঢ় লৈ উঠিছে। য'ত নৱ যুৱ প্ৰজন্মই মনে বিচৰা বেব ছাইটটো বিচাৰি ঘণ্টাৰ পিছত ঘণ্টা সোমাই পৰে। য'ত জ্ঞানৰ সমল বিচাৰি নাপায় আছে কিছুমান অশ্লীল কথা, পৰ্ন ছবি য'ৰ পৰা যুৱ প্ৰজন্মই লাভ কৰে নৈতিকতাহীন অবাঞ্চিত শিক্ষা। নেট ইন্টাৰনেটত অবাধে তৈয়াৰ হয় পৰ্নগ্ৰাফী আৰু ব্লুফিল্ম। ইয়েই নমাই আনিছে নৱ প্ৰজন্ম অমানিশা।

এনেকৈ যে থাকিলে অদূৰ ভৱিষ্যতে আমাৰ নৱ প্ৰজন্মই বহুত কথা নজনাকৈয়ে থাকিব। যিহেতু অধ্যয়নৰ প্ৰৱণতা হ্ৰাস পাইছে। এই ক্ষেত্ৰত এক সু-শৃংখলিত ৰুচি বোধ প্ৰৱণতা আৰু সন্মিলিত শিক্ষাইহে ইয়াক প্ৰভাৱিত কৰিব পাৰিব। নহলে মানৱ সৃষ্ট বিজ্ঞানক এই শানিত অস্ত্ৰই মানৱ জাতিৰ সভ্যতাক এদিন অতি বেয়াকৈ আঘাত কৰিব।

◆◆



## ৰঙালী বিহুত এভুমুকি

✍ অনুজ গগৈ
স্নাতক পঞ্চম ষাণ্মাসিক



গছে গছে পাতি দিলে
ফুলৰে শৰাই ........

সহজ সৰল ভাষাৰে সুন্দৰৰ পূজাৰী জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ সৃষ্ট এই জ্যোতিসংগীতটি শুনিবলৈ পালে মনটো ভাল লাগি যায়। এই গানটোৰ সৌন্দৰ্য্য চিৰ অক্ষুণ্ণ হোৱা বাবে বোধহয় প্ৰায়ে বাজি উঠে কাণত আৰু আমোদ পাওঁ। বিশেষকৈ বহাগ মাহত ইয়াৰ স্বচ্ছতা নুই কৰিব নোৱাৰি। বহাগ মাহত গছত কুঁহিপাত দেখা যায় আৰু ফুলেৰে পৰিপূৰ্ণ সেই গছৰ মাজে মাজে ৰিণিকি-ৰিণিকি আহে কোনোবা জিলি পোকৰ মাত, মৌ-মাখিৰ গুণ গুননি আৰু কলিজনীৰ সেই মধুৰ সুৰ, যি সুৰে বোৱাই আনে মত্যলৈ ৰসৰ নিজৰা আৰু সেই নিজৰাত নিজকে বিলীন কৰি আনন্দত মতলীয়া হৈ ৰঙ বহইচেৰে প্ৰকৃতিৰ কোলাত ৰঙাললী বিহু পাতো।

ৰঙালী বিহুৰ তাৎপৰ্য বিচাৰ কৰিবলৈ যাওঁতে আমাৰ মনলৈ আহে গৰু, ম'হ। বছৰটোৰ কাৰণে কৃষিকাৰ্যত যিহেতু সিহঁতক নিয়োগ কৰা হ'ব। গতিকে সিহঁতৰ কুশলাৰ্থে গৰু বিহু পতা হয় বিহুৰ প্ৰথম দিনাই। এই উদ্দেশ্যেই সিহঁতক মাহ, হালধিৰে গা-পা ধুৱাই নতুন বস্ত্ৰ পঘাৰে বন্ধা হয়। যিহেতু ৰঙালী বিহু কৃষি ভিত্তিৰ উৎসৱ গতিকে গৰুৱে এই বিহুত মুখ্য স্থান পোৱা পৰিলক্ষিত হয়। লাউ, বেঙেনা আদি খুৱাই সিহঁতৰ দীৰ্ঘায়ু কামনা কৰাটোয়ে যেন এই বিহুৰ উদ্দেশ্য । অতীজৰে পৰা চলি অহা এই পৰম্পৰা আজিও বিদ্যমান আৰু ভৱিষ্যতেও থাকিব বুলি আমাৰ বিশ্বাসনে? যিহেতু অসম ভুমি কৃষিপ্ৰধান ৰাজ্য, গৰু বিহুৰ লগত সংগতিৰাখিয়েই পিচদিনাখন মানুহ বিহু । ইয়াত বিহুৱানে মুখ্য ভূমিকা পালন কৰে। ডাঙৰজনাক, গুৰুজনাক বিহুৱানেৰে সম্ভাষণ জনোৱা হয় আৰু পৰিয়ালৰ আটায়ে বিহুৱান লৈ আপোনজনক বিহুৱান দি ৰীতি-নীতিৰে আপ্যায়ন কৰাটো আমাৰ অসমীয়া সমাজৰ এটি পৰম্পৰা।

ইপিনে প্ৰকৃতিৰ মনোৰম পৰিবেশে গা-মন ৰাইজাই কৰে আৰু জগাই তোলে এটি সৰু ওলাই আহে নিগৰি নিগৰি অন্তৰৰ পৰা সেই সুৰ । লগতে থাকে ঢোক, পেঁপা, গগনা, ৰজনজনাই থাকে আকাশ-বতাহ বিয়পি যায় দুৰণিলৈ সেই সুৰ, যি সুৰৰ মূৰ্চ্ছনাই আপ্লুত কৰে বিভিন্নজনক। সুৰৰ ফাঁকে ফাঁকে ঢোলৰ মাতত নাচি উঠে দেহ মন আৰু সৃষ্টি হয় বিহু নাচৰ । এই বিহুনাচে আকৰ্ষণ কৰে দুৰৰ পৰাই কি যে শক্তি। সেয়েহে হ'বলা ৰঙালী বিহুৰ প্ৰতি আমাৰ দুৰ্বলতা।

ৰঙালী বিহু বং বসৰ বিহু । ইয়াৰ বৈশিষ্ট্য চিৰ অক্ষুন্ন। কিন্তু সময়ৰ লগে লগে এই বিহুৰ পৰিৱৰ্তন হোৱা দেখা হয়। আজি যান্ত্ৰিক যুগত ৰঙালী বিহু বেছি আগুৱাই যোৱাটো পৰিলক্ষিত হয়। গাঁৱৰ বিহু বৰ্তমান নগৰত সোমাল । এতিয়া ৰঙালী বিহু বুলিলে নগৰতহে দেখোন বেছি ধুম ধামেৰে পতা হয়। গাওঁ -ভুঁইত ইয়াৰ প্ৰভাৱ কমা যেন লাগে যদিও গুণগত দিশৰ পৰা গাওঁ -ভুঁইয়ে আজিও আগস্থান লৈ আছে। ইয়াত বাহ্যিকতাৰ স্থান নাই আৰু সচাঁ অৰ্থত এই বিহু পালন কৰা হয়।

অসমীয়াৰ বাপতি সাহেন ৰঙালী বিহু আমাৰ মাজত সদায় থাকিব। ইয়াৰ বাবে আমাৰ সন্মুখত প্ৰত্যাহ্বান হিচাপে থকা গোলকীয় উষ্ণতাক ৰোধ কৰিবৰ বাবে প্ৰকৃতি দেৱীক সেউজীয়া পোছাকেৰে আমাৰ মাজলৈ আনিব পাৰিব লাগিব আৰু ইয়াৰ বাবে সচেতনতা অতি দৰকাৰ। ৰঙালী বিহুত এই সংকল্প ল'ব পাৰিলে নিশ্চয় অসমী আইয়ে আমাৰ ভাতমুঠিৰ যোগান ধৰিব। প্ৰকৃতিৰ জীয়ৰী অসমী আইয়ে এই ক্ষেত্ৰত বোধহয় কাপণ্য নকৰে।সেয়েহে ক'ব পাৰি।

গছে গছে পাতি দিলে
ফুলৰে শৰাই ...... ।

◆◆

# ছাত্ৰ আৰু ৰাজনীতি

বিষ্ণু ৰাজখোৱা
স্নাতক তৃতীয় যান্মাসিক

দেশৰ শাসন ব্যৱস্থা সম্বন্ধীয় নীতি নিয়ম, মতবাদ আদিকে ৰাজনীতি বোলা হ'য়। গতিকে কোনো নাগৰিক ৰাজনীতিৰ পৰা আঁতৰি থাকিব নোৱাৰে। জ্বৰে এৰিলেও কৰ্পটিয়ে (প্ৰকৃতি) নেৰা নিচিনাকৈ ৰাজনীতি এৰিলেও ৰাজনাতিয়ে নেৰে। পৰাধীন আৰু ৰাজতন্ত্ৰৰ অধীন দেশত ৰাজনাতিৰ স্বৰূপ সুকীয়া, কিন্তু স্বাধীন আৰু গণতান্ত্ৰিক দেশত কোনো নাগৰিকে ৰাজনীতিৰ পৰা আঁতৰি থাকিব নোৱাৰে বা আঁতৰি থকা প্ৰশ্নই উঠিব নোৱাৰে।

ছাত্ৰসকলওে ৰাজনাতিত নামিব লাগিব নেকি ?

ৰাজনীতি হ'ল ৰাগিয়াল দ্ৰব্যৰ নিচিনা। শঠতা ভণ্ডামি আদিও ৰাজনীতিৰ লগতে সততে যুক্ত হৈ থকা দেখা যায়, সেয়ে ৰাজনাতিক লেতেৰা নিতি বুলিও কবলৈ কিছুমানে প্ৰয়াস কৰে। গতিকে এনেকুৱা ৰাজনাতিত নামিলে ছাত্ৰসকলৰ জানো অন্যায় নহব? ছাত্ৰসকলে জানো তেওঁলোকৰ প্ৰকৃত আৰু প্ৰধান কৰ্তব্য অধ্যয়ন ঠিক ৰাখিব পাৰিব? সেইবাবেই ছাত্ৰসকলে ৰাজনীতিত নমা উচিত হ'ব নে অনুচিত হ'ব ই এটা বিৰ্তকৰ বিষয় হৈ পৰিছে।

কিছুমান ৰাজনীতিবিদ, শিক্ষাবিদ আৰু বুদ্ধিজীৱী সকলৰ কিছুমানে ইয়াক সমৰ্থন কৰে আৰু কিছুমানে নকৰে।

ইয়াক সমৰ্থন নকৰাসকলৰ যুক্তি - 'ছাত্ৰসকলৰ বুদ্ধি পৈনত নহয়। বিভিন্ন ৰাজনৈতিক মতাদৰ্শন কোনটো ভাল, কোনটো বেয়া ছাত্ৰই বুজিব নোৱাৰে। কিছুমান আদৰ্শ দেখাত ভাল হলেও বাস্তৱত ৰূপায়িত কৰা অসম্ভৱ। সংসাৰৰ অনভিজ্ঞ ছাত্ৰসকল সহজ, সৰল আৰু আদৰ্শবাদী বাবেই তেওঁলোকৰ এনেবোৰ আদৰ্শত ভোল গৈ ৰাজনীতিত জপিয়াই পৰে। এবাৰ ৰাজনীতিৰ নিচা সোমালে তাৰ পৰা ওলাই অহা টান হয়। ফলত ছাত্ৰৰ মূল কৰ্তব্য অধ্যয়নত অভাৱনীয় ধৰণৰ বাধা আহি পৰে। স্কুল কলেজসমূহৰ সক্ৰিয় ৰাজনীতিৰ কৰ্মক্ষেত্ৰ নহয় আৰু কোনো অভিভাৱকে লৰা-ছোৱালীক ৰাজনাতি কৰিবলৈ স্কুল কলেজলৈ নপঠিয়াই। যথোপযুক্ত শিক্ষা লাভ কৰি যাতে ছাত্ৰসকলে ভৱিষ্যৎ জীৱনৰ বাবে অৰ্হতা অজন কৰিব পাৰে, তাৰ বাবেহে স্কুল, কলেজ স্থাপন কৰা হৈছে আৰু তাৰ বাবেহে লৰা-ছোৱালীক স্কুল কলেজলৈ পঠোৱা হয়। উপযুক্ত শিক্ষা লাভৰ অন্তত পৰিণত বয়সত ৰাজনীতি কৰাত বাধা নাই। ৰাজনীতিৰ পৰা আতঁৰি থাকিও অধ্যয়ন অটুট ৰাখি ছাত্ৰ-ছাত্ৰীসকলে নানান সেৱাৰ কামেৰে দেশ গঠনত অৰিহনা যোগাব পাৰে।

আন পক্ষই যুক্তি দৰ্শায় যে ছাত্ৰ-ছাত্ৰীৰ জীৱটো যিহেতু ভৱিষ্যৎ জীৱনৰ প্ৰস্তুতি সময় গতিকে ছাত্ৰসকলৰ দেশৰ ৰাজনীতিৰ প্ৰতি সচেতন হোৱাৰ পৰা অনিষ্ট নহৈ উপকাৰ সাধনহে হ'ব। আমাৰ দেশত ৰাজনীতি কৰে কোনে ? কাম বনহীন মুখৰ মালিহা মাৰি ফুৰা ধোদ এচামে? নে এমুঠি সুযোগ সন্ধানীয়ে? এনে পৰিস্থিতিত ছাত্ৰসকলে ৰাজনীতিত নমাটোহে উচিত বুলি এওঁলোকে অভিমত দিয়ে। ৰাজনীতি চৰ্চাৰ পৰা ছাত্ৰ-ছাত্ৰীৰ পঢ়াত বিঘিনি হোৱা বুলি কোৱা কথাৰ প্ৰতিবাদত এওঁলোকে কয় যে, অকলে ছাত্ৰকে নহয়। পণ্ডিত আৰু সাহিত্যিক সকলকো আমাৰ এচাম লোকে ৰাজনীতি কৰাটো ভাল নাপায়। তেওঁলোকে ভাৱে যে ৰাজনীতি কৰিলে এওঁলোকৰ জ্ঞান চৰ্চা বা সাহিত্য সাধনা বাধাগস্ত হ'ব। কিন্তু অইন দেশত নালাগে আমাৰ দেশৰে এচাম পণ্ডিত ৰাজনীতিত নামিও সুনাম আৰু সুখ্যাতি আৰ্জিছে। বহুতো সফল ৰাষ্ট্ৰ নায়কে ছাত্ৰ জীৱনতো কৃতিত্ব অৰ্জন কৰাৰ নজিৰ আছে।

দেখা যায়, দুয়োপক্ষৰ কথাত যুক্তি আছে। ছাত্ৰৰ ৰাজনীতি চৰ্চাত মূলত কাৰো আপত্তি নাই। যদিহে তাৰপৰা মুখ্য কৰ্তব্য অধ্যয়নত ব্যাঘাত নহয় ছাত্ৰই দলীয় ৰাজনীতিত নমাটো কোনেও নিবিচাৰে। ছাত্ৰই তেনেহলে কেনেকুৱা ৰাজনীতি কৰিব? দেশৰ আভ্যন্তৰীণ ৰাজনাতিত দেখা দিয়া অন্যায় আৰু দুৰ্নীতিৰ বিৰুদ্ধে জনমত গঠন কৰি ছাত্ৰসকলে তাৰ প্ৰতিবাদ কৰিব লাগিব। কোনো বহিৰাগত শত্ৰুৰ আক্ৰমণত দেশৰ স্বাধীনতা বিপদাপন্ন হ'লে, প্ৰশাসনৰ অধিষ্ঠিত দলৰ অবিৱেচক কাৰ্যৰ ফলত জন সাধাৰণৰ স্বাধীনতা খৰ্ব হোৱা উপক্ৰম হলে ছাত্ৰসকলে নিজস্ব ক্ষতি কৰি হলেও তাৰ বিৰুদ্ধে সংগ্ৰামত নামিব লাগিব। ভাৰতীয় ছাত্ৰৰ ঐতিহ্য আছে। দেশৰ সংকট কালত বিশিষ্ট ভূমিকাতো ছাত্ৰসকল অৱতীৰ্ণ হোৱাৰ উদাহৰণ অকল আমাৰ দেশত নহয়, পৃথিৱীৰ সকলো দেশতে জাজ্বল্যমান হৈ আছে।

ছাত্ৰৰ ৰাজনীতি চৰ্চা যদি ছাত্ৰ তথা দেশৰ কাৰণে ক্ষতিকাৰক। তেনেহলে তাৰ বাবে অকল ছাত্ৰসকলৰকে জগৰীয়া কৰিলে নহব। বৰং তাৰ বাবে আমাৰ ৰাজনৈতিক দলসমূহ অধিক দায়ী। দেশৰ স্বাৰ্থতকৈ দলৰ স্বাৰ্থ আগ হেতুকে দেশ সেৱাৰ মাত বেছি হৈছে। ছাত্ৰসকলৰ মাজত সম্প্ৰীতিৰ ঠাইত বিশ্বাসহীনতাই দেখা দিছে। ছাত্ৰৰ মাজত উচ্ছৃংখলতাই দেখা দিছে। ফলত ৰাইজৰ আস্থাৰ পৰা ছাত্ৰসকল বঞ্চিত হৈছে। এনেকৈয়ে ছাত্ৰ শক্তিৰ নিচিনা বিৰাট শক্তি এটা অপচয় হৈছে। এসময়ত অসম ছাত্ৰ সন্মিলনে অসমৰ কাৰণে যি সেৱা আগবঢ়াইছিল, জনগনৰ মাজত যি উদ্দীপনা আনি দিছিল, তাৰ তুলনাত আজি অসমৰ কোনটো ছাত্ৰ সংস্থাই দলীয় ৰাজনীতিৰ কু-চক্ৰৰ পৰা আঁতৰাই ৰাখিবলৈ হ'লে আমাৰ শিক্ষা ব্যৱস্থাত নিকা আৰু ক্ৰটিযুক্ত হ'ব লাগিব। ছাত্ৰসকলৰ মাজত যাতে দলীয় ৰাজনীতিত যোগ দিয়া প্ৰৱণতা জন্মিব নোৱাৰে, তাৰ বাবে আমাৰ শিক্ষা পদ্ধতিত যথোচিত ব্যৱস্থা থাকিব লাগিব। তাৰোপৰি দেশৰ পৰা অৰ্থনৈতিক শোষণ আৰু বৈষম্য মাজত জন্ম পাই ডাঙৰ-দীঘল হোৱা ছাত্ৰক ৰাজনীতিৰ পৰা আতঁৰাত আওকান কৰাহে হব।

পিতৃ-মাতৃয়ে সন্তানৰ পৰা বহুতো ভাল কিবা কিবি আশা কৰাৰ দৰে দেশ মাতৃয়েও ছাত্ৰ-ছাত্ৰীসকলৰ পৰা অনেক কিছু আশা কৰে। ছাত্ৰ-শক্তি যাতে অপচয় নহয়। তাৰ বাবে দেশৰ প্ৰত্যেক নাগৰিকে চিন্তা কৰা উচিত। ◆◆



# ঐক্য সম্প্ৰীতিৰ সুদৃঢ় ভেটি গঢ়াত ছাত্ৰ সংগঠনসমূহৰ ভূমিকা

জুৰী দিহিঙ্গীয়া
স্নাতক তৃতীয় যান্মাসিক

সংস্থা বা সংগঠন মানেই হৈছে যথাযথ নিয়মনিতি মানি সাংবিধানিক শৃংখলা ৰক্ষা কৰি চলা কেতবোৰ মানৱ সমষ্টিৰ ঐক্যবদ্ধ ৰূপ। মানৱ সমাজবোৰ গঢ় লৈ উঠিছে বিভিন্ন জাত-পাত, ধৰ্ম-বৰ্ণ আৰু গোষ্ঠী সম্প্ৰদায়ৰ সন্মিলিত প্ৰক্ৰিয়া আৰু বিধি ব্যৱস্থাৰ জৰিয়তে। সমাজত মান মৰ্যাদা ৰক্ষা কৰি নূন্যতম প্ৰয়োজন সমূহ পূৰণ কৰি চলি যোৱাৰ বাটত আজিৰ প্ৰতিযোগীতাময় মানৱ সমাজত ভিন্ন স্তৰত ভিন ভিন সমস্যা আৰু অভাৱ অনাতনে দেখা দি আহিছে। আমাৰ সমাজবোৰত থকা প্ৰতিটো জনগোষ্ঠী বা সামাজিক গোটৰে নিজ নিজ ভাষা আৰু ধৰ্ম সম্প্ৰদায়ৰ প্ৰতি কেতবোৰ স্বাভাৱিক টান আৰু স্বকীয় দুৰ্বলতা থকা দেখা যায়। আমি নিজকে যিমানেই "অসমীয়া" বুলি চিনাকী নিদিও কিয় মৌলিকভাৱে বিয়া বাৰুৰ সম্বন্ধ, জ্ঞাতি-বৰ্গৰ সম্বন্ধ বা আত্মীয়তাৰ খাতিৰত সাম্প্ৰদায়িক চিনাকীটোৱেহে সদায় আগস্থান পোৱা দেখা যায়। কিয়নো পোনতে আপোন অস্তিত্ব বিচাৰ তাৰ পাচতহে জাতীয়ত্বৰ চিনাকী। উল্লেখিত এনে ধৰণৰ কাৰণতে আমাৰ সমাজবোৰত নিজ নিজ সামাজিক গোট বিশেষৰ মাজত আজি ন ন সংস্থা বা সংগঠনে জন্ম লাভ কৰিছে।

সকলো ভাষা-ভাষী আৰু ধৰ্ম সম্প্ৰদায়ৰ মাজত অগণন ছাত্ৰ সংগঠনে জন্ম লাভ কৰি নিজ নিজ অস্তিত্ব দাবী কাৰ্যত অবিৰত প্ৰচেষ্টা চলাই চৰকাৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে অনেক কাৰ্যসূচী ৰূপায়ন কৰিছে। সাম্প্ৰতিক প্ৰায়বোৰ ছাত্ৰ সংগঠনৰ সাংগঠনিক লক্ষ্য আৰু কেতবোৰ নিজ নিজ সম্প্ৰদায় উৎকৰ্ষ সাধনৰ দাবী থাকে। সমস্যাবোৰ যেনে - নিৱনুৱা সংস্থাপনৰ সমস্যা, উচ্চ শিক্ষানুষ্ঠানত আসন সংৰক্ষণ ব্যৱস্থা প্ৰাকৃতিক দুৰ্যোগ আদিত ক্ষতি হোৱা দুৰ্গত সকলৰ পুন সংস্থাপন ব্যৱস্থা বিভিন্ন সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি কাৰণত উদ্ভৱ হোৱা সমস্যাসমূহৰ যথাযথ ব্যৱস্থাত ভূমিকা লোৱা সামাজিক সাম্প্ৰদায়িক কথা বতৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা। গতিকে আজিৰ যুৱ প্ৰজন্মই ৰাজপথলৈ ওলাই অহাত অভিভাৱক সকলে ঘুৰাই অনাৰো কোনো যুক্তি নাই। গতিকে আজি আমাৰ চকুৰ আগতেই নিতৌ ন ন ছাত্ৰ সংগঠন সমূহৰ জন্ম হৈছে। অসমত বাস কৰা অসমীয়া ভাষা সাহিত্য আৰু কৃষ্টি -সংস্কৃতিৰ প্ৰতি আনুগত্য স্বীকাৰ কৰি অহা প্ৰতিটো জনগোষ্ঠী আৰু সম্প্ৰদায়ৰে কেতবোৰ নিজা নিজা কৃষ্টি সংস্কৃতি আৰু লোক পৰম্পৰা আছে। কিন্তু আজিও আমাৰ বহুতো জনগোষ্ঠীৰে লোক কৃষ্টি, লোক কলা আদি অন্ধকাৰতে জাহ গৈ আছে। এই সমূহ পোহৰলৈ আনি বাহুল্য প্ৰকাশ কৰাৰ ক্ষেত্ৰত ছাত্ৰ সংগঠনসমূহে মূখ্য ভূমিকা গ্ৰহণ কৰিলে ছাত্ৰ সমাজৰ মাজত বৌদ্ধিক উৎকৰ্ষ সাধন হোৱাৰ লগতে ই এক নৈতিক আদৰ্শ ৰাখি যাব ।

অসমৰ সম্প্ৰদায় বিশেষৰ অতি প্ৰাচীন ব্যৱহাৰ্য আহিলা উপকৰণ আৰু আপুৰুগীয়া সম্পদ যেনে-গহনা-গাথৰি, পুৰণীকলীয়া কৃষি কৰ্মৰ সঁজুলি, জীৱ-জন্তু চিকাৰ কৰা অস্ত্ৰ-শস্ত্ৰ আৰু সামাজিক জীৱনৰ প্ৰয়োজনীয় নানান কামৰ আচবাব পত্ৰ, আদি অসমৰ গ্ৰামাঞ্চলৰ বহু জনগোষ্ঠীয় সমাজত সিঁচৰিত হৈ আছে। এইসমূহ উদ্ধাৰ আৰু সযতনে সংগ্ৰহ কৰি আমাৰ সমাজ বিশেষত একো একোটা সাম্প্ৰদায়িক সম্পদ সংগ্ৰাহালয় পতাৰ কথা ভবা যায় তেনে হ'লে ইয়ো হ'ব আমাৰ জাতিৰ বাবে একোটা অতি প্ৰশংসনীয় কাম। নিজ নিজ সম্প্ৰদায় বিশেষৰ লেখক লেখিকা সকলৰ প্ৰকাশিত কিতাপ পত্ৰবোৰ সংগ্ৰহ কৰি ৰাজহুৱা পুথি ভঁড়াল নিৰ্মাণৰ আঁচনি ললেও জাতি উত্তৰণ কাৰ্যত ই গৌৰৱ উজ্জল ভূমিকা প্ৰদৰ্শন কৰিব পাৰে।

অসমৰ অনেক ঠাইত বহুবোৰ প্ৰাচীন ঐতিহাসিক আহিলা সম্পদ আজিও অধ্যুষিত অৱস্থাত আছে। কিছুমান দৌল-দেৱালয় মন্দিৰ মছজিদ, সৰু-বৰ ৰজাদিনীয়া পুখুৰী আৰু গড়-সিংহদুৱাৰ আদি আছে। এই বোৰৰ উন্নত ৰক্ষণা বেক্ষণ আৰু চৌহদ পৰিষ্কাৰ আধুনিকীকৰণ আদি কৰাৰ ক্ষেত্ৰত ছাত্ৰ সংগঠনসমূহে ভূমিকা লব পাৰে। আজিকালি সমাজৰ অন্য স্তৰৰ বহুতে কৰিব নোৱাৰা কিছুমান কাম ছাত্ৰ সংগঠন সমূহে সহজে সম্পাদন কৰিব পাৰে। গতিকে আৰ্থিক অনুদান আদি সংগ্ৰহ কৰা কাৰ্যত ছাত্ৰ সংগঠনসমূহ যথেষ্ট ব্যস্ত তেওঁলোকে অন্যান্য গতানুগতিক কাৰ্যসূচীসমূহৰ মাজতে যদি এনে আদৰণীয় প্ৰকল্প হাতত লয় তেতিয়া হ'লে জনসমাজৰ মাজত ছাত্ৰ সংগঠনৰ প্ৰতি থকা দুৰ্নামবোৰ আপোনা আপুনি নাইকীয়া হৈ যাব।

আজি ছাত্ৰ সমাজ শিক্ষানুষ্ঠানৰ চাৰিবেৰৰ মাজতে

আবদ্ধ থাকিব নিবিচাৰে। নিজ নিজ সামাজিক সাম্প্ৰদায়িক দাবী সমস্যা মীমাংসা আৰু আলোচনাৰ খাতিৰত তেওঁলোকে বাহিৰ জগতখনৰ লগতো পৰিচিত হ'ব বিচাৰে। সময়ে সময়ে আমাৰ চুবুৰীয়া ৰাজ্যকেইখনৰ লগতে অসমৰ ভৌগোলিক সীমা বিবাদ, ভূমি অৱৰোধ আদি বিষয়ক অনেক কথাক লৈ বাদানুবাদ চলি আছে। এই ক্ষেত্ৰত আমাৰ ছাত্ৰ সংগঠন সমূহৰ মুৰব্বীসকল একেলগ হৈ এই সম্পৰ্কে চুবুৰীয়া ৰাজ্যৰ সৈতে আলাপ আলোচনো কৰি সীমান্ত সুৰক্ষা কৰা কথাও চিন্তা কৰিব পাৰে।

বৰ্তমান অসমত সম্প্ৰদায়ভেদে ছাত্ৰ সংগঠন গঢ় লৈ উঠিছে। ছাত্ৰ সংগঠন সমূহৰ নিজ নিজ প্ৰাপ্য দাবীৰ হকে কৰা আন্দোলন, বিপ্লৱ, বিক্ষোভ, অসমবন্ধ, আদিৰ দৰে কাৰ্যসূচীবোৰৰ হেঁচাত আজি অসমৰ সাধাৰণ শ্ৰেণীৰ লোকসকলে বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। আনহাতে সন্ত্ৰাসবাদ উগ্ৰবাদৰ সমস্যায়েও অসমৰ এক ডাঙৰ সমস্যা হিচাপে মূৰ দাঙি উঠিছে আৰু এই সমস্যাসমূহ সমাধান কৰি আমাৰ সমাজত ঐক্য সম্প্ৰীতিৰ ভেটি গঢ়াত এই ছাত্ৰ সংগঠনসমূহে এক বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে।

ছাত্ৰ সংগঠনসমূহে পোন প্ৰথমে নিজৰ স্থিতি আপোন পৰিচয়, ঐতিহ্য বিচাৰ আদি কামৰ জৰিয়তে নিজকে সমাজত চিনাকী দিব বিচাৰে। কিন্তু অসমৰ সকলো বৰ্ণ গোষ্ঠী বা ধৰ্ম সম্প্ৰদায়ৰ সত্বাটোৱেই হৈছে বৃহৎ অসমীয়া জাতি । গতিকে জাতীয় স্বাৰ্থত আঘাত বা সংঘাত আহিব পৰা কিবা বিপৰ্যয় আহি পৰিলে এনে সংকটৰ পৰা জাতিটোক উদ্ধাৰ কৰিবলৈ বা জাতীয় মান মৰ্যাদা ৰক্ষা কৰিবলৈ সকলোবোৰ বা জাতীয় মান-মৰ্য্যদা ৰক্ষা কৰিবলৈ সকলোবোৰ ছাত্ৰ সংগঠনে মাৰ বান্ধি আহিবলৈ কাহানিও পিচ হুহকিব নেলাগে। সন্মিলিত ঐক্য মঞ্চ গঢ় দি সকলোৱে জাতি ৰক্ষাৰ স্বাৰ্থত একমুখে অভিমত প্ৰকাশ কৰিলেই পৰম্পৰাৰ সন্মান ৰক্ষা পোৱাৰ লগতে অসমীয়া জাতিৰ গৌৰৱ অক্ষুন্ন হৈ ৰ'ব।

আমাৰ ৰাজ্যখনৰ সম্প্ৰতি অতি শক্তিশালী ছাত্ৰ সংগঠন বোৰৰ মাজত জাতীয় প্ৰয়োজনত প্ৰত্যেকৰে মূলগত ঐক্য ঠিকেই থাকিলে আমাৰ জাতীয় ঐক্য সম্প্ৰীতি গঢ়ি উঠিব ।ছাত্ৰ সংগঠন সমূহে সমূহীয়া কাৰ্য্যসূচী সমূহ গ্ৰহণ কৰি কাৰ্যকৰী ভূমিকা লোৱা ব্যৱহাৰিক ক্ষেত্ৰত যাতে কোনো সংগঠনৰ ওপৰত সংঘাত আহি নপৰে বা কোনো ধৰণৰ স্পৰ্শকাতৰ বিষয়ত প্ৰসঙ্গ আহি নপৰে তাৰ ওপৰত অতি সৰ্তক দৃষ্টি ৰাখিহে কাম কৰিব লাগে । তেতিয়াহে ছাত্ৰ সংগঠনসমূহৰ জাতীয় মহত্ব প্ৰকাশ পাব।


সহায়ক গ্ৰন্থ

চিন্তন, আলোচনী, বাতৰিকাকত । ◆◆


# ৰেগিং


✍ গ্ৰেভলিং সন্দিকৈ

স্নাতক প্ৰথম ষান্মাসিক


ৰেগিং এক সামাজিক ব্যাধি। নিৰ্বুদ্ধিতা নিষ্ঠুৰতা তথা আনক মূৰ্খ সজাবলৈ যোৱাটোৱেই ৰেগিংৰ মূল উপসৰ্গ। হাঁহি-ঠাট্টাৰ যোগেদি মনুষ্যত্বক চৰম অপমাননা কৰা যে ৰেগিংত পৰাজয় তাক ছাত্ৰ-ছাত্ৰী সকলে বুজি নাপায়। দেখা যায় যে ৰেগিং শব্দটিৰ মাজতেই নিহিত হৈ আছে কুৰুচিপূৰ্ণ, আপত্তিকৰ আৰু যন্ত্ৰণাদায়ক ক্ৰিয়াকৰ্ম। বহু ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ তলৰ ক্লাচৰ ছাত্ৰক অপদস্থ কৰিব পৰাটো বিৰাট কৃতিত্ব বুলি অনুভৱ কৰে। যদি ওপৰ ক্লাচৰ ছাত্ৰ বা ছাত্ৰীক কোৱা হয় যে, তেওঁক ৰেগিঙৰ নামত ইমান অপমান তথা অপদস্থ কিয় কৰিছা? এনে প্ৰশ্নৰ উত্তৰ ওপৰ ক্লাচৰ ছাত্ৰ বা ছাত্ৰীৰ বাবে কেৱল এটাই- "তোক কেনৈ আৰু কিয় লাগে। এনে ঘটনা আমাৰ নিজৰ ক্ষেত্ৰতো হৈছিল। আমি যেতিয়া নতুন ছাত্ৰবাস লৈ আহিছিলো তেতিয়া আমাকো এনেদৰেই ৰেগিং কৰিছিল। কি অদ্ভুত অযুক্তিকৰ ৰেগিং কৰিছে, কিয় কৰিছে সেইটো বিচাৰ্য বিষয় নহয়। বিষয় হৈছে প্ৰতিশোধ চৰিতাৰ্থ কৰাটোহে। প্ৰথম অৱস্থাত ৰেগিংত নৱাগত ছাত্ৰ-ছাত্ৰী সকলক সাধাৰণ জ্ঞানৰ প্ৰশ্ন কৰা হয়, যদিও পিছলৈ অশ্লীলতাৰ দিশলৈ গতি কৰে। উত্তৰ দিব পাৰিলে ভাল আৰু নোৱাৰিলে বহুসময় দৈহিক অত্যাচাৰ আৰু নিৰ্যাতন। বহু ছাত্ৰ-ছাত্ৰীয়ে এনে অত্যাচাৰ সহ্য কৰিব নোৱাৰি ক্ৰুদ্ধ হৈ পৰে। যন্ত্ৰনা আৰু আক্ৰোশত হৃদয় ফাটি পৰে। অত্যাচাৰ বাঢ়ি যায়। ৰেগিং কাৰোতাসকলে বেছি নিষ্ঠুৰ হৈ পৰে। এনে অত্যাচাৰ সহ্য কৰিব নোৱাৰি ছাত্ৰ-ছাত্ৰীয়ে আত্মহত্যা কৰাৰ পথো বাচি লয়। কিন্তু সহজ সৰল ছাত্ৰ ছাত্ৰীসকলে অত্যাচাৰ সহ্য কৰে বা মানি লয়, তেওঁলোকে যে এনে ব্যাঘাতত সুখী এনে নহয়। কাৰণ তেওঁলোকে মুৰপাতি লোৱা অত্যাচাৰৰ প্ৰতিশোধ পিছৰচাম ছাত্ৰৰ ওপৰত ল'বলৈ অপেক্ষা কৰি থাকে। যিহেতু পুৰণি চামৰ ওপৰত এনে প্ৰতিশোধ লোৱাটো অসম্ভৱ। সেয়ে এনে নিৰ্যাতন, অত্যাচাৰ নবাগত ছাত্ৰ-ছাত্ৰীয়ে সহ্য কৰিব নোৱাৰি কেতিয়াবা কেতিয়াবা কলেজ কৃতপক্ষক ৰেগিংৰ অভিযোগ দিয়া দেখা যায়।

ৰেগিং নামৰ সামাজিক ব্যাধিৰ প্ৰতিকাৰ ৰোধ কৰাটো কোনো শিক্ষানুষ্ঠানেই সফল হৈছে বুলি কব নোৱাৰি। এই শিক্ষা অনুষ্ঠান, কলেজ আদিৰ পৰা ৰেগিং ৰোধ কৰিবলৈ হলে ছাত্ৰ-ছাত্ৰীসকলে প্ৰথমে নিজক জানিব লাগিব আৰু নিজক জানিলেই ভাল-বেয়া, ন্যায়-অন্যায়ৰ পাৰ্থক্য নিৰ্ণয় কৰিব পৰা শক্তি উন্মেষ ঘটিব। আৰু তেতিয়াই কলেজ শিক্ষানুষ্ঠান সমূহৰ পৰা ছাত্ৰ-ছাত্ৰী সকলে ৰেগিংৰ কবলৰ পৰা মুক্ত হ'ব পাৰিব।◆◆



# ড° বাণীকান্ত কাকতি


✍ দিপু খনিকৰ

স্নাতক প্ৰথম ষান্মাসিক


অসমীয়া ভাষা সাহিত্যৰ একনিষ্ঠ পূজাৰী শিক্ষাবিদ ড° বাণীকান্ত কাকতিৰ জীৱন কাহিনী উঠি অহা ল'ৰা-ছোৱালীৰ বাবে এক প্ৰেৰণাৰ উৎস। অতি পিছপৰা এক দুখীয়া পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল। ১৮৯৪ চনত বৰপেটাৰ বাটিকুৰিহা নামৰ এখন পিছপৰা গাৱঁত। তেখেতে চেষ্টাৰ ফলত এগৰাকী সফল ব্যক্তি হিচাপে নিজকে প্ৰতিষ্ঠা কৰিছিল।

মুঠ নম্বৰতকৈ বেছি নম্বৰ পোৱা ল'ৰাজন ঃ

বাণীকান্ত কাকতি আছিল অতি চোকা বুদ্ধিৰ ল'ৰা। হাইস্কুলত থাকোতেই মেধা শক্তিৰ বাবে তেওঁ শিক্ষকসকলক বিস্মিত কৰিছিল। বিশেষকৈ তেওঁ অংক, ইংৰাজী আৰু সংস্কৃত বিষয়ত কৃতিত্ব দেখুৱাইছিল। এবাৰ তেওঁ বছৰেকীয়া পৰীক্ষাত সংস্কৃত বিষয়ত এশৰ ভিতৰত এশ পাঁচ পাবলৈ সক্ষম হৈছিল। ইয়াৰ কাৰণ তেওঁৰ এশ শতাংশই শুদ্ধ হৈছিল আৰু তেওঁৰ লেখা সুন্দৰ আছিল।

<u>বিয়াৰ দৰা নেদেখা লৰা'জন ঃ</u>

বাণীকান্ত কাকতি সৰুৰেপৰা অধ্যয়ণশীল আছিল। তেখেতৰ পঢ়াৰ প্ৰতি ইমানেই মনোযোগ আছিল যে বাহিৰা কথা তেওঁৰ কাণতেই নোসোমাইছিল। গভীৰ মনোযোগিতা বোলে ছাত্ৰৰ গুণ হোৱা উচিত, ইয়াৰ জ্বলন্ত উদাহৰণ ড°বাণীকান্ত কাকতি।

পঢ়ি সময়ত কাহিনী ঃ

সেই সময়ত গাড়ী মটৰ নাছিল। খোজকাঢ়ি বিয়ালৈ বেগুপাটী গৈছিল। গাঁৱৰে বিয়াৰ কথা তেওঁ বিয়াৰ দৰা অহাৰ সময়ত দৰা চাবলৈ মাকক মাত লগাবলৈ ক'লে। যথা সময়ত দৰাপাৰ্টি বেগুবজাই হুলস্থুল কৰি পাৰ হৈ গ'ল। পৰিয়ালৰ আটায়ে ৰাস্তালৈ আহি দৰা চালে। তেখেতে পঢ়াত ব্যস্ত থকাৰ বাবে গমকে নাপালে। দৰা চাবলৈ নমতাৰ কাৰণ সোধাত মাকে কলে "ইমান হুলস্থুল কৰি পাৰ হৈ গল, তই ওলাই নাহিলি কিয়? প্ৰত্যুত্তৰত মাকক ক'লে- মই গমকে নাপালো, কাৰণ মই পঢ়ি আছিলো।"

<u>প্ৰভাৱশালী গ্ৰন্থ ঃ</u>

ছাত্ৰ-ছাত্ৰীসকলে সৰুৰে পৰা কিতাপ পঢ়াৰ অভ্যাস কৰিব লাগে। বাণীকান্ত কাকতি জীৱনত প্ৰভাৱ পেলোৱা দুখন কিতাপ হৈছে - ক) চেমুৱেল স্মাইলচ্ চাহাবৰ "চেলফ হেল্প" (Self Help) আৰু খ) জামানী পণ্ডিত মেক্স মূলাৰৰ জীৱন চৰিত্ৰ। দুয়োখন কিতাপ শ্ৰেণী পৰীক্ষাত প্ৰথম হোৱাৰ বাবে পুৰস্কাৰ পাইছিল। Self Help নামৰ কিতাপখনৰ পৰা তেওঁ উপলব্ধি কৰিছিল যে আত্মবল মানুহৰ পৰম বন্ধু আৰু এই বন্ধুৱেহে জীৱনৰ সকলো বাধা আঁতৰাবলৈ সহায় কৰে আৰু পণ্ডিত মেক্স মূলাৰৰ জীৱনীৰ পৰা তেওঁ পথ অনুসৰণ কৰিবলৈ অনুপ্ৰেৰণা পাইছিল।

<u>ছাত্ৰানাং অধ্যনং তপঃ</u>

শাস্ত্ৰতো আছে বোলে "ছাত্ৰানং অধ্যয়নং তপঃ" ছাত্ৰ তপস্য কেৱল অধ্যয়ণহে হোৱা উচিত। যিবোৰে নিজকে ছাত্ৰ বুলি ভাৱে, তেওঁলোকে অধ্যয়ণতেই অবিৰত থাকিব লাগে। "পঢ়াই পঢ়ে, ৰোৱে পাণ, এই তিনিও নিচিন্তে আন।" তাৰ মানে পঢ়ি থকাজন, পটুৱাই থকাজন আৰু পান ৰুই থকাজনে নিজৰ কামৰ বাহিৰে আন চিন্তা কৰা অনুচিত। এই কথাষাৰি কাকতিদেৱৰ লগত "কাঠে কুঠাৰে" মিলি পৰাৰ দৰে হৈছে। অধ্যয়ণ আৰু জ্ঞান আহৰণেই আছিল তেখেতৰ একমাত্ৰ সাধনা। তেখেতৰ মতে জীৱনত কিবা ভাল কৰিব হ'লে সাধনাৰ প্ৰয়োজন আৰু সাধনাৰ মূলক্ষেত্ৰ হৈছে নীৰৱতা। নিজকে ছাত্ৰ বুলি পৰিচয়দি আন কামত ব্যস্ত হৈ আত্ম প্ৰৱঞ্চনা কৰিব নালাগে। তেনে ছাত্ৰ সমাজৰ ক্ষতিকাৰক ।

<u>দৃঢ় সংকল্পই উন্নতিৰ মূল মন্ত্ৰঃ</u>

দৃঢ় সংকল্পে কামত ব্ৰতী হ'লে মানুহে সফলতাৰ উচ্চ শিখৰত আৰোহন কৰিব পাৰে। ড° কাকতিৰ জীৱনত এনে দৃঢ় সংকল্পৰ সুন্দৰ নিদৰ্শন পোৱা যায়। তেকেতে কলিকতাৰ প্ৰেচিডেন্সি কলেজৰ পৰা ১৯১৫ চনত ইংৰাজীৰ দ্বিতীয় শ্ৰেণীৰ চতুৰ্থ স্থান লাভ কৰি বি.এ. পাছ কৰিছিল। ১৯১৭ চনত তেওঁ এম.এ. পৰীক্ষাত বহিব নোৱাৰিলে। কঠোৰ পৰিশ্ৰম বিস্তিত অধ্যয়ণ কৰাৰ বাবে তেওঁ অসুস্থ হৈ পৰিছিল। পিছৰ বছৰত পৰীক্ষা দি তেওঁ এ গ্ৰুপ সহ দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰে। তেওঁ ভবাৰদৰে ফলাফল নোপোৱাৰ বাবে তেওঁৰ বন্ধু লক্ষীনাথ দাসক কৈছিল- " সচাকৈয়ে মোৰ মগজু নাই হবলা, নহলেনো দুবাৰৰ এবাৰো প্ৰথম শ্ৰেণী নাপাওনে ? ১৯২৩ চনত তেওঁ দৃঢ় সংকল্পমৰ্মে দ্বিতীয়বাৰ ইংৰাজীৰ বি.গ্ৰুপত এম.এ দিয়ে আৰু প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰিবৰ সক্ষম হয়।

সাধাৰণ ধুতী চোলা এযোৰ পিন্ধি গাত সূতাৰ চাদৰ এখন মেৰিয়াই থাকিয়েই কাকতিয়ে ভাল পাইছিল। নিৰ্জন কোঠাত দুৱাৰ খিৰিকি মাৰি পঢ়ি ভাল পাইছিল ।

তেখেতৰ ব্যক্তিত্বৰ এক গ্ৰহণযোগ্য বহু ভাল কথা বা লেখনি আমি পিছত পাম ।

◆◆

# মানৱ জীৱন আৰু সংগীত

সত্যনাৰায়ন চেতিয়া
স্নাতক প্ৰথম ষান্মাসিক

সংগীত হ'ল মনৰ হৃদয়ৰ ওপৰত অপৰিসীম প্ৰভাৱ বিস্তাৰ কৰিব পৰা এবিধ কলা। গীতিকাৰৰ ভাৱ অনুভৱ ব্যক্ত কৰাৰ লগতে শ্ৰোতাৰ হৃদয় জয় কৰিব পৰা এক ক্ষমতা সংগীতৰ আছে। কেৱল মানুহেই নহয় পশু-পক্ষীয়েও সংগীতৰ স্বৰ লহৰীত আত্মবিভোৰ হৈ পৰা দেখা যায়। "গীতম বাদ্যম নৃত্যম ত্ৰয়ম সংগীত মুচ্যতে"। অৰ্থাৎ গীত বাদ্য আৰু নৃত্যৰ সমন্বয়কে সংগীত বোলে। সংগীত শব্দটো প্ৰকৃতাৰ্থত "সমগীত" শব্দৰ পৰা উদ্ভৱ হৈছে। অৰ্থাৎ গায়ন, বাদন আৰু নৰ্তন এই তিনি ক্ৰিয়াৰ সমাহাৰেই হৈছে সংগীত। সংগীতৰ সৃষ্টি সম্পৰ্কে কোনো ইতিহাস নাই যদিও আদিম কালতেই প্ৰকৃতিৰ অপৰূপ ৰাশিত বিমুগ্ধ হোৱা আৰু অজানিত আনন্দত আপ্লুত হোৱা আদিম মানৱৰ ধ্বনিত ই সৃষ্টি হ'ল বুলি অনুমান কৰিব পাৰি।

সংগীত আৰু মানৱ জীৱনৰ সম্পৰ্ক মানৱ সভ্যতাৰ আৰম্ভণিৰ পৰাই বৰ্তমান। ।অতীতৰ মানৱ সমাজতো সংগীতৰ প্ৰভাৱ পৰিলক্ষিত হয়। আমাৰ জীৱনৰ প্ৰতিটো নতুন পুৱাৰ আৰম্ভণি হয় সংগীতৰ মাজেৰে ভগৱানৰ মংগল আৰতিৰে আৰু পক্ষীৰ মধুৰ কাকলিৰে । সংগীতৰ এনে এক শক্তি যি নিৰাশাৰ কলীয়া ডাৱৰ আঁতৰাই মানৱ জীৱনত আশাৰ সঞ্চাৰ কৰে। বৰ্তমান যুগত সংগীতৰ পৰিসৰ অতি ব্যাপক। মানৱ জীৱনত ইয়াৰ অপৰিসীম সংগীতে শাৰীৰিক, আবেগিক আৰু বৌদ্ধিক জাগৰণত বিভিন্ন ধৰণে উৎসাহ উদ্দীপনা জন্মায়। মানুহৰ জীৱনৰ নানা দুৰ্যোগ আৰু সংকটৰ মাজৰ পৰা ক্ষন্তেক শান্তিৰ পৰিবেশ ঘুৰাই পাবলৈ হ'লে আমি আজি সংগীতৰ আশ্ৰয়তহে ল'ব লাগে। ই মানুহৰ মনৰ দুখ চিন্তা দুৰ কৰি স্বাস্থ্যৰ উন্নতি সাধন কৰে। মনটো পবিত্ৰ কৰি তোলে। কিন্তু নিত্য নৈমিত্ৰিক সংগীত চৰ্চা আৰু সাধনাবোৰৰ দ্বাৰাহে এনেবোৰ সম্ভৱ হ'ব পাৰে। ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছে যে মন আৰু প্ৰাণ দিও যাৰ সান্নিধ্য লাভ কৰিব নোৱাৰি সংগীতৰ মাধ্যমেৰে তেওঁৰ চৰণ চুব পাৰি । সংগীতৰ চিনাকি, নিচেই চিনাকি আপোন মনে ঘুৰি ফুৰে। কেতিয়াবা নিচেই কাষলৈ আহি গুণ গুণকৈ কথা কয়। কেতিয়াবা সংগীতৰ ধ্বনিবোৰ নৈ হৈ বয়, কেতিয়াবা সাগৰৰ ঢৌবোৰৰ দৰে লহৰ তোলে। ধ্বনিবোৰৰ যেন ৰং আছে, ওজনো আছে, আয়তনো আছে, কেতিয়াবা ধ্বনিবোৰে জোনাকৰ ধোৱা অৰণ্যৰ কথা কয়, কেতিয়াবা ৰ'দ বৰষুণৰ কথা কয়।

জীৱন আৰু জগতৰ অনেক চিত্ৰ আবেগ আৰু অনুভৱৰ অনেক মুহুৰ্ত প্ৰতিভাত হৈছে অলেখ মন পৰশা গীতৰ মাজেৰে। নাৰীৰ বাবে সংগীত এটি অমূল্য সম্পদ। নাৰীৰ সৈতে সংগীতৰ সম্বন্ধ অবিচ্ছেদ্য। সংগীতৰ বাদ্য বীণাও দেৱী সৰস্বতীৰহে । সেয়েহে আজিও ভাৰতীয় হিন্দু সমাজত সংগীত আৰু শিক্ষাৰ দেৱী সৰস্বতী পূজা বিশেষভাৱে উল্লেখযোগ্য। আমি যদি আমাৰ ব্যক্তিগত জীৱনৰ শৈশৱৰ দিনবোৰলৈ চাওঁ তেতিয়া আমাৰ কাণত ভাঁহি ৰব আহিব কোলাত উঠি টোপনি যোৱা "আমাৰে মইনা শুব এ..................... গীতটো। সংগীতৰ শিক্ষা দিলে শিশুৰ শক্তি ধৈৰ্য্যশক্তি আৰু সাধাৰণ জ্ঞানৰ বিকাশ হয়। সৰুৰে পৰা স্বৰ সাধন নিয়মিত কৰিলে হৃদযন্ত্ৰজনিত অসুখৰ নৱৰূপ লৈ বৰ্তমান অৱস্থা প্ৰভাৱিত কৰাৰ ফলত সংগীতেও ইয়াৰ পৰা আঁতৰত থাকিব পৰা নাই। সংগীতে কোনো ভেদাভেদ নাৰাখে। সংগীতে সকলোৰে হৃদয়ত স্থান পায়।

◆◆

## অলপ হাহোঁ আহক

প্ৰিয়ংকা চাহু।
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ।

পুতেক ঃ- আজি কালি ডাঙৰ মানুহৰ কথাও বিশ্বাস কৰিব নোৱাৰা হ'ল।

বাপেক ঃ- কিয়?

পুতেক ঃ- যোৱাকালি মেডামে ক'লে যে তিনিয়ে দুইয়ে পাঁচ হয়, আকৌ আজি কলে চাৰিয়ে একে পাঁচ হয়।

গ্ৰাহক ঃ দাদা পাছপৰ্ট ফটোৰ চেণ্ডেলযোৰ উঠিবনে?

কেমেৰামেন ঃ উঠিব উঠিব কি নুঠিব আপুনি চেণ্ডেলযোৰ মূৰত লৈ ল'ব লাগিব....।



# বুৰঞ্জীয়ে পৰশা শিৱসাগৰ

মানস জ্যোতি বুঢ়াগোঁহাই
স্নাতক ৩য় ষান্মাসিক

সুদীৰ্ঘ ছশ বছৰীয়া আহোম ৰাজত্বৰ এশবছৰো অধিক কাল ৰংপুৰ আছিল ৰাজধানী নগৰ। স্বৰ্গদেও নগৰ স্বৰ্গদেউ ৰুদ্ৰসিংহ ওৰফে চুকাংফাই (১৬৯৬-১৭২৪) গড়গাওঁৰ পৰা ৰাজধানী তুলি আনি মাতৃ জয়মতী আইদেউৰ স্মৃতি বিজড়িতা জেৰেঙাৰ কাষৰ মেটেকাত স্থাপন কৰিলে। ইয়াক নাম দিয়া হ'ল ৰংপুৰ। এই ৰংপুৰ নগৰখন চাংৰুং ফুকনৰ বুৰঞ্জীত ১৬৯৯ খ্ৰীঃত স্থাপন কৰা হৈছিল বুলি উল্লেখ আছে।

পুৰণি ৰংপুৰ নগৰখন বৰ্তমানৰ শিৱসাগৰ চহৰখনৰ পৰা প্ৰায় এক মাইল দক্ষিণত অৱস্থিত। এই ৰংপুৰ নগৰখন ৩০০ তকৈ অধিক বছৰীয়া ইতিহাসে গৰকা। আহোম ৰাজত্বৰ চতুৰ্থখন ৰাজধানী আছিল। স্থাপত্য ভাস্কৰ্যৰে সিচঁৰতি হৈ থকা এই প্ৰাচীন নগৰখন কেৱল তেতিয়া ৰাজধানী স্বৰূপেই নহয় আহোম শাসনৰ প্ৰায় ১০০ তকৈ অধিক বছৰ সামৰিক দিশৰ পৰাও গুৰুত্বপূৰ্ণ আছিল।

বুৰঞ্জীবিদ ভুৱন চন্দ্ৰ সন্দিকৈ আৰু হেথ বুঢ়াগোহাঁইয়ে কৈছিল যে, ৰংপুৰ নগৰখম উত্তৰে দিখৌ নদীৰ দ্বাৰা পৰিবেষ্টিত আছিল। চাংৰুং ফুকনৰ বুৰঞ্জীত উল্লেখ আছে, "স্বৰ্গদেউ ৰুদ্ৰসিংহই প্ৰথমতে মাকৰ স্মৃতিত জয়সাগৰ খান্দি শেষ কৰি (১৬২১) শকৰ আঘোণ মাহৰ ১২ দিন যাওঁতে শুক্ৰবাৰে মহাৰজা ঘৰ উঠিল"। নগৰৰ নাম ৰংপুৰ দিলে।

সাতসৰী অসম বুৰঞ্জীত উল্লেখ আছে যে "১৬১৬ শকৰ ফাগুণত ৰুদ্ৰসিংহ ৰজা হৈ শিঙ্গৰি ঘৰত উঠি সিংহাখনত বহি সাত দিন ৰং আনন্দ কৰি পাত্ৰ-মন্ত্ৰী সমস্তকো যোগ্যতানুসাৰে বঁটা বাহন দিলে। আৰু পুখুৰীৰ (জয়সাগৰৰ) উত্তৰে বাহৰ কৰি ৰঙ্গপুৰ নাম থলে"।

"স্বৰ্গদেউ সকলৰ প্ৰথম ৰাজধানী চৰাইদেউ, তাৰ পাছত চৰগুৱা আৰু দিহিংমুখ; দিহিঙৰ পৰা গড়গাওঁ তাৰ পাছত স্বৰ্গদেউ ৰুদ্ৰসিংহই মেটেকাত নগৰ কৰি বহৰি শেনৰ কৰি তাকে চাই বৰ ৰং পাই নাম থলে ৰংপুৰ-(ৰংপুৰ বুৰঞ্জী)

তেতিয়াৰ ৰংপুৰ নগৰৰ চাৰিসীমা আছিল এনেধৰণৰ, "উত্তৰ সীমাত দিখৌ নৈ, দক্ষিণত নামদাং নৈ পুৱত বাহঁগড়, পশ্চিমত দিখৌ আৰু নামদাং লগ লগা খণ্ড। নামদাং নৈৰ পাৰে পাৰে গড় আছিল। গড়ৰ চিন নৈয়ে খহালে। ওচৰৰ গাওঁখন গড়কাষৰীয়া নামেৰে এতিয়াও জনা যায়। দক্ষিণৰ নগৰৰ দুৱাৰ নামদাং শিলৰ সাঁকো। পূবে বাঁহগড়ৰ সিংহদুৱাৰ। পশ্চিমৰখনৰ নাম পোৱা নাই। উত্তৰ আৰু পূব কোণত য'ত দিখৌৱে বাহঁগড়ক ছেদ কৰিছে সেইখনক পানীচকী বোলে। ইয়াত নাও লৈ চকীয়াল সকলে এই দুৱাৰ ৰক্ষা কৰি থাকে। তেনেকৈ সিংহদুৱাৰ আৰু নামদাং দুৱাৰতো অসংখ্য চকীয়াল (দুৱাৰা-ৰখীয়া লোক) থাকে।

শিৱসাগৰ নগৰখন শিৱসাগৰ পুখুৰী আৰু শিৱদ'লৰ পৰাই উৎপত্তি হৈছে। "Origin of the Sivasagar" সম্পৰ্কে সাতসৰী অসম বুৰঞ্জী'ত উল্লেখ আছে যে, "কলঞ্চুপৰীয়া গোহাঁঞিবোৰৰ গাওঁৰ কাষৰত পুখুৰী খানদি দ'ল বান্ধি মঠ-মন্দিৰ কৰি উৎসৰ্গা কৰি নাম থলে শিৱসাগৰ"।

বুৰঞ্জীবিদ শ্ৰী ভুৱন সন্দিকৈ দেৱে তেওঁৰ 'শিৱসাগৰ নামৰ প্ৰৱন্ধত উল্লেখ কৰিছে যে শিৱসাগৰ নগৰ, মহকুমা আৰু জিলাৰ নামটো পূৰ্বতে অৰ্থাৎ বড়ো সকলৰ আৰু আহোম সকলৰ ৰাজত্ব কালত নাছিল। আজিৰ শিৱসাগৰ জিলা বা মহকুমা ক'লে যাক জনা যায় সেইসময়ত ইয়াৰ বিভিন্ন নাম আছিল। প্ৰথমতে শিৱসাগৰ নগৰখন কলঞ্চু বা ডইকলং নামেৰে এখনি সৰু গাওঁহে আছিল। কলঞ্চু নামৰ সৰু জানটোৰ পাৰত বসবাস কৰি থকা কলঞ্চুপৰীয়া গোঁহাই সকলৰ গাওঁতে শিৱসিংহৰ কুঁৱৰী তথা বৰৰজা অম্বিকা দেৱীয়ে স্বামী শিৱসিংহৰ নাম চিৰ যুগমীয়া কৰিবৰ বাবে ১৯৪ পুৰা মাটিত এই পুখুৰী খন্দাই যুক্তিনাথ শিৱদেৱতাক উৎসৰ্গা কৰে। তেতিয়াৰ পৰাহে দিখৌ উত্তৰপাৰৰ সেই খণ্ড ঠাইক শিৱসাগৰ আৰু দক্ষিণ খণ্ডক ৰংপুৰ বোলা হৈছিল। শিৱসাগৰ জিলা, মহকুমা আদিৰ নামকৰণ প্ৰায়ে ১৮৩৬-৩৮ খীঃৰ পৰাহে ইষ্ট ইণ্ডিয়া কোম্পানীৰ আমোলত ইংৰাজী সকলে কৰে"। এইটো কথা উল্লেখ যোগ্য যে, "Before the amixation os Assam by the British. The Centre of the administration of Assam was sivasagar" (District Gezetter)

ৰংপুৰ নগৰৰ প্ৰাচীন কীতিচিহ্ন সমূহৰ বিষয়ে বৰ্ণনা কৰিবলৈ যাওঁতে প্ৰথমে নাম লব লাগিব প্ৰাচীন ঐতিহ্য বহন কৰি থকা তলাতল ঘৰ বা কাৰেংঘৰ আৰু ৰংঘৰ।

আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহৰ (১৬৯৬-১৭১৪) দিনত নিৰ্মাণ কৰা হৈছিল সাতমহলীয়া প্ৰকাণ্ড ইটাৰ ঘৰ বা প্ৰসাদটো। এই তলাতল ঘৰটো মাটিৰ তলত তিনি মহলা আৰু ওপৰত চাৰি মহলা।

এই প্ৰসাদটোৰ পৰা দুটা সুৰংগ মাটিৰ তলেদি আছিল। এটা সুৰংগ দিখৌ নৈৰ লৈকে আৰু আনটো দহ কিলোমিটাৰ আঁতৰৰ গড়গাওঁ নগৰলৈকে বিস্তৃত আছিল বুলি জনা যায়। ইয়াৰোপৰি এই তলাতল ঘৰৰ চৌপাশে প্ৰকাণ্ড ইটাৰ গড় আৰু তাৰ কাষতে গড় খাৱৈ।

তলাতল ঘৰ গড়ৰ বাহিৰত ৰূপহী পথাৰত এছিয়াৰ প্ৰথম ক্ৰীড়া পেভেলিয়ন ৰংঘৰ অৱস্থিত। স্বৰ্দদেউ ৰুদ্ৰসিংহই

মগৰী চৰানাও, বহৰী শেনৰ খেল, বাঘ-ঘোং, ম'হ-হাতী আদি যুঁজ চাবৰ বাবে শালকাঠৰ খুঁটাৰে এটি ৰংঘৰ সজাইছিল। প্ৰথম ৰংঘৰ এয়াই আছিল। ইয়াৰ পিছত ১৭৪৬ শকত স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দ্বিতীয় পুত্ৰ প্ৰমও সিংহই বৰ্তমাৰ পকী ঘৰটো সজায়।

ৰংপুৰ নগৰৰ অন্য এক লেখত লবলগীয়া সম্পদ হ'লে জয়সাগৰ পুখুৰী আৰু দ'ল। এশ সোতৰ পুৰাএক বিঘা ন লোচা মাটিৰকালিৰ এই বিৰাট পুখুৰীটো মহাসতী জয়মতী স্মৃতিত তেওঁৰ পুত্ৰ মহাৰাজ স্বৰ্গদেউ ৰুদ্ৰসিংহই ১৬১৯ শকৰ আঘোণ মাহত খন্দাইছিল। ই ভাৰতৰ ভিতৰত এটা সৰ্ববৃহৎ পুখুৰী আৰু বোধহয় মানুহে খন্দা হিচাপে পৃথিৱীৰ ভিতৰত এটা ডাঙৰ পুখুৰী। এই পুখুৰীটো মাত্ৰ পঞ্চলিছ দিনতে খান্দি উলিওৱা হৈছিল। আৰু তাৰ পাছত ক্ৰমে কেশৱৰাই বিষ্ণু (জয়দ'ল) বিদ্যানাথ শিৱ, দুৰ্গাদেৱী, গণেশ, সূৰ্য্য, নৰসিংহ আদি দ'ল সজাইছিল। দক্ষিণ-পশ্চিম কোণত অৰ্থাৎ যমুনা পাৰত থকাটিক নাতি গোঁসাইৰ দ'ল (বংগ দেশৰ পৰা অনা ঘনশ্যাম খনিকৰৰ নামানুসৰি ঘনশ্যাম দ'ল)। স্বৰ্গদেউ শিৱসিংহৰ ৰাজত্বকালত তেওঁৰ দ্বিতীয়পত্নী দ্ৰৌপদী ওৰফে অম্বিকাই ১৪ খ্ৰীঃত এটা পুখুৰী খন্দাই আৰু নিজৰ স্বামীৰ নাম অনুসৰি পুখুৰীটোৰ নাম থয় শিৱসাগৰ। এই পুখুৰীটোৰ মাটিকালি ১৯৪ পুৰা, ২ বিঘা, ২ কঠা, ৬ লোচা আৰু ইয়াৰ গভীৰতা ২০ কিউবিক। ইয়াৰ পাৰত শিৱদ'ল, বিষ্ণুদ'ল আৰু দেৱী দ'ল নামেৰে তিনিটা দ'ল সজাই। এই শিৱদ'ল অসম তথা সম্ভৱতঃ ভাৰতবৰ্ষৰ ভিতৰত ইয়ে আটাইতকৈ বৃহৎ আৰু ওখ দ'ল ইয়াৰ ওপৰ অংশত ডাঙৰ সোণৰ কলচিলগোৱা আছে।

উল্লেখযোগ্য যে ভাৰতৰ স্বাধীনতা আন্দোলন এক অংগ হিচাপে অসমৰ ভিতৰত প্ৰথম শিৱসাগৰ জিলাতে স্বাধীনতা আন্দোলনৰ সূচনা হয়। সেই স্বাধীনতা আন্দোলনৰ নেত-ত্ব বহন কৰি প্ৰথম শ্বহীদ হোৱা পিয়লি বৰফুকন আৰু জীউৰাম ঢুলীয়া বৰুৱাক বৃটিছ সকলে ১৮৩০ খ্ৰীঃত ফাঁচী দিছিল শিৱসাগৰ পুখুৰীৰ উত্তৰ-পুব কোণত।

এই শিৱসাগৰৰ নাজিৰাত ভাৰতৰ প্ৰথম চাহ কোম্পানী 'অসম চাহ কোম্পানী ১৮৩৯ খ্ৰীঃত প্ৰতিষ্ঠা হৈছিল। খ্ৰীষ্টান মিছনেৰী সকলে ১৮২৪ খ্ৰীঃত দিখৌ নদীৰ পাৰত ছপাশাল স্থাপন কৰে আৰু তেওঁলোকৰ প্ৰচেষ্টাত ১৮৪৬ খ্ৰীঃত শিৱসাগৰৰ পৰা প্ৰথম অসমীয়া আলোচনী 'অৰুণোদই' প্ৰকাশ পায়।

অসমীয়া সাহিত্যত ঐতিহ্যমণ্ডিত ৰংপুৰীয়া সাহিত্যিকৰ অৱদান অনস্বীকাৰ্য, আহোম সকলৰ ৰাজধানী ৰংপুৰ খন ৰঙে-ৰসে ভৰপূৰ আছিল বুলি ক'ব পাৰি। বিংশ শতিকাৰ আৰম্ভণিতে অসমীয়া সাহিত্যক এটা নতুন ৰূপত সজাই তুলি আৰু লগতে সুদূৰ প্ৰসাৰী প্ৰভাৱ কৰি অহা 'অসম সাহিত্য সভাৰ' দৰে এটা জাতীয় অনুষ্ঠানৰ প্ৰথম অধিবেশন অনুস্থিত হৈছিল ঐতি হাসিক শিৱসাগৰতেই। ১৯১৭ খ্ৰীঃৰ ২৬ আৰু ২৭ ডিচেম্বৰত ৰায় বাহাদুৰ পদ্মানাথ বৰগোহাঁঞিৰ সভাপতিত্বত অধিবেশন খনি অনুষ্ঠিত হৈছিল। অন্য এটা ত্যৎপসপূৰ্ণ কথা হ'ল যে- 'অসমৰ সাহিত্য সভাৰ' দৰে এটা জাতীয় অনুষ্ঠানৰ তেৰ'জনকৈ সভাপতি লগতে আৰু ইয়াৰ লগত উতঃপ্ৰোতভাৱে জড়িত বহুকেইগৰাকী বিশিষ্টি ব্যক্তিৰ জন্মস্থান-কৰ্মস্থান ৰূপে এই শিৱসাগৰ আজিও পূণ্যস্থল হৈ আছে।

একালৰ বৃন্দাৱন একালত পৰে চন। আহোম ৰাজত্বৰ ইতিহাসে গৰকা চতুৰ্থখন ৰাজধানী ৰংপুৰ নগৰৰ অস্তিত্ব পাবলৈ নাই। আজি ৰংপুৰত স্বাধীন অসমৰ কাৰেং তলাতলে তাহানিৰ স্মৃতি মনত পেলাই দুখৰ বিননি তুলি অন্তিম ক্ষণলৈ বাট চাই আছে। সেই সময়ত ৰংপুৰৰ ঢুলীয়া-নাচনীয়ে গিজ-গিজাই থকা, ম'হ যুঁজ, শেন যুজঁৰ স্থলী ৰূপহী পথাৰৰ পৰা ৰংঘৰে ৰঙতে ৰিঙিয়াইছিল আৰু আজি দুখত ৰাউচি জুৰিছে। সেই ৰংপুৰৰ কথা আজি কোনোবা বীণ-বৈৰাগীৰ ভাষাত ভাগ্যত চৰতীয়া মাটিৰ সলনি চৰতীহে আছে।

সামৰণিত, আহোম যুগৰ এই ঐতিহাসিক কীৰ্তিচিহ্ন সমূহৰ সংৰক্ষণ আৰু সৌন্দৰ্য বৰ্ধনৰ বাবে চৰকাৰে উপযুক্ত আঁচনি গ্ৰহণ কৰিব লাগে। আহোম যুগৰ এই কাৰ্তিচিহ্নবোৰ আমাৰ জাতীয় সম্পদ। ইয়াৰ ৰক্ষণাবেক্ষণ কৰাটো আমাৰ একান্ত আৱশ্যকীয়। আহোম যুগৰ এই স্থাপত্য আৰু ভাস্কৰ্য শিল্পৰীতিৰ দিশৰ পৰা ভালদৰে নিৰীক্ষণ কৰিলে দেখিবলৈ পোৱা যাব যে এটা নতুন পদ্ধতি প্ৰৱৰ্তনৰ বলিষ্ট প্ৰচেষ্টা স্বৰ্গদেউ সকলৰ এই ভাস্কৰ্য সমূহত পৰিস্ফুট হৈ উঠিছে। এনেদৰে আজিও চাওলুং চ্যুকাফাই প্ৰতিষ্ঠা কৰি থৈ যোৱা আহোম ৰাজ্যৰ ভেঁটিত, পৰৱৰ্তি স্বৰ্গদেউ সকলৰ দিনৰ ঐতিহাসিক কীৰ্তিচিহ্ন সমূহে আহোম যুগৰ স্থাপত্য-ভাস্কৰ্য্য শিল্পৰ গৌৰৱৰ চানেকী দাঙি ধৰি এতিয়াও অক্ষত অৱস্থাত আছে।

এই প্ৰৱন্ধটি যুগুত কৰোঁতে অসম বুৰঞ্জীৰ বুৰঞ্জীমূলক প্ৰবন্ধৰসহায় লোৱা হৈছে, আৰু দুই-এটা প্ৰৱন্ধৰ বাক্যও প্ৰয়োজন সাপেক্ষে সোমাইছে।

সহায় লোৱা গ্ৰন্থ সমূহ ঃ-
১) বুৰঞ্জীয়ে পৰশা ৰংপুৰ ঃ- স্মৃতিগ্ৰন্থ (ৰংপুৰ তিনিশ বছৰ উদ্‌যাপন সমিতি)
সম্পাদক ঃ- সোণাৰাম বৰুৱা।
২) অসম বুৰঞ্জী ঃ- ড° তছদ্দুক আমানুল হুছেইন।
৩) আহোমৰ দিন ঃ- হিতেশ্বৰ বৰবৰুৱা।
৪) নতুন জানানে ঃ- শান্তনু কৌশিক বৰুৱা

প্ৰীতিমা কৌশিক বৰুৱা।

◆◆



# পাইলট হ'ব খোজে নেকি ?

✍ কমল ভুমিজ (স্নাতক প্ৰথম ষান্মাসিক)

উৰাজাহাজৰ পাইলট হোৱাটো জীৱন জিলিকাবৰ বাবে এটি সন্মানজনক কাম। ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত থকা চৰকাৰী আৰু বেচৰকাৰী ফ্লায়িং ক্লাৱত আগ্ৰহী যুৱক যুৱতীক পাইলটৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা আছে। ফ্লায়িং ক্লাৱত নামভৰ্তিৰ বাবে সাধাৰণতে ছেপ্তেম্বৰ মাহত দেশৰ জাতীয় স্তৰৰ বাতৰি কাকত সমূহত বিজ্ঞাপন দিয়া হয়।

পাইলটৰ প্ৰশিক্ষণৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ নিম্ন প্ৰকাৰৰ যোগ্যতা থকাটো বাঞ্চনীয়। প্ৰাৰ্থী গণিত, পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞানৰ সৈতে উচ্চতৰ মাধ্যমিক বা সমপৰ্যায়ৰ পৰীক্ষা উৰ্ত্তীন হোৱাৰ লগতে ইংৰাজী ভাষাৰ ওপৰত দখল থাকিব লাগে তথা স্নাতক উপাধি প্ৰাপ্ত প্ৰাৰ্থীয়ে অগ্ৰাধিকাৰ লাভ কৰে। প্ৰাৰ্থীৰ বয়স অতি কমেও ১৮ বছৰ হ'ব লাগিব। লগতে প্ৰাৰ্থী খেলা-ধোলা সাতোঁৰা আদিত পাকৈত হ'ব লাগিব তথা ছাত্ৰ জীৱনত ৰাষ্ট্ৰীয় শিক্ষা বাহিনী (N.C.C) ৰ সদস্য হোৱাটো বাঞ্চনীয়।



নামভৰ্ত্তিৰ বাবে প্ৰাৰ্থীৰ লিখিত আৰু মৌখিক পৰীক্ষা লোৱা হয়। লিখিত পৰীক্ষাৰ বাবে উচ্চতৰ মাধ্যমিক স্তৰৰ গণিত, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, ইংৰাজী আৰু সাধাৰণ জ্ঞানৰ পৰীক্ষা লোৱা হয়। পাইলট শিক্ষাৰ্থীৰ প্ৰশিক্ষণৰ বাবে নিৰ্ধাৰিত শিক্ষাকাল তিনি বছৰ। আনহাতে প্ৰশিক্ষণৰ বাবে প্ৰাৰ্থীৰ ৩/৪ লাখ মান টকা খৰচ হয়। ভাৰতৰ উল্লেখ যোগ্য ফ্লায়িং ক্লাৱৰ নাম ঠিকনা ঃ -

a)Bombay Flying Club, Aero drome santa cruz west, Mumbai - 400049

b) Flying training Institute, Behla, Kolkatta

c) Rajasthan State Flying School, Airport Jaipur 302001.

d) School of aviation club Ltd. Saffari Shing Airport, New Delhi.

এই অনুষ্ঠান সমূহত সফলতাৰে প্ৰশিক্ষণ সমাপ্ত কৰা প্ৰাৰ্থী সকলক Privet Pilot Liceance প্ৰদান কৰা হয়। PLP অনুজ্ঞাপত্ৰৰ অধিকাৰী তথা ৬০ ঘন্টা উৰণৰ অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীয়ে উচ্চ শিক্ষাৰ বাবে ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় উৰণ একাডেমী (Indira Gandhi Rastriya Uran academi, Furast Ganj Raj barily (U.P) ত নামভৰ্ত্তি কৰিব পাৰে। এই অনুষ্ঠানত কমাৰ্চিয়েল পাইলট (U.P) প্ৰদান কৰে। সফলতাৰে পাইলট প্ৰশিক্ষণ সম্পূৰ্ন্ন কৰা যুৱক-যুৱতীযে "ইণ্ডিয়ান এয়াৰ লাইন্স" এয়াৰ ইণ্ডিয়া বাহিৰেও দেশ বিদেশৰ বিভিন্ন বেচৰকাৰী বিমান সংস্থা ৰাজ্য চৰকাৰ তথা বিভিন্ন শিল্প উদ্যোগ প্ৰতিষ্ঠানৰ দ্বাৰা পৰিচালিত বিমান পৰিবহন সংস্থা আদিত বিভিন্ন পদত অনাসাৰে নিযুক্তি লাভ বাবে। সফলতাৰে প্ৰশিক্ষণ সমাপ্ত কৰা সকলে চাকৰিৰ বাবে অপেক্ষা কৰিব নালাগে। ইং ১৯৫৮ চনত অসমতো ফ্লায়িং ক্লাৱৰ প্ৰতিষ্ঠা হৈছে। ঠিকনা - Assam Flying Club, Guwahati Airport, Guwahati-781015 এই ক্লাৱত প্ৰশিক্ষণৰ বাবে প্ৰাৰ্থীয়ে প্ৰতি ঘন্টাত ১৬০০ টকাকৈ মাচুল দিব লাগে।

◆◆

# সৰ্বশিক্ষা অভিযান ১৯৯৯ৰ চমু আভাস

*সূৰ্য্য কুমাৰ গগৈ*
*স্নাতক পঞ্চম ষান্মাসিক*

আমাৰ দেশৰ প্ৰাথমিক আৰু মাধ্যমিক স্তৰৰ শিক্ষকসকলৰ লগতে সমূহ দেশবাসীৰ মানসিক আৰু শৈক্ষিকজগতত আলোড়ণ সৃষ্টি কৰি যোৱা শিক্ষা ব্যৱস্থাটোৱেই হ'ল সৰ্বশিক্ষা অভিযান।

ভাৰত স্বাধীন হোৱাৰ পাছৰ পৰা বিশেষকৈ ১৯৭০-৮০ চনৰ পৰাই অকালতে বিদ্যালয়ৰ পৰা বঞ্চিত শিশুৰ বাবে আনুষ্ঠানিক শিক্ষা আঁচনি, ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা আঁচনি আৰু ১৯৯২ চনৰ কৰ্মসূচী, কৃষ্ণফলক আঁচনি, জিলা প্ৰাথমিক শিক্ষা আঁচনি, বিহাৰ শিক্ষা প্ৰকল্প, শিক্ষা নিশ্চিতকৰণ আঁচনি আদি প্ৰাথমিক শিক্ষা আঁচনিৰ জৰিয়তে ৭ বছৰৰ পৰা ১৪ বছৰ বয়সলৈকে সকলো শিশুকেই সামৰি লবলৈ কেন্দ্ৰীয় চৰকাৰে চেষ্টা কৰিছিল। কিন্তু এই আঁচনি সমূহৰ দ্বাৰা চৰকাৰে আজিও লক্ষ্যত উপনীত হ'ব পৰা নাই।

প্ৰাথমিক শিক্ষাক বিনামূলীয়া আৰু বাধ্যতামূলক কৰাক দেখা দিয়া ব্যৰ্থতাৰ অন্তৰালত যে বহুতো কাৰণ নিহিত হৈ আছে সেইবিষয়ে চৰকাৰে উপলব্ধি কৰিলে। সেয়েহে এই ব্যৰ্থতা দূৰীকৰণ কৰাৰ মানসেৰে ৫২ তম্ National Sample Survey (১৯৯২-৯৩) আৰু ১৯৯৮-৯৯ চনৰ National Family and Health Survey ৰ তথ্যক ভিত্তি কৰি ১৪ বছৰ বয়সৰ সকলো ল'ৰা-ছোৱালীকে যাতে প্ৰাথমিক শিক্ষা গ্ৰহণৰ সুযোগ প্ৰদান কৰিব পৰা যায় তাৰ বাবে কেন্দ্ৰীয় চৰকাৰে এক সিদ্ধান্ত গ্ৰহণ কৰে। এই সিদ্ধান্ত মৰ্মেই "সৰ্বশিক্ষা অভিযান"ৰ পাতনি মেলা হয়। ইয়াৰ ফলস্বৰূপে কেন্দ্ৰীয় আৰু ৰাজ্যচৰকাৰৰ উমৈহতীয়া সহযোগত শেহতীয়াকৈ ভাৰতীয় সংবিধানৰ ১৯৯৩ চনৰ ৯৩ তম সংশোধনী অনুসৰি প্ৰাথমিক শিক্ষাগ্ৰহণক মৌলিক অধিকাৰ হিচাপে ঘোষণা কৰা হয় আৰু ১৯৯৯ চনত সৰ্বশিক্ষা অভিযান মিছন নামৰ এখন নতুন অভিলাষী আঁচনি প্ৰস্তুত কৰি ২০০১ চনৰ পৰা কাৰ্যকৰীভাৱে গ্ৰহণ কৰা হয়।

মুঠৰ ওপৰত সৰ্বশিক্ষা অভিযান হ'ল কেন্দ্ৰীয় ৰাজ্যিক চৰকাৰ, কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰৰ অংশীদাৰ হিচাপে লৈ চলোৱা এক সামগ্ৰিক তথা যৌথ প্ৰচেষ্টা। এই অভিযানে সমগ্ৰ দেশৰ প্ৰাথমিক শিক্ষাৰ গুণগত মানদণ্ড উন্নত কৰাৰ দাবী পূৰণ কৰাত বিশেষভাৱে সহায় কৰিব বুলি আশা কৰা হৈছে।




লগতে দেশৰ পিছপৰি থকা শিশুসকলক বিকাশ কৰাৰ প্ৰচেষ্টা হাতত লোৱা হৈছে।

সমগ্ৰ ভাৰতবৰ্ষত ৬ ৰ পৰা ১৪ বছৰ বয়সৰ সকলো শিশুকে লিংগ আৰু আঞ্চলিক ভিত্তিক বৈষম্য দূৰ কৰি সামগ্ৰীকভাৱে ফলদায়ক গুণসম্পন্ন প্ৰাথমিক শিক্ষা প্ৰদান কৰা আৰু সম্প্ৰসাৰণ ঘটোৱাৰ উদ্দেশেৰে সৰ্বশিক্ষা অভিযানে বিভিন্ন কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। উপযোগী প্ৰাথমিক শিক্ষা প্ৰদান কৰা, প্ৰাসংগিক প্ৰাথমিক শিক্ষা প্ৰদান কৰা আৰু সামাজিক ন্যায় সাধনাতে ৰাইজৰ অংশ গ্ৰহণ নিশ্চিত কৰাৰ উদ্দেশ্যক সাৰোগত কৰি সৰ্বশিক্ষা অভিযানে কিছুমান লক্ষ্য আগত ৰাখিছে।

উদাহৰণস্বৰূপে ৬ ৰ পৰা ১৪ বছৰ বয়সৰ সকলো শিশুকে ২০০৩, ২০০৭ আৰু ২০১০ চনৰ ভিতৰত ক্ৰমে বিদ্যালয়ত নামভৰ্ত্তি নিশ্চিতকৰণ, প্ৰাথমিক স্তৰৰ প্ৰথম পাঁচবছৰীয়া শিক্ষা সম্পূৰ্ণ কৰোৱা আৰু আঠ বছৰীয়া প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰাৰ লক্ষ্যত আগত ৰাখে। লগতে ২০১০ চনৰ ভিতৰত শিক্ষাৰ ক্ষেত্ৰত থকা সামাজিক আৰু লিংগ বৈষম্য আঁতৰ কৰোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা আৰু সাৰ্বজনীনভাৱে নিশ্চিতকৰণ কৰিবলৈ অকালতে বিদ্যালয় ত্যাগ কৰা শিশুৰ হাৰ শূণ্যলৈ কমোৱাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

ইয়াৰ উপৰিও সৰ্বশিক্ষা অভিযান আঁচনিৰ জৰিয়তে প্ৰাথমিক পৰ্যায়ৰ পৰাই ফলপ্ৰসূভাৱে শিশুসকলক প্ৰাকৃতিক পৰিৱেশৰ জ্ঞান লাভ কৰোৱা, প্ৰাথমিক শিক্ষাৰ মাধ্যমেৰে শিশুসকলক মূল্যবোধৰ শিক্ষা প্ৰদান কৰা আদি লক্ষ্য আৰু উদ্দেশ্যসমূহ নিশ্চিতকৰণ কৰিব পৰাকৈ সৰ্বশিক্ষা অভিযান সংকল্পবদ্ধ।

সৰ্বশিক্ষা অভিযানৰ মাজেৰে প্ৰাথমিক শিক্ষাৰ গুণগত



মানৰ উন্নতিৰ লগতে সাঙোৰ খাই থকা অন্যান্য কাৰক সমূহৰ গুৰুত্ব সহকাৰে বিবেচনা কৰি শিক্ষাৰ ক্ষেত্ৰত বিৰাজমান হোৱা বৈষম্য দূৰ কৰাৰ প্ৰয়াস কৰা হৈছে। ইয়াৰ বাবে সমাজ, অভিভাৱক, শিক্ষক, শিক্ষা, প্ৰশাসক, জিলা প্ৰশাসক আদি সকলোকে জড়িত কৰি এক সমন্বিত প্ৰচেষ্টাৰে প্ৰাথমিক শিক্ষাৰ সৰ্বতোপ্ৰকাৰ উন্নতিৰ হকে কৰ্মসম্পাদনৰ লক্ষ্য আগত ৰাখি অভিযানৰ কাম সমূহক কেইটামান মূল ভাগত বিভক্ত কৰিছে। চলত চমুকৈ এইবোৰৰ বিষয়ে আলোচনা কৰা হ'ল।

পৰিকল্পনা আৰু সুপৰিচালনা ব্যৱস্থাৰ সংস্কাৰ সাধন কৰা, আনুষ্ঠানিক শিক্ষাক প্ৰায়োগিক কৰি তোলা, শিক্ষাৰ ক্ষেত্ৰত হোৱা আয়-ব্যয় পৰিচালনা কৰা শৈক্ষিক দিশৰ লগতে বিদ্যালয়সমূহৰো উন্নতি সাধন কৰা, শিক্ষাৰ পৰিৱেশ আকৰ্ষণীয় আৰু আনন্দময় কৰি তোলা, প্ৰাথমিক শিক্ষাৰ দায়িত্ব ক্ষমতা বিকেন্দ্ৰীকৰণ পদ্ধতিৰে ৰাইজৰ হাতত অৰ্পণ কৰা, পাহাৰীয়া অঞ্চল, চৰ অঞ্চল, পিছপৰা অঞ্চলত শিক্ষাৰ বিকাশত গুৰুত্ব দিয়া আদি।

তদুপৰি শিক্ষা প্ৰশাসনৰ মূল্যায়ন, শিক্ষাৰ বিত্তীয় পৰিস্থিতি, শিক্ষক নিয়োগ, পৰীক্ষা মূল্যায়ন, শিক্ষা আইন পুনৰীক্ষণ আদি সকলোবোৰ দিশ অনুধাৱন কৰি পৰ্যালোচনা কৰিবলৈ আৰু সিদ্ধান্ত গ্ৰহণ কৰিবলৈ দায়িত্বভাৰ তৃণমূল পৰ্যায়লৈ সম্প্ৰসাৰণ কৰাৰ পোষকতা কৰা হৈছে। এনেবোৰ কাৰ্য সম্পাদন কৰোতে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় সাহাৰ্য্য অব্যাহত ৰখাৰ দিহা কৰা হৈছে। লগতে এই কাৰ্যসমূহ সম্পাদন কৰোতে হোৱা আয়-ব্যয়ৰ হিচাব আদিও ৰাইজৰ দ্বাৰা কৰোৱাই নিজৰ পৱিত্ৰতা ৰক্ষা কৰিবলৈকো অভিযানে সকলোকে অনুৰোধ জনাইছে।

সৰ্বশিক্ষা অভিযানে কেইটামান বিশেষ দিশৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। যেনে-ৰাজ্যিক পৰ্যায়ত ৰাজ্যৰ প্ৰাথমিক শিক্ষাৰ প্ৰশাসন আৰু নীতিৰ সংস্কাৰ সাধন কৰা । ৰাজ্যিক পৰ্যায়ত মিছন গঠন কৰা, শৈক্ষিক দিশৰ উন্নতি সাধন কৰা, বিকল্প উদ্ভাৱনীমূলক শিক্ষাৰ সম্প্ৰসাৰণ কৰা, শিশুৰ বাবে বিনামুলীয়া পাঠ্যক্ৰমৰ যোগান ধৰা, ব্যক্তিগত বিদ্যালয়ৰ শিক্ষকক চৰকাৰী বিদ্যালয়ত মকৰল কৰা, ৰাজ্যবোৰে বিনামূলীয়া প্ৰস্তুত কৰিব আদি।

ইতিমধ্যে এই আঁচনিৰ নিৰ্ধাৰিত সময়সূচী শেষ হৈছে। অৰ্থাৎ ২০১৪ চনৰ মাৰ্চ মাহত ইয়াৰ কাৰ্যকাল শেষ হৈছে। আগতে উল্লেখ কৰি অহা হৈছে যে এই আঁচনিখন ৬ ৰ পৰা ১৪ বছৰ বয়সৰ শিশুৰ ক্ষেত্ৰত প্ৰাথমিক শিক্ষাক বিনামূলীয়া আৰু বাধ্যতামূলক কৰাত দেখা ব্যৰ্থতাৰ দূৰকৰণৰ বাবে প্ৰস্তুত কৰা হৈছিল। কিন্তু এই ক্ষেত্ৰত আঁচনিখন যে সফল হ'ব নোৱাৰিলে সেই কথা আমি ২০০৯ চনৰ ভাৰতবৰ্ষৰ কেন্দ্ৰীয় চৰকাৰৰ শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক অধিকাৰ আইনখনৰ পৰা বুজিব পাৰো কিয়নো, যদি সৰ্বশিক্ষাই বিনামূলীয়া আৰু বাধ্যতামূলক কৰাত দেখা দিয়া ব্যৰ্থতাৰ কাৰণসমূহ সমাধান কৰিব পাৰিলে হয় তেন্তে "শিক্ষাৰ অধিকাৰ আইন"খন কেন্দ্ৰীয় চৰকাৰে প্ৰয়োগ নকৰা হ'লেও হ'লহেতেন।

স্বাধীনতাৰ পিছৰ পৰা কেন্দ্ৰীয় চৰকাৰে বহুতো কৰ্ম আঁচনি, অধিকাৰ আইন বা আঁচনি শিক্ষাৰ ক্ষেত্ৰত প্ৰয়োগ কৰি আছে যদিও বৰ্তমানেও দেশত বহুতো শিশু বিদ্যালয় নোযোৱাকে আছে আৰু বহুতো নিৰক্ষৰলোক এতিয়াও আছে। ২০১১ চনৰ লোকপিয়ল মতে ভাৰতৰ জনসংখ্যাৰ ৭৫ শতাংশ শিক্ষিত । অৰ্থাৎ বৰ্তমান ভাৰতবৰ্ষৰ শিক্ষিত হাৰ ৭৫ শতাংশ। এতিয়াও দেশত ২৫ শতাংশ নিৰক্ষৰ লোক আছে। স্বাধীনতাৰ ৬৭ বছৰৰ পিছতো দেশত নিৰক্ষৰ লোকৰ সংখ্যা হ্ৰাস কৰাত কেন্দ্ৰীয় চৰকাৰে ব্যৰ্থই হৈ আছে।

◆◆

## মহৎ লোকৰ বাণী

*Sri Bishnu Rajkhowa*
*B.A. 2nd Sem*

১. আনৰ কথাত কাণ নিদিবা, কিন্তু অন্তৰ উজাৰি তোমাৰ মনৰ কথা কাকো নকবা, কাৰণ সেই বন্ধুজন কেতিয়াবা শত্ৰু হ'লে তোমাৰ গোপন কথা জগতে জানিব।

— ৷

২. যি জন মানুহক তুমি ভাল নোপোৱা, তেওঁ বিষয়ে ভাবি এক মিনিট সময়ো খৰচ নকৰিবা।

— আইছেন হাৱাৰ

৩. এখন ভাল কিতাপ সকলো বন্ধুতকৈ আপোন। বন্ধু গুচি গলেও কিতাপখন চিৰকাললৈ থাকে।

— টুপাৰ

# ফেচবুক যাৰ ৰাগীত সকলো মতলীয়া

✍ বিশ্বজিৎ গগৈ
স্নাতক পঞ্চম যান্মাসিক

বৰ্তমান সময়ত পৃথিবীৰ সকলো ঠাইতে "ফেচবুক" জনপ্ৰিয়তাৰ উত্তৰ শিখৰত। বৰ্তমান প্ৰায় প্ৰত্যক গৱাকী যুৱতী-যুৱতীৰে "ফেচবুক" একাউন্ট আছে। তাৰ উপৰিও বয়সস্থসকলৰ মাজতো ফেচবুকে জনপ্ৰিয়তাৰ লাভ কৰিছে। আনকি ১০-১৫ বছৰীয়া ল'ৰা-ছোৱালী মাজতো ফেচবুক পৰিচিত।

'ফেচবুক' ছফটৱেৰটো আৱিষ্কাৰ কৰিছিল- আমেৰিকা হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ ছাত্ৰ " মাৰ্ক জুকাৰবাৰ্গে" তেওঁৰ বন্ধুসকলৰ সহায়ত ২০০৪ চনৰ ৪ ফ্ৰেব্ৰুৱাৰীত।

সময় পাখিলগা কাঁড়ৰ দৰে। ইয়াক কোনেও ধৰি ৰাখিব নোৱাৰে । ঠিক তেনেকৈ সময় বাগৰা লগে লগে পৃথিবীৰ প্ৰতিটো প্ৰান্ততে ফেচবুক জনপ্ৰিয় হ'বলৈ ধৰিছে। ফেচবুক জন্মৰ ১০ বছৰ ভিতৰতে অত্যাধিক জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। আজি প্ৰতি ঘন্টাতে ফেবুকৰ গ্ৰাহকৰ সংখ্যা বাঢ়িবলৈ ধৰিছে। পৃথিবীৰ মুঠ ৮০% মানুহে আজি ফেচবুক ব্যৱহাৰ কৰা দেখা যায়।

বৰ্তমান সময়ত ১৮ বছৰৰ পৰা ৪৮ বছৰ বয়সৰ মানুহে সৰ্বাধিক পৰিমাণে ফেচবুক ব্যৱহাৰ কৰে। ফেচবুকত বন্ধু বান্ধৱীৰ লগত মেছেজ কৰা, লাইক কৰা, ফটো আপলড কৰা, কমেন্ট প্ৰদান কৰা, গ্ৰুপ খোলা আদি নানা ধৰণৰ কৰ্ম আজিৰ যুবক-যুৱতীৰ দৈনন্দিন জীৱনৰ এক যেন লেখত লবলগীয়া কৰ্ম হিচাপে পৰিণত হৈছে।

পৃথিৱীৰ প্ৰায় বেছি সংখ্যাকেই মবাইলত ফেচবুক ব্যৱহাৰ কৰে। ফেচবুকত এনে কিছুমান একাউন্ট আছে যিবোৰ মিছা অৰ্থাৎ ফেক্ ফেচবুক একাউন্ট বুলি কোৱা হয়। আজি অধিকাংশ ছোৱালীৰ নামতেই বহুতো একাউন্ট আছে। এই ফেক একাউন্টবোৰে বিভিন্ন ধৰণৰ সমস্যা সৃষ্টি কৰি বিপদত পেলাইছে।

প্ৰতিদিনাই ফেচবুকত বন্ধু বান্ধৱীৰ লগত মেছেজৰ সহায়ত কথা বতৰা চলে। পৃথিৱীৰ প্ৰায় ৫০ টা মান ভাষাত ফেচবুকৰ মতবিনিময় হয়। ফেচবুকৰ জনপ্ৰিয়তাৰ লগে লগে ইয়াৰ ব্যৱহাৰৰ ভাল আৰু বেয়া দুয়োটা দিশে দেখা দিছে। বৰ্তমান সময়ত বুদ্ধিজীৱী তথা সমাজ সচেতন ব্যক্তিয়ে বিশেষকৈ শিক্ষাৰ্থী, যুৱক- যুৱতী তথা কম-বয়সীয়া ল'ৰা -ছোৱালীয়ে অত্যাধিক ফেচবুক ব্যৱহাৰ কৰাটো বিৰোধিতা কৰি আহিছে। কিয়নো ফেচবুকে বহু শিক্ষাৰ্থী, যুৱক-যুৱতী তথা কম বয়সীয়া ল'ৰা-ছোৱালীক বিপথে পৰিচালিত কৰিব ধৰিছে। শিক্ষাৰ্থী তথা যুৱক- যুৱতীসকলে পঢ়াৰ সলনি তথা নিজৰ প্ৰয়োজনীয় কৰ্মৰ সলনি ফেচবুক ব্যৱহাৰ কৰি বহু মূল্যৱান সময় নষ্ট কৰি আহিছে। সেইদৰে কম বয়সীয়া ল'ৰা-ছোৱালীয়ে ফেচবুকত বিভিন্ন অশ্লীল ফটো তথা বিষয়ৰ প্ৰতি আৰ্কষিত হৈ পৰিছে। যাৰ দ্বাৰা এক ভয়ংকৰ ভৱিষ্যত কঢ়িয়াই অনাৰ সম্ভাৱনীয়তাই দেখা দিব ।




পৃথিৱীৰ প্ৰায় সকলো স্থানতে জনপ্ৰিয়তা হোৱা লগে লগে ফেচবুকক কেন্দ্ৰ কৰি বৰ্তমান সময়ত বিভিন্ন ঘটনা সংঘটিত হৈ আহিছে। যাৰ উদাহৰণ বহুতো পোৱা যায়। কোনো এটা বস্তুৰ ইতিবাচক তথা নেতিবাচক দুয়োটা দিশে দেখা দিয়ে। যদি ইয়াক ব্যৱহাৰ কৰাসকলে ইতিবাচক মনোভাবৰ বস্তুবোৰ ব্যৱহাৰ কৰে তেন্তে তাৰ পৰা কেৱল মাথো উপকাৰহে হ'ব, অপকাৰ নহয়। মাৰ্কজুকাৰ বাৰ্গে মানুহৰ উপযোগিতাৰ বাবেহে 'ফেচবুক' ছফটৱেৰটো আৱিষ্কাৰ কৰিছিল। এই ফেচবুকক ইতিবাচক দিশেৰে নিজৰ উপযোগী কৰি ব্যৱহাৰ কৰিলে ইয়াৰ ব্যৱহাৰত ভৱিষ্যতে কোনেও প্ৰশ্ন উত্থাপন কৰিব নোৱাৰিব।

◆◆





# ছক্ৰেটিছৰ জীৱনৰ চমু আভাস

✍ মধুস্মিতা বুঢ়াগোহাঁই
স্নাতক পঞ্চম যান্মাসিক

খ্ৰীষ্টপূৰ্ব ৪৬৯ ৰ পৰা ৩৯৯ ৰ ভিতৰৰ কালছোতৰাত 'এথেন্স'খন অতি সৰু চহৰ আছিল। যত পৰস্পৰে পৰস্পৰক চিনি পোৱাৰ সুবিধা অতি সহজলভ্য আছিল। কোনো ধৰণৰ ছপা কিতাপ বা বাতৰি কাকত নোহোৱা সত্তেও সকলোবোৰ কথা ইজন-সিজনৰ মুখে বাগৰি সকলোৱে সহজে জানিব পাৰিছিল।

খ্ৰীঃ পূঃ ৪৬৯ ত এই 'এথেন্স' নামৰ সৰু চহৰৰ এটা অভিজাত পৰিয়ালত 'ছক্ৰেটিছ' নামৰ দাৰ্শনিক জনৰ জন্ম হৈছিল। তেখেতৰ পিতৃ নাম আছিল ছক্ষোনাইছাৰ আৰু মাতৃ নাম আছিল ক্ষীণাৰিট। ছক্ৰেটিছৰ দেউতাক আছিল এজন শিলৰ ওপৰত নক্সা কটা এজন পাকেট বাটে আৰু মাক আছিল বৃত্তিত এগৰাকী ধাত্ৰী। ডেকা কালত ছক্ৰেটিছে পিতাকৰ বৃত্তিকে লৈছিল। কিন্তু পাছলৈ তেওঁ এই বৃত্তি এৰি দি নিজা দাৰ্শনিক মতবাদ গঢ়ি তোলাৰ মহৎ উদ্দেশ্যত উপনীত হ'ব বাবে ব্ৰতী হৈছিল।

ছক্ৰেটিছ বাল্যকালত 'প্ৰদিকাছ' আৰু 'ড্যামন' নামৰ দুজন ঘৰুৱা শিক্ষকৰ ওচৰত শিক্ষা গ্ৰহণ কৰিছিল। কিন্তু দৰ্শন ঘৰুৱা শিক্ষকৰ ওচৰত শিক্ষা গ্ৰহণ কৰিছিল। কিন্তু দৰ্শন সৰ্ম্পৰ্কে শিক্ষা লবৰ বাবে ছক্ৰেটিছক কোনো অনুষ্ঠান বা দাৰ্শনিকৰ ওচৰত শিক্ষা দিয়া সৰ্ম্পকিত কোনো নিৰ্ভৰযোগ্য তথ্য পোৱা নাযায়। ছক্ৰেটিছে যি শিকিছিল সেয়া তেওঁ নিজৰ বিবেক আৰু অভিজ্ঞতাৰ পৰা লাভ কৰিছিল। আৰু তাৰ দ্বাৰাই তেওঁ নিজা দৰ্শন গঢ়ি তুলিছিল।

ছক্ৰেটিছৰ জীৱন- নিৰ্বাহ পদ্ধতি আছিল অতি সাধাৰণ। তেওঁ অতি সাধাৰণ সাজ-পোছাক আৰু খালী ভৰিৰেই ফুৰা -চকা কৰিছিল। অৱস্থাৰ খাতিৰত তেওঁ সৈনিক হিচাপে যোগদান কৰি তাতো তেওঁৰ দক্ষতা দেখুৱাবলৈ সক্ষম হৈচিল। সৈনিক হিচাপে থকা অৱস্থাতো তেওঁ অতি সহজ-সৰল জীৱন কটাইছিল, যদিও তাত তেওঁ বেছি দিন নাথাকিল। কোনো ৰাজনৈতিক দলৰ নেতৃত্ব দি বা চৰকাৰী চাকৰি কৰি জীৱন কটোৱাৰ তেওঁ একেবাৰে পক্ষপাতী নাছিল।

ছক্ৰেটিছ দেখাত অনাকৰ্ষণীয় ব্যক্তি আছিল যদিও তেওঁ অতি তীক্ষ্ম বুদ্ধি সম্পন্ন আৰু অদম্য সাহসী লোক আছিল। ছক্ৰেটিছ এজন অদম্য সাহসী লোক আছিল। ছক্ৰেটিছক এজন চোকা সমালোচক বুলিও কোৱা হৈছিল। তেওঁ কোনো এটা বিষয়ৰ সিদ্ধান্ত লোৱাৰ আগতে বিষয়টো চালি-জাৰি চাই প্ৰশ্ন আৰু উত্তৰৰ যোগেদি সত্য উদঘাটন কৰিবলৈ তেওঁ সদায়েই প্ৰয়াস কৰিছিল। যুক্তিহীন আৰু অন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত কোনো কথাকেই তেওঁ মানি নলৈছিল।

ছক্ৰেটিছ ইমানে চোকা লোক আছিল যে, তেওঁৰ গুণমুগ্ধ ছাত্ৰ-ছাত্ৰীয়েও পিছ এৰা নাছিল। কিয়নো তেওঁলোকে ছক্ৰেটিছক সদাসৰ্বদা শ্ৰদ্ধা কৰিছিল। ইয়াৰ মূল কাৰণ আছিল এজন প্ৰকৃত দাৰ্শনিক হিচাপে তেওঁ মানৱীয় মূল্যবোধক অতিকে গুৰুত্ব চাপিছিল। তেওঁ কিন্তু জ্ঞানী বুলি কোনো দিনেই স্বীকাৰ কৰা নাছিল। তেওঁ নিজকে এজন ন-শিকাৰু হিচাপেহে গণ্য কৰিছিল। ডেলফীৰ প্ৰামাণিক জ্ঞানগৰ্ভ বাক্যানুষ্ঠানে ছক্ৰেটিছক গ্ৰীচৰ আটাইতকৈ জ্ঞানী ব্যক্তি বুলি স্বীকৃতি দিছিল।

ছক্ৰেটিছে বাৰম্বাৰ স্বীকাৰ কৰিছিল- " One thing only I know, and that is that I know nothing." "এজন ব্যক্তিৰ দাৰ্শনিক চিন্তা তেতিয়াহে আৰম্ভ হয়, যেতিয়া তেওঁ নিজা বিশ্বাস আৰু চিন্তাধাৰাক বিশ্লেষণ কৰিবলৈ আৰম্ভ কৰে। যেতিয়ালৈকে নিজৰ মনক পৰীক্ষা কৰা নহয়, তেতিয়ালৈকে নিজা দৰ্শন গঢ়ি নুঠে।"

ছক্ৰেটিছে কৈ গৈছে সামূহিক জীৱন যাত্ৰাত সকলোৰেই কিছুমান নীতি মানি চলিব লাগে। তাৰ পৰা হাত এৰাই চলিবলৈ চেষ্টা কৰাটোৱেই হৈছে সমাজখনক ধ্বংসৰ মুখলৈ লৈ যোৱা।

ছক্ৰেটিছে তেওঁ মৃত্যুৰ সময়লৈকে তেওঁ নিজা আদৰ্শৰ পৰা কেতিয়াও বিচলিত হোৱা নাছিল।

◆◆

# সংৰক্ষিত বনাঞ্চলৰ পৰা (বিশ্বৰ ঐতিহ্যলৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ)

✍ বনদীপ চাংমাই
প্ৰাক্তন ছাত্ৰ

পৃথিৱীৰ প্ৰায় দুই তৃতীয়াংশ এশিঙীয়া গঁড়ৰ বাসস্থান তথা সংৰক্ষিত বনাঞ্চলসমূহৰ ভিতৰত সৰ্বাধিক ঘনত্বৰে ঢেঁকীয়াপতীয়া বাঘৰ বসতিস্থল কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান গোলাঘাট আৰু নগাওঁ জিলাত অৱস্থিত। এই গোলাঘাট আৰু নগাঁও জিলাৰ ৪৩০ বৰ্গ মাইল আগুৰি থকা অসমৰ প্ৰথমখন ৰাষ্ট্ৰীয় উদ্যান বৰ্তমান বিশ্বৰ ঐতিহ্যৰ ক্ষেত্ৰৰূপে পৰিচিত। কাজিৰঙাৰ মাজেদি আছে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ, উত্তৰে ব্ৰহ্মপুত্ৰ নদী দক্ষিণে কাৰ্বি পাহাৰ, পূবে বোকাখাট আৰু পশ্চিমে জখলা বন্ধা। এশিঙীয়া গঁড়ৰ বাবে বিখ্যাত কাজিৰঙা আহোম ৰাজত্বৰ কালত পৰিচিত আছিল "ভোগদুৱাৰ" হিচাপে। বিট্ৰিছ শাসন কালৰ পৰাহে ইয়াক কাজিৰঙা "কাজি" আৰু "ৰঙাই" নামৰ এক দম্পত্তিৰ স্মৃতিত প্ৰতাপ সিংহই ঠাই টুকুৰাৰ নাম কাজিৰঙা ৰাখিছিল। আকৌ মোৱামৰীয়া বিদ্ৰোহৰ সময়ত বিদ্ৰোহী সকলে হত্যা কৰা "ফেচেং হাজৰিকা" নামৰ আহোম বিষয়াজনৰ গাৰ তেজ অনুসৰি কাজিৰঙা হয় বুলি বহুলোকে কয়। কিছুপণ্ডিতৰ মতে কাজিৰঙা শব্দটো আৰ্যমূলীয় শব্দ। এসময়ত ইয়াত ৰজাৰ হাতীশাল আছিল। সংস্কৃত ভাষাত ইয়াক "কুঞ্জৰ ৰঙ্গ" বোলা হয় আৰু তাৰে অপভ্ৰংশ হৈ কাজিৰঙা নামৰ উৎপত্তি হৈছে। প্ৰত্নতত্ববিদ ৰাজমোহন নাথৰ মতে কাৰ্বি ভাষাৰ "কাজো লাংচ (ৰঙা ছাগলী বা পছুৱে পানী খোৱা টাই) পৰা কাজিৰঙা নামৰ উৎপত্তি হৈছে।

পূৰ্ব হিমালয়ৰ জৈৱবৈচিত্ৰৰ উল্লেখযোগ্য স্থানত অৱস্থিত এই উদ্যানখনৰ মাজেৰে ব্ৰহ্মপুত্ৰকে ধৰি চাৰিখন গুৰুত্বপূৰ্ণ নৈ বৈ গৈছে। ২০০৫ চনত সংৰক্ষিত বনাঞ্চল হিচাপে শতবৰ্ষ অতিক্ৰম কৰা এই বনাঞ্চলখনত ১৯০৪ চনতেই লৰ্ড কাৰ্জনৰ পত্নী লেডী লেইষ্টাৰ কাৰ্জনে এশিঙ্গীয়া গঁড় চাবলৈ আহিছিল যদিও, গঁড়ৰ পৰিৱৰ্তে গঁড়ৰৰ খোজৰ চিনহে দেখা পালে। পৰিপেক্ষিতত লেডী লেইষ্টাৰ কাৰ্জনৰ অনুৰোধ মৰ্মে পৰি লৰ্ড কাৰ্জনে ১৯০৫ চনৰ ১ জুনৰ দিনা ২৩২ বৰ্গ কিঃমিঃ বনাঞ্চল সামৰি কাজিৰঙাৰ প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষনা কৰে। ১৯০৮ চনৰ ৩ জানুৱাৰীত বিট্ৰিছ বুৰক্ৰেচি ৰুলিং প্ৰয়োগ কৰি সংৰক্ষিত বনাঞ্চললৈ উন্নীত কৰে। ১৯১৬ চনত ১০ নৱেম্বৰত বনাঞ্চলখনক কাজিৰঙা প্ৰমোদ উদ্যান হিচাপে নামাকৰণ কৰা হয়। কিন্তু তেতিয়াও কাজিৰঙাত অবাধ চিকাৰ কাৰ্য্য চলি থকাত ১৯৩৮ চনত বিট্ৰিছ বনসংৰক্ষক এ.জে.মিলৰয় নামৰ বিট্ৰিছ বিষয়াজনে কাজিৰঙাত চিকাৰ কাৰ্য্য নিষেধ কৰি কেৱল পৰ্যটকৰ দৰ্শনৰ বাবে অনুমোদন জনায়। ১৯৫০ চনত কাজিৰঙাক বন্যপ্ৰাণীৰ অভয়াৰণ্যলৈ উন্নীত কৰে। ১৯৬৮ চনৰ অসম ৰাষ্ট্ৰীয় উদ্যান আইন অনুসৰি ১৯৭৪ চনৰ ১১ ফেব্ৰুৱাৰীত ৪৩০ বৰ্গমাইল অঞ্চলটোক আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰীয় উদ্যান হিচাপে ঘোষণা কৰে। ১৯৮৫ চনত ইউনেস্কৰে(UNESCO) কাজিৰঙাক বিশ্বৰ ঐতিহ্যৰ স্থান হিচাপে স্বীকৃতি দিয়ে।

আগৰাতলি বনাঞ্চল, কহুঁৰা বনাঞ্চল, বাগৰি বনাঞ্চল আৰু বুঢ়াপাহাৰ ঘোঁৰাকাতি বনাঞ্চল এই চাৰিটা ভাগত বিভক্ত কাজিৰঙাৰ বন্যপ্ৰাণীৰ বিচৰণ আৰু বিকাশৰ বাবে সকলোবোৰ প্ৰাকৃতিক উপাদানেৰে পৰিহুষ্ট হৈ আছে। এশিঙীয়া গঁড়ৰ বাবে বিখ্যাত কাজিৰঙাৰ বন্যপ্ৰাণীৰ আৰু গছ-গছনিৰ তালিকাখনো আকৰ্ষণীয়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ৩৫ বিধ স্তন্যপায়ী প্ৰজাতিৰ বসবাস আৰু প্ৰজননস্থলী । ইয়াৰে ১৫ টা প্ৰজাতি প্ৰাকৃতিক সংৰক্ষণ অৰ্ন্তজাতিক সংঘৰ **IUCN** তালিকাত বিপদসংকুল বুলি ঘোষিত হৈছে। এশিঙীয়া গঁড়, বনৰীয়া ম'হ, দলহৰিন, হাতী আৰু ঢেঁকীয়াপতীয়া বাঘক কাজিৰঙাৰ "বিগসহিভ হিচাপে জনা যায়"। অন্য জন্তুবোৰৰ ভিতৰত মেথোন, সৰপহু, সৰুজাতিৰ তৃণ ভোজীৰ প্ৰাণীৰ ভিতৰত সুগৰি পহু, বনৰীয়া গাহৰি আদি যথেষ্ট পৰিমানে পোৱা যায়। সমগ্ৰ পৃথিৱীৰেই ৫৭ শতাংশ বনৰীয়া পানী ম'হ এই কাজিৰঙাত পোৱা যায়।

২০০৬ চনত কাজিৰঙাক বাঘ সংৰক্ষনৰ ক্ষেত্ৰ হিচাপে ঘোষনা কৰা হয়। পৃথিৱীৰ ভিতৰকে বাঘ বহল ক্ষেত্ৰ। মেকুৰীজাতিৰ অন্যপ্ৰাণীৰ ভিতৰত বনৰীয়া মেকুৰী, মাছুৱৈ, মেকুৰী লতা, মেকুৰী বাঘ অন্যতম, স্তন্যপায়ী প্ৰাণী যেনে বিৰল প্ৰজাতিৰ খাগৰিকতা পহু, বৰনেউল, জহামাল,শিয়াল, সোনালী শিয়াল, ভালুক, মাটি গাহৰি আৰু ঝংকেক (উৰণীয়া কেৰকেতুৱা) উল্লেখযোগ্য। ভাৰতত পোৱা ১৪ বিধ বান্দৰ প্ৰজাতিৰ ভিতৰত ন বিধ কাজিৰঙাতেই পোৱা যায়। ইয়াৰ ভিতৰত অন্যতম হৈছে অসমীয়া বান্দৰ টু পীমুৰীয়া বান্দৰ,সোনালী বান্দৰ আৰু বন মানুহ হিচাপে জনাজাত হলৌ বান্দৰ।

দেশৰ ৪৩৬ খন পক্ষী বিচৰণ ভূমিৰ ভিতৰত প্ৰথম স্থান পোৱা কাজিৰঙাত এতিয়ালৈকে ৩০০ ৰো অধিক পৰিভ্ৰমি



স্থানীয় চৰাই নথিভূক্ত কৰা হৈছে। ইয়াৰ ভিতৰত লামুকভঙা, চিলনী,শগুণ, মনিয়ৰী, পানিকাউৰী, ধনেশ, বাঢ়েটোকা, ঈগল, ভেলা, কৰুৱা কোবা, হাইঠা, কপৌ, ভাটৌ, কেতেকী, ফেঁচা, দিনকনা, পাতমাদৈ, টেকছেকি, বুলবুলি, দহিকতৰা ইত্যাদি উল্লেখনীয়। উদ্ভিদৰ ভিতৰত শিমলু, ঔটেঙা, কেম, মোকন, এজাৰ, ভেলকৰ, ভেৰ, মিজম,বট আঁহত ইত্যাদি।

ৰাষ্ট্ৰীয় উদ্যানখনৰ প্ৰায় ৫.৫৮ শতাংশ জলাশয়, ৬৬.৪৪ শতাংশ ঘাঁহনি আৰু প্ৰায় ২৮ শতাংশ অঞ্চল কাঠনিৰে পৰিপূৰ্ণ। ইয়াৰ জলবায়ু ক্ৰান্তীয় সেমেকা ।গ্ৰীষ্মকালত অত্যাধিক বৰষুণ হয়। বাৰ্ষিক বৃষ্টিপাতৰ পৰিমাণ গড় হিচাপত১৩২০ মিলিমিটাৰ। গড় তাপমান সৰ্বোৰ্চ্চ ৩৫° চেলচিয়াচ আৰু সৰ্বনিম্ন ৪.৭ ছেলছিয়াচ আদ্ৰতা শতকৰা ৮৫ শতাংশ।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শনৰ সময় অক্টোবৰ পৰা এপ্ৰিল মাহ। দেশী বিদেশী পৰ্যটকৰ বাবে চৰকাৰৰ পৰ্যটন বিভাগ আৰু বেচৰকাৰী পৰ্যটন সংস্থা সমুহে সুবিধা আগবঢ়াইছে। উদ্যান কৰ্তৃপক্ষই হাতী আৰু মটৰগাড়ীৰ ব্যৱস্থা কৰে।

ৰাষ্ট্ৰীয় উদ্যানখনক বৰ্তমানে অনেক সমস্যাই আগুৰি আছে। ই বিলাকৰ ভিতৰত চোৰাংচিকাৰ, বেদখল, বানপানী, বন্যজন্তু পৰিচালনাও ক্ৰটি ইত্যাদি উল্লেখনীয়। ইয়াৰ ভিতৰত শেহতীয়াকৈ গঁড় হত্যা উদ্যানখনৰ প্ৰধান সমস্যা ৰূপে থিয় দিছে। বিশেষকৈ যোৱা দুই তিনিটা বৰ্ষত যি হাৰত গঁড় হত্যা হেছে ইয়াৰ ফলত উদ্যানখনৰ অস্তীত্বই বিপদাপন্ন হৈছে। ১৯৮৫ চনৰ পৰা ২০১৪ ৰ মে' মাহলৈকে অসমত হত্যা কৰা ৭৫৬ টা গঁড়ৰ ভিতৰত কাজিৰঙাতেই হত্যা কৰা হৈছে ৫৪৬ টা। ২০১৩ চনত এই ৰাষ্ট্ৰীয় উদ্যানখনত সাতাইশটা (২৭) আৰু ২০১৪ চনৰ মে' মাহলৈকে সোতৰটা (১৭) গঁড় হত্যা কৰা হৈছে।

বানপানীত 'দ' অঞ্চলসমূহ ডুৱ যায় আৰু বন্য প্ৰাণী সমূহে ঘাইপথ অতিক্ৰম কৰোতে মৰে বা মানুহে হত্যা কৰে। বানপানিৰ লগতে হোৱা গৰাখহনীয়াই উদ্যানখনৰ এক বৃহৎ অংশ নিশ্চিন্ন কৰি পেলাইছে। একেদৰে বেদখলৰ ফলত কাজিৰঙাৰ সীমা সংকুচিত হোৱাৰ লগতে তৃণভূমি সংকুচিত হৈ আহিছে। বন্যজন্তু পৰিচালনাত বৈ যোৱা ক্ৰটিয়ে ইহঁতৰ মুক্ত বিচৰণ আৰু সুষম বিকাশত বাধাৰ সৃষ্টি কৰিছে। একেদৰে কম সংখ্যক নিৰাপত্তৰক্ষী বা তেওঁলোকৰ অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰৰ অভাৱো উদ্যানখনৰ আন এটা সমস্যা।

ৰাষ্ট্ৰীয় উদ্যানখনৰ মাটিকালি আৰু ইয়াৰ উপাদান সমূহক অক্ষুন্ন ৰাখিবৰ বাবে চৰকাৰৰ লগতে জনসাধাৰনো সচেতন হ'ব লাগিব। দাঁতিকাষৰীয়া অঞ্চলৰ জনসাধাৰণৰ অভাৱ? অভিযোগবোৰ বুজলৈ সিবিলাকৰ সমাধানৰ লগতে বেদখল আৰু চোৰাং চিকাৰৰ প্ৰতি তেওঁলোকক দায়িত্বশীল কৰি তুলিব লাগিব। উপযুক্ত পৰিমানৰ দৰমহা দি তেওঁলোকৰ আথিক নিৰাপত্তা নিশ্চিত কৰিব লাগিব। যোৱা ২০০৬ চনৰ পৰা ২০১৪ (মে' মাহলৈকে) চনলৈ ১৯৮ টা চোৰাংচিকাৰী গ্ৰেপ্তাৰ হোৱাৰ বিপৰিতে ২৭ টা চোৰাংচিকাৰী নিহত হৈছে। শেহতীয়াকৈ কেন্দ্ৰীয়মন্ত্ৰী সৰ্বানন্দ সোনোৱালে গঁড় হত্যাৰ চৰজমিন তদন্ত কৰা হ'ব বুলি ঘোষণা কৰিছে। কাজিৰঙাত থকা প্ৰকৃতি প্ৰদত্ত এই বন্যপ্ৰাণীসমূহ আৰু ইয়াৰ সৌন্দৰ্য্য মানুহে উপভোগ কৰিব পাৰে কিন্তু ইয়াক ধ্বংস কৰাৰ অধিকাৰ মানুহৰ নাই ।

(বিঃ দ্ৰঃ ব্যৱহৃত তথ্য সমূহ গ্ৰন্থ, বাতৰি কাকত আৰু ইন্টাৰনেটৰ পৰা সংগৃহীত) ◆◆

## মহৎ লোকৰ বাণী

● সত্যই হৈছে ঈশ্বৰ। ঈশ্বৰ সত্য, শুদ্ধ আৰু ন্যায়ৰ প্ৰতীক। - মহাত্মা গান্ধী।

● জন্মভূমি স্বৰ্গতকৈও শ্ৰেষ্ঠ। - শ্ৰীৰামচন্দ্ৰ

● দেশতকৈ মোমাই ডাঙৰ নহয়। — লাচিত বৰফুকন।

● নিজৰ ওপৰত বিশ্বাস ৰাখিব পাৰিলে পৃথিৱীত ভয় কৰাৰ কোনো কাৰণ নাথাকে। সততা, নিষ্ঠা, প্ৰেম আৰু বিশ্বাসৰ দ্বাৰা সকলো জয় কৰিব পাৰি। - সত্যনাথ বৰা।

● সৰু ফুটাৰ মাজেদি যেনেকৈ পোহৰ যায় তেনেকৈ সৰু সুৰা কথাৰ মাজেদি মানুহৰ মাহাত্ম্য প্ৰকাশ পায়। - লৰ্ড এভেৱেৰী।

# জীৱনৰ সফলতা

✍ কল্যাণ গগৈ
স্নাতক তৃতীয় ষাণ্মাসিক

প্ৰতিজন মানুহেই জীৱনটো পূৰ্ণভাৱে উপভোগ কৰিব বিচাৰে। জীৱন সম্পৰ্কে বেঞ্জামিন ফ্লেংকমিনে কৈছিল যে "তুমি যদিহে জীৱনটোক ভাল পোৱা, তেনেহলে অলপো সময় নষ্ট নকৰিবা কাৰণ সময়ৰ গতিয়ে জীৱন ।"

জীৱন সঁচাকৈয়ে এটা মনোমুগ্ধকাৰী শব্দ। মানুহৰ জীৱনৰ এটা আটাইতকৈ ডাঙৰ বৈশিষ্ট্য এইয়ে যে- মানুহে নিজৰ বাহিৰেও আন কাৰোবাক প্ৰাণভৰি ভাল পায়। মানুহৰ এই গুণটোৰ বাবেই হয়তো আজিও মানৱ জাতিৰ মাজত ইজনে সিজনৰ প্ৰতি সহায়, সহযোগিতা, দয়া,মৰম ইত্যাদি গুণবিলাক আছে। মানুহে জীৱনটো পূৰ্ণভাৱে উপভোগ কৰিবৰ বাবে মানুহৰ জীৱনত কেইটামান উপাদানৰ বৰ প্ৰয়োজন। সেইকেইটা হৈছে- প্ৰেৰণা, উৎসাহ, মৰম, উদ্দীপক। এই উপাদানকেইটা এজন মানুহে নিজেই আহৰণ কৰি ল'ব পৰা উপাদান নহয়। এইকেইটা আহৰণ কৰিবৰ বাবে মানুহৰ জীৱনত প্ৰেমৰ অঁতি প্ৰয়োজন। প্ৰেমৰ দ্বাৰাই মানুহে এই উপাদানকেইটা আহৰণ কৰিব পাৰে। নিষ্ঠা সততা প্ৰেম ভালপোৱা হৈছে জীৱনৰ মূল আধাৰ।

আচাৰ্য বিনোৱাজীয়ে কৈছে- "জীৱনম সত্য শোঠনম্।" জীৱন সত্যৰ সন্ধানৰ কাৰণে জীৱন সত্য প্ৰতিষ্ঠাৰ কাৰণে , জীৱন সত্য ৰক্ষাৰ কাৰণে, সত্যই জীৱন। গান্ধীজীৰ ভাষাত সত্যই ভগৱান। জীৱনক বুজিবলৈ হ'লে জীৱনক জয়ী কৰিবলৈ হ'লে জীৱনৰ গৰিমা,মহিমা বঢ়াবলৈ নিজৰ বিৰুদ্ধে প্ৰতিদিনে যুদ্ধ কৰিব লাগিব।

জীৱনৰ সংজ্ঞা কোনে দিব পাৰিব ? হয়তো পাৰিব কিন্তু নিদিষ্ট এটি সংজ্ঞাৰ মাজত জীৱনক সীমাবদ্ধ কৰি ৰাখিব নোৱাৰে। কোনোৱে কয় ভোগেই জীৱন, কোনোৱে কয় সুখ-দুখৰ সমষ্টিয়েই জীৱন। কোনোৱে ভোগেই জীৱন বুলি ভাৱে। ভোগ কৰি ভোগী হৈ যায়। শৰীৰত ৰোগ আহে। ৰোগৰ জীৱন গুচি যায়।

জীৱনৰ অন্য এটি নাম সংগ্ৰাম। কাৰণ সংগ্ৰামে জীৱন গঢ়ে। জীৱন সুন্দৰ কৰে। জীৱন পুৰা সোণৰ দৰে উজ্জল কৰে। সংগ্ৰামহীন জীৱনৰ মূল্য নাই । সৌন্দৰ্য নাই। পোন বস্তুতকৈ একা বেঁকা কেকুৰী থকা ৰাস্তা দেখিবলৈ সুন্দৰ। জীৱন সংগ্ৰামৰ অৰ্থ হল- জীৱনক ভয় কৰাৰ প্ৰচেষ্টা। জীৱনৰ সপক্ষে যুদ্ধ ঘোষণা কৰাৰ চেষ্টা । জীৱন যুদ্ধ অস্ত্ৰ- শস্ত্ৰ লৈ নহয়। বন্দুক-বাৰুদৰ দ্বাৰা নহয়, ডিঙিত চিপজৰী লৈ নহয়। জীৱন যুদ্ধ হ'ব লাগে প্ৰজ্ঞাৰ সাধনাৰে। বিচাৰ, বুদ্ধিৰে, যুক্তি তৰ্কৰে, চিন্তন আৰু মননেৰে।

মানুহে সমগ্ৰ পৃথিৱীৰ বিষয়ে জানিব পাৰে। চৰাইৰ দৰে আকাশত উৰিব পাৰে। মাছৰ দৰে পানীত বাস কৰিব পাৰে। কিন্তু নিজৰ বিষয়ে জানিব নোৱাৰে। আনক ভাল পাব পাৰে। কিন্তু নিজক ভালপোৱাটো বৰ জটিল। আনক জনাটো সহজ। কিন্তু নিজক জনাটো বৰ জটিল।

বিখ্যাত দাৰ্শনিক ফ্ৰেংক আউটলে কৈছিল- "আপোনাৰ চিন্তালৈ চকু দিয়ক, সিহঁত হ'বলৈ শব্দ, শব্দলৈ চকু দিয়ক, সিহঁত কামত পৰিণত হ'ব, কামলৈ চকু দিয়ক, সিহঁত হৈ পৰিব অভ্যাস, অভ্যাসলৈ চকু দিয়ক সিহঁত হৈ পৰিব চৰিত্ৰ, চৰিত্ৰলৈ নজৰ দিয়ক, সি হ'ব আপোনাৰ ভাগ্য।" এই প্ৰসংগত মই কওঁযে আপুনি ভাগ্যলৈ নজৰ দিয়ক সেইয়াই হৈ পৰিব আপোনাৰ জীৱন।

সেৱাই জীৱন। সেৱাই জীৱন সুন্দৰ কৰে। সেৱাই জীৱন মহান কৰে। সেৱাই মনৰ অহঙ্কাৰ দূৰ কৰে। সেৱাই মনৰ শক্তি বৃদ্ধি কৰে।

পানীৰ নিজস্ব গুণ আছে। আনৰ উপকাৰ সাধন কৰা আৰু তললৈ বৈ যোৱা। পানীয়ে সকলোৰে উপকাৰ সাধন কৰে। কিন্তু বিনিময়ত একো নলয়। পৰৰ উপকাৰ বাবেই পানী সদায় তললৈ নামি যায়। আকাশৰপৰা তললৈ আহে। পাহাৰৰ পৰা সমতললৈ আহে। পানীৰ দৰে জীৱনহে প্ৰকৃত জীৱন।

হেনৰি থৰোৱে কৈছিল- মানুহৰ জন্ম হয় সাফল্য লাভ কৰিবৰ বাবে, জীৱন বোধৰ শিক্ষাৰ বাবে । মানুহৰ জীৱনৰ প্ৰথম খট্‌খটিয়ে হৈছে আত্মবিশ্বাস। এই আত্মবিশ্বাসক মানুহৰ জীৱন সফলতা নিৰ্ভৰ কৰে। জীৱন বোধৰ শিক্ষা বা জীৱন উপলব্ধি কৰিবলৈ জীৱনৰ পৰিপূৰ্ণতাৰ বাবে মানুহক লাগিব সৃজনশীলতা আৰু আশাবাদীমন।

আত্মপ্ৰেম অবিহনে মানুহে সুস্থভাৱে জীৱন যাপন কৰিবলৈ সক্ষম নহয়। যিজনে নিজৰ জীৱনক ভাল পাই সেইজনেহে তেওঁ ভালকৈ থাকিবলৈ, ভালকৈ খাবলৈ আৰু আদৰ্শ মানুহ হ'বলৈ ভাল পায়। নিজক যি জনে মানুহ সম্পূৰ্ণৰূপে চিনি নাপায় সেইজন মানুহে কেতিয়াও নিজক ভাল পাব নোৱাৰে। যেতিয়া মানুহে নিজক ভাল পাবলৈ এৰি দিয়ে তেতিয়া মানুহ অস্থিৰ হয়, হিতাহিত জ্ঞান লোপ পায় আৰু উশৃংখল হৈ পাৰে।

আপুনি যদি নিজৰ জীৱনটোক সম্পূৰ্ণভাৱে উপভোগ কৰিব বিচাৰিছে তেন্তে আপুনি নিজকভাল পাওঁক। যিজন মানুহে নিজক ভাল পাব জানে, তেওঁ আনক ভাল পাবলৈও শিকিব আৰু ইয়াতেই জীৱনৰ সফলতা।

মোক এজন শিক্ষা গুৰুৱে এটি উপদেশ এনেদৰে দিছিল-

জীৱনে বোৱাই আনে সফল হোৱাৰ ঢৌ
যিদৰে এজাউৰি হাঁহিয়ে ভৰাই নোতোলে সুখৰ পেৰা।
সুখী হ'বলৈ নহয়
সফল হ'বলৈ দৌৰা........
যিহেতু
সফলতাইহে
কোবাই সুখৰ ঢৌ
ভৰাই তোলে সুখৰ পেৰা।।

◆◆





## কুকুৰ

লিলি হাজৰিকা
নিতাইপুখুৰী উঃ মঃ বিদ্যালয়
অসমীয়া বিভাগৰ সহকাৰী শিক্ষয়িত্ৰী

এই জাক কুকুৰ
স্পঞ্জৰ বিচনাত
নীৰলে নেগুৰ পকাই শুইছে,
ক'ত কি হৈছে
সিহঁতে জানে অথচ ভুকিব নোৱাৰে।
এইজাক কুকুৰ
চহৰৰ ............
সিহঁতে খায় প্ৰোটিনযুক্ত মাছ মাংস
মাজে সময়ে বিদেশী সুৰাৰ চৰবৎ
তথাপি
সিহঁত লুভীয়া,
খাবলৈ দিলেই সিহঁতৰ
জিভাৰে পানী পৰে
এক প্ৰকাৰ মেনিয়া।
সিহঁত ইমান নিস্তেজ
নেগুৰডাল লৰাবলৈও দুৰ্বল
মাৰটো মাৰি সিহঁতৰ খং নুতুলিবা
কলাফুলতে প্ৰথম কামোৰ
ছয়শৰ তিনিগুণ ভৰিবা।
চোৰক বাট দেখুওৱা
এইজাক হতভৰীয়া,
সিহঁতৰ তেজত চোৰ কৰাৰ নিচা
সেইজাক কুকুৰ
চহৰৰ সাঁচত গঢ়া।

## যাত্ৰা

ডাঃ প্ৰফুল্লকুমাৰ ডেকা
গুৱাহাটী চিকিৎসা
মহাবিদ্যালয়ৰ জেষ্ঠ চিকিৎসক

সহায় নকৰিবা মোক
সহায়ৰ বাবে আগনৰঢ়াবা
তোমাৰ হাতখন মোৰ ফালে,
মোক সহিবলৈ দিয়া
দুখ, কষ্টবোৰ অকলে।
মোক অকলশৰে থাকিবলৈ দিয়া
বেজাৰৰ দিনবোৰত
সেই দিনবোৰত মই ভাল পাওঁ
অকলশৰে থাকি।
দুখৰ জুইকুৰাৰ শিখাই
স্পষ্ট কৰি দিয়ে
মোৰ দিগন্ত জুইকুৰাৰ উত্তাপে
সেকি সেকি মোক
তাম বৰণীয়া কৰে।
বুকুৰ মাজত হেজাৰ কোঠালি
দুখবোৰ শুই থাকে।
শান্ত-শিষ্ট শিশুৰ নিচিনাকৈ
নীৰৱে-নিতালে
প্ৰশ্চয় দিলেই সাৰ পাই উঠে।
সহন কৰিব পাৰো মই
তীব্ৰ সংঘাত
উপেক্ষা কৰিব পাৰো মই
অনাকাংক্ষিত আঘাত;
উদাযীন হৈ থাকিব পাৰো মই
দীৰ্ঘতম পথ অতিক্ৰম কৰোঁতে,
সাহসী মই কালৈকো নাচাওঁ।।

## প্ৰতিদান

ডঃ ৰূপলেখা ঠাকুৰীয়া বনিয়া
অসমীয়া বিভাগ
হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়

নিয়ৰ সৰাৰ আগতেই
দুৱৰিবোৰ তিতিছিল
শৰতৰ সন্ধিয়াটোত
পদুলিৰ দেৱদাৰু জোপাই
কিয় জানো কৈছিল
'হৃদয়খন ফালিব পৰা হ'লে'
নিৰবতাৰ মাজত বিলীন হৈছিল
সপোনবোৰ
কথা আৰু কামৰ
বৈসাদৃশ্যবোৰ
গছজোপাই অনুভৱ কৰিছিল
পাতবোৰে চকুপানী
টুকিছিল
সেউজীয়াবোৰ কৰবাত
অদৃশ্য হৈছিল
আঁকা ছবিখনত
বোলোৱা ৰং বোৰ (সেউজীয়াবোৰ)
নিয়ৰ সৰাৰ আগতেই
উতলি উঠিছিল
শৰতৰ সন্ধিয়াটোত।
উৎকট গৰমত
(তোমাৰ বাবে)
জুহালত জুইৰ সতে কৰা
ধেমালিৰ সময় কণো
দুসময়ে সামৰিছিল
উভতনিৰ পৰৰ
ভাদ-মহীয়া দুপৰীয়াৰ
মৰপিয়াহটোও
শুকাই গৈছিল—
নিয়ৰ সৰাৰ
আগতেই সেমেকা
লিংলিঙীয়া বাটটোৰ
ধূলিকণা বোৰে
ৰিঙিয়াইছিল
'উভতাই লোৱা একাজুলি কাইট'।



## তুমি সুখী হোৱা

প্ৰাঞ্জল গগৈ
স্নাতক পঞ্চম যান্মাসিক

তুমি সুখী হোৱা
তোমাৰ অজান দেশৰ যাত্ৰা
পলকতে.....
নামি অহা সেই বৰষুণ জাকে
তোমাক তিয়াই পেলাব
অদৃশ্য কৰিব
তুলি ধৰিব ডুব যোৱা বেলি
কোনোবা নদীৰ তীৰত।
থমথমকে বহি আছে
তোমাৰ কলমবোৰ ৰঙা নীলা....
বগা কাগজবোৰ হে পৰিছে উকা
তোমাৰ অবিহনে..
কবিতাবোৰে উচুপিছে এন্ধাৰে এন্ধাৰে
বকুলবোৰ বিষাদ গ্ৰস্ত আজি
দুখবোৰ সৰি আছে নিয়ৰহে
টোপাটোপে তোমাৰ পদুলিত
তুমি সুখী হোৱা
তোমাৰ অজান দেশৰ যাত্ৰাত....





## মোৰ জীৱন

উজ্জ্বল ফুকন
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

মোৰ জীৱনৰ নিজান পদুলিত
এটি এটি বেদনা
এটি এটি কাহিনী মনত
মোৰ জীৱনৰ এই বাটত।
এটি এটি বেদনা,
চকুলো মচিবা,
এনেদৰে জীৱনৰ বাট অতিক্ৰম কৰিবা
দুগালে দুধাৰী অশ্ৰু বাগৰি,
ভাবি ভাবি নাপাওঁ মই পাৰ বিচাৰি।
সৌ - দূৰ-দূৰণীলৈ চাই দেখো
কাৰোবাৰ কৰুণ কাহিনী।
সন্ধ্যাৰ আকাশলৈ চাই দেখো
অবিশ্বাসৰ কবলত আবদ্ধ পৃথিৱী।
কোনোৱে নুবুজিলে মানুহৰ স্মৃতি,
সকলোতে কেৱল দাবাগ্নিৰ ফিৰিঙতি।
তথাপিতো আছো মই তোমাৰ ছাঁয়াত,
আশ্ৰয় দিয়া মোক হৃদয়ৰ গোপন কোঠাত।
হিয়াৰ আৱেগভৰা কণ্ঠেৰে মাতিছো
অ' মোৰ সোনালী ভৱিষ্যত।
কেতিয়ানো শেষ হ'ব আজিৰ বিপ্লৱ।



## তুমি আকৌ আহিবা ?

বলীন্দ্ৰ বকল
স্নাতক পঞ্চম যান্মাসিক

তুমি আকৌ আহিবা নিয়ৰ সিক্ত
দুৱৰীয়ে প্ৰত্যুষতে দি যাব তোমাৰ
আগমনৰ বতৰা।
তুমি মোৰ বাবে হ'বা এজোপা দেৱদাৰু
মই হ'ম শাওনৰ বৰ্ষাচন্ন মেঘ।
চিকি মিকি আলোকেৰে দিম
তোমাক প্ৰাণৰ উত্তাপ।
তোমাৰ স্মৃতিৰ বন্যাত উটি গুচি যাব নোখোজো
সদায় তোমাৰ বৰ্তমান হৈ থাকিব বিচাৰো
তোমাৰ চকুৰ পতাৰ পৰা হেৰাই যাবলৈ নিদিবা
এইয়া মোৰ তোমৰ প্ৰতি অনুৰোধ।
নিৰ্জনতাত যেতিয়া প্ৰতি বুকুখন গধূৰ হৈ
নীলাবোৰে ভৰি পৰে
তোমাৰ বাবে থকা 'মৰম' বোৰ
বুকুৰেদি উজাই আহি চকুৰেদি
টোপাটোপে সৰে।
দুভাগ ৰাতি সপোনবোৰে বাগৰ সলাই সলাই
উজাগৰে নিশাবোৰ কটাই
প্ৰেম থাকিলে আশ্বাস থাকিব
আশ্বাসৰ মাজতে বিশ্বাস থাকিব
বিশ্বাসৰ মাজত তুমি থাকিবা
আৰু তোমাৰ মাজত মই থাকিম।
তুমি আহিলে পক্ষীয়ে গীত গাব
জোনাকে নিচুকাব
আকাশৰ তৰাবোৰে পৰীদেশৰ সাধু ক'ব।
আৰু তোমাক শুবলৈ দিম
প্ৰকৃতি সেউজীয়া দলিচাত
আৱেগেৰে ধৰিবলৈ নাযাবা
প্ৰেমৰ অতিৰিক্ত টুকুৰা
হাতৰ মুঠিতে নাইকিয়া হ'ব
স্মিত পোহৰৰ দুৰ্বল লিখা।

## নিৰৱতা

✍ দিতিমণি শেনচোৱা
স্নাতক তৃতীয় যান্মাসিক



নিৰৱতা সৈতে
তোমাক দেখিলো যেতিয়া
তোমাৰ দুচকুত উজ্জ্বল তেতিয়া
অনামী চঞ্চলতা ভাঁহি উঠে
মৌনতাই তাক প্ৰতিফলিত কৰে।
উজ্জ্বলিত প্ৰীতিৰ যান্ত্ৰণা
বুকুৰ ধ্বনি স্পন্দন হয়
সেই ধ্বনি হৃদয় জুৰোৱা
উজ্জ্বল সৰুযৰ দৰে
গভীৰ সাগৰৰ দৰে আৰু
বিশাল আকাশৰ দৰে
অনুভূতিৰ জীপাল হৃদয়খন মোৰ
মধুৰ সংগীতৰ ঝংকাৰে উদ্ভাসিত হয়
নীৰৱতা মাজতে আছে সেই
অবুজ কবিতাৰ ভাষা।



## শিক্ষা

✍ নৱজ্যোতি কুৰ্মী
স্নাতক পঞ্চম যান্মাসিক

শিক্ষা আমাৰ পোহৰ দাতা
শিক্ষা নহ'লে দিনতে আন্ধাৰ
নলওঁ যদি শিক্ষা আজি
চকু থাকিও নেদেখো আমি।
কেৱল শিক্ষা হ'লেই মানুহ
জ্ঞানী শিক্ষিত নহয়।
ব্যৱহাৰে চিনাকী দিয়ে
জ্ঞানী লোকৰ বিশেষ বানীত
শিক্ষাৰ মাধ্যম ধৰ্ম
ধন নহ'লেও নহয় বিদ্যা উপাৰ্জন
তথাপি সুখী নকৰে ধনে
জীৱনত শান্তি নহ'লে
ধনে আনে গৰ্ব অহংকাৰ
দুদিনৰ আনন্দ স্ফুৰ্তি
বিদ্যা-ধন দুয়ো ককাই-ভাই
বিদ্যা থাকিলে জীৱনত মৰণ নাই।



## হে মোৰ নমস্য মহাবিদ্যালয়খনি

✍ তুলিকা বড়া
স্নাতক তৃতীয় যান্মাসিক

তুমি মোৰ জীৱনলৈ
বোৱাই আনিছিলা
প্ৰাপ্তি আনন্দ আৰু জ্ঞান
তোমাৰ আশ্ৰয়তেই লভিছিলো
জ্ঞান আৰু দীক্ষা।
সকলোৰে হৃদয়ত তুমি বজোৱা
শিক্ষাৰ ঝংকাৰ।
ফুল হৈ ফুলি ৰোৱা
সকলোৰে আগত,
বতাহ হৈ বলি ৰোৱা
সকলোৰে হৃদয়ত
তোমাৰ আশ্ৰয়তেই সৃষ্টি হয়,
একো একোটি উজ্জ্বল জীৱন।
হে মোৰ চিৰনমস্য,
মহাবিদ্যালয়খনি,
প্ৰনামো তোমাক।।
হাজাৰ কোটি প্ৰণাম
চিৰদিন ঋণী মই
তোমাৰ ওচৰত।
পাখি মেলি ৰোৱা তুমি
গাৱলৈ সৃষ্টিৰ গান।
সৃষ্টি তোমাৰ অতিকে
মহান।

## সোনালী তুমি

✍ কমল ভূমিজ
স্নাতক প্ৰথম যান্মাসিক

যৌৱনৰ দুৱাৰডলিত ভৰি দিয়াৰে পৰা
মই ওমলাই ফুৰিছো অনেক
সপোন, অনেক আশা ......
এই আশাৰ ওপৰতে মোৰ
কেতিয়াবা ভৱিষ্যত
কেতিয়াবা বৰ্তমান
আৰু কেতিয়াবা অতীতক
বিচাৰি ফুৰো
আশা কৰো ...... আমাৰ ভাল পোৱাৰ কলিবোৰ
ফুল হৈ ফুলিব আৰু
ফুলবোৰে খিলখিলকৈ হাঁহিব...
আশাবোৰ সাতোৰঙী ৰামধেনুৰ
ৰঙেৰে সৌৰভ হৈ মুখৰিত
কৰিব মোৰ চৌপাশ।
মোৰ জীৱনৰ প্ৰেনাৰ স্থল
মোৰ জীৱনৰ বাসনাৰ স্থল
হে মোৰ প্ৰিয়ে সোনালী মোৰ সত্তাৰ সতে তুমি অভিন্ন
কাৰণেই কওঁ......
সোনালী...... তুমি অনান্য।



## মোৰ অনুভূতি

সনাতন চেতিয়া
উঃ মাঃ দ্বিতীয় বৰ্ষ

কবিতাৰ ভাষা মই বুজি নাপাওঁ
তথাপিও মই কবিতাৰ মাজতে থাকো।
বুজি পোৱা নোপোৱাৰ অনুভূতিতে
আকাশৰ বুকুত দুপাখি মেলি
উৰি থকা চৰাইজনী,
মই হেপাঁহ পলুৱাই চাওঁ
সিহতৰ ভাষা মই বুজি নাপাওঁ,
তথাপিও মই নয়ন জুৰাই চাওঁ।
বুজি পোৱা নোপোৱাৰ মাজতে
ধাৰাষাৰে অহা বৰষুণ জাকত
চুকৰ ভেকুলীয়ে গগণফালি চিঞৰে
মই সেয়া কাণ পাতি শুনো
বুজিবলৈ চেষ্টা
কৰো, সেয়া
কান্দোন নে হাঁহোন?
তথাপিও যেন মই আজিও আছো
বুজি পোৱা নোপোৱাৰ মাজতে।



## ভালপোৱা

ময়ূৰীমা বেজবৰুৱা
স্নাতক পঞ্চম ষান্মাসিক

এটা ৰদ্যোস্নাত দুপৰীয়া..
তেওঁৰ স'তে মোৰ প্ৰথম চিনকি
দুচকুত চকু পৰাত...
হঠাৎ চঞ্চল হৈ পৰিছিল চৌপাশৰ বতাহজাক
বিয়পিছিল নৰিবাজাইৰ ৰাগি লগা সুৱাস।
বুকুৰ গভীৰত,
ক্ৰমশ। ভালপাবলৈ ধৰিলো
তেওঁৰ ভাল লগাবোৰ।
এই আকাশ, এই বতাহ বৰষুণ
কিবা স্নিগ্ধ জোনাক
দেৱদাৰো তলত লুকাই
আতঁৰালো প্ৰেমৰ আদিপাঠ।
তেওঁৰ সুখবোৰ মোৰ হ'ল
মোৰ সুখবোৰ তেওঁৰ হ'ল
ঠিক সেইদৰে ...... দুখবোৰে
বুকুৰ বাগিছা চহাই
দূৰে দূৰে বুকুত ৰুলো
ভাল পোৱাৰ গোলাপ।
সুবাসিত হ'ল মনৰ আকাশ।
বুকুৰ গোলাপ আজিও আছে
বুকুতে ফুলি
জাৰ, জহ, ৰ'দ বৰষুণেও হৰোৱাব নোৱাৰে
আলসুৱা পাপৰি..।।



## জীৱনৰ প্ৰথম বৰষুণজাক

ভাস্কৰ চেতিয়া
স্নাতক পঞ্চম ষান্মাসিক

জীৱনৰ প্ৰথম বৰষুণজাক,
কেতিয়া ধৰাৰ বুকুলৈ নামি আহিল
গমকে নাপালো,
বৰষুণ জাকে যেন জীৱনটো
সলনি কৰি পেলালে।
কিয় বাৰু জীৱনলৈ নামি আহিল
এই বৰষুণ?
বাৰিষাৰ বৰষুণ জাকে যেনেকৈ
পৃথিৱীৰ ৰং সলনি কৰে
সেইদৰে যেন জীৱনলৈ অহা বৰষুণজাকেও
জীৱনৰ ৰং সলনি কৰি দিলে।
ক'ব নোৱাৰো?
কেতিয়া এই বৰষুণজাক
নামি আহিল জীৱনলৈ।



## তুমি আহিবা...

ৰিমা সন্দিকৈ
স্নাতক পঞ্চম ষান্মাসিক

আন্ধাৰত জোনাক সিঁচি
শীতৰ সেমেকা ৰাতিত
পোহৰ বুটলি আনি
হৃদয়ৰ শূণ্যতা পুৰাবলৈ
তুমি আহিবা...
অলেখ স্বপ্নৰ সমাধি গঢ়ি
নিজৰ মাজত পূণ্যতা বিচাৰি
বহুতো কবিতাৰ শিৰোনাম বিচাৰি
অৰ্থহীন জীৱনৰ প্ৰেৰণা বিচাৰি
তুমি আহিবা ......
তোমৰ মুখৰ অস্ফুট শব্দৰ বাবে
তোমাৰ নিৰ্মল অন্তৰ নিৰ্ভীক মৰমে
তোমাৰ মৰম আকলুৱা ৰোমান্টিক
কবিতাৰ স্তৱকে
মোৰ হৃদয়ৰ একোণা স্থবিৰ হৈ ৰব
তোমাৰ হৃদয়ৰ গুণগুণনি হৈ ......
তুমি মোৰ অজান পখী
হয়তো তুমি তেনেই চিনাকী
তুমিয়েই হবা মোৰ জীৱন লগৰী
তোমাক সাক্ষী কৰি ল'ম
মই জীৱন আকুৱালি।

## অনুৰোধ

✍ শৈলেন গগৈ
প্ৰাক্তন ছাত্ৰ

যৌতুকৰ বাবে আৰু কিমান
নিয্যাতন নিদিয়া, হে নিষ্ঠুৰ হৃয়দৰ
কলুষিত স্বামী?
তোমাৰ হৃদয়ত এতিয়াও
ওপজা নাইনে পত্নীৰ প্ৰতি
অকণ সহানুভূতি??....
সদায় মদ, পানী খায় কিয়?
কিয়? চলোৱা শাৰিৰীক মানসিক
উৎপীড়ন !!........ নিদিয়া অকনো শান্তি
কোনদিনা দিবা মুক্তি? এইধৰা পৰা
কোৱা, কোৱা আজি মুখখুলি
নে তোমাৰ জীয়াই জীয়াই
কেৰাচিন ঢালি জ্বলাই দিয়াৰ মন।
নে তোমাৰ বিচনাত বান্ধি পেলায়
চলোৱা শাৰীৰিক, কিম্বা ভেৰ্মোঘ
কামুৰৰ নিৰ্য্যাতিন !!......
হে স্বামী! কিমান দিব মোৰ ধৰে
তোমাৰ যৌতুক! তেওঁলোকো
হৈ পৰিছে অতিষ্ঠ,
কাবৌ কৰিছো মোক আৰু ফোন কৰিবলৈ
নক'বা এবাৰো তেওঁলোকলৈ।
শাস্ত্ৰত কৈছে স্বামীয়েই পত্নীৰ
পৰম পুৰুষ। কিন্তু?
তুমি যদি এনেদৰেই সদায় কৰা
অত্যাচাৰ কেনেকৈ কেনেকৈ বা
তোমাক পূঁজো।
হে স্বামী। মোৰোতো মন যায়
তোমাৰ বহল বুকুৰ মাজত সোমোৱাই
মুৰটো গুজি জীৱনৰ সুখ দুখৰ
কথাবোৰ ক'বলৈ।.....
কিন্তু ক'তা, তোমাৰ দেখোন
সদায় উগ্ৰমূৰ্তি।
সেয়েহে, সেয়েহে
কাবৌ কৰিছো মোক
আৰু শাস্তি নিদিবা। দিব
পৰা যদি দিয়া মুক্তি?

## CRICKET IS A FUN

✍ *Krishna Gogoi*
*BA, 1st Sem*

Cricket is a fun,
Specially when Tendulkar making a run
in the cricket.
When Amrit Mishra getting a wicket,
and Agarkar goes out on zero;
Mishra is made the hero on cricket
When Riki pointing is in fix,
And M.S Dhoni is making a Six
When Raina hits a four,
And Andrew symonds can nothing to
improve his score,
When R.P Singh is caught the ball
And Clerk just sits there in thought
When India is getting a Cup
Riki is still wondering if he got
any wicket,
Cricket is a fun
If someone is making a run





## বহাগ তুমি বৰষুণ হৈ আহা

✍ বিশ্বজিৎ গগৈ
স্নাতক ১ম ষান্মাসিক

তুমি বৰষুণ হৈ আহা।
তোমাৰ আগমনত
চঞ্চলা হৈ পৰিছে সেউজীয়া প্ৰকৃতিৰ ৰূপ,
ব্যস্ত হৈ পৰিছে হাজাৰ খেতিয়কৰ মন।
ভৱিষ্যতৰ সোণলী সপোন দেখাত।
বহাগ,
তুমি বৰষুণ হৈ আহা।
তোমাৰ আগমণৰ উমান পাই,
কপৌ, নাহৰ ফুলে আনন্দতে
পৃথিৱীৰ সুগন্ধিৰে সম্ভেদ দিছে।
নিজান দুপৰীয়া
ৰিণিকি ৰিণিকি
ঢোল পেঁপাৰ মাতত।
চঞ্চলা হৈছে হাজাৰ ডেকা গাভৰুৰ মন।
ব'হাগ।

---

## অপেক্ষা

✍ কল্যাণ গগৈ
স্নাতক তৃতীয় ষান্মাসিক

আহিব আহিব নিশ্চয় আহিব।
হয়তো কালিলৈ আহিব,
এসপ্তাহৰ পাছত আহিব,
এমাহৰ পাছত আহিব
অপেক্ষাত শান্তি আছে,
কাৰণ অপেক্ষাই পুলক জগাই।
অপেক্ষাত জ্যেতি আছে,
কাৰণ অপেক্ষাই গতিৰ
বাট দেখুৱাই।
হৃদয় [illegible] বাবেই
জীৱন জুৰি অপেক্ষা কৰিম,
ৰূঢ় বাস্তৱৰ প্ৰাচীৰৰ সিপাৰৰ
জীৱন জ্যেতিৰ বাবেই........
ক্ষণ গণি গণি আপেক্ষা কৰিম
জীৱন অপ্ৰাপ্তিৰ বিষাদৰ পৰা
মুক্ত হোৱাৰ দুৰ্বাৰ আকাংক্ষাৰ বাবেই
বাস্তৱৰ লৌহ পিঞ্জাৰত বন্দী
প্ৰান্তজীৱনৰ আঁৰত স্বপ্নময়;
সঁচা জীৱনৰ তৃষ্ণাত
তৃষ্ণাৰ্ভ হৈ জীৱন জুৰি
যি অপেক্ষা কৰিছোঁ,
সেই অপেক্ষা .......
আপোন জনৰ বাবে অনলস অপেক্ষা
আপোন সত্তাৰ বাবে আত্মিক অপেক্ষা,
স্বপ্নৰ মানুহৰ বাবে কৰুণ অপেক্ষা।
এয়া জীৱনৰ এক মধুৰ অপেক্ষা
জীৱন মানেও অপেক্ষা
আৰু........
এই অপেক্ষা
স্বপ্নৰ মানুহৰ বাবে উৎসৰ্গিত অপেক্ষা।

## শীতৰ এটি নিশা

জুৰি দিহিঙ্গীয়া
উঃ মাঃ দ্বিতীয় বৰ্ষ

শীতৰ ওৰণি ঠেলি
পশ্চিম আকাশত
ৰঙা বেলিটি লহিয়ালে
শেষ হাঁহি মাৰি।
শুকুলা ফুলেৰে নিজম নিশাত
শীতল এজাক
বতাহৰ সৈতে
শেৱালিয়ে বিলাইছে সুবাস।
চাৰিওফালৰ পৰা আঁৰৰি
কুঁৱলীও আহিছে নামি,
সেই আৱৰণে সোণোৱালী
পথাৰখনিক পেলালে
নিমিষতে ঢাকি।
লগে লগে আগবাঢ়িছে
দীঘল নিশাটি
জোনটিও গগণৰ এচুকত
ল'লেহি থিতাপি।
এইদৰে শেষ হয়।
এটি দীঘল নিশা
এই নিশাতেই
নিহিত হৈ থাকে
শীতৰ মাদকতা.



## ভালপোৱা

মৌচুমী চাহু
স্নাতক পঞ্চম ষান্মাসিক

ভালপোৱা এখন নদীৰ নাম
ভালপোৱা আৰ্শীবাদৰ নাম
ভালপোৱা আনক দি গোটোৱা
ঐশ্বৰ্য্যৰ নাম।।
ভালপোৱা বাৰিষাৰ এজাক বৰষুণৰ নাম
যি জাক বৰষুণত তুমি, মই
আৰু বহুতো এবাৰ হ'লেও তিতিছে।
সেই বৰষুণৰ বতৰা পায়
বুকুৰ ভিতৰৰ সেউজীয়া বোৰে
জীপাল হৈ পৰে।
যেনেকৈ বসন্তৰ বতৰা পাই
গছ-লতা কুঁহিপাত ভৰি পৰে।
মেলাৰ দৰে।।
এই বৰষুণৰ টোপাল টোও
ভালপোৱা জনৰ বাবে হৈ পৰে
মুকুতাৰ মণি।
যি মণিৰে গাঁঠে হেপাঁহৰ
মালা ধাৰী।
ভালপোৱাৰ পৃথিৱীখন
বৰ বিশাল
য'ত মৰমবোৰ হয় ৰসাল
য'ত আছে সেউজীয়া গছ-বন
বহল আকাশ
বতাহত উৰে যাৰ অনল সুভাস।
ভালপোৱাৰ পৃথিৱীখনত কেৱল
অনুভূতিৰ বতাহ বলে।
কিয়নো ভালপোৱা হ'ল
জীয়াই থকাৰ হেপাঁহ
য'ত ধ্বনিত হয় প্ৰতিটো
উশাহ।।






তাতোকৈ ধুনীয়া নাই।
মোৰ হেঃ চঃ দেঃ গোঃ মহাবিদ্যালয় তুমি মোৰ বাবে ধুনীয়া
মোৰ বাবে তোমাতকৈ ধুনীয়া মহাবিদ্যালয় নাই
এইখনি জিলাত বসন্তৰ পৰসত
আহিল বহা'গত কুলি।
এইখনি জিলাত ষান্মাসিক পৰ্যায়ত
হেঃ চঃ দেঃ গোঃ মহাবিদ্যালয় তোমাক বাছি
ললো মোৰ লগৰী বুলি
অন্তৰে কান্দিছে উলিয়াই কোৱা নাই
কান্দিব পৰা নাই লাজত
সচাঁকৈ এদিন কান্দিব লাগিব
এই হেঃ চেঃ দেঃ গোঃ মহাবিদ্যালয় এৰি যোৱা পাছত।
ফুল মৰহিলে গোন্ধ থাকি যাব
গোন্ধাব ফুলনি মাজত।
এই হেঃ চঃ দেঃ গোঃ মহাবিদ্যালৰ এৰি গ'লে মোৰ হিয়াখনি
থাকি যাব
এই হেঃ চঃ দেঃ গোঃ মহাবিদ্যালয়ৰ মাজত।

স্নাতক প্ৰথম ষান্মাসিক

পোহৰৰ জ্যোতি বিলোৱা
অন্যতম নাম
এই মহাবিদ্যালয় প্ৰণামো তোমাক
তোমাৰ ছাঁত এখন্তেক জিৰাবলৈ
প্ৰয়াস কৰোঁ
প্ৰতিটো দিন .....
বুকু ভৰি উঠে তোমাৰ
কথা ভাবিলে
আকাশৰ বিশালতাত
হেৰাই যাওঁ
উভতি চাওঁ;
জানোচা তোমাৰ স্পৰ্শ পাওঁ,
হে মহাবিদ্যালয় প্ৰণামো তোমাক।

# পোহৰ বিচাৰি

✍ মধুস্মিতা বুঢ়াগোহাঁই
স্নাতক পঞ্চম ষান্মাসিক

হে.চ.দে.গো. মহবিদ্যালয়ক
চৌহদৰ এজাক ৰঙীন সপোন
জাক জাক ফুটুকী পখিলা
বগা, ক'লা আকাশনীলা
যেন দেউতাই পাতি দিয়া
এখন ফুলৰ বাগিচাহে
ইয়াতেই গঢ়ো, ইয়াতেই ভাঙো
মোৰ মনৰ তাজমহল।
আগবাঢ়ি যাওঁ মই পোহৰৰ অভিমুখি
নিজস্বতাৰে ভৰা এখন পৃথিৱী বিচাৰি
যাওঁতে দি যাব লাগিব
বহু...... কাঁইটত খোজ
পাম বুলি এমুঠি জোনাক।
প্ৰভাতৰ আগমনলৈ আৰু বেছি পৰ নাই
কিন্তু মই ক্লান্ত হৈ পৰিছো,
তথাপিও পোহৰ বিচাৰি যাওঁ
পাম বুলি এমুঠি জোনাক।

# মা ক্ষমা কৰিবা মোক

✍ দীপিকা দত্ত
স্নাতক প্ৰথম ষান্মাসিক

মা,
তুমি মোৰ হৃদয়ৰ নিভৃত কোণৰ
এক অব্যক্তসুৰ
তুমিয়ে মোৰ জীৱণৰ
প্ৰেম ভালপোৱা আৰু বিশ্বাস।
মা তুমিয়ে শিকালা
জীৱণটোক নতুনকৈ সজোৱাৰ কৌশল।
কিন্তু মই যে তোমাৰ
আশাক স্পন্দৰ্ণ কৰিব নোৱাৰিলো,
মায়াসনা মধুৰ নিশাত তোমাৰ কোলাত
মুৰ থৈ বহোতে
তুমি যে কৈছিলা লক্ষ্যত উপনীত হৱৰ চেষ্টা কৰ'।
কিন্তু নোৱাৰিলোচোন মা,
এৰি অহা দিনবোৰত যৌৱণৰ কলুষিত বতাহজাকে
চুই গ'ল মোক।
তোমাৰ সজল আশাভৰা নয়নে মোৰ মনক
শান্ত কৰিব নোলাৰিলে।
যন্ত্ৰবৎ জীৱনৰ কোঁবাল গতিত
তোমাৰ আশাক সাৰ্থক কৰিব যাওঁতে
মই যে দিকবিদিক হেৰুৱা
পক্ষীৰ দৰে হৈ পৰিছিলো।
মোৰ লক্ষ্যবিহীনতাত সপোন ভগাৰ যান্ত্ৰনাত
তুমি শোকৰ সাগৰত ডুব গৈছিলা।
প্ৰান্তিৰ পৃষ্ঠা তোমাৰ মৰম, আৰ্শীবাদেৰে
স্পন্দন হৈ থাকিলেও
পুনৰবাৰ কৈছো 'মা ক্ষমা কৰিবা মোক'
তোমাৰ আশাক, তোমাৰ সপোনক
পুণৰবাৰ জীয়াই তুলিবলৈ
মোক তোমাৰ সহাঁৰি দিয়া।
মোৰ শেষ সন্ধ্যাৰ চিৰ প্ৰশান্তি পৰ্য্যন্ত
তুমি মোৰ সমগ্ৰ যাত্ৰাৰ
নিৰন্তৰ সহচৰী হৈ ৰোৱা।
মই তোমাৰ সপোনক
সাৰ্থক কৰিম মা।



# আই অসমী

✍ কৰিশ্মা কোঁৱৰ
স্নাতক ১ম ষান্মাসিক

হে আই "অসমী" মোৰ
তুমি হেনো স্বাধীন,
তোমাৰ কোলাতে আৰম্ভিলো
জীৱন যুঁজৰ পাতনি।
যদি তুমি স্বাধীনেই
তেন্তে .........
তেন্তে কিয় হ'লো তুমি উন্মাদিনী?
শত সহস্ৰ মানৱৰ প্ৰাণ
কাঢ়ি ল'লা তোমাৰ বুকু ফালি।
সিহঁতে হেনো স্বাধীনতা বিচাৰে আই,
বন্দুকৰ গুলিৰে থকা সৰকা হোৱা,
বোমাৰ ধোঁৱাৰে আছন্ন তোমাৰ কোলাত
ক'ত ডেকাৰ তেজ সাবতি লৈছানে তুমি?
তেজেৰে ৰঞ্জিত তুমি আজি
অভিশাপ নিদিবা আই,
কাৰোবাক বিধবা সাজি
কাৰোবাক বিধবা সাজি
কাৰোবাৰ বুকু শুদা কৰি।
শুনি সহিব পাৰানে তুমি?
শত ভগ্নীৰ হিয়াভগা কৰুণা বিননি।
বিদ্ৰোহে আগ্নি ৰূপেৰে,
ধোঁৱা ছাইৰ কলীয়া আৱৰণে
মানৱৰ কলিজাৰ কেঁচা তেজেৰে
তোমাৰ বুকু ৰঞ্জিত কৰে শত,
দেখিছানে চেনেহী আই
বৰলুইতৰ পবিত্ৰ জলৰাশি
কলুষিত হ'ল ৰক্ত শোণিতেৰে
ৰক্তপিপাসু নৰপিশাচে, অসমী আই
তোমাৰ বুকুৰ জীয়াৰী-বোৱাৰী
ধৰ্ষিতা লাঞ্চিতা কৰে আজি।
হে অসমী আই, ভাগেনে তোমাৰ হিয়া?




# জ্ঞানৰ মন্দিৰ

✍ গ্ৰেভলিং সন্দিকৈ
স্নাতক প্ৰথম ষান্মাসিক

মনত পৰেনে তোমাৰ
সেইদিনাৰ কথা
যিদিনা মই প্ৰথম আহিছিলো
হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়লৈ
একাঁজলি জ্ঞানৰ পোহৰ লব'লৈ।
তুমিয়ে হাতত ধৰি অগুৱাই নিছিলা
আহাঁ আমি লগে ভাগে যাওঁ বুলি।
কিন্তু আজি তুমিয়ে মোক
এৰিদিলা মাজ সাগৰত
আজি তুমি মোৰ কাষত নাথাকিলেও
যাম মই প্ৰতি খোজ আগুৱাই।
হেমচন্দ্ৰগোস্বামী মহাবিদ্যালয়ৰ
একাঁজলি জ্ঞানৰ পোহৰ ল'বলৈ।
দুচকুত বহুতো সপোন আঁকি
আহিছিলো এই জ্ঞান মন্দিৰলৈ
ইয়াতেই জ্ঞানৰ পোহৰ লৈ
যাওঁ যেন নিতৌ আগুৱাই
হে মোৰ জ্ঞানৰ মন্দিৰ
দোৱাওঁ মূৰ তোমাৰ চৰণত
দিয়া যেন আশিষ শিৰত

## পোহৰ বিচাৰি

✍ মধুস্মিতা বুঢ়াগোহাঁই
স্নাতক পঞ্চম ষাণ্মাসিক

হে.চ.দে.গো. মহবিদ্যালয়ক
চৌদ্দৰ এজাক ৰঙীন সপোন
জাক জাক ফুটুকী পখিলা
বগা, ক'লা আকাশনীলা
যেন দেউতাই পাতি দিয়া
এখন ফুলৰ বাগিচাহে
ইয়াতেই গঢ়ো, ইয়াতেই ভাঙো
মোৰ মনৰ তাজমহল।
আগবাঢ়ি যাওঁ মই পোহৰৰ অভিমুখি
নিজস্বতাৰে ভৰা এখন পৃথিৱী বিচাৰি
যাওঁতে দি যাব লাগিব
বহু...... কাঁইটত খোজ
পাম বুলি এমুঠি জোনাক।
প্ৰভাতৰ আগমনলৈ আৰু বেছি পৰ নাই
কিন্তু মই ক্লান্ত হৈ পৰিছো,
তথাপিও পোহৰ বিচাৰি যাওঁ
পাম বুলি এমুঠি জোনাক।

## মা ক্ষমা কৰিবা মোক

✍ দীপিকা দত্ত
স্নাতক প্ৰথম ষাণ্মাসিক

মা,
তুমি-মোৰ হৃদয়ৰ নিভৃত কোণৰ
এক অব্যক্তসুৰ
তুমিয়ে মোৰ জীৱনৰ
প্ৰেম ভালপোৱা আৰু বিশ্বাস।
মা তুমিয়ে শিকালা
জীৱণটোক নতুনকৈ সজোৱাৰ কৌশল।
কিন্তু মই যে তোমাৰ
আশাক স্পৰ্দ্দৰ্ণ কৰিব নোৱাৰিলো,
মায়াসনা মধুৰ নিশাত তোমাৰ কোলাত
মুৰ থৈ বহোতে
তুমি যে কৈছিলা লক্ষ্যত উপনীত হৱৰ চেষ্টা কৰ'।
কিন্তু নোৱাৰিলোচোন মা,
এৰি অহা দিনবোৰত যৌৱণৰ কলুষিত বতাহজাকে
চুই গ'ল মোক।
তোমাৰ সজল আশাভৰা নয়নে মোৰ মনক
শান্ত কৰিব নোলাৰিলে।
যন্ত্ৰবৎ জীৱনৰ কোঁবাল গতিত
তোমাৰ আশাক সাৰ্থক কৰিব যাওঁতে
মই যে দিকবিদিক হেৰুৱা
পক্ষীৰ দৰে হৈ পৰিছিলো।
মোৰ লক্ষ্যবিহীনতাত সপোন ভগাৰ যান্ত্ৰনাত
তুমি শোকৰ সাগৰত ডুব গৈছিলা।
প্ৰাপ্তিৰ পৃষ্ঠা তোমাৰ মৰম, আৰ্শীবাদেৰে
স্পন্দন হৈ থাকিলেও
পুনৰবাৰ কৈছো 'মা ক্ষমা কৰিবা মোক'
তোমাৰ আশাক, তোমাৰ সপোনক
পুণৰবাৰ জীয়াই তুলিবলৈ
মোক তোমাৰ সহাঁৰি দিয়া।
মোৰ শেষ সন্ধ্যাৰ চিৰ প্ৰশান্তি পৰ্য্যন্ত
তুমি মোৰ সমগ্ৰ যাত্ৰাৰ
নিৰন্তৰ সহচৰী হৈ ৰোৱা।
মই তোমাৰ সপোনক
সাৰ্থক কৰিম মা।



## আই অসমী

✍ কৰিশ্মা কোঁৱৰ
স্নাতক ১ম ষাণ্মাসিক

হে আই "অসমী" মোৰ
তুমি হেনো স্বাধীন,
তোমাৰ কোলাতে আৰম্ভিলো
জীৱন যুঁজৰ পাতনি।
যদি তুমি স্বাধীনেই
তেন্তে .........
তেন্তে কিয় হ'লো তুমি উন্মাদিনী?
শত সহস্ৰ মানৱৰ প্ৰাণ
কাঢ়ি ল'লা তোমাৰ বুকু ফালি।
সিহঁতে হেনো স্বাধীনতা বিচাৰে আই,
বন্দুকৰ গুলিৰে থকা সৰকা হোৱা,
বোমাৰ ধোঁৱাৰে আছন্ন তোমাৰ কোলাত
ক'ত ডেকাৰ তেজ সাবতি লৈছানে তুমি?
তেজেৰে ৰঞ্জিত তুমি আজি
অভিশাপ নিদিবা আই,
কাৰোবাক বিধবা সাজি
কাৰোবাক বিধবা সাজি
কাৰোবাৰ বুকু শুদা কৰি।
শুনি সহিব পাৰানে তুমি?
শত ভগ্নীৰ হিয়াভগা কৰুণা বিননি।
বিদ্ৰোহে আগ্নি ৰূপেৰে,
ধোঁৱা ছাইৰ কলীয়া আৱৰণে
মানৱৰ কলিজাৰ কেঁচা তেজেৰে
তোমাৰ বুকু ৰঞ্জিত কৰে শত,
দেখিছানে চেনেহী আই
বৰলুইতৰ পৱিত্ৰ জলৰাশি
কলুষিত হ'ল ৰক্ত শোণিতেৰে
ৰক্তপিপাসু নৰপিশাচে, অসমী আই
তোমাৰ বুকুৰ জীয়াৰী-বোৱাৰী
ধৰ্ষিতা লাঞ্চিতা কৰে আজি।
হে অসমী আই, ভাগেনে তোমাৰ হিয়া?




## জ্ঞানৰ মন্দিৰ

✍ গ্ৰেভলিং সন্দিকৈ
স্নাতক প্ৰথম ষাণ্মাসিক

মনত পৰেনে তোমাৰ
সেইদিনাৰ কথা
যিদিনা মই প্ৰথম আহিছিলো
হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়লৈ
একাঁজলি জ্ঞানৰ পোহৰ লব'লৈ।
তুমিয়ে হাতত ধৰি অগুৱাই নিছিলা
আহাঁ আমি লগে ভাগে যাওঁ বুলি।
কিন্তু আজি তুমিয়ে মোক
এৰিদিলা মাজ সাগৰত
আজি তুমি মোৰ কাষত নাথাকিলেও
যাম মই প্ৰতি খোজ আগুৱাই।
হেমচন্দ্ৰগোস্বামী মহাবিদ্যালয়ৰ
একাঁজলি জ্ঞানৰ পোহৰ ল'বলৈ।
দুচকুত বহুতো সপোন আঁকি
আহিছিলো এই জ্ঞান মন্দিৰলৈ
ইয়াতেই জ্ঞানৰ পোহৰ লৈ
যাওঁ যেন নিতৌ আগুৱাই
হে মোৰ জ্ঞানৰ মন্দিৰ
দোৱাওঁ মূৰ তোমাৰ চৰণত
দিয়া যেন আশিষ শিৰত

# পুৰা

✍ ইলোজা মৰাণ
স্নাতক পঞ্চম যান্মাসিক

পুৱতি নিশা পূব আকাশত
ৰাঙলি সূৰুযৰ আবা,
নিশাৰ আন্ধাৰ কেনি আঁতৰিলে
নাই আন্ধাৰৰ ৰেখা।
আকাশী পথেৰে জোনটি গ'লগৈ
এখোজি-দুখোজি কৰি,
নক্ষত্ৰ, গ্ৰহৰ বিষাদ বেদনাৰ
চকুলো পৰিছে সৰি।
বিলৰ পানীৰ পদুম পাহিয়ে
মিচিকি মাৰিলে হাঁহি
পখিলা, ভোমোৰা হ'ল ব্যাকুল
মৌ-ৰস নিলেহি আহি।
পোন সুৰেৰে গছৰ ডালতো
দৰায়ে জুৰিলে গীত।
বনৰ বিহগী আপোন পাহৰা
ৰঙতে নাচিছে চিত।
প্ৰকৃতি দেৱীয়ে ৰঙা ফুট ল'লে
ৰূপৰ যে তুলনা নাই।
গোটেই জগত খলক লাগিছে
পুৱতিৰ পৰশ পায়।



# তোমাৰ গানত বৰষুণ

✍ প্ৰদিপ্ত গগৈ
স্নাতক প্ৰথম যান্মাসিক

আজি এই সোণালী দিনটোত
মোৰ হৃদয় স্পৰ্শ কৰিবলৈ নামি আহক
তোমাৰ গানত এজাক বৰষুণ।
সুৰবোৰে সাতুৰি নাদুৰি ফুৰক
মোৰ দুচকুৰ মাজত।
আবেগবোৰ ফুলি উঠক মোৰ দুটি ওঁঠত
সৰগৰ পাৰিজাত ফুল হৈ........।
হেপাঁহবোৰ উপচাই তোলক মোৰ দুগালত
তোমাৰ প্ৰতিটো গানৰ শব্দই
মোৰ উমাল বুকুক মতলীয়া কৰক।
তোমাৰ গানত ৰামধেনু ৰঙীন সপোন হৈ
তোমৰ গভীৰ প্ৰেমক বুজাবলৈ
আজি এই সোণালী দিনটোত
মোৰ সমগ্ৰ দেহাক জীপাল কৰি তুলিবলৈ
সৰগৰ পৰা নামি আহক
তোমাৰ গানত এজাক বৰষুণ।



# সপোন এক বিষাদ .....

✍ গৌতম গগৈ
স্নাতক প্ৰথম যান্মাসিক



সপোন দেখিবলৈ শিকিছোঁ ক্ৰমশ.......
ভাবিবলৈও শিকিছোঁ
মাথো তোমাৰ বাবে ......
তোমাক পাবৰ বাবেই
দূৰ দিগন্তলৈ চাপলি মেলিছোঁ
মদাৰ ফুলৰ সুবাস ৰিচাৰি.......
উজাগৰে কটাইছোঁ
দিন ৰাতি, পল-অনুপল
মাথো তোমাৰ বাবেই .....
কিয় জানো.....
তোমাক পোৱা-নোপোৱাৰ দোমোৰাতেই
বাগৰি গ'ল মোৰ আশাৰ জখলা.....
মোৰ বৰ ভয় লাগে জানা.....
তোমাক নোপোৱাৰ বেদনাত
পাইও হেৰুৱাৰ বেদনাত....
তুমি মোৰ বাবে ক'ত ৰৈ আছা প্ৰিয়ে....

পূৰ্ণিমা ৰাতি কৃষ্ণ চূড়াৰ তলতনে
আঁউসী ৰাতিৰ দেওলগা আঁহত-বটবৃক্ষৰ কাষত......
এদিন সপোনত তুমি আহিছিলা
মোৰ স'তে সাগৰৰ পাৰত বালিঘৰ সজাবলৈ
সাগৰৰ বিশাল জলৰাশিয়ে
চুৰমাৰ কৰি গ'ল আমাৰ ক্ষন্তেকীয়া আলিংগনৰ
স্বৰ্ণ সৌধ
সপোনৰ বালিঘৰ
কিয় মোৰ বাবে ইমান নিষ্ঠুৰ,
উন্মাদ উত্তাল আশাৰ চাকনৈয়া....
নিমিষতে ভাঙি থৈ গ'ল সপোনৰ সুবাস-শীতল
প্ৰেমৰ আস্বাদন .....
মাথোঁ ৰৈ গ'ল অন্তৰত মোৰ
সপোনৰ এক বিষাদৰ ছাঁয়া....
মাথোঁ বিষাদ ??????
বি..ষা...দ...

## প্ৰজন্ম

✍ দীপজ্যোতি দিহিঙ্গীয়া
প্ৰাক্তন ছাত্ৰ

প্ৰেম অথবা প্ৰেমহীনতা,
আৱেগ বিহবল অথবা কঠোৰো মন,
শূণ্যতা অথবা পৰিপূৰ্ণতা।।
বুজি পায় সকলোৱে
অথচ বুজি নাপায় কোনেও।।
শিশু মনক নিজে হত্যা কৰি
আপুনি মই কৈশোৰ,
কৈশোৰক হত্যা কৰি যৌৱনদীপ্ত
আৰু যৌৱনক হত্যা কৰি বৃদ্ধ
আজি প্ৰতিজন হত্যাকাৰী
নিজৰ সময়ৰ।।
তথাপি আমি পাহৰো অতীত।
ভোগবাদে হত্যা কৰে আৱেগক
আমি চিনি নাপাওঁ ইজন-সিজনক।।
যুৱকৰ দৃষ্টিত বৃদ্ধজন ভুল,
বৃদ্ধজনৰ দৃষ্টিত যুৱকজন ভুল।।
আমি প্ৰকৃততে কি ??
সময়ে দুখৰ হাঁহি মাৰি কৈ যায়,
"তোমালোকে একো একোটা প্ৰজন্ম"
ভৱিষ্যৎ বুৰঞ্জীয়ে অনাগত দিনত লিখিব
প্ৰজন্মৰ সংঘাতৰ বাবেই
মৃত্যু মুখত পৰিল
অসমীয়া ভাবা-কৃষ্টি-সংস্কৃতিৰ।।
তেতিয়া কেনটো প্ৰজন্মই কাক ক্ষমা খুজিব
"ভুল কৰিলো আমি, আমি ক্ষমাৰ প্ৰাৰ্থী"।।



## সুধাকণ্ঠ

✍ হিৰোমণি ভৰালী
উঃ মাঃ দ্বিতীয় বৰ্ষ

সংগীত সূৰ্য তুমি
অসমৰ ৰত্ন,
যাদুকৰী কণ্ঠ তোমাৰ
হে সুধাকণ্ঠ।
অগ্নিযুগৰ ফিৰিঙতি তুমি
নতুন পুৱাৰ কিৰণ,
গণশিল্পী তুমি
মানুহৰ মনত।
লুইতৰ পাৰৰ তুমি
সুযোগ্য সন্তান,
অসমৰ বাবে তুমি
অমূল্য সম্ৰাট।
সুধাকণ্ঠ আজি তুমি নাই
মানুহৰ বাবে গাবলৈ গীত
ধন্য তুমি
ধন্য তোমাৰ সৃষ্টি
যুগমীয়া হৈ ৰ'ব
তোমাৰ সৃষ্টিৰাজি



## এজন দুৰন্ত প্ৰেমিক বন্ধু

✍ দেবু বুঢ়াগোঁহাই
স্নাতক তৃতীয় ষান্মাসিক

প্ৰেম যন্ত্ৰণাত ছটফটাব ধৰিছে।
এজন দুৰন্ত প্ৰেমিক বন্ধু
হাঁহাকাৰ কৰি উঠিছে সি
হৃদয়ৰ লগত হৃদয়
ঠেকা খোৱাৰ ভয়ত।
প্ৰেমিক বন্ধুৱে এতিয়া চিৎকাৰ কৰি উঠিছে।
ৰঙা গোলাপৰ পাহি
মৰহি যোৱাৰ ভয়ত .......।
(ক্ৰমশঃ) ভালপোৱাবোৰ শিপাব ধৰিছিল
সেউজীয়া হৈ
মৌনতাৰ আঁৰ লৈ
নীৰৱে নিটালে......।
হৃদয়ৰ উম লৈ
আগবাঢ়ি গৈছিল সি
প্ৰেম নদীৰ গভীৰৰ পৰা গভীৰতালৈ.....।
প্ৰেমিক বন্ধুৱে শুনিছিল
প্ৰেমিকাৰ বুকুত বাজিথকা
ঋণী ঋণী উতলা প্ৰেমৰ বংকাৰ।
নিশ্বাসত এৰিছিল
প্ৰেমিকাইও সহস্ৰ
ভালপোৱাৰ অনুভূতি।
একীভূত হৈ পৰিছিল।
জীৱনৰ ৰং ......।
(পিছে।) প্ৰেমিক বন্ধু এতিয়া মৌন হৈ পৰিছে।
ধূসৰ হৈ আহিব ধৰা
তাৰ প্ৰেম, ভালপোৱা দেখি ......।
প্ৰেমিক বন্ধুৱে
সকলো দিছিল তাইক
সোণাৰুৰ হালধীয়া হাঁহিবোৰ
ৰামধেনুৰ সাতো ৰং
আকাশৰ ভৰাজোন......।
মাথোঁ দিব পৰা নাছিল সি
প্ৰেমিকাই ভালপোৱা
এটাই বৰণ ...... ???



## জীয়াই থকাৰ মাদকতাবোৰ

✍ মৌচুমী গগৈ
স্নাতক পঞ্চম ষান্মাসিক

এমুঠি অন্নৰ বাবে মাগি ফুৰিছো
কাৰোবাৰ দুৱাৰে দুৱাৰে .....।
লজ্জা নিবাৰণৰ বাবেও হাত পাতিছো।
কাৰোবাৰ কাষত নীৰৱে .....।
মোৰ আছে আশা আৰু
জীয়াই থকাৰ দুৰ্বাৰ হেঁপাহ।
তথাপি বুকু মোৰ তীব্ৰ বেদনাৰে ভৰা
নাই কোনো ইয়াৰ প্ৰতিকাৰ।
এৰি আহিলো অতীতক বহু দূৰত
নাই আজি মোৰ ওচৰত কোনো
তপত চকুলো বাহিৰে .....।
আপাতত.......
মুক্ত আকাশৰ তলত প্ৰকৃতিৰ মাজতে
আজি স্বপ্নৰ কাৰেং সাজিছো
ভৰাই ৰাখিছো হৃদয়ত জীয়াই থকাৰ মাদকতাবোৰ....।

# বিলাসিতা

(সপোনৰ পিছত দৌৰা....দৌৰা ..... সপোনক লগ
নোপোৱালৈকে দৌৰা
মাথো মনত মনত ৰাখিবা তোমাৰ দৰে আৰো সপোন
থাকিব পাৰে, থাকিব পাৰে তোমাক
লৈয়ো আনৰ সপোন .......)

✍ *গোপীনাথ চেতিয়া*
*কাৰ্যালয় সহায়ক*

(১)
তুমি আৰু বিলাসিতা
এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি
এটা আনটোৰ পৰিপূৰক।

তোমাৰ একাপ চাহৰ সংজ্ঞা
ট্ৰি-পট'ৰ ধোৱা
চাহাবী কায়দাৰে বুৰাই লোৱা তাজ বেগুৰ চাহ
অজস্ৰ নামী-বেনামী পকোৱাৰ সতে
তোমাৰ ওঠৰ লিপষ্টিক লাগো নালাগো আৰ্ছিছ গেলেৰী কাপ।

তুমিও ভালপোৱা জলকেলি
দুভৰি নচুৱাই ভাগৰি নপৰা একাজলি পানীত
দুহাত প্ৰসাৰিত কৰি দিয়া টাইটানিক প'জ
দীঘলীপুখুৰীৰ নৌকা বিহাৰত ভটিয়নিত এৰি যোৱা মোক।

তোমাৰ প্ৰিয় শব্দ তালিকীত দৌৰি ফুৰে
টনিস্ক, আন্না ছুই, ৰলেক্স, ফৰ্ড ...............

তোমাৰ ডিনাৰ মানে
মমবাতিয়ে পোহৰাই ৰখা তাজ হোলেৰ টেবুল নং ৪০৫
তোমাৰ বাবে পাৰ্টি মানে
স্ক'টচ, চেম্পেইনৰ লগত শাৰী পিচলাই নাচিব পৰা
ব্ৰহ্মপুত্ৰ আশোকৰ শেষনিশাৰ কিৰিলিবোৰ।

(২)
তুমি অনুমান কৰিব পাৰা মোৰ বিলাসিতা কিমানৰ
একাপ ৰঙা চাহ চেনিৰ
জালুক দিয়া বুট ভজা।
শিঙিবিলৰ পৰা এবোজা ঘাঁহৰ সতে
নাওঁ বাই বাই গাই উঠা
গানৰ সৈতে জমি উঠে মোৰ নৌকা বিহাৰ।

কছাৰীবস্তিৰ এপিয়লা মদ
৫ টকাৰ চানাচুৰে মই হৈ উঠো ভোকাতুৰ প্ৰেমিক।
অনুৰাধাৰ সমুখৰ ২০ টকা প্লেটৰ
মম'ৰে চলে মোৰ ৰাজকীয় ডিনাৰ।
প্ৰভৰাজৰ নাইটশ্বৰ পৰা বৰযুণত
ডি চি বি ৰোডৰ ভাড়াঘৰ পাওঁতে
মই হৈ পৰো কুচ কুচ হোতা হে'ৰ ৰাহুল।
আচলতে
কথা নাছিল
এনেদৰে থকাৰ
কথা আছিল
তুমি জুহালত বকা ৰঙা চাহ
মই বুধবৰীয়া হাটৰ পৰা অনা বুট ভজাৰে একেলগে খোৱাৰ।

(৩)
পথাৰৰ টঙিঘৰত বহি বহি চৰাই খেদোৱা তুমি
আইফেল টাৱাৰৰ প্ৰেমত পৰিছা
গৰৈমাৰী বিলৰ বৰশীত পুঠি মাছ তোলা তুমিয়ে
জুহু বিচ্চত ফ্লেট বিচাৰি হাবাথুৰি খাইছা
মোৰ ২২ ইঞ্চিৰ চাইকেলৰ কেৰিয়াত বহি গান গাই ফুৰা তুমি
আজিকালি এচি নথকা গাড়ীত নবহা।

তুমি সলনি হ'লা
তুমি সলনি হোৱা বাবে
হ'ব নোৱাৰিলো মই।
তোমাক ভালপাওঁ বাবেই
ক'ৰবাত কেনেবাকৈ বৈ আছো
অকণমান বিলাসিতা কৰিবলৈ .......।।



# দিনলিপিৰ এটা দিন

✍ *উজ্জ্বল ফুকন*
*উচ্চতম মাধ্যমিক দ্বিতীয় বৰ্ষ*

সন্ধ্যাঠিক ৫.০০ বাজিছে স্কুলৰ পৰা আহোঁতে শিৱসাগৰ মাৰ্কেটত সোমাই বজাৰ কৰিলোঁ। পলম হোৱাৰ বাবে ভয়েই খাইছিল হঠাৎ ডিব্ৰুগড় তিনিচুকীয়া বুলি বাছত থকা ল'ৰা এজনে চিঞৰা শুনি ল'ৰা-লৰিকৈ আহি বাছত উঠিলো। সন্ধ্যাৰ শেষ বাছ। প্ৰেচেঞ্জাৰ সৰহ হোৱাৰ বাবে পাছৰ চিটলৈ যাব লগা হৈছিল। মইয়ো কোনো বেয়া পোৱা নাছিলো। যদিও এটা সময়ত বাছৰ খিৰিকিৰ কাষত বহি মুকলি বতাহৰ সোৱাদ লোৱাটো এক আনন্দৰ কথা আছিল। কিন্তু বৰ্তমান পৰিস্থিতিত এয়ে যথেষ্ট। বহা বহা মাতটো চিনাকী যেন লাগিছে। আৰে ৰোহন দেখোন বহা বহা। বাস্তৱ তুমি কৰ পৰা। মই গুৱাহাটীৰ পৰা আহি আছো। তুমি? মই স্কুলৰ পৰা আহি দুই-এটা বজাৰ কৰিলো সেয়ে পলম হ'ল। পিছে বাস্তৱ গুৱাহাটীত কি কৰি আছা? অ, মই গুৱাহাটীৰ কমলদেৱ হাইস্কুলত যোগদান কৰা আজি দুবছৰেই হ'ল। তুমি মইয়ো জয়সাগৰৰ স্কুলএখনতেই কৰি আছো। বাকী খবৰ কেনেকুৱা ৰোহন, বিয়া বাৰু হলনেকি? নাই অ' ব্লেকএনড হোৱাইট জীৱন? তুমি অলমষ্ট। সন্ধ্যাৰ বাট বাছৰ স্পীড তেতিয়া কাটা ৬০-৭০ ৰৰো ওপৰত। বিভিন্ন কথা বতৰা-পাতি আহোতে হঠাৎ বাছৰ ল'ৰাজনে ডিমৌ ডিমৌ বুলি চিঞৰা শুনিলো। আৰু অন্তৰত গধুৰ মনলৈ বাছৰ পৰা নামিলো। ডিমৌৰ পৰা এখন টেম্পু ধৰিলেই নিতাই পুখুৰীলৈ প্ৰায় ১০ কি.মি. বাট।

ঘৰলৈ আহি হাত মুখ ধুই ভাত খাবলৈ ললো। পলম হোৱাৰ বাবে ভাত খাবলৈ মন যোৱা নাছিল। তথাপিও নাকে-কাণে দুই এগৰাহ ভৰাই ল'লো। তাৰ পাছত মোৰ ৰুমত থকা আলমাৰিটোৰ পৰা উলিয়াই আনিলো ২০০৪ চনৰ দিনলিপি। যিখন সম্পূৰ্ণ হোৱাত বাস্তৱৰ অৱদান আছিল অপৰিসীম। বাস্তৱ মোৰ জীৱনৰ একমাত্ৰ প্ৰকৃত বন্ধু। যি মোক জীৱন গঢ়াত বহুতো সহায় কৰিছিল। মোৰ আনন্দৰ বন্ধু আৰু সুখ-দুখৰ সংগী। বাস্তৱ আৰু মই নিতাই পুখুৰীৰ চৰকাৰী হাইস্কুলত একেলগে পঢ়িছিলো। অৱশ্যে বাস্তৱৰ ঘৰ তিনিচুকীয়াত। নিতাই পুখুৰীত সি পেহীয়েকৰ ঘৰত থাকি পঢ়া-শুনা কৰিছিল। আমি স্কুলত প্ৰায়ে একেলগে থাকো। লগৰ আনসকলে আমাক দুহীতা বুলি জোকাইছিল। অৱশ্যে আমি কোনো বেয়া পোৱা নাছিলো। কিয়নো বাস্তৱ আৰু মোৰ বন্ধুত্ব আছিল অতি মজবুত খোৱা খেলা-ধূলা কৰা, চাইকেল চলোৱা, আদি সকলোতে দুয়ো একেলগে কৰিছিল। কিন্তু সময়ৰ সোতেঁ আমাৰ বন্ধুত্বক দূৰণিলৈ ঠেলি পঠিয়ালে। খেলি-মেলি হৈ থকা দিনলিপিখন বিছাৰি বিছাৰি উলিয়াই ললো বাস্তৱ আৰু মোৰ শেষবাৰৰ বাবে লগ পোৱা দিনটোৰ কথা। যিটো দিন মোৰ জীৱনৰ এটা উল্লেখযোগ্য স্মৰণীয় দিন।

২০১৪ চনৰ ছেপ্তেম্বৰ মাহৰ (পাঁচ) তাৰিখ। যিটো দিনত বাস্তৱ নিতাইপুখুৰীৰ পৰা তিনিচুকীয়ালৈ একেবাৰে গুচি গৈছিল। যোৱা আগ মূহৰ্ত্তত বাস্তৱ আৰু মই এখন হোটেলত বহি চাহ খাইছিলোঁ আৰু পাতিছিলো সুখ-দুখৰ বহুতো কথা। বাস্তৱৰ দুচকুত অশ্ৰুৰে ভৰি পৰিছিল। যেন শৰীৰৰ কোনোৱা এটা অংগ তাৰ জীৱনত একেবাৰে হেৰাই যাব। মইয়ো শোকত ভাগি পৰিছিলো। তথাপি সান্ত্বনা দিছিলো। বাস্তৱ ত্যাগ এটা মহৎ গুণ সেইকথা তুমিয়ো জানা। প্ৰকৃতিয়ে বিচাৰিছে আমাৰ বন্ধুত্ব জীয়াই থাকক। হৱপাৰে আমি আৰু সদায় এনেদৰে সময়বোৰ কটাব নোৱাৰো। কিন্তু মই জানো আমি পুনৰ এনে এটা সময়পাম যেতিয়া তোমাৰ-মোৰ বন্ধুত্বক কোনোৱে আতঁৰ কৰি থব নোৱাৰে। গতিকে তুমি সেই সময়টোলৈ অপেক্ষা কৰা। কোনোৱা পুৰোহিতে কৈছিল Past Tense ৰ কথা পাহৰি যোৱা আৰু Present tense ত এনে এটা Sentence লিখিবলৈ যত্ন কৰা যিটোৱে তোমাৰ Future tens টো আৰু Bright Colorful কৰি তোলা গতিকে তুমি Present tense টো ডাল কৰিবৰ বাবে এই Past tens কথাবোৰ ত্যাগ কৰিব লাগিব। প্ৰকৃতিয়ে তোমাক মোক আঁতৰ কৰিলেওঁ আমাৰ বন্ধুত্বক আঁতৰ কৰিব নোৱাৰে। মাহাত্মা গান্ধীয়ে কৈছিল বন্দুকৰ গুলীয়ে আদৰ্শক হত্যা কৰিব নোৱাৰি তেনেস্থলত। বাছ আহিল। চাহৰ কাপ আধাতে থাকিল। বেগ আৰু ট্ৰাংকটো মইয়ে বাছত তুলি দিলো। বাস্তৱে কান্দি কান্দি কৈছিল ৰোহন মই তোমাক বাৰুকৈয়ে Missed কৰিম বাছ ষ্টাৰ্ট হ'ল। বাস্তৱ উঠিল মইয়ো অলপ সময় চাই ৰলো বাস্তৱ উঠি বাছ খনলৈ। আহিবনে আকৌ এই বাছখনতে মোৰ বন্ধু বাস্তৱ (২০১৪চনৰ চেপ্তম্বৰ ৫)।◆◆

## মোৰ জীৱনৰ আটাইতকৈ মহত্বপূৰ্ণ দিনটো

*প্ৰিয়ংকা চাহু*
*(উঃমাঃ দ্বিতীয় বৰ্ষ)*

১৬ ডিচেম্বৰ মোৰ জন্মদিন। সেই দিনটো আছিল ২০১২ চনৰ ডিচেম্বৰ, সেইদিনা মই হোৱাৰ আগমুহূৰ্ত্তত প্ৰথমবাৰ বাবে দাদায়ে মোক ম'বাইলটো লৈ শুবলৈ কৈছিল তেতিয়া মই আচৰিত হৈছিলো যে দাদায়ে মোক ম'বাইল লৈ শুবলৈ কৈছে কিয়......?

মই যদিও মান্তি হোৱা নাচিলো তথাপিও পাপাৰ ম'বাইলটো লৈ শুইছিলো অলপ নিদ্ৰা যোৱাৰ পাছত মই গম পাইছিলো যে সি মোৰ bedroom ত আহি ম'বাইলটোত কিবা কৰিছে। কিন্তু মই কথাটোত গুৰুত্ব নিদিলো কাৰণ সি যেতিয়াই তেতিয়াই ম'বাইলটো পিটিকি থাকে......

মাজৰাতি ১২ বজাৰ হঠাৎ এটা Message tone বাজি উঠিছিল - " Happy birth day to you.............!" মই সাৰ পাই আচৰিত হৈ ম'বাইলটো চাবলৈ লওঁতেই মই দেখিছিলো মা' পাপা বাক আৰু দাদাকো। তেওঁলোকে মোক আৰু আচৰিত কৰি দিছিল অলপ চিঞৰি Surprize বুলি কৈ।

মই জাপ মাৰি উঠোতেই দেখিছিলো যে 'বায়ে কেক এটাৰ ওপৰত গুজি থোৱা মমবাতি ডাল জ্বলাই মোৰ ওচৰলৈ আগবাঢ়ি আহিছে'। আৰু সকলোৰে হাতত আছিল মোৰ বাবে উপহাৰ, সেইবোৰ দেখি মই আনন্দত আত্মহাৰা হৈছিলো আৰু লগে লগে মমবাতিডাল নুমুৱাই কেকটো কাটি, মই মা, পাপ, দাদা, লগতেবাকো এডোখৰ খুৱাইছিলো আৰু তেওঁলোকেও মোক খুৱাইছিল লগতে মোক প্ৰত্যেকেই একো একোটাকৈ উপহাৰৰ টোপোলা দিছিল, মই নথৈ আনন্দিত হৈ তেওঁলোকক "Thank you" বুলি কৈ লগে লগেই উপহাৰ কেইটা খুলি চাইছিলো মা'ৰ উপহাৰটো খুলি পাইছিলো এটা ধুনীয়া চুৰেটাৰ আৰু পাপাৰ উপহাৰটোৰ পৰা পাইছিলো এটা বেগ আৰু মই খাই ভাল পোৱা "Good day" বিস্কুটৰ পেকেট ২ টা আৰু দাদাৰ উপহাৰটোৰ পৰা এটা সুন্দৰ পুতলাৰ লগতে দুটা চকলেট, সেইদৰেই বাৰ উপহাৰৰ টোপোলাটোৰ পৰা পাইছিলো এটা হাতঘড়ী।

মই সেই উপহাৰ কেইটা চাই অতি আনন্দিত হৈছিলো। সেইদিনা মায়ে মোক কৈছিল যে 'মইনা তই আজি ১৪ বছৰ অতিক্ৰম কৰি ১৫ বছৰত ভৰি দিছু তই যোৱা বছৰটোত যিমান ভুল কৰিলি সেইবোৰ পাহৰি এইবছৰটোতে শুদ্ধৰাই আৰু তোৰ বেয়া অভ্যাসবোৰ এৰি ভাল অভ্যাস গঢ়ি লবি'। আৰু পাপা, দাদা আৰু বায়ে মোক কৈছিল যে 'তোৰ এই বছৰটো অতি সুখৰ আৰু সাৰ্থকতা (Successful) ৰে পাৰ হওঁক আমি তাৰেই কামনা কৰিছো' - সঁচাকৈয়ে এই দিনটো মোৰ বাবে আজিলৈকে পাৰ হোৱা দিনবোৰতকৈ অতি মহত্বপূৰ্ণ তথা স্বৰণীয় দিন আৰু মই এউ দিনটোক কেতিয়াও পাহৰিব নোৱাৰো। গতিকে, মই মোৰ পৰিয়ালৰ এই সদস্য সকলক পুনৰ ধন্যবাদ জনাইছো কাৰণ সেই দিনটো মোৰ আটাইতকৈ ভাল লগা তথা স্বৰণীয় কৰি তোলাৰ বাবে।

◆◆

## কৌতুক

*কল্যাণ গগৈ*
স্নাতক দ্বিতীয় ষান্মাসিক

এদিন আদালতত ঃ—

বিছাৰক ঃ- (চোৰক উদ্দেশ্য কৰি) গুপ্তাৰ ঘৰত কিয় চোৰ কৰিছিলা?

চোৰ ঃ- মান্যবৰ, মই ভোকাতুৰ আৰু আশ্ৰয়বিহীন।

বিছাৰক ঃ- অ হয় নেকি? বাৰু আজিৰ পৰা তোমাক বিনামূল্যে খাবলৈ আৰু থাকিবলৈ দিয়া হ'ব।

চোৰ ঃ- ধন্যবাদ। মান্যবৰ। ক'ত থাকিবলৈ দিব মই জানিব পাৰোনে?

বিছাৰক ঃ- ছবছৰৰ বাবে মুখ্য কাৰাগাৰত।

চোৰ ঃ- হেঁ



## কলেজীয়া জীৱনৰ বিদায় বেলাৰ উচুপনি

*গৌতম গগৈ*
স্নাতক ৫ম ষান্মাসিক

*বিদায় বিদায় আজি*
*কিহৰ বিদায়?*
*ক'ৰ পৰা বিদায় আৰু*
*ক'লৈ বিদায়?*

হয়, আমাৰেই (মোৰ) কলেজীয়া জীৱনৰ পৰা বিদায় লোৱাৰ ক্ষণ সমাগত। আৰু এটা বছৰৰ পাছতে আমি মেলানি মাগিব লাগিব কলেজীয়া জীৱনৰ পাঁচটা বছৰত সীমাবদ্ধ উচ্চ শিক্ষাৰ উচ্চ স্থলীৰ পৰা। প্ৰত্যেক কৰ্মৰে আৰম্ভণি কৰিলে যিদৰে অন্তপৰে ঠিক কলেজীয়া জীৱনৰ সময়ছোৱাও এটা নিৰ্দিষ্ট সময়ৰ মাজত সীমাবদ্ধ হৈ থাকে। এই সীমাবদ্ধ সময়ছোৱা অতিক্ৰম কৰিবলৈ আৰু মাত্ৰ আমাৰ বাবে এপলক..........। তাৰ পাছতে আমি ৰাওনা হ'ম নিজক প্ৰতিষ্ঠাৰ বাবে অন্য এখন জগতলৈ আমাৰ দৰে প্ৰত্যেকেই এদিন বিদায় মাগিব লাগিব এই মধুৰ স্মৃতিৰ বাকৰিৰ পৰা আনকি আমাৰ শ্ৰদ্ধাৰ, মৰমৰ শিক্ষাগুৰুসকলেও তেওঁলোকৰ কৰ্মৰাজিৰ নিৰ্দিষ্ট সময়ৰ সীমাবদ্ধতাৰ বাবে......। ই চিৰ প্ৰৱাহমান গতিত।

আমি আৰু এটা বসন্ত গৰকিয়েই বিদায় জনাব লাগিব কলেজীয়া জীৱনৰ মধুময় সময়ছোৱাক। বুকুত অহৰহ কঢ়িয়াই ফুৰিব লাগিব এক মধুৰ স্মৃতিৰ সঁফুৰা। উহ্ ! বুকু বিষায় যায় মোৰ। যোৱা তিনিটা বছৰে পাৰ কৰি অহা ৰঙীন মুহূৰ্তবোৰৰ কথা মনত পেলাই। মোৰ যে প্ৰাণৰ মহাবিদ্যালয়ৰ পৰা আঁতৰি যাবৰ মনেই যোৱা নাই অলপো। কিন্তু উপায় নাই? সময় গতিশীল। এই গতিশীল সময়েই আমাক কঢ়িয়াই লৈ ফুৰিছে অহৰহ অজান মুলুকলৈ। গতিশীল সময়ৰ বাবেই বিদায় জনাব লাগিব আমি কলেজীয়া জীৱনক। আমি সময়ৰেখাকে বাটবুলি আগুৱাই গৈ নিজ কৰ্মৰ মাজেৰে নিজক প্ৰতিষ্ঠিত কৰি তুলিব লাগিব আৰু কেইটামান বসন্ত গৰকিয়েই। সময়ে মোক কলেজীয়া জীৱনৰ পৰা মেলানি মাগিবলৈ সকীয়াই দিলেও মোৰ মনে বাৰে বাৰে কন্দুৱাই তুলিছে যোৱা তিনিটা বছৰে পাৰ কৰি অহা কলেজৰ ৰঙীন ক্ষণবোৰৰ কথা ৰোমন্থন কৰি। কলেজীয়া জীৱন সঁচাই বৰ মধুময়, ৰসময় হাস্যময় ....... ইয়াক নোপোৱাজন অতি দুৰ্ভগীয়া। মই কলেজীয়া জীৱনৰ মধুময়, হাস্যময় সময়ছোৱা পাৰ কৰিছোঁ মোৰ সহপাঠী অতি মৰমৰ বন্ধু-বান্ধৱী, শিক্ষাগুৰু লাইব্ৰেৰী, কেন্টিন তথা কমনৰুমৰ সতে। আমাৰ কলেজীয়া জীৱনৰ প্ৰতিটো ক্ষণেই মাথোঁ হাঁহিৰে ভৰপূৰ। হাঁহি আৰু হাঁহি....

মোৰ কলেজীয়া জীৱনৰ আৰম্ভণি ঘটাইছিলোঁ ২০১১ চনৰ কোনোবা এটা দিৱসত। পানীদিহিং উচ্চমাধ্যমিক বিদ্যালয়ৰ পৰা মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ আৰু অলপ উচ্চ শিক্ষা লাভৰ নিমিত্তে নামভৰ্ত্তি কৰিছিলোঁ মোৰ প্ৰাণৰ মহাবিদ্যালয়খনিত। উক্ত বিদ্যালয়খনিৰ (পানীদিহিং উচ্চ মাধ্যমিক বিদ্যালয়) পৰাই যোৱা কেইজনমান পুৰণি বন্ধু-বান্ধৱীৰ লগতে বিভিন্ন প্ৰান্তৰ পৰা অহা বন্ধু-বান্ধবীৰ লগত গঢ়ি উঠিল এক মধুৰ সম্পৰ্ক 'বন্ধুত্ব' নামৰ কোনো-কাহানিও পাহৰিব নোৱাৰা এটি মিঠা শব্দৰ অমৰ গাঁথা। (মাথোঁ কেইজনমান সহপাঠীৰহে মোৰ পৰিচয় পত্ৰত স্বাক্ষৰিত 'Best friend' নাম উল্লেখ নকৰোঁ) আমি ইজনে সিজনক কোনো দিনেই পাহৰি যাব নোৱাৰোঁ। প্ৰত্যেকেই ইতিমধ্যে ইজনে সিজনক ভালদৰেই চিনি বুজি পেলাইছোঁ। মোৰ লগৰ প্ৰত্যেকজন বন্ধু-বান্ধৱীয়েই একো একোজন "Jock Star" আমি প্ৰত্যেকেই দুখকো সুখ বুলি মানি লৈ হাঁহি-ধেমালি কৰি যোৱা, প্ৰত্যেকেই প্ৰত্যেকৰ সুখ-দুখ হাঁহিকান্দোনৰ সমভাগী হোৱা, ইজনে সিজনৰ প্ৰকৃত বন্ধু-বান্ধৱী। কোনে সতে বাৰু এৰি যাওঁ আমাৰ মাজতে হোৱা শ্ৰেণী কোঠাৰ হাঁহি খিকিন্দালিবোৰৰ কথা, সৰু ল'ৰা ছোৱালীৰ দৰে চোৰ-পুলিছ লুডু খেলাৰ কথা, লাইবেৰী-কেন্টিনৰ মাথো সেই হাস্যৰসিক মুহূৰ্তবোৰৰ কথা।কোনো কাহানিও পাহৰিব

নোৱাৰা এক মধুময় স্মৃতি। মোৰ এই মূহূৰ্তবোৰৰ কথা হৃদয়ংগম কৰিলে দুচকুত অশ্ৰুৰে ভৰি পৰে.........। মোৰ বন্ধুবৰ্গ তথা সহপাঠীৰ লগতে আমাৰ মহাবিদ্যালয়ৰ মহান শিক্ষাগুৰুসকলৰ লগতো গঢ়ি উঠিছিল ছাত্ৰ-শিক্ষকৰ মাজৰ বন্ধুত্বৰ এক সুমধুৰ সম্পৰ্ক। এই সুমধুৰ সম্পৰ্ক ৰাজিৰ কথাও এই জনমত কেতিয়াও পাহৰিব নোৱাৰোঁ। আমাৰ মহাবিদ্যালয়ৰ প্ৰত্যেকজন শিক্ষাগুৰুৱে একো-একোজন মহামনীষী। তেওঁলোক সদা কৰ্মনিষ্ঠাৱান। হাঁহিমুখীয়া মৰমিয়াল মোৰ বাবে চিৰপূজনীয়, চিৰনমস্য একো-একোজন মহামানৱ। আমাৰ শিক্ষাগুৰুসকল বিস্তৃত জ্ঞানৰ অধিকাৰী। তেওঁলোকৰ জ্ঞানৰ পৰিধিয়ে আমাক দিয়া শিক্ষাৰ কথা মই কেনোকালেই পাহৰিব নোৱাৰোঁ। আমাক তেওঁলোকে দান কৰা জ্ঞানকে সাৰথি কৰি পোহৰৰ বাটেৰে বাট বুলি আগুৱাই গৈ নিজকে গঢ়ি তুলিব লাগিব তেওঁলোকৰ দৰে মহৎ ব্যক্তিৰ ৰূপত। তাৰ বাবে আমি কৰি যাব লাগিব অহৰহ কঠোৰ সংগ্ৰাম। বৰ্তমানৰ কাঁইটীয়া জীৱনৰ পথত গতি কৰিবলৈ তেওঁলোকে দিয়া জ্ঞানৰাজিকে আন্ধাৰতো পোহৰ বুলি মানি লৈ গতি কৰিব লাগিব নেদেখা নদীৰ সিপাৰলৈ। তেওঁলোকৰ মহৎ জ্ঞানকে সাৰোগত কৰি আগবাঢ়ি যাম চিৰদিন, চিৰকাল আপোনালোক দীৰ্ঘজীৱী হওক। আপোনাসৱৰ দীৰ্ঘায়ু কামনা কৰি মই সদায়ে প্ৰাৰ্থনা কৰি যাম সেই নেদেখা নিগুৰ্ণৰ অধিকাৰীজনৰ ওচৰত। আপোনালোকৰ মহৎ গুণ আৰু আদৰ্শকে সাৰোগত কৰি মইও যাত্ৰা কৰি যাম ৰঙীন সপোনক বাস্তৱত পৰিণত কৰাৰ সীমনা বিচাৰি সুদূৰ দিগন্তলৈ ........ জীৱনৰ মাধুৰী বিচাৰি।

*এইখিনিতে এটি মধুৰ স্তৱক মানসপটত ভাঁহি উঠিছে।*

*"মহামহাপুৰুষৰ চালেকিৰে জীৱনৰ*
*আমিও গঢ়িব পাৰো জীৱন গঢ়িত;*
*অভিনয় শেষ হ'লে আয়ু বেলি মাৰ গ'লে*
*থৈ যাব পাৰো খোজ সময় বালিত।*

আমাৰ মহাবিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষ মহোদয়ো এজন, চিৰ পূজনীয়, চিৰনমস্য শিক্ষাগুৰু। মহোদয়, আপোনাৰ অধ্যক্ষ জীৱনৰ কৰ্মবেলাৰ কৰ্মৰাজিয়ে গঢ়ি তোলক এখনি সুন্দৰ মহাবিদ্যালয় সৰ্বাংগসুন্দৰ জ্ঞানালয়। আপোনাৰ কৰ্মৰাজিৰ বাবেই যাতে আপোনাৰ নাম আমাৰ মহাবিদ্যালয়ৰ ইতিহাসৰ পাতত সোণালী আখৰে খোদিত হোৱাৰ লগতে চিৰঞ্জীৱ হৈ ৰয়। আমাৰ আশা সদায় থাকিব .......

মই উচ্চ শিক্ষাৰ স্নাতক পৰ্যায়ৰ আৰম্ভণি কৰিলোঁ অসমীয়া বিষয়টো সন্মানীয় বিষয় হিচাপে বাছি লৈ । সন্মানীয় বিষয়ৰ প্ৰথম দিনাৰ ক্লাছৰ পৰা বৰ্তমানলৈকে কৰি যোৱা ক্লাছৰ মুহূৰ্তবোৰৰ কথা কোনো দিনেই পাহৰিব নোৱাৰো। মোৰ বিভাগৰ প্ৰত্যেকজন শিক্ষাগুৰুয়ে একো-একোজন হাঁহি-ধেমালিৰে ভৰপূৰ সুহৃদয়ৰ গৰাকী। হাঁহি-ধেমালিৰ মাজেৰে মোৰ শিক্ষা গুৰুসকলে যি শিক্ষাদান কৰে; অন্য মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকল যেন ব্যতিক্ৰম (নহ'বও পাৰে)। তেওঁলোকে দেখুৱাই দিয়া বাটকে বাটবুলি আগুৱাই যাব লাগিব জীৱনৰ ছন্দ বিচাৰি। আৰু কেইটামান বসন্তৰ পাছতে। আমি, আমাৰ শিক্ষাগুৰুসকলৰ মহৎ জ্ঞানকে সম্বল হিচাপে লৈ কঠোৰ পৰিশ্ৰম কৰি উপনীত হ'ব লাগিব নিজৰ নিজৰ লক্ষ্য স্থানত।

সদৌ শেষয় মই প্ৰত্যেকজন শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱীলৈকে মোৰ হৃদয়ৰ পৰা শুভ কামনা জনাই ছোঁ ...... তেওঁলোক দীৰ্ঘায়ু হওঁক, একো-একোজন মহামনিষীত পৰিণত হওক। এই সুযোগতে মই যদি অজানিতে কাৰোবাৰ ওচৰত দুখ লগাইছিলোঁ, কাৰোবাক তিৰস্কাৰ, উপহাস বা ককৰ্থনা কৰিছিলোঁ সেইবোৰৰ পৰা মোক যেন ক্ষমা কৰি দিয়ে তাৰবাবে অনুৰোধ জনালোঁ আৰু মোৰ কলেজীয়া জীৱনৰ বিদায়ৰ বেলাত উপনীত হৈ অশ্ৰু অঞ্জলিৰে বিদায় মাগিছোঁ মোৰ জীৱনৰ উচ্চ শিক্ষাৰ তথা জ্ঞানৰ পোহৰৰ পথিক মহাবিদ্যালয়খনি চিৰ যুগমীয়া হৈ ৰোৱাৰ কামনাৰেই......

*"জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়*
*জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় জয়।"*

◆◆



# অবুজন মন

✍ *মায়াশ্ৰী শইকীয়া*
*উঃ মাঃ প্ৰথম বৰ্ষ*

বহু চিনাকী তথা আপোন মানুহবোৰক কেতিয়া সময়ৰ কোৱাল সোঁতত এৰি দিব লগীয়া হয়। এনে কিছুমান ঘটনা ঘটে মানুহৰ জীৱনত 'যিবোৰ ঘটনা মানুহৰ মনৰ পৰা কেতিযাও উলিয়াই দিব নোৱাৰি। অতীতৰ স্মৃতিয়ে সদায় আমনি কৰে" নিহাৰ এই কথাষাৰে নৱনীতাৰ মনত সদায় আহি আমনি কৰি থাকেহি। নৱনীতা, তুম্পি, পৰী আৰু ভাস্বতী কলেজত একেলগে পঢ়ে। নৱনীতা আৰু পৰী একে গাঁৱৰে। ভাস্বতী আৰু তুম্পিৰ গাঁৱো ওচৰা। কলেজৰ নাহৰ গছৰ তলত বহি থাকোতে তুম্পিয়ে হাতেৰে খোচ এটা মাৰি নৱনীতাক ক'লে ঃ- এই নৱনীতা চোৱা শান্তনুৰ চকু তোমাৰ ওপৰত। তাৰ চকুৰ চাৱনি চালে ক'ব পাৰি কি ক'ব খোজে।

ঃ তুম্পি, তুমি যে কি কোৱা। কলেজত বহু ল'ৰা-ছোৱালী আছে, কোনোবাই কৰোৱাক চালেই কিৱা কব খোজে নেকি?

নৱনীতাৰ কথাষাৰ শুনি তুম্পিয়ে মিচিকীয়াই হাঁহি ক'লে বাৰু সময়ত দেখাযাব।

কেতিয়াবা হঠাতে কোনো এক মানুহৰ সমস্ত সত্ত্বাক চুম্বকৰ দৰে আকৰ্ষণ কৰে। স্নেহ মমতা আৰু ভাল পোৱাই মানুহক এক নতুন মানুহলৈ ৰূপান্তৰ কৰে। নৱনীতায়ে কলেজলৈ আহোতে মন কৰিছে শান্তনু নামৰ লৰাজন তাইৰ ওচৰলৈ আহিচে।

ঃ নৱনীতা আজি দেৰি কৰিলা যে? কিবা ... কাম আছিল নেকি?

শান্তনু দত্তৰ কথাষাৰত নৱনীতাৰ চ'ক খোৱাৰ দৰে লাগিল আৰু কলে —

ঃ আজি ঘৰৰ পৰা আহোতে দেৰিকৈয়ে আহিছো। আজি প্ৰথম ক্লাচটো বুৰঞ্জী আছে। মোৰ বুৰঞ্জী নাই।

ঃ কিয় তুমি বুৰঞ্জী বেয়া পোৱা নেকি? ইতিহাসে আগৰ দিনৰ ৰজা-মহাৰজাৰ দিনত কি কি হৈছিল সেই বোৰ জনাত সহায় কৰে বা শিকায় তোমাৰ আগৰ কথা জানিবলৈ মন নায়ায় নেকি?

ঃ কথাষাৰ তেনেকুৱা নহয়।.........

ঃ বাৰু ...... তেনেহলে সেইবোৰ বাদ দিয়া। মই তোমাক কাগজ এখন দিব বিচাৰিছো। ধৰি ল'বা মই তোমাক কিবা গিফট্ দিছো বুলি।

কথাষাৰ কৈয়ে তাইৰ হাতত কাগজ এটুকুৰা দি শান্তনু গুচি গ'ল। নৱনীতাই কাগজখন লৈ ভাবিলে-কিহৰ গিফট হ'ব পাৰে।? কাগজখন খুলি দেখিলে।

"মই তোমাক ভাল পাওঁ নৱনীতা তুমি না নকৰিবা প্লিজ ...... প্লিজ' মানুহে কেতিয়াবা কৰোবাৰ পৰাজয় হয়।

নৱনীতায়ে পৰী, তুম্পি আৰু ভাস্বতীৰ লগত কথাষাৰ আলোচনা কৰিলে। ভাস্বতীয়ে ক'লে - ল'ৰাটো দেখাই শুনাই ভালেই আৰু পঢ়াতো ভালেই আছে। কলেজৰ পৰা স্কলাৰচিপ পাইছে। মই ভাবো তুমি সমৰ্থন কৰাতো ভাল হ'ব। ছোৱালীৰ জীৱনত এদিনতো বিয়া হ'বই লাগিব। মানুহৰ সৈতে মানুহৰ ধীৰে ধীৰে গঢ় লৈ উঠা মানবীয় সম্বন্ধৰ তীব্ৰতাৰ উমান সকলো সময়তে পোৱা নেযায়। পৰিচয়ৰ কোনো কোনো মূৰ্হত্ততে অনুভৱ হয় মানৱীয় সম্পৰ্কৰ কথা।

নৱনীতাৰ প্ৰেম পত্ৰ পাই শান্তনু আনন্দত আত্মাহাৰা হৈ পৰিছে। আজি পৃথিৱীখনত তাৰ সমান যেন সুখী কোনোৱে নহয়। গভীৰ মমতা আৰু বিশ্বাসে শান্তনুৰ হৃদয়খন ভৰি পৰিল।

শান্তনু আৰু নৱনীতায়ে বহুদিন কলেজৰ নিৰিবিলি নাহৰ গছৰ তলত কটাইছে। সিহঁতৰ ভালপোৱা বহু দিন চলি থাকিল। মানুহ সময় আৰু পৰিস্থিতিৰ দাস। সময়ৰ কোবাল সোঁতত কোন ক'ত ৰৈ যায় কোন কলৈ আগবাঢ়ি যায় কোনেও কব নোৱাৰে। কাৰোবাৰ জীৱনলৈ আহে পূৰ্ণিমাৰ জোনাক, কাৰোবাৰ জীৱনলৈ আহে অমাৱশ্যাৰ এন্ধাৰ।

বি.এ পাছ কৰি শান্তনু গুচি গ'ল চাকৰি সূত্ৰে আৰু নৱনীতা হায়াৰে চেকেণ্ডাৰী পাচ কৰি গুচি গ'ল নগৰৰ কলেজলৈ।

টক... টক.... টক....। নৱনীতা বহাৰ পৰা উঠি দুৱাৰখন খুলি দি দেখিলে মোমায়েকৰ সৈতে এজন অচিনাকী অনুপম। নৱনীতায়ে

বহিবলৈ দিলে মোমায়েকে চিনাকী কৰি ক'লে এয়া অনুপম হাজৰিকা। অফিচত আমনি পাব বুলি ইয়ালৈ লৈ আহিলো। কেতিয়াবা মাজে সময়ে আহিব তুমি বেয়া নাপাবা এওঁ আমাৰ

অফিচত নতুনকৈ সোমাইছে।

মোমায়েকৰ সৈতে ল'ৰাজন গুছি গ'ল। চোফাখনত বহি লৈ নৱনীতাই শান্তনুৰ কথা ভাবিলে। শান্তনুৱে যদি তাইক পাহৰি যায় তেতিয়া তাইৰ বাৰু কি হ'ব? কাৰোবাক ভাল পায় যদি বিয়া কৰাই । না না ধৰণৰ চিন্তাই তাইৰ মনটো সেমেকি গ'ল। শান্তনু নিশ্চয় তেনেকুৱা নহয়।

পিচদিনা ধাৰাসাৰ বৰষুণ। মোমায়েকৰ লগত অহা ল'ৰাজন কেইবাদিনো আহিল সিহঁতৰ ঘৰলৈ। এজন ল'ৰা ইমানকৈ অহাতো নৱনীতাই পছন্দ নকৰে। বদ মেজাজী হৈতো দেখাব নোৱাৰে।

এদিন অনুপম হাজৰিকাৰ পৰা প্ৰেম পত্ৰ আহিল। শান্তনুৰ মৰমবোৰ এহাতে দলিয়াই দি আনহাতে অনুপমৰ মৰমবোৰ বুটলি ল'লে অনুপম আৰু নৱনীতা গভীৰ প্ৰেমত বোৰ গ'ল কেতিয়াবা ৰেষ্টুৰাত, কেতিয়াবা পাৰ্কত।

নৱনীতাৰ কাঁহ ধৰিলে দৰৱ আনি দিয়ে, খোৱাই দিয়ে। যেন নৱনীতাৰ সমান সুখী প্ৰেমিক কোনো নাই। বিয়াৰ পিছত আৰু মৰম কৰিব।

শান্তনুৱে বন্ধু উৎপলৰ পৰা খবৰ পালে নৱনীতাৰ প্ৰেমৰ কথা তাৰ হৃদয়খন ভাঙি-চিঙি টুকুৰা হৈ পৰিল। নৱনীতাৰ কথা জানি শান্তনু আজি-কালি বহু ড্ৰিংকছ কৰে। তাৰ যেন নৱনীতাৰ বাদে জীৱনত একো নাই। সি যেন জীৱনটো শেষকৰি দিব তিল তিলকৈ।

নৱী, আমাৰ বিয়াখন এই বহাগতে হ'ব বুলি ঘৰত কৈছো। অনুপৰম কথা শুনি নৱনীতাৰ বুকুখন কঁপিবলৈ ধৰিলে। তাই কোনো উত্তৰ নিদি ভিতৰলৈ দৌৰ মাৰিলে।

লাহে লাহে দিনবোৰ পাৰ হ'বলৈ ধৰিলে। অনুপম নৱনীতাৰ ঘৰলৈ নহা হ'ল। এদিন অনুপমে নৱনীতাক বিদায় দি বহু দূৰলৈ গুচি গ'ল। সি বিয়া কৰালে। সেই কথা শুনি নৱনীতাৰ মূৰত যেন স্বৰ্গ ভাঙি পৰিল। লাজ অপমানত তাই বাহিৰলৈ ওলাই যাব নোৱাৰা হ'ল। ওচৰৰে বৰ মাক আহিল। কথাৰ মাজতে বৰমাকে পুতেকৰ বিয়াৰ কথা উলিয়ালে।

বিশ্বই ছোৱালী চায়ে থৈছে। সময়তবিয়া কৰালেই হ'ল। নহয় অ' বিশ্বই কৈছে সেই ছোৱালীজনীৰ লগত সি টাইম পাছহে কৰিছে। বৰমাকৰ কথাত খণ্ডত ৰঙা পৰি গ'ল। মানুহে কাৰোবাৰ হৃদয় আশাক লৈ কিয় টাইম পাছ কৰিব লাগে। যিজনে হৃদয়ৰ স্পৰ্শ পোৱা নাই, তেনেকুৱা মানুহেহে শৰীৰৰ বাবে হাঁহাকাৰ কৰে। মানুহবোৰে মাথো কাৰো বাৰ শৰীৰটো ভোগ কৰিব খোজে মিছা মিঠা মিঠা মৰম দি নৱমীতাৰ চোফাত বহি মাও চেটুঙৰ কবিতা পঢ়ি আছে। তাই বাৰু অন্যায়, অবিচাৰ কৰা সকলৰ বিৰুদ্ধে প্ৰতিবাদ কৰিব নেকি?

টুক....... টুক....... টুক।

নৱনীতা উঠি নগল। মাকে আহি দুৱাৰ খুলি দিলে। এচাটি চেঁচা বতাহৰ সৈতে শান্তনু দত্ত সোমাই আহিল। নৱনীতায়ে চকু দুটাকে বিশ্বাস কৰিব পৰা নাই। মাকে শান্তনুক বহিবলৈ দি ভিতৰলৈ গুচি গ'ল।

মোক ক্ষমা কৰিবা নৱনীতা, মই বহু ভুল কৰিলো। তোমক এৰি বহু দূৰলৈ গুচি গ'লো। মই পতাৰক। শান্তনু কান্দোনমোৱা হৈ পৰিল। নৱনীতাই দৌৰি আহি শান্তনুক সাবটি ধৰি হুক-হুকাই কান্দিবলৈ ধৰিলে।

দুৱাৰ খিৰিকি বন্ধ থকাৰ বাবে বাহিৰৰ জগতখনে একো নেদেখিলে।

◆◆

## জানি থোৱা ভাল

*সংগ্ৰাহকঃ গৌতম গগৈ*
*স্নাতক পঞ্চম যান্মাসিক*

১. ইংৰাজী Ok শব্দৰ উৎপত্তি ঃ—

পৃথিবীৰ চুকে-কোণে সততে উচ্চাৰিত হৈ থকা এটা শব্দ হ'ল 'Ok'। এই শব্দটো আমেৰিকাৰ যদিও ই প্ৰকৃততে জাৰ্মান শব্দ। Ok মানে আমি কলোৱে জানো যে "All Correct" অৰ্থাৎ সকলো ঠিক আছে বা ঠিক হয় বুলিয়েই। ১৯৫০ চনত আমেৰিকান ফৰ্ড মটৰ কোম্পানীত এজন প্ৰব্ৰাসী জাৰ্মান otto krause এ কাম কৰিছিল। তেওঁ উৎপাদিত গাড়ীবোৰ পৰীক্ষা কৰিছিল আৰু ভালকৈ চলিলে গাড়ীৰ খনৰ ওপৰত নিজৰ নাম আৰু উপাধিৰ আদ্যাক্ষৰ দুটা লিখিছিল O.k বুলি। আৰু এনেকৈয়ে Ok শব্দটোৰ উৎপত্তি হৈছিল।



## হেৰুৱা দিনৰ স্মৃতিবোৰক সুঁৱৰি

✍ *দীপিকা দত্ত*
*স্নাতক ৩য় যান্মাসিক*

বৰ্ত্তমান এগৰাকী অধ্যাপিকা হোৱা নীলাঞ্জনা বৰুৱাই পুনৰ চিঠিখন পঢ়ি চালে য'ত জড়িত আছে তাইৰ জন্মৰ মৰমৰ গাওঁখনি। চিঠিখনে তাইক সোঁৱৰাই দিলে অতীতৰ সেই বিষাদময় স্মৃতিবোৰক। জীৱনৰ যন্ত্ৰণা আৰু জটিলতাবোৰ তাইৰ বয়সৰ তুলনাত আগতীয়াকৈ স্পৰ্শ কৰিলে। চিঠিখন পঢ়ি তাইৰ স্মৃতিবোৰ মনলৈ এটা এটাকৈ আহিব ধৰিলে অলিখিত ধুসৰিত পৃষ্ঠাসমূহৰ দৰে। আজিৰ পৰা বত্ৰিছ বছৰ আগত যিখন ঠাইৰ লগত তাইৰ ওতঃপ্ৰোত সম্পৰ্ক আছিল, বৰ্ত্তমান চিঠিখন তাইৰ হাতত নপৰাহেতেঁন নিজৰ জন্মৰ ঠাইখনো তাইৰ বাবে অচিনাকী তথা ধুসৰিত পৃষ্ঠাৰ দৰে থাকি গ'লহেতেঁন।

বৰ্ত্তমান মহাবিদ্যালয়ৰ অধ্যাপিকা হোৱা নীলাঞ্জনা বৰুৱাই এতিয়া জীৱনত মানসিক শান্তি, সুখ স্বাচ্ছন্দ্য সকলো পাইছে যদিও কৰবাত যেন কিবা এটা নাপালে। ৰতন বৰুৱাৰ একমাত্ৰ জীয়ৰী আছিল নীলাঞ্জনা বৰুৱা। গাঁৱৰ বোকা পানীৰ মাজত ডাঙৰ হোৱা চঞ্চল নীলা জনী খুৱেই সুখী আছিল। পখিলাৰ পাছে পাছে ঘুৰি ফুৰা, পথাৰৰ কেকুঁৰিত লৰি-ঢাপৰি দেউতাকৰ দুবাহুৰ মৰমৰ মাজত থাকিতাই জীৱনত দুখ কি চিনি পোৱা নাছিল। কিন্তু হঠাৎ সেই সপোনৰ, হেপাঁহৰ ঘৰখন আৰু চঞ্চলা নীলা জনী এদিন মৌন হৈ পৰিছিল। প্ৰাণ থাকিও প্ৰাণহীন ব্যক্তিৰ দৰে তাই জীৱন কটাইছিল। গাতটোপ এটা পৰিবলৈ নিদিয়া নীলাৰ দেউতাকে এদিন পুত্ৰ সন্তানৰ কাৰণে অন্য এগৰাকী নাৰীক বিয়া কৰাইছিল। চৰকাৰী বিভাগত চাকৰী কৰা দেউতাকে উত্তৰাধিকাৰী হিচাপে এজন পুত্ৰক বিচাৰি নিজৰ প্ৰথমা পত্নী আৰু নীলাক অৱমাননা কৰিছিল। মাহীমাকে সিহঁতক ভাল চকুৰে নাচাইছিল কাৰণে নীলাৰ মোমায়েকে বায়েক আৰু ভাগিনীয়েকক নিজৰ ঘৰলৈ লৈ গৈছিল আৰু সেইবছৰে নীলাই অসমৰ ভিতৰতে অষ্টমস্থান লাভ কৰি মেট্ৰিক পৰীক্ষা পাছ কৰিছিল। সেইদিনা নীলাৰ খুব আনন্দ লাগিছিল কাৰণ মানসিকভাৱে ভাগি পৰা মাকৰ মুখত এচেৰেঙা হাঁহি দেখি আৰু মাকে তাইক এটা চুমা যাঁচি কৈছিল " আইজনী আৰু ভালকৈ পঢ়িবি, দেউতাৰৰ দৰে মানুহবোৰক যাতে দেখুৱাৰ পাৰ কন্যা সন্তানো ল'ৰা সন্তানৰ সমান হব পাৰে।' তাই সেইদিনাই প্ৰতিজ্ঞাবদ্ধ হৈছিল তাই কন্যা হৈও অসাধাৰণ হব, দেউতাকৰ দৰে মানুহবোৰক কন্যা সন্তানেও যে মহৎ হব পাৰে তাক প্ৰমাণ কৰি দিব। তাই ওচৰৰে কলেজখনৰ পৰাই ইংৰাজী বিভাগত অনাৰ্চসহ গ্ৰেজুৱেচন সমাপ্ত কৰোতে তাই যে কিমান কষ্ট কৰিব লগা হৈছিল। নিয়মিত ক্লাচত উপস্থিত থাকিবলৈ সমৰ্থ হোৱা নাছিল মোমায়েকে তাইক সহায় কৰিছিল যদিও মোমায়েকৰ হাড়ভগা শ্ৰমৰ বিনিময়ত পোৱা টকাকেইটাই তাই লবলৈ বেয়া পাইছিল কাৰণে নিজে অৰ্থউপাৰ্জন কৰিছিল নৈমিত্তিক টিউছন কৰি ৰাতি ঘৰ সোমাওঁতে মাকে তাইৰ কষ্ট দেখি কান্দি উঠিছিল যদিও তাই মাকক সান্ত্বনা দিছিল দুখৰ অন্তত সুখ আহিব বুলি। হঠাৎ এদিন মোমায়েকৰ এক অচিন বেমাৰত মৃত্যুঘটাত তাই মূৰত সৰগ ভাগি পৰিছিল। আশ্ৰয়দাতাৰ মৃত্যুত মোমায়েকৰ সৰু ল'ৰাটোৰ লগতে মামীয়েকও তাইৰদায়িত্ব কান্ধ পাতি লৈছিল। মোমায়েকৰ মৃত্যুৰ পাছত ঘৰখনত টকা পইচাৰ অভাৱ হোৱাত তাই দৈনিক টিউছনৰ বাদেও এখন কাপোৰৰ দোকানত দুঘন্টাকৈ 'ছেলচগাৰ্ল' হিচাপে কাম কৰিছিল। এটাৰ পাছত এটাকৈ দুখে তাইক কোঙা কৰি গৈছিল যদিও তাই কোনোদিন নিজৰ অধ্যয়নৰ প্ৰতি পিঠি দিয়া নাছিল। নৈমিত্তিক অধ্যয়ণ কৰি গৈছিলে। এনেকৈ কষ্টৰ মাজতে তাই গ্ৰেজুৱেচনতো প্ৰথম শ্ৰেণী লাভ কৰি গ্ৰেজুৱেচন সমাপ্ত কৰিছিল। তাই খুব ইচ্ছা আছিল এম. এ কৰাৰ। বিভিন্ন সংস্থাৰ সহায়-সহযোগ বিশ্ববিদ্যালয়ৰ সহায় আৰু মেধাৱীভিত্তিক জলপানি লাভ কৰি মাক আৰু মামীয়েকৰ আৰ্শীবাদ মৰম বুকুত বান্ধি তাই তাইৰ সপোন পূৰ্ণ কৰিবলৈ গুচি গৈছিল জীৱনত কিবা এটা কৰি দেখুওৱাৰ প্ৰতি শ্ৰুতিৰে। আধুনিকতাৰ পৰশত বিলীন হৈ যোৱা বিশ্ববিদ্যালয়ৰ পৰিৱেশৰ লগত প্ৰথমে নীলাই মিলিব পৰা নাছিল। গাৱঁলীয়া চাদৰ মেখেলা পৰিহিতনীলাক দেখিলে লগৰবোৰে, 'বেকৱাৰ্ড', আওটডেটেট, গাৱঁলীয়া ভুত, বুলি তাইক জোকায়, কিন্তু তাই সেইবোৰলৈ কাণ নিদিয়ে মাথো নিজৰ কাম কৰে, আজৰি পৰত গল্প, কবিতা বিভিন্ন

ধৰণৰ তত্ত্বগধুৰ প্ৰবন্ধ লিখে। এনেদৰেই বিশ্ববিদ্যালয়ৰ দিনবোৰ বাগৰি গ'ল। তাতো শিক্ষকসকলে তাইক খুব মৰম কৰে সহায় সহযোগ কৰে মেধাৱী বুলি। তাইক হোষ্টেলৰ ছোৱালী বোৰেও এতিয়া খুৱভাল পায় কাৰণ তাই যে মেধাবী। তাইৰ দুখৰ কথা জানিব পাৰি লগৰবোৰ, শিক্ষকসকলে তাইক প্ৰেৰণা যোগাই আগবাঢ়ি যাবলৈ। হোষ্টেলৰ ছোৱালীবোৰ যেতিয়া তাইক বজাৰ কৰিবলৈ , চিনেমা চাবলৈ লগ ধৰে তেতিয়া তাই মিছাতে কিছুমান অজুহাত উলিয়ায়। নহলে উপায় নাই কাৰণ তাই জানে যে তাই বিলাসীতাৰ বাবে পইচা খৰচ কৰিব নোৱাৰে। এদিন দুদিনকৈ তাই বিশ্ববিদ্যালয়ৰ শেষ পৰীক্ষাত প্ৰথম স্থান দখল কৰি ঘৰলৈ উভতি আহে। এতিয়া মাথো বাকী তাই অধ্যাপিকা হোৱা। অধ্যাপিকা হ'বৰ কাৰণে লগা পৰীক্ষাবোৰত উত্তীৰ্ণ গৈ তাই এদিন এখন কলেজত ইংৰাজী বিভাগৰ প্ৰৱক্তা ৰূপে যোগদান কৰিলে। সেইদিনা তাই, তাইৰ মাক আৰু মামীয়েক খুব সুখী হৈছিল, কিন্তু তথাপিও যেন মৰমৰ দেউতাকৰ পৰা বিচ্ছিন্ন হৈ তাই সুখী হব পৰা নাছিল। বৰকৈ মনত পৰিছিল দেউতাকৰ মুখ খনিলৈ। জীৱনৰ খলা, বমা, কন্ট কময় পথক নেওচি হাজাৰটা ধুমুহাক প্ৰত্যাহ্বান ৰূপে লৈ তাই আজি এখন সপোনৰ আসন পাবলৈ সমৰ্থ হৈছে। কিন্তু আজি বত্ৰিছটাবছৰে তাই কঢ়িয়াই ফুৰিছে বিশ্বাসৰ ঠিকনা। বিশ্বাসী দেউতাকে তাই আৰু মাকক বিশ্বাসঘাটকতা কৰিছিল। মাথো দেউতাকৰ প্ৰতি কঢ়িয়াই ফুৰিছে ঘৃণা আৰু দেউতাকৰ দৰে মানসিকতাৰ মানুহবোৰক তাই সমাজৰ পৰা নিৰ্মুল কৰিব বিচাৰে। পুত্ৰ সন্তানৰ দৰে ছোৱালীয়েও যাতে দেউতাক, সমাজৰ পৰা সম অধিকাৰ পায়, তাইৰ দৰে দেউতাক থাকিও নথকাৰ দৰে যাতে আন কাৰো নহয়। আজি তাই স্নেহ বন্ধন' নামৰ শিশু সকলৰ মাজতে নিজকে বিলিণ কৰি দিছে। সিহঁতৰ লগত আজৰি সময় কটায় আৰু বাকী সময়ছোৱা কলেজৰ ছাত্ৰ-ছাত্ৰীৰ লগত। অনাথ শিশুবোৰক স্নেহবন্ধনত আশ্ৰয় দি কিছুমানৰ মাক দেউতাক নাথাকিলেও নীলাই সিহঁতক অভাৱ অনুভৱ কৰিব দিয়া নাই। শিশুবোৰক মাতৃৰ মৰম দিয়াত অকনো কৃপনালী কৰা নাই নীলাঞ্জনা বৰুৱাই। চৰকাৰৰ পৰা বৰ্ত্তমানেও সাহাৰ্য্য লাভ কৰি স্নেহবন্ধন আশ্ৰম প্ৰত্যেক শিশুৱে এতিয়া নিজৰ কৰ্ম কৰিবৰ কাৰণে অধ্যয়ণত মনোনিবেশ কৰিছে। নীলাঞ্জনাৰ কবিতাই পাঠক সমাজৰ সমাদৰ লাভ কৰিছে। কন্যা সন্তানৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ লগতে কন্যা সন্তানৰো যে সমাজত সম অধিকাৰ আছে তাৰ বিষয়ে বিভিন্ন গল্প, প্ৰবন্ধ লিখি সমাজত এগৰাকী সমাজসেৱিকাৰূপ আসন লাভ কৰিছে। সাধুকথাৰ তেজীমলা সাধুত তেজীমলাৰ দুখত উচুপি উঠা নীলাই আজি উচুপি উঠে সমাজত কন্যা সন্তানৰ অনাদৰ অন্ধকাৰ ভৱিষ্যত দেখি। নীলা অসহায় হৈ পৰে যেতিয়া দেউতাকৰ দৰে মানসিকতাৰ মানুহবোৰে কন্যা সন্তানক অনাদৰ কৰে, নিজৰ মৰমৰ পৰা বঞ্চিত কৰে। এইদৰে যি সময়ত দেউতাকৰ পৰা মৰম পাব লাগিছিল, সেইসময়ত দেউতাকে এটা পুত্ৰ সন্তানৰ বাবে নিজ পত্নী আৰু কন্যাক বঞ্চিত কৰিছিল। এইদৰে কন্যা সন্তানৰ সুৰক্ষিত কৰাৰ লগতে অসহায় মানুহৰ মাজত নিজৰ জীৱন বিলীণ কৰা নীলা লগতে বৰ্ত্তমান সমাজৰ এগৰাকী বিশিষ্ট সাহিত্যিক, সমাজসেবিকাৰ লগতে অধ্যাপিকা। মাকে তাইক মাতিছে। " আইজনী যাবৰ সময় হ'ল"। তেতিয়াহে নীলাঞ্জনা বাস্তৱলৈ ঘূৰি আহিল। তাই উপলব্ধি কৰিল, তাই ইমানপৰে জীৱনত আওলগা কথাবোৰকে ৰোমন্থন কৰিছিল। আজি তাই পুনৰ জন্মৰ গাওঁখনলৈ যাব। য'ত তাই এৰি আহিছিল তাইৰ শৈশৱ, ভাললগা সোণালী মুহুৰ্তবোৰক আৰু দেউতাকৰ সৈতে পাৰ কৰা মুহুৰ্তবোৰক। আজি তাই সেই গাওঁ খনলৈ যাব এখন মিটিঙৰ সম অধিকাৰ প্ৰদান কৰাৰ বক্তৃতা প্ৰদান কৰিবলৈ আজি তাইৰ সপোনৰ গাওঁখনলৈ যাব। য'ত তাই সপোন দেখিবলৈ শিকিছিল, জীৱনৰ ৰঙবোৰক বিচাৰি পাইছিল, সেই সোনাপুৰ গাওঁলৈ তাই যাব সুদীৰ্ঘ বছৰৰ অন্তত। যদিও দেউতাকৰ কথা মনত পেলাই তাইৰ হৃদয়ে নীৰৱে উচুপি উঠিছে তথাপিও এজাক উন্মনা সমীৰণে তাইক গালে-মুখে কোবাই নতুন পোহৰ ছটিয়াই দিছে পুনৰ জীৱনত আৰু কৰ্ম কৰিবলৈ। তাই উপলব্ধি কৰিছে আজি দুখৰ অন্ততহে তাই নীলাঞ্জনা বৰুৱাৰ পৰা হৈ পৰিল নীলাঞ্জনা বৰুৱা বাইদেউ। তাই সাজু হ'ল গাঁৱলৈ যাবলৈ এটি উজ্বল মন লৈ। এজাক আশাই যেন তাইক পুনৰ গাঁৱৰ উন্নয়নত কাম কৰিবলৈ হাত বাউল দি মাতিছে। তাই এটি নতুন হেঁপাহেৰে সাজু হ'ল মৰমৰ গাঁও খনিলৈ যাবলৈ .....।

◆◆



# সংকল্প

গীতাশ্ৰী চেতিয়া
স্নাতক তৃতীয় ষান্মাসিক

মৰমে আৰক্ষী থানাখনৰ ভিতৰত থকা অন্ধকাৰ কোঠাটোত বহি ওখোৰা-মোখোৰা, পংকিল পথেৰে গতি কৰা তাৰ জীৱনটোৰ জোখ-মাখ কৰিছে। হিচাপ কৰি কৰি সি ভাগৰি পৰিছে। ক'ত ভুল হ'ল তাৰ? কিয় তাৰ জীৱণটো এটা নিমিলা অংকৰ দৰে হ'ল? কিয় পিছল খালে তাৰ ভৰি। সিটো এনেকুৱা হ'ব নালাগিছিল। কিহৰ অভাৱ ঘটিছিল তাৰ মৰম-চেনেহ, টকা-পইচা মান-যশ.......। তাৰ দেখোন সকলো আছিল। অথচ...?

অনুতপ্ত সি। অনুতাপত তাৰ অন্তৰ দগ্ধ অনুৰাপৰ দাবানলে তাৰ সমস্ত সত্বাকে আজি ক্ষত-বিক্ষত কৰিছে। দহি দহি তাৰ শৰীৰ এফালৰ পৰা চাই কৰি নিছে। এই দাবাণলৰ পৰা পৰিত্ৰাণ পোৱাৰ আৰু কোনো উপায় নাই তাৰ দুচ কুৱেদি ধাৰাসাৰ লোতক বৈ আহিছে। অৱশ্য এই লোতক থানাখনৰ কোঠাটোত থকা আন্ধাৰখিনিৰ বাহিৰে কোনেও দেখা নাই আন্তাৰ খিনিয়েও যেন তাক উপহাস কৰিচে। অট্ৰহাস্য কৰিচে। আস... তাৰ কাণ তাল। তাৰ কাণ তাল মাৰি গৈছে।

মৰম অৰ্থাৎ মৰম দুৱৰা। অধ্যাপক অজয় দুৱৰা আৰু অধ্যাপিকা নীলিক্ষা দুৱৰাৰ একমাত্ৰ সন্তান।

মাক দেউতাকৰ আলাসৰ লাডু। মূৰত থলে ওকনিয়ে খায় আৰু মাটিত থলে পৰুৱাই খায়। ইফালে গলেও মৰম, সিফালে গলেও মৰম। মুঠতে মৰম অৰু মৰম.......।

সৰুৰে পৰাই মেধাৰ পৰিচয় দি আহিছিল সি। স্কুল কলেজ কোনো পৰীক্ষাতে সি দ্বিতীয় হোৱা নাছিল। হাইস্কুল শিক্ষাত পৰীক্ষা দিওতেও সকলোৱে আশা কৰিছিল।

সি ভাল ৰিজাল্ট কৰিব ভবা মতেই হ'ল। সি অসমৰ ভিতৰতে প্ৰথমস্থান লাভ কৰি গৌৰৱ কঢ়িয়াইছিল। উচ্চতৰ মাধ্যমিক তো সেই ধাৰা অব্যাহত আছিল। সুখ্যাতিৰে উচ্চতৰ মাধ্যমিক পৰীক্ষাত উৰ্ত্তীণ হৈ কটন কলেজত নাম লগালে লক্ষ্য এজন পদাৰ্থ বিজ্ঞনীহোৱা। কিন্তু তাৰ লক্ষ্যত উপনীত হ'বলৈ নাপালেই, দুঃসময়ে তাৰবাবে অপেক্ষা কৰি আছিল।

বি.এছ. চিৰ প্ৰথম বাৰ্ষিকতে সি লগ পাইছিল সন্দীপক তাৰ সহপাঠী হিচাপে। কিন্তু সন্দীপৰ কথা কৰা বোৰ আছিল বেলেগধৰণৰ।.কথাই প্ৰতি স্বাধীনতা। শোষন, নিস্পেষণৰ কথা। প্ৰথম অৱস্থাত মৰমে তাৰ কথাবোৰত গুৰুত্ব দিয়া নাছিল। কিন্তু লাহে লাহে সন্দীপৰ কথাবোৰে তাক আকৰ্ষণ কৰিবলৈ ধৰিলে। আৰু এদিন সকলোৰে অজ্ঞাতে সি যোগ দিলেগৈ উগ্ৰপন্থীৰ সংগঠনত। কলমৰ পৰিৱৰ্তে হাতত তুলি ললে বন্দুক। চিয়াঁহীৰ পৰিৱৰ্তে নিগৰিত হ'ল বাৰুদৰ ধোৱাঁ।

মানুহৰ তেজেৰে ফাকু খেলিবলৈ তাৰ অলপো ভয় নলগা হ'ল এবাৰলৈও তাৰ অন্তৰাত্মা কপি নুঠিল তাৰ হৃদয়খন ধাতুৰ প্ৰলেপ সানি তাৰ হৃদয়খন কঠিনৰ পৰা কঠিনতৰ কৰি তুলিলে। কিন্তু সৰুতে দয়া-মমতাৰে তাৰ হৃদয়খন ভৰপূৰ আছিল। এতিয়াও তাৰ মনত পৰে সেই ঘটনাটোলৈ। ডাৱৰীয়া বতৰৰ কোনোৱা এটা দিনত দেউতাকৰ মন গৈছিল মাংস খাবলৈ। কাম কৰা ল'ৰা ৰঘুৱে বসুৱে বিচাৰি খোচাৰি ওচৰৰ জীৱণৰ ঘৰৰ পৰা আনিছিল এযোৰ পাৰচৰাই কেৱল তৃপ্তিৰে এসাঁজ খাবৰ বাবেই মৰম লগা ধুনীয়া পাৰ যোৰ মাৰি পেলোৱাৰ বাবে তাৰ কোমল অন্তৰখন হাঁহাকাৰ কৰিছিল। সি চিঞৰি চিঞৰি কান্দিছিল। তাৰ চিঞৰে গগন ফালিছিল সেইদিনাৰ পৰা সিহতঁৰ ঘৰত মাছ মাংস খোৱা নাছিল।

এতিয়া দয়া মমতা এইবোৰ তাৰ বাবে এক

অপৰিচিত শব্দ। তাৰ এতিয়া আপোন শব্দটো হ'ল 'হত্যা' অ' হত্যা কৰাই হ'ল এতিয়া তাৰ কাম। সংগঠনৰ নেতৃত্বৰ নিৰ্দেশ মানি সি কিমান যে হত্যাযজ্ঞ সমাপণ কৰিলে তাৰ হিচাপ নাই। কিন্তু জানো তাৰ জীৱনৰ লক্ষ্য আৰু উদ্দেশ্যে আছিল। ধ্বংসযজ্ঞ জানো তাৰ কাৰ্য্য আছিল। মাক-দেউতাকৰ মুখ দুখনে তাক মাজে সময়ে বৰকৈ আমনি কৰে। দুয়োগৰাকী আছিল আদৰ্শ শিক্ষক। সকলোৰে পৰাই তাক নীতি আদৰ্শৰ শিক্ষা দিছিল। তাৰ প্ৰতি ৰাখিছিল গভীৰ আস্থা আৰু বিশ্বাস কিন্তু সি জানো তেওঁলোকৰ সেই আস্থা আৰু বিশ্বাসৰ মূল্য দিব পাৰিলে? এই কথা ভাবিলে তাৰ বুকুখন চিৰিংকৈ যায়। সি অবাটে যোৱা খবৰটো শুনি মাক-দেউতাক কেনেকৈ স্থিৰে আছিল? সহ্য কৰিব পাৰিছিলেনে তেওঁলোকে?

মাত্ৰ অকনমান অসাৱধানতাৰ ফলত পিছল খাই সি যি বোকাত সোমাই পৰিল তাৰ পৰা উঠি অহাৰ কোনো পথ নাই। যৌৱনৰ বলিয়া বানে তাক উটুৱাই লৈ গ'ল এখন দুগন্ধময় জগতলৈ। মৃত্যুৰ অবিহনে এই জগতখনৰ পৰা উভটি অহাৰ উপায় নাই। সংগঠনৰ পৰা ওলাই আহিবলৈ চেষ্টা কৰিলেই সতীৰ্থৰ বুলেটেৰে তাৰ দেহ ছিন্ন ভিন্ন কৰি পেলাব। এতিয়া পিছলৈ খোজ দিয়াৰ কথা সি ভাবিবই নোৱাৰে যিমান পাৰে আগুৱাই যাব।

কেৱল আগুৱাই যাব। কূটাঘাটমূলক কাৰ্য্য সম্পাদনৰ বাবে সি এতিয়া সংগঠনৰ নিৰ্ভৰ যোগ্য কেডাৰ শীৰ্ষ নেতৃত্বৰ নিৰ্দেশ মানি উজনি মুৱা 'এক্সপ্ৰেছ' ৰেলখন বগৰাই দিব লাগে। সেই নিৰ্দেশ পালনৰ বাবেই সি ৰেল লাইনত থকা দলংখনৰ ফালে আগবাঢ়িছে। দলংখনত দুৰনিয়ন্ত্ৰিত বোমাটো স্থাপন কৰি সন্তৰ্পণে সি আঁতৰত থকা জোপোহা জোপাৰ মাজত সোমাই পৰিল। হাতৰ ঘড়ীটোলৈ চালে আঠবাজি সাতাইছ মিনিট গৈছে। চাৰে আঠবজাত ৰেলখন আহি দলঙৰ ওপৰত উঠিব। দূৰৈত সি ৰেলৰ উকি শুনিবলৈ পালে। পকেটৰ পৰা ৰিমটটো উলিয়াই সি সাজু হ'ল। এক, দুই, তি......। ৰেলখন দলঙত উঠাৰ লগে লগে সি ৰিমটৰ বুটামটো টিপি দিলে। প্ৰচণ্ড শব্দকৰি লোহাৰ দলংখন টুকুৰা-টুকুৰ হৈ পৰিল। মুহূৰ্ততে কেইবাটাও ডবা দূৰৈত ছিটিকি পৰিল। জুই আৰু ধোঁৱাই ৰেলখন আগুৰি ধৰিলে। চাৰিওফালে হাঁহাকাৰ লাগিল। মানুহৰ কান্দোন, বিননি আৰু আৰ্তনাদে কোলাহল সৃষ্টি কৰিলে। দলংৰ আশে-পাশে মৃতদেহ ছিটিকি পৰিল। আহত মানুহবোৰে প্ৰাণৰ মমতাত যেনি-তেনি দৌৰিবলৈ ধৰিলে। সেই মানুহবোৰৰ মাজত সোমাই পৰিল।

পিছদিনা পুৱা মৰমে বাতৰি কাকতখন মেলিলে। প্ৰথমে পৃষ্ঠাতে বোমা বিস্ফোৰণৰ ভয়ানক ঘটনাটোৰ বাতৰি সবিস্তাৰে প্ৰকাশ হৈছে। উদ্ধাৰ কৰা মৃত ব্যক্তিসকলৰ ফটোও কাকতখনত প্ৰকাশ হৈছে। মৰমে এফালৰ পৰা ফটোবোৰৰ ওপৰত চকুফুৰাই গ'ল। হঠাৎ দুখন ফটোৰ ওপৰত তাৰ দৃষ্টি একেবাৰে পৰিছে। তাৰ নিজৰ চকুকে বিশ্বাস কৰিবলৈ টান পালে। কাকতখন আৰু অলপ ওচৰলৈ চপাই ভালকৈ চালে তাৰ হাত দুখন কপিবলৈ ধৰিলে।

উশাহবোৰ চুটি আৰু ঘন হ'বলৈ ধৰিলে। হিম চেঁচা পুঁহ মহীয়া ঠাণ্ডাৰ দিনটো সি ঘামিবলৈ ধৰিলে। ঘামবোৰে তাৰ গোটেই শৰীৰটো তিয়াই পেলালে, তাৰ চকু থৰ হৈ গ'ল। অষ্ঠ-কণ্ঠ শুকাই যোৱাৰ উপক্ৰম হ'ল। বহি থকা চকীখনৰ পৰা উঠি সি শিবিৰৰ ভিতৰলৈ গ'ল তেজৰ দাগ লগা চোলাটো সি লিৰিকি বিদাৰি চালে। চোলাটো বুকুৰ মাজলৈ নি সি শুক শুকাই কান্দি দিলে। চিঞৰি চিঞৰি কলে মা, দেউতা......।

কান্দি কান্দি সি মাটিত বহি পৰিল। যি গৰাকী মাতৃয়ে জন্ম দিয়াৰ পৰা লালনপালন কৰি, দুখ-কষ্ট সকলো সহ্য ধৰি ডাঙৰ-দীঘল কৰিলে সেই পিতৃ-মাতৃকে আজি সি হত্যা কৰিলে। তেওঁলোকৰ আলাসৰ লাডু মৰমে নিজ হাতেৰে তেওঁলোকক পৃথিৱীৰ পৰা মুক্তি দিলে। ভাগ্যৰ কি পৰিহাস। শোক আৰু দুখত তাৰ অন্তৰখন চুৰমাৰ হৈ গ'ল। নিজৰ যেতিয়া কোনোবা আপোনজনৰ মৃত্যু হয় তেতিয়াহে উপলব্ধি হয়। মৃত্যু কিমান ভয়াবহ, কিমান কৰুণ। মৰমে উপলব্ধি কৰিলে হিংসাৰ মাজৰে



স্বাধীনতা শান্তি আনিব নোৱাৰি। সি সংকল্প কৰিলে তাৰ পাপৰ প্ৰায়চিত্ত কৰিব। হিংসাৰ পথ ত্যাগ কৰি অহিংসাৰ অৰ্থাৎ মানৱতাৰ জয়গান গাব। "অহিংসাই পৰম ধৰ্ম' এই বাণী সমগ্ৰ বিশ্বত বিলাব শান্তিৰ অবাটে যোৱা ল'ৰাবোৰক ঘুৰাই আনিব। গোটেই পৃথিৱী প্ৰেমময় কৰি তুলিব।

কোনেও গম নোপোৱাকৈ খুউব সন্তৰ্পণে সি শিবিৰৰ পৰা বাহিৰলৈ ওলাল। শিবিৰৰ পৰা সি পোনে-পোনে গুৱাহাটী মেডিকেল কলেজলৈ গৈ মৰ্গত মাক-দেউতাকৰ মৃতদেহকেইটা অসংখ্য মৃতদেহৰ মাজত বিচাৰি উলিয়ালে। নিথৰ হৈ পৰি থকা মৃত দেহ কেইটাৰ ওপৰত সি উবুৰিখাই পৰিল। তাৰ শান্তি যাত্ৰা যাতে শুভ হয় তাৰ বাবে সি মৃত মাক-দেউতাকৰ পৰা আৰ্শীবাদ বিচাৰিছিল শেষবাৰৰ বাবে সি দুয়োৰে চৰণ চুই সেৱা কৰিলে। এইবাৰ সি স্থানীয় আৰক্ষী থানাখনৰ দিশে খোজদিলে। থানাত সি সকলোবোৰ অপৰাধ কথা স্বীকাৰ কৰি আত্মসৰ্ম্পণ কৰিলে। এতিয়াহে মৰমৰ হৃদয়ৰ গভীৰ কোণৰ পৰা শান্তিৰ নিশ্বাস বাগৰি আহিল।

◆◆



## অলপ হাহোঁ আহক

✍ প্ৰিয়ংকা চাহু।
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ।

অট'ৱালা ঃ- দাদা আপোনাৰ ভাড়া ৩০ টকা হ'ল।
ব্যক্তি ঃ- লোৱা এয়া ১৫ টকা
অট'ৱালা ঃ- এইটো কেনেকুৱা অন্যায় দাদা?
ব্যক্তি ঃ- আৰে, তুমিওটো মোৰ লগতেই আহিলা দিয়া আধা ভাড়া তুমি দিয়া.......।

•••••••••••

এজন স্কুলীয়া ছাত্ৰই দোকানী এজনক সুধিলে .......
ছাত্ৰ ঃ দাদা বহী আছে নেকি?
দোকানী ঃ অ' বহি আছো ।
ছাত্ৰ ঃ নহয় মানে বহী আছে নেকি?
দোকানী ঃ অ'ৰে বহি আছো কি হ'লনো তোমাৰ?
ছাত্ৰ ঃ বহী মানে Copy আছে নেকি?
দোকানী ঃ ক'তনো কপি আছো অ'?
ছাত্ৰ ঃ নহয় মানে আপোনাৰ দোকানত বহি আছে নেকি?
দোকানী ঃ নহ'লে কি তোৰ বাপেৰৰ দোকানত বহি আছো.....।

•••••••••••

শিক্ষক ঃ তুমি হ'বলা নতুনকৈ আহিছা? কোৱাচোন নামটো ইংৰাজীত?
ছাত্ৰ ঃ My Name is Moring Moon Servent.
শিক্ষক ঃ কি ?
ছাত্ৰ ঃ মোৰ নাম প্ৰভাত চন্দ্ৰ দাস, ছাৰ।

•••••••••••

শিক্ষক ঃ ক'চোন ৰাজীৱ হিমালয় পৰ্বত ক'ত আছে?
ৰাজীৱ ঃ নাজানো ছাৰ।
শিক্ষক ঃ কাণখনত ধৰি বেঞ্চৰ ওপৰত উঠ।
ৰাজীৱ ঃ তেতিয়া দেখিম নেকি ছাৰ?

•••••••••••

দুজন বন্ধুৱে ৰাস্তাত ক'ল খাই কথা পাতি গৈ আছিল .....
প্ৰথম বন্ধু ঃ ক'ল খালে কলৰ বাকলি খাব লাগে।
দ্বিতীয় বন্ধু ঃ তাৰ পৰা স্বাস্থ্যৰ উন্নতি হয় নেকি?
প্ৰথম বন্ধু ঃ নহয়, ইয়াৰ পৰা ওচৰ-চুবুৰীয়াৰ হাত-ভৰি ভালে থাকে।

# জীৱনৰ বিয়লি বেলাত

*কল্যাণ গগৈ*
*স্নাতক তৃতীয় যান্মাসিক*

পি.কে শৰ্মা বাৰান্দাৰ চকীখনত বহী আছে। তেওঁৰ ঘৰত কাম কৰা মানুহটোৱে জলপানৰ বাতিটো সন্মুখত দিলেহি, লগতে এগিলাচ পানী। চাকৰটোৱে তেওঁক জলপান খাই ভাত খাবলৈ যাৱৰ বাবে কৈ গ'ল। পি.কে.শৰ্মাই কঁপা কপাঁ হাতদুখনেৰে জলপানৰ বাতিটো দুহাতত তুলি ললে। শৰ্মাৰ প্ৰতিদিনাই ৰাতিপুৱা জলপানৰ বাতিটো চাকৰটোৱে মুখৰ আগত দিলেহি ক'ব নোৱাৰাকৈ দুচকুৰ পৰা দুধাৰি চকুৰ পানী দুগালত পৰে। মনত পৰে মায়াঁলৈ, তাই শৰ্মাক ৰাতিপুৱা জলাপানৰ বাতিটো দিয়োতে কিমান আদৰ-সাদৰেৰে দিছিল। মায়াঁই ঘটিত পানী আনি শৰ্মাৰ মুখৰ আগৰ ঠাইখিনি পানী চটিয়াই সেৱা ধৰি জলপানৰ বাতিটো দিছিল। বহু আদৰ আৰু যত্নৰে।

মায়াঁ পি.কে শৰ্মাৰ পত্নী আছিল। শৰ্মা আছিল এজন অধ্যাপক। অধ্যাপক হিচাপে তেওঁ সকলোতে সন্মান পাইছিল। তেওঁক লগ পাবলৈ, তেওঁৰ লগত কথা পাতিবলৈ বহু দুৰ-দুৰণিৰ পৰা মানুহ আহিছিল। শৰ্মাৰ মাথোঁ একেটিয়েই সন্তান ৰতন। শৰ্মা আৰু মায়াঁই ক'ত সপোন ৰচিছিল ৰতনক লৈ। ক'ত যে কল্পনা। ৰতনক মানুহে বনাব এজন ভাল মানুহ। সেইসপোনবোৰ যেন ভাঁহি আহিছিল বতাহত। শৰ্মাৰ ঘৰত সদায়েই হাঁহিৰ ৰেঙনি আছিল। কেতিয়াও কোনেও কান্দোনৰ মুখ দেখা নাছিল।

শৰ্মাৰ ঘৰলৈ দিনৰ দিনটো মানুহৰ আহ-যাহ আছিল। শৰ্মাৰ ঘৰখনত এটা আনন্দমুখৰ পৰিৱেশ আছিল। শৰ্মাৰ ঘৰখন যেন এটা শান্তিৰ মন্দিৰ, সকলো মানুহেই সেইবুলি জ্ঞান কৰিছিল।

শৰ্মাই ৰতনক মেট্ৰিক পাছ কৰাৰ পাছত গুৱাহাটীলৈ পঢ়িবলৈ পঠালে। মায়াঁ আৰু শৰ্মাৰ ৰতনক গুৱাহাটীত পঢ়াবলৈ ইচ্ছা নাছিল। তথাপিও ৰতনৰ আকোৰ গোজ স্বভাৱৰ বাবে শৰ্মাই গুৱাহাটীত পঢ়াবলৈ বাধ্য হ'ল। শৰ্মাই ভাবিছিল ৰতনৰ দৰে এটা গাঁসৱলীয়া পৰিৱেশত ডাঙৰ হোৱা ল'ৰাই গুৱাহাটীৰ পৰিৱেশৰ লগত মিলিব পাৰিব জানোঁ। কিন্তু শৰ্মাৰ ভাৱৰ বিপৰীতহে হ'ল। ৰতন গুৱাহাটীৰ পৰিৱেশৰ লগত মিলি গ'ল। ৰতন গুৱাহাটীলৈ গৈ ঘৰলৈ নহাই হ'ল। তাক মাক-বাপেকে ঘৰলৈ অহাৰ কথাকলত সি মাক -বাপেকক কৈছিল- "চোৱা মা-দেউতা মই তোমালোকৰ দৰে গাওঁৰ অন্ধকাৰ পৰিৱেশৰ মাজত সোমাই থাকিব নোৱাৰোঁ। মোক পোহৰ লাগে। তোমালোকে যদি মোক সচাঁই ভাল পোৱা তেন্তে গুৱাহাটীত মাটি অলপ লৈ ঘৰ বনোৱাহি। মই কিন্তু কৈদিলো দেই মই হ'লে গাওঁত থাকিব নোৱাৰোঁ।"

পুতেকৰ এই কথাৰ বাবে শৰ্মাই পুত্ৰক হেৰুৱাৰ ভয়ত গাওঁৰ সকলো মাটি বাৰী বিক্ৰী কৰি গুৱাহাটীত মাটি কিনি ঘৰ বনালে। তাৰ কেইবছৰমানৰ পাছতেই ৰতনে এম.এ পাছ কৰি গুৱাহাটীৰে কলেজ এখনৰ অধ্যাপক হ'ল। চাকৰিৰ দুবছৰ মানৰ পাছতেই শৰ্মাই ৰতনৰ কথামতে গুৱাহাটীৰ ছোৱালী এজনীৰ সৈতে তাক বিয়া পাতি দিলে।





শৰ্মাই চাকৰি জীৱনৰ পৰা অৱসৰ ল'লে। অৱসৰৰ পাছত শৰ্মাই সমাজৰ কামত মনোনিৱেশ কৰিলে। শৰ্মা এতিয়া সকলোতে পৰিচিত। অ'ত বোলে মিটিং এখন হৈছে পি.কে শৰ্মা সভাপতি, ত'ত বোলে কিবা এটা হৈছে পি.কে শৰ্মাক মাতিব লাগে। মায়াঁই কেতিয়াবা শৰ্মাক কয় "হেৰি আপোনাৰ লগত মই ঘৰৰ পৰা উলাই যাবলৈ বৰ ভাল পাওঁ বুজিছেনে, ইমান মানুহে আপোনাক সন্মান কৰে। আপোনাৰ কিবা যাদু আছে নেকি হয়নে ?

"তুমি যে আৰু কি কথাবোৰ কোৱাঁ। মইনো কি যাদুদাল কৰিম। আচলতে কি জানা আমাৰ বৰ্তমানৰ সমাজখন বৰ বেয়া হৈ গৈছে। এতিয়াৰ এই সমাজৰ বিষয়ে চিন্তা কৰা মানুহ খুবেই ক'ম বুজিলা। আৰু মইযে সমাজৰ কামত ঘুৰি ফুৰোঁ সেইবাবে মানুহবিলাকে মোক অলপ সহানুভূতি দেখুৱাব বিছাৰে - শৰ্মাই ক'লে।

ৰতনৰ কিন্তু এইবোৰৰ প্ৰতি কাণ সাৰ নাই। সি মাক দেউতাকক লৈ সময় নষ্ট নকৰে। সি আৰু তাৰ ঘৈনীয়েকে পুৱা ৯ বজাতেই ওলাই যায় কলেজলৈ আৰু ৰাতি ৯ দহ বজাত ঘৰ সোমায় । তাৰ ঘৈনীয়েকেও গুৱাহাটীৰ কলেজ এখনত অধ্যাপিকা কৰে।

এদিন ৰাতি ৰতন ঘৰ সোমাওঁতে কেইটা বজাত ঘৰৰ পৰা উলাওঁ এইবোৰ খবৰ ল'বলৈ আপোনাৰ প্ৰয়োজন নাই। আৰু আজিৰ পৰা যাতে মই আপোনাৰ পৰা একো কথা নুশুনো মনত ৰাখিব।" - ৰতনে অলপ খঙেৰে ক'লে।

ৰতন আৰু তাৰ ঘৈনীয়েকে নিজৰ ৰুমলৈ সোমাই গ'ল। শৰ্মা একে ঠাইতে শিল পৰা কপৌ চৰাইটোৰ দৰে থৰ লাগি সিহঁত যোৱাৰ ফালে চাই ৰ'ল। যিটো ল'ৰাৰ বাবে শৰ্মাই জীৱনত বহু সপোন ৰচিছিল, যিটো ল'ৰাক মানুহ কৰিবলৈ অহৰহ চেষ্টা কৰিছিল। সেই ল'ৰাটোৰ আজিৰ এই ৰূপ দেখি শৰ্মাৰ নিজৰ ওপৰতে সন্দেহ উপজিল। যে এইটো তেওঁৰ ল'ৰা হয়নে নহয়। জীৱনৰ সপোনবোৰ যেন আজিৰ পৰা ধ্বংস হৈ গ'ল। শৰ্মাৰ এনেকুৱা লাগিল। শৰ্মাই আৰু থিয়হৈ থাকিব নোৱাৰিলে। চকীত বহী পৰিল। মূৰটো ঘূৰাই যোৱা যেন লাগিল। মায়াই পানী এগিলাছ আনি শৰ্মাৰ হাতত দিলে। এই মায়াঁই আজি শৰ্মাৰ একমাত্ৰ আপোন। মায়াৰ বাহিৰে তেওঁৰ আৰু পৃথিৱীত কোনো নাই।

শৰ্মাৰ জীৱনটো এনেদৰেই গৈ আছে, দিনৰ পাছত দিন, ৰাতিৰ পাছত ৰাতি। সমাজক লৈয়েই শৰ্মা ব্যস্ত। শৰ্মাৰ এতিয়া একমাত্ৰ কণাৰ লাখুটি তেওঁৰ ঘৈণীয়েক মায়াৰ বাহিৰে সুখ দুখৰ বিষয়ে বুজি পোৱা মানুহ আৰু কোনো নাই। কিছুদিনৰ পিছত শৰ্মাই সমাজৰ কামৰ পৰাও অৱসৰ ল'লে। এতিয়া শৰ্মাই দিনৰ দিনটো আগফালৰ বাৰান্দাৰ চকীখনত বহি থাকে। ৰাতিপুৱা গধুলি একমাত্ৰ তেওঁৰ ঘৈণীয়েক মায়াৰ বাহিৰে আৰু শৰ্মাৰ খবৰ লওঁতা মানুহ কোনো নাই। কিন্তু বিধিৰ কি বিপাক। শৰ্মাৰ সুখৰ এইকণ ছায়াও নুমুৱাই লৈ গল। শৰ্মাৰ ঘৈণীয়েকে শৰ্মাক এৰি গুচি গ'ল বহু দূৰলৈ, অৰ্থাৎ শৰ্মাৰ ঘৈনীয়েকৰ মৃত্যু হ'ল।

এতিয়া চলিব ধৰিলে শৰ্মাৰ জীৱনৰ ওপৰত অহৰহ নিৰ্যাতিন। বেদনা, কতাক্ষ। আজিকালি শৰ্মাৰ ঘৰলৈ কোনো নাহে। এসময়ত যিখন ঘৰলৈ চুবুৰীয়া মানুহৰ উপৰিও দূৰ-দূৰণিৰ মানুহেও ভিৰ লগাইছিল সেইখন ঘৰ আজি মৰিশালিলৈ ৰূপান্তৰ হৈছে। শৰ্মাৰ পুতেক বোৱাৰিয়েকো শৰ্মাৰ লগত নাথাকে। সিহঁতে কৰবাৰ ফ্লেট এটাত থাকে হেনো, শৰ্মাই নাজানে। এতিয়া শৰ্মাৰ লগত মাত্ৰ দুটা চাকৰ। পুতেকে নিযুক্তি দিছে চাকৰ দুটাক। এসময়ত সমাজৰ কামত নিজৰ জীৱন বিলিন কৰি দিয়া শৰ্মাক এতিয়া সমাজে নিবিচাৰে। কাৰণ এতিয়া শৰ্মা অকমৰ্ণ্য, শৰ্মাই এতিয়া নোৱাৰে ঘুৰিব দিন, ৰাতি একাকাৰ কৰি নালাগে সমাজক শৰ্মাৰ দৰে এজন অকমৰ্ণ্য মানুহক। সেইবাবে কোনো নাহে আজিকালি শৰ্মাৰ ঘৰলৈ, শৰ্মাৰ খবৰ ল'বলৈ। আজিকালি শৰ্মাই পুতেক বোৱাৰীয়েক কাকো লগ নাপায়। কেতিয়াবা অকস্মাৎ দেখা পায়। পুঁৱা জলপান,ভাত, গা-হাত ধোৱাই দিয়া ইত্যাদি কামবিলাক চাকৰ দুজনে শৰ্মাক কৰি দিয়ে। শৰ্মাই পুৱাঁৰে পৰা আগফালে বাৰান্দাত বহি থাকে আৰু চাই থাকে আলিয়ে দি গৈ থকা গাড়ী মটৰবোৰ। চাকৰ দুজনে শৰ্মাৰ সন্মুখত জলপান দিয়েহি, ভাত খাবলৈ ভিতৰলৈ লৈ যায়। গা-ধুৱাই দিয়ে, এইয়াই শৰ্মাৰ জীৱনৰ বিয়লি বেলাৰ নিসংগ জীৱন।

◆◆

# কাইটীয়া গোলাপৰ আঁচোৰ

✍ কমল ভুমিজ
স্নাতক প্ৰথম যান্মাসিক

"দেউতা চাহ খাব, ভাত বাঢ়ি থোৱা আছে। মই যাওঁ" আপোন ভাৱত বিভোৰ হৈ থকা ড° বিকাশ বৰুৱাই খপজপাই চকু দুটা মেলি কলে - হ'ব মাজনী তুমি যোৱা। বৰুৱাই জীয়েকলৈ চাই পুনৰ চকু নমাই আনিলে। জীয়েক অনিতাই কাৰখন লৈ ওলাই যোৱাৰ শব্দ শুনি বৰুৱাই আকৌ ভাৱলেশহীন ভাৱে চকীত আওঁজি কিবা ভাৱত মগ্ন হৈ পৰিল। কিয় জানো আজি জীয়েকৰ উকা কপাল খন বৰুৱাৰ নতুন দৃষ্টিৰে ধৰা দিলে। তেওঁক নিজকে বৰ দোষী দোষী লাগিল। নাভাবো বুলিওঁ মনত পৰিল সেই দিন বোৰলৈ..........।

বিকাশ বৰুৱা আৰু তেওঁৰ সু-গৃহিনী অৰুনিমাৰ একমাত্ৰ জীয়েক অনিতাক লৈ বহুত সুখী আছিল। বৰুৱা ওচৰৰে হাইস্কুল এখনত শিক্ষকতা কৰিছিল। স্কুলৰ পৰা জীয়েকক লৈ ঘৰ আহি পত্নীৰ লগত হাঁহি ধেমালীৰে দিনবোৰ পাৰ কৰিছিল। কিন্তু বৰুৱাৰ এই সুখ হয়তো ভগৱানৰ সহ্য নহল। চাওঁতে চাওঁতে অনিমা হাইস্কুলৰ ডেওনা পাৰ কৰি কলেজত এডমিছন ললে। একমাত্ৰ ছোৱালীয়ে দুখ-কষ্ট নাপাওঁক বুলিয়েই দেউতাকে তাই হোষ্টেলত থাকি পঢ়োৱাৰ সিদ্ধান্ত ললে। কেনাটো লাগিল তাতেই। কেইমাহ মানৰ পিছত চিনিয়ৰ ছাত্ৰ এজনৰ প্ৰেমত পৰিল। তেতিয়াৰ পৰাই অনিমাৰ পঢ়া শুনাৰ প্ৰতি ধাউতি কমি আহিল কেৱল সময়বোৰ বন্ধুৰ লগতেই অতিবাহিত কৰিবলৈ ধৰিলে । প্ৰেমত দুয়োজনেই ইমানেই মচ গুল হৈ পৰিল যে নিজৰ কেৰিয়াৰ, মাক-দেউতাকৰ সপোন চব পাহৰি গ'ল। তেওঁলোকৰ প্ৰেমৰ কথা গোটেই কলেজ খনতেই চৰ্চিত হৈ পৰিল। কথা বুলিলেই বতাহ ইকান-সিকানকৈ কথাটো বৰুৱাৰ কাণটো পৰিল। লগে লগে বৰুৱাই খঙত অগ্নিশৰ্মা হৈ ঠিক কৰিলে জীয়েকক আৰু পঢ়োৱাতো উচিত নহব। ভাল লৰা এজনক চাই বিয়া দি গোটেই সা-সম্পত্তি জী-জোৱায়েকক চমজাই দিয়াটোৱেই সমিচীন বুলি ভাবিলে।

পলম নকৰি বৰুৱাই গুৱাহাটীৰ এজন চাহ বাগানৰ মেনেজাৰৰ পুতেক আদিত্যলৈ বৰ ধুম ধামেৰে বিবাহ কৰোৱাৰ দিন ঠিক কৰিলে। অনিমাৰ হাজাৰ কাকুতিয়ে বৰুৱাৰ হিয়া গলাব নোৱাৰিলে। গতিকে আদিত্যও টকা-পইচাৰ লোভত পলম নকৰি এদিনতে বিবাহ কাৰ্য্য সম্পন্ন কৰি গুৱাহাটীলৈ লৈ গ'ল। অনিমাৰ চকু পানীৰে বাট নেদেখা হ'ল। উপায় নাপাই নিজৰ ভাগ্যকে ধিয়াই অনিমাই সকলো আশা সপোন জলাঞ্জলি দি গুৱাহাটীলৈ গুছি গল। প্ৰথমে আদিত্যই অনিমাক বহু মৰম কৰিছিল। বৰুৱাৰ ঘৰৰ সৈতে ফোনৰ আদান-প্ৰদান অহৰহ চলি থাকিল। বৰুৱায়ো জীয়েকৰ দুখ কষ্ট নহওক বুলি টকা পইচা দি পঠাবলৈ ধৰিলে।

কিছু দিন যোৱাৰ লগে লগে অনিমাৰ প্ৰতি স্নেহ, মৰম, ভালপোৱা যেন দিনক দিনে কমি যাবলৈ ধৰিলে। সমাধি বেদীত কাইটীয়া গছৰ দৰে মাথো বাচি থাকিল টকা পইচাৰ সম্বন্ধটো আৰু লগতে অৰুনিমাৰ গৰ্ভত থকা লৰাটো আদিত্যই নিজৰ বুলি মানি নলয় জোৰ কৰি গৰ্ভপাত কৰোৱালে আৰু এদিন আদিত্যৰ শাৰীৰিক, মানসিক আসুৰিক ব্যৱহাৰে অনিমাক পিতৃগৃহলৈ ঘুৰি আহিবলৈ বাধ্য কৰালে। ঘৰ পাই মাকক সাৱতি অনিমাই হিয়া ঢাকুৰি কান্দিলে। বৰুৱাই মাথো অসহায় দৃষ্টিৰে দুয়োজনলৈ চাই থাকিল।

গভীৰ হতাশা, মনোকষ্ট লৈ জীয়েকৰ চকুৰ আগত বিধৱাৰ সাজ দেখি মাকে মৃত্যুক সাৱতি ললে। দেউতাকে অনেক বুজোৱাৰ পিচতো অনিমাই তেওঁৰ কোনো যুক্তিকে মানি নললে। অনিমাৰ সতে তেওঁৰ মতে আদিত্য মৰিল বুলিয়েই ধৰি ললে আৰু দ্বিতীয় বাৰ তাই কেতিয়াওঁ বিয়াত নবহে বুলি স্পষ্টকে জনাই দিলে।

অনিমাই অশেষ কষ্ট পায়ো কিন্তু জীৱনৰ ওচৰত হাৰ নামানিলে। তাই দৃঢ় মনোবল গোটাই ওচৰৰে স্কুল এখনত শিক্ষকতা বৃত্তিত জইন কৰিলে? আজি তাই সমাজত এগৰাকী সন্মানীয় ব্যক্তি হিচাপে পৰিচিত। কিন্তু জীয়েকৰ এই অৱস্থাৰ দায়ী বৰুৱাই নিজক কেতিয়াওঁ ক্ষমা কৰিব নোৱাৰিলে আৰু হয়তো নোৱাৰিবওঁ। গভীৰ দুখত বিকাশ বৰুৱাৰ দুচকুৰ পৰা ধাৰাসাৰে চকুলো বাগৰি আহিল।

◆◆



# পুনৰ মিলন

✍ জোনমণী বড়া
প্ৰাক্তন ছাত্ৰী

সন্ধিয়া হ'বৰ হ'ল। বেলিটোও লাহে লাহে মাৰ যাবলৈ ধৰিলে। প্ৰজ্ঞাইও এই সময়ছোৱা বৰ ভাল পায় । কাৰণ তাই এই সময়ছোৱাত চোতালত বহি আকাশত ওলোৱা তৰাবোৰলৈ চাই খুউব ভাল পায়। যিহেতু আকাশত ওলোৱা তৰাবোৰে তিৰবিৰাই যেন তাইলৈ চাই হাঁহি থাকে আৰু তাইও তৰাবোৰলৈ চাই চাই বহু কথা ভাবি থাকে। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে প্ৰজ্ঞাও পৰিৱৰ্তন হ'বলৈ ধৰিলে। তাইৰ মাক-দেউতাক আৰু এজন ককায়েক আছিল। ককায়েকে এতিয়া বিয়া কৰাইছে। কিন্তু বৌয়েকৰ লগত প্ৰজ্ঞাৰ মাথো অকণো নিমিলে।

